UG S1-08 (IDC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ্ এন.ই. পি. ২০২০ অনুসৰি)

প্ৰথম ষান্মাসিক

ভাৰতীয় ইতিহাসৰ পৰিচয়



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° পাৰমিতা দাস, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী শর্মা, সহযোগী অধ্যাপিকা, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড°প্রীতি সলিলা ৰাজখোৱা, সহকাৰী অধ্যাপক (ইতিহাস), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,১০,১২	ড°প্রীতি সলিলা ৰাজখোৱা, কৃ.কা.স.ৰা.মু.বি.	ড° পংকজ বৰা
২,৩	প্রদ্যুম্ন শর্মা, নলবাৰী মহাবিদ্যালয	কিশোৰ কুমাৰ কলিতা আৰু
৪,৬,৭,৮,৯	ড° গার্গী শর্মা, বিশ্বজ্যোতি দেৱ মহন্ত,	ড° মেঘনা চৌধুৰী
১০,১১,১২	প্রাগজ্যোতিষ মহাবিদ্যালয়	
৫	ড° গার্গী শর্মা, প্রাগজ্যোতিষ মহাবিদ্যালয়	
১১	ড° মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	

সম্পাদনাঃ

মূল ইংৰাজী বিষয়বস্তু সম্পাদনাঃ ড° পাৰমিতা দাস, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী চৌধুৰী, মুক্ত আৰু দূ�ৱৱর্তী শিক্ষা প্রতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ ড° নিভাৰাণী ফুকন, সহযোগী অধ্যাপিকা (অসমীয়া) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° প্রীতি সলিলা ৰাজখোৱা,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়ে�ৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব। *কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

অধ্যায় ১ঃ **ইতিহাসৰ পৰিচয়**

ইতিহাসৰ অর্থ আৰু পৰিসৰ,অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সম্বন্ধ

অধ্যায় ২ঃ **প্রাচীন ভাৰতৰ সমলসমূহ**

সাহিত্যসমল, প্রত্নতাত্বিকসমল আ ৰু বৈদেশিকসমল

অধ্যায় ৩ঃ **প্রাচীন ভাৰতৰ সভ্যতাসমূহ**

হৰপ্পা সভ্যতা, বৈদিক সভ্যতা

অধ্যায় ৪ঃ **মধ্যযুগৰ ভাৰত ৰ ৰাজনৈতিক বিকাশ**

দিল্লীৰ চুলতানসকল, মোগলসকলৰ আগমণ, দ্বিতীয় আফগানসকল

অধ্যায় ৫ঃ **মধ্যযুগৰ ভাৰত ৰ সমাজ, অর্থনীতি, ধর্ম আৰু সংস্কৃতি**

মধ্যযুগত ভাৰত ৰ সমাজ, অর্থনীতি, ধর্ম ,সংস্কৃতি

অধ্যায় ৬ঃ **ভাৰত ত বৃটিছ শাসন**

ভাৰতলৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমণ, ভাৰতত কোম্পানীৰ শাসন প্রৱর্তন ঔপনিৱেশিক অর্থনীতি, ১৮৫৭ চনৰ বিদ্রোহ

অধ্যায় ৭ঃ **সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলন**

ব্রাহ্ম সমাজ, প্রার্থনা সমাজ ,আর্য সমাজ, ৰামকৃষ্ণ মিছন, থিয়ছোফিকেল চোছাইটি, আলিগড আন্দোলন

অধ্যায় ৮ঃ **জাতীয়তাবাদৰ উত্থান আৰু ভাৰতীয় জাতীয় কংগ্রেছৰ গঠন**

বিভিন্ন ৰাজনৈতিক সংগঠনৰ গঠন, ভাৰতীয় জাতীয় কংগ্রেছৰ গঠন, কৃষক আৰু জনজাতীয় আন্দোলন

অধ্যায় ৯ঃ **ভাৰতীয় জাতীয় আন্দোলন ১৯১৬ চনলৈ**

বংগ বিবাজন আৰু স্বদেশী আন্দোলন, সাম্প্রদায়িক ভাবধাৰাৰ উত্থান

অধ্যায় ১০ঃ **ভাৰতীয় জাতীয় আন্দোলন ১৯১৬ চনৰ পৰা ১৯৩৯ চনলৈ**

মহাত্মা গান্ধীৰ উত্থান আৰু গান্ধীবাদী আন্দোলনৰ প্রকৃতি, অসহযোগ আন্দোলন আইন অমান্য আন্দোলন আৰু ভাৰত চৰকাৰ আইন ১৯৩৫

অধ্যায় ১১ঃ **ভাৰতীয় জাতীয় আন্দোলন ১৯৩৯ চনৰ পৰা ১৯৪৭ চনলৈ**

আগষ্ট প্রস্তাৱ, ভাৰত ত্যাগ আন্দোলন, সুভাষ চন্দ্র বসু আৰু আজাদ হিন্দ্ ফৌজ

অধ্যায় ১২ঃ **বিভাজন আৰু ক্ষমতাৰ হস্তান্তৰ**

যুদ্ধোত্তৰ পৰিস্থিতি, কেবিনেট মিছন আঁচনি, সাম্প্রদায়িক ৰাজনীতি, ভাৰতৰ স্বাধীনতা আইন ১৯৪৭ চন

পাঠ্যবিষয়ৰ পৰিচয়ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ চাৰিবছৰীয়া স্নাতক পাঠ্যক্রমৰ অন্তর্গত ইতিহাস **(IDC)** বিষয়ৰ প্রথমটো পাঠ্যবিষয় হৈছে 'ভাৰতীয় ইতিহাসৰ পৰিচয়'। এই পাঠ্যবিষয়টোত মুঠ বাৰটা অধ্যায় আছে।

এই পাঠ্যবিষয়ৰ প্রথম অধ্যায়টি হ'ল — *ইতিহাসৰপৰিচয়*। এই অধ্যায়টোত ইতিহাসৰ অর্থ, পৰিসৰ আৰু সমাজ বিজ্ঞানৰ আন বিষয়বিলাকৰ সৈতে ইতিহাসৰ সম্পর্কৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টি হ'ল *প্রাচীন ভাৰতৰ সমলসমূহ*। এই অধ্যায়টোত প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ বাবে উপলব্ধ বিভিন্ন সমলৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টি হ'ল প্রাচীন ভাৰতৰ সভ্যতাসমূহ। এই অধ্যায়টোত প্রাচীন ভাৰতৰ সভ্যতা- সিন্ধু উপত্যকাৰ সভ্যতা আৰু বৈদিক সভ্যতাৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়টি হ'ল *মধ্যযুগৰ ভাৰতৰ ৰাজনৈতিক বিকাশ*। এই অধ্যায়টোত মধ্যযুগৰ ভাৰতৰ ৰাজনৈতিক বিকাশৰ বিষয়ে আলোচনা কৰা হৈছে। দিল্লী চুলতানসকলৰ সাম্রাজ্য প্রতিষ্ঠা, মোগলসকলৰ আগমণ আৰু শ্বেৰশাহৰ দ্বিতীয় আফগান সাম্রাজ্য প্রতিষ্ঠাৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টি হ'ল *মধ্যযুগৰ ভাৰতৰ সমাজ, অর্থনাতি, ধর্ম আৰু সংস্কৃতি।* এই অধ্যায়টোত মধ্যযুগৰ ভাৰতৰ সমাজ, অর্থনাতি, ধর্ম আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়টি হ'ল *ভাৰতত বৃটিছ শাসন* । এই অধ্যায়টোত ভাৰতত বৃটিছ সকল ৰ শাসন স্থাপনৰ বিষয়ে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়টি হ'ল সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলন। এই অধ্যায়টোত ভাৰতত পশ্চিমীয়া শিক্ষাৰ সম্প্রসাৰণ আৰু বৃত্তিধাৰী শ্রেণী আৰু বুদ্ধিজীৱিৰ উত্থান সম্পর্কে আৰু বিভিন্ন সামাজিক আৰু ধর্মীয় আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

অষ্টমৰ পৰা দ্বাদশ অধ্যায়লৈ ইতিহাসৰ বিভিন্ন পর্য্যায়ত ভাৰতীয় জাতীয় আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'সম্ভাব্য প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ইতিহাসৰ পৰিচয়

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ইতিহাসৰ অর্থ আৰু পৰিসৰ

১.৪ অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সম্বন্ধ

১.৪.১ ইতিহাস আৰু ভূগোল

১.৪.২ ইতিহাস অৰু সমাজ তত্ব

১.৪.৩ ইতিহাস অৰু নৃতত্ব

১.৪.৪ ইতিহাস অৰু অর্থনীতি

১.৪.৫ ইতিহাস অৰু ৰাজনীতি বিজ্ঞান

১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলো

১.৬ প্রসংগ পুথি

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—


- ইতিহাসৰ অর্থ সম্পর্কে জানিব পৰিব,
- ইতিহাসৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পৰিব,
- অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

আমি অধ্যয়ন কৰা বিভিন্ন বিষয় বিলাকৰ ভিতৰত ইতিহাস এটা পুৰণি বিষয়। ই. এইচ. কাৰৰ মতে " ইতিহাস হৈছে অতীত আৰু বর্তমানৰ মাজৰ পৰিসমাপ্তি নঘটা এক কঠোপকঠন"। বর্ত্তমান সময়ত ইতিহাস কিছুমান ঘটনা-পৰিঘটনাৰ আনুক্রমিক বিৱৰণক বুজাই আৰু ই নিতান্তই মানৱ জাতিৰ অতীতৰ লগত জড়িত। সাধাৰণতে ইতিহাস বুলিলে আমাৰ অতীতৰ অধ্যয়ক বজায় । ইতিহাস আমাৰ সমাজৰ এটা মাত্র নিদিষ্ট দিশতেই আৱদ্ধ হৈ নাথাকে। ই মানৱ জাতিৰ সকলো দিশকেই সামৰি লয় । সেয়েহে ৰাজনীতি, সমাজ,সংস্কৃতি, ধর্ম, অর্থনীতি আদি যি দিশেই নহওঁক ইয়াৰ পৰিসৰৰ অন্তর্গত। এই অধ্যায়টোত আমি ইতিহাসৰ অর্থ, পৰিসৰ আৰু অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ আলোচনা কৰিম।

১.৩ ইতিহাসৰ অর্থ আৰু পৰিসৰ

ইতিহাস মানে কি? ইংৰাজী ভাষাৰ 'History' শব্দটো গ্রীক 'Historia' শব্দৰ পৰা আহিছে আৰু ইয়াৰ অর্থ হৈছে অনুসন্ধান (Inquiry) বা এই অর্থত আমি অনুসন্ধানৰ জৰিয়তে আহৰণ কৰা জ্ঞান বুলি ক'ব পাৰো। গ্রীক ঐতিহাসিক হিৰো'ডটাছে পোন প্রথমে আধুনিক দিশেৰে ইতিহাস অধ্যয়ণ কৰিছিল আৰু সেয়ে তেওঁক ইতিহাসৰ পিতৃ বুলি কোৱা হয়। ইতিহাস হৈছে মানুহৰ অতীতৰ কার্য্য, ঘটনা - পৰিঘটনাৰ অধ্যয়ন। বেছিভাগ সময়তেই ইতিহাসক যদিও সমাজ বিজ্ঞানৰ অন্তভূক্ত কৰি অধ্যয়ন কৰা হয়, বহু সময়ত অৱশ্যে ইয়াক সাহিত্য আৰু সমাজ বিজ্ঞান দুয়োটাৰে কর্ম পদ্ধতি গ্রহণ কৰি ইতিহাসক এই দুয়োটাৰ বহুল পৰিসৰৰ মাজতো ৰাখিব পাৰি। পুর্বতে শাসক বর্গৰ অনুক্রমিক অধ্যয়নতেই ইতিহাসৰ বিষয় বস্তু সীমিত আছিল । কুৰি শতিকাত বিশিষ্ট ফৰাচী ঐতিহাসিক ফাৰ্নান্দ ব্রডেলে (Furnand Bradel) বিশ্ব ইতিহাস অধ্যয়নৰ ক্ষেত্রত অনান্য বিষয় সমূহ যেনে অর্থনীতি, নৃতত্ব, আৰু ভূগোলৰ ব্যৱহাৰৰ জৰিয়তে ইতিহাস অধ্যয়নৰ ক্ষেত্রত এক বৈপ্লৱিক পৰিবর্ত্তনৰ সূচনা কৰিলে। বর্ত্তমান সময়ত ইতিহাসৰ পৰিসৰ তলৰ চিত্রটোৰ জৰিয়তে বুজিব পাৰিম ।



জানি থোৱা ভাল



ফাৰনান্দ ব্রডলে (Furnand Brudel and Annales School) আৰু এনাল অধ্যয়ন ঃ

এনাল অধ্যয়ন হৈছে (Annales School) কেইজনমান ফৰাচী ঐতিহাসিকে কুৰি শতিকাত সামাজিক ইতিহাস অধ্যয়নৰ বাবে বিকাশ ঘটোৱা এটা অধ্যয়ন পাদ্ধতি (HistorioÅraphy) তেওঁলোকৰ এখন বিখ্যত আলোচনৰ আধাৰত এই অধ্যয়ন পদ্ধতিৰ নাম 'এনাল স্কুল' ৰখা হয়। ফৰাচী ঐতিহাসিক ফাৰনান্দ ব্রডেল (Furnand Bradel) এই এনাল স্কুলৰ এজন গুৰি ধৰোতা । তেওঁৰ কর্মৰাজীৰ ভিতৰত *The Mediterranear Civilisation and Capitalism* আৰু *Identity of Frace* বিশেষ উল্লেখনীয় । ইতিহাস লিখাৰ ক্ষেত্রত আর্থ সামাজিক উপাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা মহান আধুনিক ঐতিহাসিক সকলৰ ভিতৰত ব্রডেল হ'ল অন্যতম।

১.৪ অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সম্বন্ধ

আপোনালোকে ইতিমধ্যে ইতিহাসৰ অর্থ আৰু পৰিসৰৰ বিষয়ে জানিব পাৰিলে, এতিয়া আমি সমাজ বিজ্ঞানৰ অনান্য বিষয়সমূহৰ সৈতে ইতিহাসৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰিম।

চিত্র ১.১ ঃ



ওপৰৰ চিত্রটিত ইতিহাসৰ অনন্য সমাজ বিজ্ঞানৰ লগত সম্বন্ধ দেখুওৱা হৈছে।

১.৪.১ ইতিহাস আৰু ভূগোল

ইতিহাস আৰু ভূগোলৰ মাজত এক ওচৰ সম্পর্ক পৰিলক্ষিত হয়। ইতিহাসৰ বিস্তৃত পৰিসৰে মানৱ অভিজ্ঞতাক পৰিবেষ্টিত কৰি ৰাখিছে। ভূগোলৰ পৰিসৰ এই ক্ষেত্রত সীমিত বা মানুহৰ সৈতে প্রকৃতিৰ বা বাহ্যিক পৰিবেশৰ সমন্ধ স্থাপন বা আদান - প্রদানতেই সীমাবদ্ধ। ভূগোল আৰু ইতিহাস বিষয় দুটাই এটা নিদিষ্ট প্রস্থৰ দুটা মৌলিক দিশ পর্যবেক্ষন কৰে । অন্যহাতে ভূগোল স্থানৰ দিশৰ পৰা মানৱ অভিজ্ঞতা পর্য্যবেক্ষন কৰে । গতিকে দেখা যায় দুয়োটা বিষয়েই এটাই সময় আৰু আনটোৰে স্থানৰ বিচাৰৰ দ্বাৰা সীমাবদ্ধ। এই দুয়োটা দিশৰ এটাই আনটোক সদায় প্রভাবিত কৰে। ভূগোলৰ মূল ধাৰণা সমুহ যেনে - অঞ্চল (Region) স্থান (Place) অৱস্থিতি (Location) আদিৰ ইতিহাসৰ মূল ধাৰণা যেনে- ঘটনা পৰিঘটনা (Events), কাল - দৈর্ঘ্য (Period), সময় (Time) আদিৰ লগত পৃথক কৰিব নোৱাৰা সম্পর্ক আছে । মুঠতে ইতিহাস আৰু ভূগোলৰ অধ্যয়নৰ জৰিয়তে সময, স্থান আৰু ঘটনা-পৰিঘটনাবোৰ কেনেদৰে এটাৰ দ্বাৰা আনটো প্রভাম্বিত হয় তাক বুজিব পাৰি।

১.৪.২ ইতিহাস আৰু সমাজতত্ব

ইতিহাস আৰু সমাজতত্বৰ মাজত এক ওচৰ সম্পর্ক পৰিলক্ষিত হয়। দুয়োটা বিষয়েই মানুহ আৰু সমাজ বা সামাজিক জীৱ হিচাপে মানুহৰ অধ্যয়ন কৰে। অৱশ্যে

এইক্ষেত্রত দৃষ্টিভংগীৰ পার্থক্য পৰিলক্ষিত হয়। ইতিহাস আৰু সমাজতত্ব এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি । অধ্যাপক জি. ই. হাৱার্ড (G.E. Howard) য়ে কৈছে যে 'ইতিহাস হ'ল মুলত অতীতৰ সমাজতত্ব আৰু সামজতত্ব হ'ল বর্ত্তমানৰ ইতিহাস", ইতিহাস মূলত অতীতৰ ঘটনা - পৰিঘটনাৰ লগত জডিত। ইতিহাস হৈছে মানৱ জাতিৰ প্রণালীবদ্ধ অৱলোকন। সমাজতত্বই মানৱ সমাজৰ অতীতৰ ঘটনা - পৰিঘটনা আনুক্রমিক অধ্যয়নৰ বাবে ইতিহাসৰ ওপৰত নির্ভৰ কৰিব লগা হয়। অনুস্থান বা সংস্কৃতিৰ ইতিহাস অধ্যয়নে সমাজতত্ব বুজাত সহায় কৰে। অতীতৰ সমাজ আৰু কার্য্যপ্রণালী বুজিবৰ বাবে আমি ইতিহাসৰ সহায় লবই লাগিব । সমাজতত্ব মানৱ সমাজৰ ঐতিহাসিক বিৱর্ত্তনৰ অধ্যয়নৰ লগত জডিত। সমাজতত্বই ঐতিহাসিক বিশ্লেষনৰ জৰিয়তে অতীত পৰম্পৰা, জীৱন ধাৰনৰ প্রণালী, জীৱনৰ বিভিন্ন পর্য্যায়সমূহ, অতীতৰ সামাজিক অনুস্থান সমূহ আদিৰ অধ্যয়ন কৰে । সেই একেদৰে সমাজতত্বই ইতিহাস অধ্যয়নৰ ক্ষেত্রত সামাজিক পটভূমিৰ যোগান ধৰে । বর্ত্তমান সময়ত ইতিহাসক সমাজতাত্বিক দৃষ্টিকোণৰ পৰা চোৱা হয় । ইতিহাসে সত্যতাৰ যোগান ধৰে আৰু সমাজতাত্বিক সকলে ইয়াৰ ব্যখ্যা আগবঢ়াই । ঐতিহাসিক সকলে ইতিহাস লিখোতে বা বিশ্লেষণ কৰোতে সামাজিক পটভূমি জনাৰ প্রয়োজন হয় আৰু সমাজতাত্বিক সকলে এই পটভূমি দাঙি ধৰে। সমাজতত্বিক দৃষ্টিকোণেৰে সমৃদ্ধ নহলে ইতিহাসৰ অধ্যয়ন অর্থহীন । সামাজিক দৃষ্টিভংগীয়েহে ইতিহাস অধ্যয়ন সমৃদ্ধ কৰে।

চিত্র ১.২ ঃ



ওপৰৰ ছবিখনে ইতিহাসৰ সমাজৰ সৈতে সম্পর্ক দেখুওৱা হৈছে।

১.৪.৩ ইতিহাস আৰু নৃতত্ব

নৃতত্বই মানৱ জাতিৰ অতীত আৰু বর্ত্তমান দুয়োটা দিশেই অধ্যয়ন কৰে। আৰু এই ক্ষেত্রত নৃতত্বই সমাজ বিজ্ঞান, প্রানী বিজ্ঞান বা প্রকৃতি বিজ্ঞান আদি সকলোৰে জ্ঞানৰ ওপৰত নির্ভৰশীল । নৃতত্বই মানুহ কেনেদৰে এক নিদিষ্ট ঠাইত বস -বাস কৰে বা সংগঠিত হয় বা শাসন কৰে আৰু তাৰ দ্বাৰা এক অর্থপূর্ণ জীৱন নির্বাহ কৰে তাৰ বিশেষ অধ্যয়নৰ জৰিয়তে বিভিন্ন সামাজিক আৰু সাংস্কৃতিক পৰিক্রমাৰ অধ্যয়ন কৰে। উল্লেখনীয় যে সামাজিক সাংস্কৃতিক নৃতত্বই (Socio Cultural anthropology) বিভিন্ন সমাজৰ মাজত থকা সাদৃশ্য আৰু ভিন্নতাবোৰ বা সমাজখনৰ ভিতৰৰে সাদৃশ্য ভিন্নতাবোৰ

আলোচনা কৰে আৰু এই ক্ষেত্ৰত জাতি বৰ্ণ, শ্ৰেণী, লিংগ আদিৰ অধ্যয়নত প্ৰাধান্য দিয়ে।

ইতিহাস আৰু নৃতত্ব দুয়োটা বিষয়েই মানুহৰ কাৰ্য্যৰ লগত জড়িত। সামাজিক নৃতত্বই বিভিন্ন সামাজিক ঘটনা -পৰিঘটনাৰ সৃষ্টি কৰা মানৱ কৰ্মৰাজিৰ আলোচনা কৰে । ইতিহাসে এই ঘটনা -পৰিঘটনাৰ ব্যাখা আগবঢ়ায় । নৃতত্বই সভ্যতা - সংস্কৃতিৰ সৃষ্টি আৰু বিবৰ্তনৰ ক্ৰিয়া - প্ৰতিক্ৰিয়াসমূহ আলোচনা কৰে । অন্যহাতে ইতিহাসে সময় বা কালদৈৰ্ঘ্যৰ ওপৰত নিৰ্ভৰ কৰি কোনো এটা নিদিষ্ট সভ্যতা সংস্কৃতিৰ আলোচনা কৰে । সেইদৰে ইতিহাস আৰু নৃতত্বৰ মাজত এক ওচৰ সম্পৰ্ক পৰিলক্ষিত হ'য়।

১.৪.৪ ইতিহাস আৰু অৰ্থনীতি

সামাজিক জীৱ হিচাপে মানুহৰ জীৱন ধাৰণ অৰ্থনীতিয়ে সকলো সময়তে প্ৰভাবিত কৰে। বিষয় হিচাপে অৰ্থনীতিয়ে অৰ্থনৈতিক দিশ সমুহৰ অধ্যয়নৰ জৰিয়তে এটা বিনিময় অৰ্থনৈতিক ব্যৱস্থাৰ উৎপাদন, বিতৰণ আৰু ভোগকৰণৰ প্ৰক্ৰিয়াটো নিৰ্ধাৰিত কাৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো বুজি উঠাত সহায় কৰে। পৰিবৰ্ত্তনৰ লগতে মানৱ জাতিৰ বিকাশত অৰ্থনীতি এক বিশেষ ভূমিকা আছে। ইতিহাসে যিহেতু মানুহৰ অতীত বা সামাজিক পৰিবৰ্তনৰ প্ৰক্ৰিয়াটো আলোচনা কৰে গতিকে ইতিহাস আৰু অৰ্থনীতিৰ মাজত এই ক্ষেত্ৰত এক ওচৰ সম্পৰ্ক পৰিলক্ষিত হয়। মাৰ্ক্সীয় ঐতিহাসিক বস্তুবাদৰ মতে সকলো সামাজিক পৰিবৰ্তনৰে মূল কাৰক হ'ল অৰ্থনীতি। মানুহে অতীতত গ্ৰহণ কৰা অৰ্থনৈতিক ব্যৱস্থা বা নীতি বা মানুহৰ প্ৰয়োজন সমুহেই বহুসময়ত গ্ৰহণ কৰা সিদ্ধান্ত সমূহৰ মূল কাৰক । আমাৰ পূৰ্বপুৰুষ সকলৰ অৰ্থনৈতিক অৱস্থাৰ বা তেওঁলোকক প্ৰভাবিত কৰা বিভিন্ন অৰ্থনৈতিক কাৰক সমূহ অধ্যয়নৰ জৰিয়তে আমি ইতিহাসৰ বিবৰ্তন বুজিব পাৰো। বিভিন্ন সময়ৰ অৰ্থনৈতিক ব্যৱস্থা, বিভিন্ন সময়ত প্ৰচলিত মূদ্ৰা আদি ইতিহাস অধ্যয়নৰ এক বিশেষ উল্লেখনীয় সমল হিচাপে পৰিগণিত হয় ।

১.৪.৫ ইতিহাস আৰু ৰাজনীতি বিজ্ঞান

ইতিহাস আৰু ৰাজনীতি বিজ্ঞানৰ মাজত এক অতি ওচৰ সম্পৰ্ক পৰিলক্ষিত হয় । জন চিলিৰ মতে " ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাস হ'ল ফল বিহীন আৰু ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞান হ'ল শিপাবিহীন"

আমি জানো যে ইতিহাস হ'ল অতীতৰ ঘটনা-পৰিঘটনাৰ অধ্যয়ন। ৰাজনীতি বিজ্ঞানক খুউব সংক্ষিপ্ত সংজ্ঞাবদ্ধকৰণ কৰি চালেও দেখা যায় যে ৰাজনীতি বিজ্ঞানে বৰ্তমান ৰাষ্ট্ৰব্যৱস্থাৰ আলোচনা কৰাৰ লগতে ই অতীত কেনেধৰণৰ আছিল বা ইয়াৰ বিবৰ্তন প্ৰক্ৰিয়াৰো অধ্যয়ন কৰে । গতিকে ৰানীতি বিজ্ঞানে ৰাষ্ট্ৰ ব্যৱস্থাৰ অতীত অধ্যয়ন কৰিবলে যাওঁতে ইতিহাসৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয় । ইয়াৰোপৰি বিভিন্ন ৰাজনৈতিক চিন্তাধাৰা— দৰ্শন, অনুষ্ঠান বা বিপ্লব আদিৰ আলোচনাৰ ক্ষেত্ৰত ইতিহাসৰ ক্ষেত্ৰত অধ্যয়ন

অত্যন্ত প্রয়োজনীয়, কাৰণ এইবোৰ হ'ল ইতিহাস সৃষ্ট। গতিকে এইবোৰ ভালদৰে বুজিবৰ বাবে ইতিহাসৰ অধ্যয়ন বিশেষ আৱশ্যক । কাৰণ বিভিন্ন চিন্তাধাৰ- দর্শন, অনুস্থান, বিপ্লব আদিৰ সৃষ্টি, বিবর্ত্তন আদিৰ অধ্যয়নৰ জৰিয়তেহে বর্ত্তমানক বিচাৰ কৰিব পৰা যাব। প্রত্যেক ৰাজনৈতিক অনুস্থানতেই এক ঐতিহাসিক পটভূমি আছে আৰু এইবোৰে সেই প্রজন্মৰ চিন্তাধাৰা আদি প্রতিফলিত কৰে । ইতিহাস হ'ল বিভিন্ন সত্য আৰু তথ্যৰ সমষ্টি আৰু ৰাজনীতি বিজ্ঞানে এই তথ্যৰ সমৃদ্ধ হৈ ঘটনাৰ সাধৰণীকৰণ কৰে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে, সমাজ বিজ্ঞানৰ প্রতিটো বিষয়ৰ লগতে ইতিহাসৰ এক এৰাব নোৱাৰা সম্বন্ধ আছে।



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক -

প্রশ্ন নং ১ঃ গ্রীক শব্দ 'Historia' ৰ অর্থ কি ?

.....

প্রশ্ন নং ২ঃ ইতিহাস অধ্যয়নৰ ক্ষেত্রত কোনে বৈপ্লবিক সূচনা কৰিছিল ?

.....

প্রশ্ন নং ৩ঃ 'ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাস ফলবিহীন আৰু ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞান শিপাবিহীন ' কথাষাৰ কোনে কৈছিল ?

.....

প্রশ্ন নং ৪ঃ 'ইতিহাস হ'ল অতীতৰ সমাজতত্ব আৰু সমাজতত্ব হ'ল বর্ত্তমানৰ ইতিহাস' কথাষাৰ কোনে কৈছিল ?

.....

প্রশ্ন নং ৫ঃ মার্ক্সীয় ঐতিহাসিক বস্তুবাদ মতে যিকোনো সামাজিক পৰিবর্ত্তনৰ মূল কাৰক কি ?

.....



১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যায়ন কৰি আপুনি—

- ইতিহাসৰ অর্থ সম্পর্কে জানিব পাৰিলে,
- ইতিহাসৰ পৰিসৰ সম্পর্কে জ্ঞাত হল,
- অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ যেনে- ভূগোল, সমাজতত্ব, নৃতত্ব, অর্থনীতি, ৰাজনীতি বিজ্ঞান আদিৰ সৈতে ইতিহাসৰ সমন্ধ জানিব পাৰিলে।



১.৬ প্রসংগ পুথি

1. Kosambi, D.D. (2001): *The cultural Civilization of An cient India in Historical outline, Vikas Publishing House.*

2. Thapar Romila (2003): *The Penguin History of Early India, from the origins to AD 1300, Penguin Books India.*

3. Singh Upindar (2009) : *A History of Ancient and Early medieval India, from the Stone Age to the 12th Century, Pearson.*



১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ অনুসন্ধান , অনুসন্ধানৰ জৰিয়তে আহৰণ কৰা জ্ঞান।

২ নং প্রশ্নৰ উত্তৰঃ ফাৰনান্দ ব্রডেল

৩ নং প্রশ্নৰ উত্তৰঃ জন্ চিলি

৪ নং **প্রশ্নৰ উত্তৰঃ** অধ্যাপক জি.ই. হাৰার্ড

৫ নং প্রশ্নৰ উত্তৰঃ অর্থনীতি



১.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ঃ ইতিহাসৰ পিতৃ বুলি কাক জনা যায় ?

প্রশ্ন ২ঃ ইতিহাসৰ অধ্যয়নত বিপ্লৱৰ সূচনা কৰা লোকজন কোন ?

প্রশ্ন ৩ঃ হিষ্টৰিয়া (Historia) শব্দটোৰ অর্থ কি ?

প্রশ্ন ৪ঃ হিষ্টৰিয়া (Historia) শব্দটো কোন ভাষাৰ পৰা আহিছে ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ইতিহাসৰ অর্থৰ ওপৰত এটা চমু টোকা লিখক।

প্রশ্ন ২ঃ ইতিহাস আৰু নৃতত্ব মাজৰ সমন্ধৰ ওপৰত এটা চমু টোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ আলোচনা কৰক ।

প্রশ্ন ২ঃ বিষয় হিচাপে ইতিহাস অধ্যয়নৰ গুৰুত্ব সম্পর্কে বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ২ ঃ প্রাচীন ভাৰতৰ সমলসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ প্রাচীন ভাৰতৰ দেশীয় সমল

২.৩.১ দেশীয় সাহিত্য

২.৩.২ দেশীয় প্রত্নতাত্বিক সমল

২.৪ বৈদেশিক সাহিত্য সমল

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ প্রসংগ পুথি

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন ভাৰতৰ ইতিহাসৰ অধ্যয়নৰ বাবে বিভিন্ন সমলসমূহ চিহ্নিত কৰিব পাৰিব
- প্রাচীন ভাৰতৰ ইতি হাসৰ অধ্যয়নৰ দেশীয় সাহিত্যৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রাচীন ভাৰতৰ ইতিহাসৰ অধ্যয়নৰ প্রত্নতাত্বিক সমল চিহ্নিত কৰিব পাৰিব
- বৈদেশিক সমলসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব ।

২.২ পৰিচয়

এই অধ্যায়টিৰ আৰম্ভণিতে আমি প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ বাবে উপলব্ধ বিভিন্ন সমলৰ বিষয়ে আলোচনা কৰিম। সমল হ'ল ইতিহাসৰ মেৰুদণ্ড স্বৰূপ। ইতিহাস মূলতঃ সমলৰ ওপৰত নির্ভৰশীল। কিন্তু প্রাচীন ভাৰতত ইতিহাস লিখি ৰখা কোনো ধৰণৰ ব্যৱস্থা নাছিল। যি কি নহওক সময়ৰ লগে লগে ইতিহাসবিদসকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত বহুতো সমল পোহৰলৈ আহিছে। এই সমলসমূহ দেশীয় সাহিত্য, বৈদেশীক সাহিত্য, লিপি, মুদ্রা আৰু ভগ্নাৱশেষ ৰূপত উপলব্ধ হৈ আছে। বহলভাৱে দেশীয় সাহিত্য আৰু বৈদেশীক সাহিত্যক সাহিত্যগত সমল বুলি, তথা লিপি, মুদ্রা আৰু ভগ্নাৱশেষক প্রত্নতাত্ত্বিক সমল বুলি ক'ব পাৰি।

২.৩ প্রাচীন ভাৰতৰ দেশীয় সমল

আমি প্রাচীন ভাৰতৰ ইতিহাস সমলসমূহৰ সহায়ত পুনৰ গঠন কৰিব পাৰো। এই সমলসমূহ হ'ল দেশীয় সাহিত্য, বৈদেশীক সাহিত্য, লিপি, মুদ্রা আৰু ভগ্নাৱশেষ। এতিয়া আমি এই বিভিন্ন ধৰণৰ সমলসমূহৰ বিষয়ে একোটা উপ-শাখাত পৃথকে পৃথকে আলোচনা কৰিম।

২.৩.১ দেশীয় সাহিত্য

দেশীয় সাহিত্য মানে কি আপোনালোকে জানেনে? দেশীয় সাহিত্য মানে হ'ল প্রাচীন ভাৰতবর্ষৰ থলুৱা সাহিত্য। আমাৰ অধ্যয়নৰ ক্ষেত্রত ইয়াৰ দ্বাৰা ভাৰতীয় সাহিত্যৰ কথা বুজোৱা হৈছে। প্রাচীন ভাৰতীয় সাহিত্যই আমাক ভাৰতৰ ইতিহাস সম্পর্কে জ্ঞান লাভ কৰাত সহায় কৰে। ভাৰতৰ প্রাচীন সাহিত্যৰ বেছি ভাগেই ধর্মীয় বা ধর্মৰ লগত সংলগ্ন হৈ আছে। অৱশ্যে বহুতো ধর্মনিৰপেক্ষ সাহিত্যও ৰচনা কৰা হৈছিল যিয়ে আমাক প্রাচীন ভাৰতৰ ইতিহাসৰ পুনৰ নির্মাণ কৰাত এক উল্লেখযোগ্য ৰৰঙণি আগবঢ়াব পাৰে।

বেদ, উপনিষদ, পুৰাণ, মহাকাব্য, ***ধর্মশাস্ত্র***, ইত্যাদি প্রাচীন হিন্দু সাহিত্যসমূহৰ পৰা আমি প্রাচীন ভাৰতৰ এক আভাস পাওঁ। বৈদিক সাহিত্যই হৈছে প্রাচীন ভাৰতৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ সমল। *ঋক্ বেদেই* হৈছে ভাৰতৰ প্রাচীনতম সাহিত্য। ইয়াৰ পৰা আমি ভাৰতীয় আর্যসকলৰ সামাজিক তথা ধর্মীয় আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে বহুতো তথ্য লাভ কৰো। *ঋক্বেদৰ* উপৰি আন তিনিখন বেদ, যেনে— *সামবেদ*, *যজুর্বেদ* আৰু *অথর্ববেদো* সমানেই তথ্যসমৃদ্ধ। আমাৰ পূর্বপুৰুষৰ দার্শনিক চিন্তাধাৰাৰ বিষয়ে আমাক *উপনিষদসমূহে* জনায়। আপোনালোকে নিশ্চয় আমাৰ মহাকাব্য দুখন অর্থাৎ *ৰামায়ণ* আৰু *মহাভাৰতৰ* বিষয়ে শুনিছে। নহয় জানো? *ৰামায়ণ* আৰু *মহাভাৰতৰ* পৰা আমি পৰৱর্তী বৈদিক যুগৰ আর্যসকলৰ সামাজিক তথা ৰাজনৈতিক জীৱনৰ বিষয়ে জানিব পাৰো। *পুৰাণকো* গুৰুত্বপূর্ণ সাহিত্যিক সমলৰূপে বিবেচনা কৰিব পাৰি। আপোনালোকে *পুৰাণৰ* মুঠ সংখ্যা কিমান? সর্বমুঠ ১৮ খন *পুৰাণ* আছে। অৱশ্যে কেৱল *মৎস্য*, *বায়ু*, *ভৱিষ্য*,*বিষ্ণু* আৰু *ভাগৱত পুৰাণকহে* ঐতিহাসিকভাৱে গুৰুত্বপূর্ণ বুলি বিচাৰ কৰা হয়। এই *পুৰাণসমূহে* প্রাচীন ভাৰতীয় শাসকীয় বংশ যেনে- *হৰয়াংক*, *শিশুনাগ*, *নন্দ*, *মৌর্য*, আদিৰ বংশানুক্রমিক তালিকা প্রদান কৰে যিবোৰ ভাৰতৰ ইতিহাস ৰচনাত যথেষ্ট সহায়ক হৈছে।

ইয়াৰ উপৰিও বৌদ্ধ আৰু জৈন সাহিত্যসমূহো গুৰুত্বপূর্ণ সমল। ***জাতকৰ*** কাহিনীবোৰত সমসাময়িক ভাৰতবর্ষৰ সমাজৰ লক্ষণসমূহ পৰিস্ফুত হৈ আছে। বিখ্যাত বৌদ্ধ সাহিত্য *দীপবংশ* আৰু *মহাবংশ* ৰ পৰা আমি বৌদ্ধধর্মৰ ইতিহাসৰ বিষয়ে জানিব পাৰো। আন এখন গুৰুত্বপূর্ণ বৌদ্ধ সাহিত্য হ'ল *মিলিন্দপান্হ*। *কল্পসূত্র*, *ভগৱতী সূত্র*, *পৰিশিষ্ট পার্বণ*, ইত্যাদি হ'ল জৈনধর্মৰ লগত জড়িত পুৰণি ৰচনাৱলী। *ভগৱতী*



ধর্মশাস্ত্র ঃ ধর্মশাস্ত্র হৈছে প্রাচীন ভাৰতৰ বিধি সম্পর্কীয় গ্রন্থ।



জাতক ঃ জাতকত বুদ্ধৰ বিভিন্ন জন্মৰ কাহিনীবোৰ বর্ণনা কৰা হৈছে।

তীর্থাংকৰ ঃ জৈন ধর্ম গুৰুসকলক তীর্থাংকৰ বুলি কোৱা হয়।

সূত্রৰ পৰাই আমি খ্ৰীঃপূঃ ষষ্ঠ শতিকাত উত্তৰ ভাৰতত উদ্ভৱ হোৱা ষোল্লখন ৰাজ্যৰ (*ষোড়শ মহাজনপদ*) নামৰ বিষয়ে জানিব পাৰিছো। ভদ্রবাহুৰ দ্বাৰা ৰচিত *কল্পসূত্রত* মহাবীৰৰ উপৰি আন আন জৈন ***তীর্থাংকৰৰ*** বিষয়ে আলোচনা কৰা হৈছে। হেমচন্দ্র বিৰচিত *পৰিশিষ্ট পার্বনৰ* পৰা আমি মৌর্য যুগৰ বিষয়ে বিভিন্ন তথ্য লাভ কৰো।

ধর্মীয় সাহিত্যবোৰৰ উপৰি প্রাচীন ভাৰতত কিছুমান ধর্ম নিৰপেক্ষ সাহিত্যও ৰচনা কৰা হৈছিল। এই ৰচনাসমূহৰ ভিতৰত উল্লেখনীয় আছিল পাণিনিৰ *অষ্টাধ্যায়ী*, কৌটিল্যৰ *অর্থশাস্ত্র*, পতঞ্জলিৰ *মহাভাস্য*, শূদ্রকৰ *মৃচ্ছকটিকম*, কালিদাসৰ *অভিজ্ঞানশকুন্তলম*, *ৰঘুবংশম*, *কুমাৰ সম্ভবম্* আৰু *মালৰিকাঅগ্নিমিত্রম*, ভাষৰ *স্বপ্নবাসবদত্তম*,বিচাখাদত্তৰ *মুদ্রা ৰাক্ষস* আৰু *দেৱীচন্দ্রগুপ্তম* আদি। এই সাহিত্যসমূহে সমসাময়িক ভাৰতবর্ষৰ সামাজিক, ৰাজনৈতিক আর্থিক আৰু ধর্মীয় জীৱনধাৰাৰ বিষয়ে গুৰুত্বপূর্ণ তথ্য প্রদান কৰে।

প্রাচীন ভাৰতত বিজ্ঞানৰ ওপৰত ভিত্তি কৰিও কিছু সাহিত্য ৰচনা কৰা হৈছিল। এই ক্ষেত্রত আমি খুবেই সৌভাগ্যশালী কিয়নো এই সাহিত্যবোৰে আমাক সেই সময়ৰ বৈজ্ঞানিক কার্যকলাপৰ আভাস দিছে। এই সাহিত্যবোৰৰ পৰা আমি এইটো গম পাওঁ যে আজিৰ পৰা হাজাৰ হাজাৰ বছৰ আগতে ভাৰতবর্ষ জ্যোতিষশাস্ত্র, অংকশাস্ত্র তথা চিকিৎসাশাস্ত্রৰ ক্ষেত্রখনত বহু আগৰণুৱা আছিল। ৰাহ মিহিৰৰ *পঞ্চসিদ্ধান্তক* ভাৰতীয় জ্যোতিষশাস্ত্রৰ পবিত্র গ্রন্থ বুলি ধৰিব পাৰি। আর্যভট্টই ৰচনা কৰিছিল *আর্যস্তত*, *আর্যভট্টীয়*, *দশগীতিক সূত্র*, ইত্যাদি উল্লেখযোগ্য জ্যোতিষশাস্ত্র বিষয়ক গ্রন্থ। চৰকৰ *চৰক সংহিতা* চিকিৎসাশাস্ত্রৰ এক লেখত ল'ৰলগীয়া গ্রন্থ। এই গ্রন্থসমূহ যদিও বিজ্ঞানৰ বিভিন্ন শাখাৰ লগত জড়িত তথাপিও এই সাহিত্যসমূহে আমাৰ ঐতিহাসিক জ্ঞানৰ ক্ষেত্রত বহু অৰিহণা যোগাইছে।

জানি থোৱা ভাল



আর্যভট্ট প্রাচীন ভাৰতৰ সবাতোকৈ বিখ্যাত জ্যোতিশাস্ত্রবিদ আছিল। জ্যোতিষশাস্ত্রক অংকশাস্ত্রৰ লগত যুক্ত কৰি আর্যভট্টই ভাৰতীয় জ্যোতিষশাস্ত্রৰ অধ্যয়নৰ ক্ষেত্রত এক নতুন যুগৰ সূচনা কৰিছিল। পৃথিৱী সূর্যৰ চাৰিওফালে পৰিভ্রমণ কৰে বুলি ঘোষণা কৰা তেওঁ আছিল প্রথম ভাৰতীয় জ্যোতিষশাস্ত্রবিদ। তেওঁ চন্দ্রগ্রহণৰ বাবেও বৈজ্ঞানিক বিশ্লেষণ আগবঢ়াইছিল। আকৌ আর্যভট্টই সূর্য বর্ষত ৩৬৫ দিন থকাটো গণনা কৰি উলিয়াইছিল। জ্যোতিষশাস্ত্রলৈ তেওঁৰ অনবদ্য অৱদানৰ বাবে আর্যভট্টক ভাৰতৰ নিউটন বুলি আখ্যা দিয়া হৈছে।

জীৱনীসমূহো প্ৰাচীন ভাৰতীয় ইতিহাস প্ৰণয়নৰ গুৰুত্বপূৰ্ণ সমল। জীৱনীসমূহৰ সৰহসংখ্যকে ৰজাৰ বিষয়ে ৰাজকবিৰ দ্বাৰা ৰচনা কৰা হৈছিল। ৰাজকবিৰ দ্বাৰা ৰচিত হৈছিল বাবে ইয়াৰ বৰ্ণনাত সাধাৰণতে অতিৰঞ্জন দেখিবলৈ পোৱা যায়। কিন্তু এই জীৱনীসমূহ ভালদৰে চালিজাৰি চাই ইয়াৰ পৰা বহুতো ঐতিহাসিক তথ্য লাভ কৰিব পাৰো। জীৱনীসমূহৰ ভিতৰত বানভট্টৰ *হৰ্ষচৰিত*, বিলহনৰ *বিক্ৰমাংকদেৱচৰিত*, বাকপতিৰাজৰ *গৌড়বাহো*, সন্ধ্যাকৰ নন্দীৰ *ৰামচৰিত*, ইত্যাদি উল্লেখযোগ্য।


দেশৰ বিভিন্ন প্ৰান্তত ৰচনা কৰা স্থানীয় ইতিহাসসমূহৰ গুৰুত্বও আমি নুই কৰিব নোৱাৰো। এই স্থানীয় ইতিহাসসমূহো সমানেই গুৰুত্বপূৰ্ণ। স্থানীয় ইতিহাস সম্পৰ্কীয় গ্ৰন্থৰ ভিতৰত কলহনৰ দ্বাৰা ৰচিত কাশ্মীৰৰ ইতিহাস, *ৰাজতৰংগিনী*ৰ স্থান আটাইতকৈ ওপৰত। এই গ্ৰন্থখনক ভাৰতীয় সাহিত্যৰ প্ৰথম ঐতিহাসিক গ্ৰন্থ বুলি গণ্য কৰা হয়। লেখকে নিৰপেক্ষ দৃষ্টিভংগী আৰু বিজ্ঞানসন্মত মনোভাবেৰে কাশ্মীৰৰ ইতিহাস সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, প্ৰাচীন তথ্য, ৰাজশাসনাৱলীসমূহ তন্ন তন্নকৈ পৰীক্ষা কৰিহে এই গ্ৰন্থ প্ৰণয়ন কৰিছে। *ৰাজতৰংগিনীৰ* প্ৰভাৰ কাশ্মীৰৰ ভৱিষ্যতৰ ইতিহাসবিদসকলৰ ওপৰত পৰিছিল আৰু এই ৰচনা অনুকৰণ কৰি কাশ্মীৰত আৰু কিছুমান প্ৰাচীন ইতিবৃত্ত ৰচনা কৰা হৈছিল।

দাক্ষিণাত্যৰ *সংগম* সাহিত্যসমূহো প্ৰাচীন ভাৰতৰ ইতিহাসৰ বাবে মূল্যবান সমল। তামিল কবিৰ দ্বাৰা *সংগম* সাহিত্য ৰচনা কৰা হৈছিল। তামিল ভাষাত *সংগম* শব্দটোৱে কবিসকলৰ মিলনকেই সূচায়। দক্ষিণ ভাৰতৰ সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় তথা ৰাজনৈতিক অৱস্থাৰ কথা এই *সংগম* সাহিত্যসমূহৰ পৰা জনা যায়। এই গৌৰৱউজ্জল সাহিত্য কৃতিৰ *ভিতৰত মানিমেখোলয়, কুৰালা,ছিলাপ্পাদীকৰম* , ইত্যাদি হ'ল উল্লেখযোগ্য ৰচনা।

২.৩.২ দেশীয় প্ৰত্নতাত্বিক সমল

- **লিপি ঃ** আপুনি লিপি মানে কি জানেনে? লিপি হৈছে একপ্ৰকাৰ লিখনি যাক শিল, স্তম্ভ, গুহা, ইত্যাদিত খোদিত কৰা হয়। সাধাৰণতে ৰজা বা আন ৰাজবিষয়াৰ নিৰ্দেশতেই এই লিপিসমূহ খোদাই কৰা হয়। বিভিন্ন উদ্দেশ্য আগত ৰাখি ৰজাই এই লিপিসমূহ খোদিত কৰোৱায়। ইয়াৰ ভিতৰত যুদ্ধবিজয়, প্ৰশাসনীয় আদেশ, ভূমিদান, ইত্যাদি উল্লেখযোগ্য। কিছুমান লিপি ধৰ্মীয় উদ্দেশ্য আগত ৰাখি জাৰি কৰা হয়। লিপিবিলাকক *শাসনাৱলী* বুলিও কোৱা হয়।

চিত্র ২.১ ঃ স্তম্ভলিপি



উৎস ঃ *গোগোল ইমেজেছ*

ঐতিহাসিক সমল হিচাপে লিপিসমূহ বৰ গুৰুত্বপূর্ণ। লিপিসমূহৰ পৰা আমি সমসাময়িক যুগৰ ৰাজনৈতিক, প্রশাসনিক, ব্যৱসায়িক, সামাজিক তথা ধর্মীয় অৱস্থাৰ বিষয়ে বহুতো গুৰুত্বপূর্ণ তথ্য লাভ কৰিব পাৰো। কেতিয়াবা লিপিসমূহত সময় বা সিংহাসন আৰোহণ কৰা সময়ৰ বিষয়েও উল্লেখ থাকে যিয়ে পিচৰ কালৰ ইতিহাসবিদসকলক এজন শাসকৰ শাসন কালছোৱা সঠিকভাৱে নির্দ্ধাৰণ কৰোতে সহায় কৰে। শাসকৰ নীতি তথা কৃতিত্বৰ বিষয়েও লিপিসিমূহে আমাক তথ্য প্রদান কৰে। প্রচলিত ভাষাৰ ওপৰতো লিপিয়ে আলোকপাত কৰে । এই লিপিসমূহ প্রাকৃত, সংস্কৃত, তামিল, তেলেগু আদি বিভিন্ন ভাষাত লিখা হৈছিল। এই চলিত আলোচনাৰ পৰা আমি গম পালো যে লিপিয়ে বিভিন্ন ধৰণৰ তথ্য প্রদান কৰাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে । সেয়েহে ইতিহাসবিদসকলে ইতিহাস অধ্যয়নৰ ক্ষেত্রত লিপিৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰে। আন আন সমলসমূহে যোগান ধৰা তথ্যসমূহো বিশ্বাসযোগ্য বুলি গণ্য কৰা হয় যদি এই তথ্যক লিপিগত তথ্য সমর্থন কৰে।

ভাৰতীয় লিপিসমূহৰ মাজত অশোকৰ বহু সংখ্যক লিপি আছে। বৌদ্ধধর্মৰ বাণীসমূহ প্রচাৰৰ কাৰণে তেওঁ বহুতো লিপি জাৰি কৰিছিল। এই লিপিসমূহ অশোকে শিল, স্তম্ভ তথা গুহাৰ বেৰসমূহত খোদাই কৰোৱাইছিল। অশোকৰ এই লিপিসমূহে তেওঁৰ বৌদ্ধধর্মৰ প্রতি থকা অনুৰাগৰ বিষয়ে সম্ভেদ দিয়ে। এই লিপিসমূহ মৌর্য যুগৰ ইতিহাসৰ উল্লেখযোগ্য সমল।

পৰৱর্তী মৌর্য যুগৰ শাসকসকলেও আশোকৰ দৰে লিপি জাৰি কৰিছিল। এই সময়ছোৱাৰ বহুতো লিপি উদ্ধাৰ কৰা হৈছে যিয়ে আমাক গুৰুত্বপূর্ণ তথ্য প্রদান কৰে। এই ক্ষেত্রত সবাতোকৈ উল্লেখনীয় লিপি হ'ল গুপ্ত সম্রাট সমুদ্রগুপ্তৰ *এলাহাবাদ স্তম্ভলিপি*।

এই স্তম্ভলিপিৰ পৰা আমি সমুদ্রগুপ্তৰ ৰাজ্যজয়ৰ নীতিৰ বিষয়ে জানিব পাৰো। ৰজা খাৰভেলৰ *হাতী গুম্ফা লিপি*ৰ পৰা কলিংগ ৰাজ্যখনৰ ইতিহাসৰ বিষয়ে বহু তথ্য পোৱা যায়। আন এক গুৰুত্বপূৰ্ণ লিপি হ'ল চালুক্য ৰজা দ্বিতীয় পুলকেশীৰ *আইহোল স্তম্ভলিপি*। তেনেদৰে ৰুদ্রদমনৰ *জুনাগড় শিলালিপি*, স্কন্দগুপ্তৰ *ভিতৰী স্তম্ভলিপি*, ইত্যাদিও প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ ক্ষেত্রত উল্লেখযোগ্য সমল।

এই লিপিসমূহৰ উপৰিও, প্রাচীন ভাৰতৰ ৰজাসকলে জাৰি কৰা ভূমিদানমূলক অসংখ্য লিপি পোৱা যায়। এই ভূমিদান ব্যৱস্থা কি আপুনি জানেনে? প্রাচীন কালত ৰজাই ব্রাহ্মণ বা ধর্মীয় অনুষ্ঠানসমূহক ভূমিদান কৰিছিল। সেই অর্থে গোটেই কথাখিনি তামৰ ফলিত লিপিবদ্ধ কৰা হৈছিল। এই তাম্রলিপিসমূহতশাসন কৰা ৰজাজনৰ নাম, তেওঁৰ বংশ পৰিচয়, বিষয়ববীয়াসকলৰ নাম, দান কৰা ভূমিৰ বর্ণনা আৰু ভূমি অনুদান লাভ কৰা ব্যক্তি বা অনুষ্ঠানৰ বিষয়েও উল্লেখ থাকে।

- **মুদ্রা ঃ** ভাৰতৰ ইতিহাসে বিশ্বাসযোগ্য তথ্য লাভ কৰাৰ এক গুৰুত্বপূৰ্ণ সমল হ'ল মুদ্রা। প্রাচীন ভাৰতৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক অৱস্থাৰ অধ্যয়নৰ বাবে সমসাময়িক মুদ্রাসমূহ এক গুৰুত্বপূৰ্ণ প্রত্নতাত্ত্বিক সমল। বিভিন্ন ৰজাই জাৰি কৰা হাজাৰ হাজাৰ মুদ্রা ভাৰতৰ ভিন্ ভিন্ প্রান্তত পোৱা গৈছে।

  মুদ্রাৰ পৰা আমি মুদ্রা জাৰি কৰা ৰজাৰ নাম, উপাধি, ৰাজকীয় চিত্র ,আৰাধ্য দেৱ-দেৱীৰ আকৃতি তথা সঠিক চন-তাৰিখ, ইত্যাদিৰ বিষয়ে বিভিন্ন তথ্য লাভ কৰিব পাৰো। এই ধৰণৰ তথ্যৰ যোগান ধৰি মুদ্রাই শাসকসকলৰ ইতিহাস সম্পর্কে এক শুদ্ধ ধাৰণা প্রদান কৰ্ৱে উদাহৰণ স্বৰূপে মুদ্রাত থকা আৰাধ্য দেৱ-দেৱীৰ আকৃতিৰ পৰা আমি মুদ্রা জাৰি কৰা শাসকজনৰ ধর্মীয় বিশ্বাসৰ বিষয়ে জানিব পাৰো। মুদ্রাসমূহৰ পৰা নির্দিষ্ট ৰাজ্যৰ অর্থনৈতিক বিকাশৰ তথ্য আহৰণ কৰিব পাৰি। এখন ৰাজ্যত অধিক বিশুদ্ধ সোণ আৰু ৰূপৰ মুদ্রা প্রচলন থকা কথাই ৰাজ্যখনৰ অর্থনৈতিক প্রাচুর্যৰ ইংগিত বহন কৰে। সেয়েহে ইতিহাসবিদ ৰমেশ চন্দ্র মজুমদাৰে উচিত ভাৱে কৈছিল যে "এখন দেশৰ অর্থনৈতিক অৱস্থাৰ বিষয়ে অধ্যয়ন কৰোতে মুদ্রা অধ্যয়নৰ গুৰুত্বক বহুল ভাৱে বিবেচনা কৰিব লাগে।" তদুপৰি মুদ্রাসমূহৰ কলাসুলভ কাৰুকার্য, আকাৰ আৰু প্রকাৰে এক নির্দিষ্ট কালৰ ধর্ম তথা কলাৰ দিশত হোৱা অগ্রগতিৰ বিষয়ে আভাস দিয়ে। খ্রীষ্টীয় প্রথম শতিকাৰ কিছু সংখ্যক ৰোমান মুদ্রা দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত উদ্ধাৰ হৈছিল। ই নিঃসন্দেহে ভাৰত আৰু পুৰণি ৰোমান সাম্রাজ্যৰ মাজত প্রচলিত ৰেহা-ৰেপাৰৰ কথাকেই সূচায়।

চিত্র ২.২ ঃ গুপ্তসকলৰ মুদ্রা



উৎস ঃ *গোগোল ইমেজেছ*

- **ভগ্নাৱশেষ ঃ** ভাৰতত বহুতো প্রত্নতাত্ত্বিক অৱশেষ আছে। ইয়াত অন্তর্ভুক্ত হৈ আছে কৃতিচিহ্ন আৰু ভাস্কর্যসমূহ। ভাৰতৰ বিভিন্ন প্রান্তত সিঁচৰিত হৈ থকা স্থাপত্য, ভাস্কর্যকে আদি কৰি বিভিন্ন কীর্তিচিহ্নসমূহে প্রাচীন ভাৰতৰ সাংস্কৃতিক ইতিহাস ৰচনাৰ ক্ষেত্রত প্রভূত ৰৰঙণি আগবঢ়াইছে। কৃতিচিহ্নসমূহৰ অন্তর্ভুক্ত হৈ আছে ঐতিহাসিকভাৱে গুৰুত্বপূর্ণ প্রাচীন ৰাজপ্রাসাদ, মন্দিৰ, ***বিহাৰ, স্তূপ,*** বিভিন্ন দেৱ-দেৱীৰ মূর্ত্তী ইত্যাদি।

  হৰপ্পা বা সিন্ধু উপত্যকাৰ প্রত্নতাত্ত্বিক অৱশেষ হ'ল প্রাচীন ভাৰতৰ ইতিহাসৰ সবাতোকৈ পুৰণি কৃতিচিহ্নমূলক সমল। সিন্ধু উপত্যকাৰ ধ্বংসাৱশেষৰ অৱস্থিতিয়ে আমাক জনায় যে আর্য সভ্যতাৰ পূর্বতে ভাৰতত এক উন্নত সভ্যতা আছিল। এই প্রাচীন স্থাপত্য আৰু ভাস্কর্যই আমাক আমাৰ পূর্বপুৰুষসকলৰ শিল্পবিদ্যাৰ ক্রমবিকাশ আৰু সাংস্কৃতিক উন্নতিৰ বিষয়ে জনাত সহায় কৰে। একেদৰে কৃতিচিহ্নসমূহৰ অধ্যয়নৰ পৰা আমি প্রাচীন ভাৰতৰ কলাৰ বিভিন্ন ধাৰাৰ, ইয়াৰ বিকাশ লগতে ইয়াৰ ওপৰত পৰা বিদেশী প্রভাৱৰ বিষয়ও অবগত কৰায়।

২.৪. বৈদেশিক সাহিত্য সমল

ভাৰত সম্বন্ধীয় বহুতো বৈদেশিক সাহিত্য সমল পোৱা যায়। বৈদেশিক সাহিত্যৰ অন্তর্ভুক্ত হয় বিদেশীসকলৰ লিখনী যি সকলৰ কিছু সংখ্যক বিভিন্ন উদ্দেশ্য লৈ ভাৰতলৈ আহিছিল আৰু এই দেশ ভ্রমণৰ ওপৰত টোকা লিখিছিল। তেওঁলোকৰ ভ্রমণ কাহিনী ভাৰতৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ সমল। ইতিহাসবিদ হিৰ'ড'টাছ আৰু তাৰানাথে কেতিয়াও ভাৰত ভ্রমণ কৰা নাছিল, কিন্তু আনৰ সমলৰ পৰা তথ্য সংগ্রহ কৰি ভাৰতৰ বিষয়ে লিখিছিল। হিৰ'ডটাছ গ্রীচৰ এজন ইতিহাসবিদ আছিল। ইতিহাস লিখাৰ ক্ষেত্রত আগৰণুৱা হোৱাৰ বাবে হিৰ'ডটাছক ইতিহাসৰ পিতৃ বুলি গণ্য কৰা

হয়। তাৰানাথ আছিল এজন তিব্বতীয় ইতিহাসবিদ। তাৰানাথে ৰচিত *দুলভা* আৰু *তেঙ্‌য়ুৰ*নামৰ গ্ৰন্থ দুখন বৌদ্ধধৰ্মৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ সমল।

বিদেশী লেখকসকলৰ ভিতৰত গ্ৰীকসকলেই প্ৰথমে ভাৰতলৈ আহিছিল। গ্ৰীক বীৰ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণে গ্ৰীক-ভাৰত সম্পৰ্কৰ এক নতুন যুগৰ সূচনা কৰিছিল। আলেকজেণ্ডাৰৰ সৈতে কিছুসংখ্যক গ্ৰীক ইতিহাসবিদ নিয়াৰকাছ, অ'নেছিক্ৰিটাছ, আদি ভাৰতলৈ আহিছিল। এই ইতিহাসবিদসকলৰ লিখনিৰ পৰা আমি আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ উপৰি ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তৰ বিষয়ে ভালেখিনি তথ্য লাভ কৰিব পাৰিছো। অৱশ্যে ভাৰতলৈ আগমন ঘটা গ্ৰীক ইতিহাসবিদ সকলৰ ভিতৰত প্ৰথমেই আমি নাম ল'ব লাগিব মেগাস্থেনেছৰ। গ্ৰীক সেনাপতি চেলুকছৰ কটকী হিচাপে মেগাস্থেনেছ মৌৰ্য সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজত্বকালত পাটলিপুত্ৰলৈ আহিছিল। তেওঁৰ ভাৰত ভ্ৰমণ সম্পৰ্কীয় গ্ৰন্থ *ইণ্ডিকা*, ঐতিহাসিকভাৱে বহু মূল্যবান আৰু প্ৰাচীন ভাৰতৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ সমল। ইয়াৰ উপৰি ট'লেমীৰ *জিওগ্ৰাফী*, প্লিনিৰ *নেচাৰেল হিষ্ট্ৰি*, ইত্যাদি উল্লেখযোগ্য লিখনী। ইয়াৰ উপৰি অজ্ঞাত লেখকৰ দ্বাৰা ৰচিত *পেৰিপ্লাছ অফ দ্য এৰিথ্ৰিয়ান চি* নামৰ গ্ৰন্থখনত প্ৰথম শতিকাৰ সময়ৰ ভাৰতৰ বিভিন্ন বন্দৰ, পোতাশ্ৰয় আৰু বাণিজ্যিক জীৱনৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

চীনা পৰিব্ৰাজকসকলেও মূলতঃ বুদ্ধৰ জন্মস্থান ভাৰতত বৌদ্ধধৰ্মৰ চৰ্চা কৰিবলৈ আহিছিল। গুপ্ত সম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্তৰ দিনত চীনা পৰিব্ৰাজক ফাহিয়েন ভাৰতলৈ আহিছিল। ফাহিয়েনে ভাৰতত প্ৰায় পোন্ধৰ বছৰ কাল অতিবাহিত কৰিছিল। তেওঁ তেওঁৰ ভাৰত ভ্ৰমণৰ এক বিস্তৃত বিৱৰণ এৰি থৈ গৈছে। আন এগৰাকী চীনা পৰিব্ৰাজক হ'ল ইৎচিং। ভাৰতৰ বৌদ্ধধৰ্মৰ বিষয়ে তেওঁ ভালেমান গ্ৰন্থ ৰচনা কৰিছিল। ভাৰতলৈ অহা চীনা পৰিব্ৰাজকসকলৰ ভিতৰত হিউৱেন-চাঙৰ নাম আটাইতকৈ উল্লেখযোগ্য। হৰ্ষবৰ্ধনৰ ৰাজত্বকালত হিউৱেন-চাং ভাৰতলৈ আহিছিল। তেওঁ ভাৰতৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল আৰু তেওঁৰ ভাৰত ভ্ৰমণ কাহিনী *চি-ইউ-কী*ত সমকালীন ভাৰতৰ সামাজিকতথা ধৰ্মীয় বিৱৰণ পোৱা যায়। যদিও বৌদ্ধধৰ্মই তেওঁৰ লিখনিৰ কেন্দ্ৰবিন্দু আছিল তথাপি তেওঁৰ লিখনিত সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ তথ্যও পোৱা যায়।

অষ্টম শতিকাৰ পৰৱৰ্তী কালত ভাৰতলৈ অহা ইছলাম ধৰ্মাৱলম্বী ভ্ৰমণকাৰীসকলৰ টোকাৰ পৰাও প্ৰাচীন ভাৰতৰ ইতিহাস ৰচনাৰ বাবে সমল আহৰণ কৰিব পাৰি। গজনীৰ চুলতান মাহমুদে ভাৰতলৈ অভিযান চলাওঁতে আল্‌বেৰুণী তেওঁৰ লগতে ভাৰতলৈ আহিছিল। তেওঁ ৰচনা কৰা গ্ৰন্থ *তহ্‌কিক্‌-ই-হিন্দত* আলবেৰুণীয়ে হিন্দু আচাৰ-ব্যৱহাৰ, বিজ্ঞান আৰু সাহিত্যৰ এক সুন্দৰ বিৱৰণ দাঙি ধৰিছে। আন এক গুৰুত্বপূৰ্ণ লিখনী হ'ল মিন্‌হাজউদ্দিন চিৰাজৰ *তবকাৎ-ই-নাচিৰি*। আন আন ইছলাম ধৰ্মাৱলম্বী লেখকৰ ভিতত আল্‌ মাচুদী, নিজামুদ্দিন, হাচান নিজামী, ইত্যাদি উল্লেখযোগ্য।



বিহাৰ ঃ বিহাৰ হৈছে বৌদ্ধ ভিক্ষু থকা বাসস্থান।



স্তুপ ঃ স্তুপ হৈছে বৌদ্ধ ধৰ্মৰ প্ৰতীক বা চিহ্ন।

চিত্র ২.৩ঃ কীর্তিচিহ্ন





অগ্রগতি নীৰিক্ষণ

প্রশ্ন নং ১ঃ ভাৰতৰ সবাতোতকৈ পুৰণি সাহিত্য কি আছিল?

.....

প্রশ্ন নং ২ঃ *হর্ষচৰিতৰ* লিখক কোন?

.....

প্রশ্ন নং ৩ঃ বেদ চাৰিখনৰ নাম উল্লেখ কৰক ?

.....

প্রশ্ন নং ৪ঃ হাতী গুম্ফা লিপিৰ সৈতে কোন জড়িত?

.....

প্রশ্ন নং ৫ঃ শুদ্ধ / অশুদ্ধ লিখক

ক) এলাহাবাদ স্তম্ভলিপি গুপ্ত সম্রাট চন্দ্রগুপ্তৰ আছিল।

.....

খ) মুদ্রাই আমাক মাথো মুদ্রা জাৰি কৰা শাসকৰ নাম,উপাধি আৰু ৰাজকীয় চিত্র বিষয়ে জনায়।

.....

গ) কৃতিচিহ্ন হ'ল প্রাচীন ৰাজপ্রসাদ, মন্দিৰ, বিহাৰ, ইত্যাদি।

.....

প্রশ্ন নং ৬ঃ মেগাস্থেনেছ কোন আছিল?

.....

প্রশ্ন নং ৭ঃ ইতিহাসৰ পিতৃ বুলি কাক গণ্য কৰা হয়?

.....

প্রশ্ন নং ৮ঃ *ইণ্ডিকাৰ লিখক কোন?*

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়ন কৰোতে সাহিত্য সমলসমূহৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিলে।
- প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়ন কৰোতে বিভিন্ন প্রত্নতাত্বিক সমলসমূহৰ বিষয়ে জ্ঞাত হ'ল।
- বৈদেশিক সমলসমূহৰ বিষয়েও জানিব পাৰিলে আৰু এইবোৰৰ ইতিহাস পুনৰ গঠনত সহায়ৰ বিষয়েও অৱগত হ'ল।



২.৬ প্রসংগ পুথি

1. Kosambi, D.D. (2001): *The cultural Civilization of Ancient India in Historical outline, Vikas Publishing House.*

2. Thapar Romila (2003): *The Penguin History of Early India, from the origins to AD 1300, Penguin Books India.*

3. Singh Upindar (2009) : *A History of Ancient and Early medieval India, from the Stone Age to the 12th Century, Pearson.*



২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ঋক্ বেদ

২ নং প্রশ্নৰ উত্তৰঃ বানভট্ট

৩ নং প্রশ্নৰ উত্তৰঃ ঋক্ বেদ, যজুৰ বেদ, অথর্ব বেদ, সাম বেদ

৪ নং প্রশ্নৰ উত্তৰঃ খাৰভেলা

৫ নং প্রশ্নৰ উত্তৰঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ

৬ নং প্রশ্নৰ উত্তৰঃ মেগাস্থেনেছ গ্রীক সেনাপতি চেলুকছৰ কটকী হিচাপে মৌর্য সম্রাট চন্দ্রগুপ্ত মৌর্যৰ ৰাজত্বকালত পাটলিপুত্রলৈ আহিছিল।

৭ নং প্রশ্নৰ উত্তৰঃ হিৰ'ডটাছ

৮ নং প্রশ্নৰ উত্তৰঃ মেগাস্থেনেছ



২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী প্ৰশ্ন (৫০ **শব্দৰ ভিতৰত উত্তৰ লিখক**)

প্ৰশ্ন ১ ঃ হিউৱেন চাঙ কোন আছিল ?

প্ৰশ্ন ২ ঃ ইণ্ডিকা কি ?

প্ৰশ্ন ৩ ঃ সমুদ্ৰগুপ্তৰ সৈতে সম্পৰ্কিত লিপিখনৰ নাম কি ?

প্ৰশ্ন ৪ ঃ নেচাৰেল হিষ্ট্ৰিৰ লিখক কোন আছিল ?

(খ) চমু প্ৰশ্ন (১৫০ **শব্দৰ ভিতৰত উত্তৰ লিখক**)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ দেশীয় সাহিত্যসমূহৰ বিষয়ে কি জানে ?

প্ৰশ্ন ২ ঃ চীন দেশীয় সাহিত্যসমলসমূহ প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ বাবে কি দৰে গুৰুত্বপূৰ্ণ ?

প্ৰশ্ন ৩ ঃ ভগ্নাৱশেষসমূহৰ ওপৰত এটি চমু টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ **শব্দৰ ভিতৰত উত্তৰ লিখক**)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়নত প্ৰত্নতাত্বিক সমলসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দেশীয় সমল বুলিলে কি বুজে ? প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়ন কৰাত বিদেশী সাহিত্যসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায়- ৩ প্ৰাচীন ভাৰতীয় সভ্যতাসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সিন্ধু উপত্যকাৰ সভ্যতা

- ৩.৩.১ নগৰ
- ৩.৩.২ সমাজ আৰু অধিবাসীসকল
- ৩.৩.৩ অৰ্থনীতি
- ৩.৩.৪ ধৰ্ম
- ৩.৩.৫ সিন্ধু উপত্যকাৰ সভ্যতাৰ সময় আৰু বিস্তৃতি
- ৩.৩.৬ সিন্ধু উপত্যকাৰ সভ্যতাৰ পতন

৩.৪ বৈদিক সভ্যতা

- ৩.৪.১ সমাজ
- ৩.৪.২ ৰাজনীতি
- ৩.৪.৩ অৰ্থনীতি
- ৩.৪.৪ ধৰ্ম
- ৩.৪.৫ পৰৱৰ্তী বৈদিক সভ্যতা

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ প্ৰসংগ পুথি

৩.৭ অগ্ৰগতিৰ খতিয়ান

৩.৮ আৰ্হি-প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সিন্ধু উপত্যকা সভ্যতাৰ নাগৰিকৰ জীৱন আৰু নগৰ পৰিকল্পনাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- সিন্ধু উপত্যকাৰ লোকসকলৰ আৰ্থ-সামাজিক আৰু ধৰ্মীয় জীৱন সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- সিন্ধু উপত্যকা সভ্যতাৰ ধ্বংসৰ কাৰণ সমূহ আলোচনা কৰিব পাৰিব,
- আৰ্য্য বা বৈদিক সভ্যতাৰ লোকসকলৰ আৰ্থ সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় জীৱন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব,
- বৈদিক আৰু পৰৱৰ্তী বৈদিক সভ্যতাৰ মাজত পাৰ্থক্য নিৰ্ধাৰণ কৰিব পাৰিব।

৩.২ পৰিচয়

আপোনালোকে প্রাচীন কালত সভ্যতাৰ আৰম্ভণি কেনেদৰে হৈছিল জানেনে? আদিম মানৱ আজিৰ মানুহৰ দৰে সভ্য নাছিল। তেওঁলোকে সময়ে সময়ে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ প্রব্রজন কৰি এক অঘৰী জীৱন যাপন কৰিছিল। সময় বাগৰাৰ লগে লগে আদিম মানৱে খেতি-বাতি কৰিবলৈ লৈছিল আৰু এক সুস্থিৰ জীৱন যাপন আৰম্ভ কৰিছিল। এইদৰে য'তেই মানুহে সুশৃংখলিত জীৱন আৰম্ভ কৰিছিল তাতেই সমাজৰ বিকাশ হৈছিল। জীৱনৰ বিভিন্ন ক্ষেত্র ত হোৱা ক্রমাগত বিকাশেই সভ্যতাৰ জন্ম দিছিল। প্রাচীন সভ্যতাসমূহৰ বেছিভাগেই আছিল নদী উপত্যকাৰ সভ্যতা। নদী উপত্যকাক কেন্দ্র কৰি সভ্যতাসমূহ গঢ়ি উঠাৰ মূলতে হ'ল— নদীয়ে আদিম মানৱৰ খোৱাপানী, জলসিঞ্চন আৰু ঘৰ সাজিবলৈ প্রয়োজনীয় বোকা-মাটিৰ অভাৱ পূৰণ কৰিছিল। নদীসমূহ যোগাযোগৰ মাধ্যম আছিল। এতিয়া আমি পৃথিৱীৰ কেইটামান প্রাচীন সভ্যতাৰ কথা মনত পেলাওঁহঁক। যেনে— ইজিপ্তৰ সভ্যতা, বেবিলনীয় সভ্যতা, মেচোপটেমিয়া সভ্যতা ইত্যাদি। মন কৰিব যে ভাৰতৰ আটাইতকৈ প্রাচীন সিন্ধু উপত্যকাৰ সভ্যতা আছিল পৃথিৱীৰ উক্ত প্রাচীন সভ্যতাসমূহৰ সমসাময়িক। এইদৰে মানৱ ইতিহাসৰ প্রাচীনতম অধ্যায়লৈ আমাৰ দেশৰ সভ্যতাই উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। সিন্ধু উপত্যকাৰ সভ্যতাৰ পাছতেই আছিল আর্য্যসকলৰ বৈদিক সভ্যতা। বহু সংযোগ আৰু বিয়োগৰ পিছত এই সভ্যতা আজিৰ তাৰিখলৈকে বর্তি আছে। এই অধ্যায়ত সিন্ধু উপত্যকাৰ সভ্যতা আৰু বৈদিক সভ্যতা উভয়ৰে বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ উল্লেখ কৰা হৈছে।

৩.৩ সিন্ধু উপত্যকাৰ সভ্যতা

আমি আগতেই উল্লেখ কৰিছো যে সিন্ধু উপত্যকাৰ সভ্যতা হৈছে আমাৰ দেশৰ আটাইতকৈ পুৰণি সভ্যতা। যি হঁওক হৰপ্পা আৰু মহেঞ্জদাৰোৰ প্রত্নতাত্ত্বিক আবিষ্কাৰসমূহৰ আগলৈকে ভাৰতীয় সভ্যতা আর্য্য সকলৰপৰা আৰম্ভ হোৱা বুলি বিশ্বাস কৰা হৈছিল। ১৯২২-২৩ খ্রীঃত তিনিজন প্রত্নতত্ত্ববিদ ক্রমে ৰাখাল দাস বেনার্জী, দয়াৰাম ছাহানী আৰু চাৰ জন মার্চেলে খননকার্যৰ দ্বাৰা হৰপ্পা আৰু মহেঞ্জদাৰোত এক প্রাচীন সভ্যতাৰ ধ্বংসাৱশেষ আৱিষ্কাৰ কৰে। হৰপ্পা পঞ্জাবৰ মণ্টগোমাৰী জিলাত আৰু মহেঞ্জদাৰো সিন্ধু প্রদেশৰ লাৰকাণা জিলাত অৱস্থিত। এই দুয়োখন



হৰপ্পাৰ সভ্যতাঃ- সিন্ধু উপত্যকাৰ খননকার্য্য প্রথমে হৰপ্পাত কৰা হৈছিল বাবেই এই সভ্যতাক হৰপ্পাৰ সভ্যতা বুলিও কোৱা হয়।

চিত্র ৩.১ ঃ মহেঞ্জদাৰো, লাৰকাণা জিলা, সিন্ধু প্রদেশ, পাকিস্তান



উৎসঃ গোগোল ইমেজ

ঠায়েই বর্তমান পাকিস্তানৰ অন্তর্গত। খনন কার্য চলোৱা বেছিভাগ নগৰেই সিন্ধু নদীৰ পাৰত অৱস্থিত। সেয়ে এই সভ্যতাক সিন্ধু সভ্যতা বুলি জনা যায়।

সিন্ধু সভ্যতাৰ বিষয়ে কোনো লিখিত সমল পাবলৈ নাই। সিন্ধু উপত্যকাৰ বিভিন্ন ঠাইত আৱিষ্কৃত মোহৰসমূহৰ সচিত্রলিপিৰ পাঠোদ্ধাৰ কৰিবলৈ পণ্ডিতসকল সমর্থ হোৱা নাই। সেয়ে হ�ৰপ্পাৰ অধিবাসীসকল আৰু তেওঁলোকৰ জীৱন যাত্রা সম্পর্কে আমাৰ জ্ঞান অস্পষ্ট আৰু সাধাৰণ। হৰপ্পা, মহেঞ্জদাৰো আৰু অন্যান্য স্থানত খনন কার্য্যৰদ্বাৰা উদ্ধাৰ হোৱা বিভিন্ন সামগ্রীৰ পৰাহে আমি এই সভ্যতা সম্পর্কে কিছু ধাৰণা কৰিব পাৰোঁ।

৩.৩.১ নগৰ

সিন্ধু উপত্যকাৰ নগৰসমূহৰ ধ্বংসাৱশেষসমূহে এক নগৰীয়া সভ্যতাৰ কথাকে সূচায়। আন অর্থত এই সভ্যতা আছিল নগৰ কেন্দ্রিক। ধ্বংসাৱশেষসমূহে নগৰ পৰিকল্পনা আৰু উন্নত মানৰ নলা-নর্দমাৰ সুব্যৱস্থা থকাৰ কথা প্রমাণ কৰে। এতিয়া আমি এই অতুলনীয় নগৰসমূহৰ কেতবোৰ দিশ সম্পর্কে আলোচনা কৰিম।

নগৰসমূহত বিভিন্ন আকাৰৰ বহু সংখ্যক বাসগৃহ আছিল। ঘৰবোৰ পোৱা ইটাৰে সজা হৈছিল। প্রায় প্রতিটো ঘৰতে একোটাকৈ কুঁৱা, নলা আৰু স্নানাগাৰ আছিল। ষ্ট্রীট লাইটৰ ব্যৱস্থা সিন্ধু সভ্যতাৰ নগৰসমূহৰ আন এক উল্লেখযোগ্য দিশ। হৰপ্পাৰ নগৰসমূহত থকা এই ধৰণৰ সা-সুবিধাসমূহে আধুনিক নগৰ পৰিকল্পনাৰে সমৃদ্ধ বর্তমান যুগৰ যি কোনো এখন নগৰৰ কথা আমাৰ মনলৈ আনে।

ভগ্নাৱশেষসমূহৰ মাজত আৱিষ্কৃত আটাইতকৈ ডাঙৰ স্থাপত্যৰ নিদর্শন হৈছে মহেঞ্জদাৰোৰ বৃহৎ স্নানাগাৰটো। ই প্রকৃততে এক ৰাজহুৱা স্নানাগাৰ আছিল। ইয়াৰ দৈর্ঘ্য ১৮০ ফুট আৰু প্রস্থ ১০৮ ফুট। গা-ধুবৰ বাবে থকা মূল জলাধাৰটো আছিল ৩৯ ফুট দীঘল, ২৩ ফুট বহল আৰু ৮ ফুট দ। জলাধাৰৰ চাৰিওফালে গেলেৰী আৰু ভালেমান কোঠালি আছিল। আশ্চর্যকৰ কথা যে উক্ত জলাধাৰটোত আজিকালিৰ ছুইমিংপুলসমূহত থকাৰ দৰে পানী সুমুৱাব আৰু উলিয়াব পৰাৰ সু-ব্যৱস্থা আছিল।

চিত্র ৩.২ ঃ মহেঞ্জদাৰোৰ বৃহৎ স্নানাগাৰ



উৎস ঃ গোগোল ইমেজ

৩.৩.২ সমাজ আৰু অধিবাসীসকল

সিন্ধু সভ্যতাৰ উন্নত নগৰসমূহৰ বিষয়ে আলোচনা কৰাৰ পাছত এইবাৰ আমি

এই সুপৰিকল্পিত নগৰসমূহৰ অধিবাসীসকলৰ বিষয়ে জানিবলৈ চেষ্টা কৰিম।

সিন্ধু উপত্যকাৰ খনন কার্য্যসমূহে সমাজত চাৰিটা শ্রেণী থকাৰ কথা সূচায়। সেই চাৰিটা শ্রেণী আছিল— শিক্ষিত শ্রেণী, যোদ্ধাসকল, বণিক শ্রেণী, কাৰিগৰ আৰু শ্রমিক শ্রেণী। শিক্ষিত শ্রেণীৰ ভিতৰত পুৰোহিত, জ্যোতিষি, চিকিৎসক ইত্যাদি উল্লেখযোগ্য। প্রাচীন দুর্গ আৰু প্রাসাদসমূহৰ ভগ্নাৱশেষে শাসক শ্রেণী বা যোদ্ধা শ্রেণী এটা থকাৰ কথা সূচায়। এই শ্রেণীটোৰ প্রাথমিক দায়িত্ব আছিল ভূমি আৰু জনসাধাৰণক সুৰক্ষা দিয়া। বণিকসকল আৰু বিভিন্ন কাৰিগৰসকল যেনে সোণাৰী, তাঁতী, কাঠমিস্ত্রী, ৰাজমিস্ত্রী আদিৰে সমাজৰ তৃতীয়টো শ্রেণী গঠিত হৈছিল। নিম্ন শ্রেণীটোত আছিল শ্রমিক, গৃহভৃত্য ইত্যাদি।

সিন্ধু সভ্যতাৰ লোকসকলে আমিষ আৰু নিৰামিষ দুয়োবিধ আহাৰেই গ্রহণ কৰিছিল। টাকু ৰীৰ আৱিষ্কাৰে তাঁতীসকলৰ উপস্থিতিৰ কথা সূচায়। পুৰুষ আৰু মহিলা উভয়েই আ-অলংকাৰ পৰিধান কৰিছিল। এই অলংকাৰসমূহ সোণ, ৰূপ, তাম, হাতীদাঁত আদি বিভিন্ন ধাতু ৰে তৈয়াৰী। নতুন দিল্লীৰ 'ৰাষ্ট্রীয় সংগ্রহালয়' (National Museum) -ত থকা হৰপ্পা গেলেৰীত সেইসময়ৰ আ-অলংকাৰ আৰু বিভিন্ন প্রসাধন সামগ্রীৰ এক বৃহৎ সংগ্রহ আছে।

চিত্র ৩.৩ঃ হৰপ্পাৰ ফুলদানি আৰু বিভিন্ন পাত্র



উৎস ঃ *গোগোল ইমেজ*

সাজ-পোছাক আৰু আ-অলংকাৰৰ লগতে অন্যান্য ভালেমান ঘৰুৱা সা-সামগ্রী যেনে আচবাব-পাত্র, বাচন-বর্তন, পুতলা ইত্যাদিও সিন্ধু উপত্যকাৰ বিভিন্ন স্থানত পোৱা গৈছে। ৰান্ধনীঘৰৰ বেছিভাগ বাচন-বর্তনেই মাটি আৰু শিলেৰে তৈয়াৰী। তলৰ ছবিত হৰপ্পাৰ লোকসকলে ব্যৱহাৰ কৰা ফুলদানি আৰু বিভিন্ন পাত্র দেখিবলৈ পোৱা গৈছে। এই সকলোবোৰ বস্তুৰেই সুন্দৰভাৱে অলংকৃত আৰু নিমজ তথা চকচকীয়া।

সম্ভৱতঃ খেল-ধেমালি আৰু মনোৰঞ্জন হৰপ্পাৰ লোকসকলৰ জীৱনৰ এক উল্লেখযোগ্য দিশ আছিল। তেওঁলোকৰ মাজত চিকাৰো বৰ জনপ্রিয় আছিল। সৰু ল'ৰা-ছোৱালীবিলাকে মাটিৰ পুতলাৰে খেলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওকঃ

হৰপ্পা সভ্যতাৰ আনটো নাম কি?

.....

প্রশ্ন নং ২ঃ কোন চনত বৃহৎ স্নানাগাৰটো হৰপ্পা নগৰত আৱিষ্কৃত হৈছিল?

.....

প্রশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) হৰপ্পাৰ সমাজত ..... শ্রেণীৰ লোক আছিল।

(খ) ..... ৰ আৱিষ্কাৰে তাঁতীসকলৰ উপস্থিতিৰ কথা সূচায়।

৩.৩.৩ অর্থনীতি


নগৰসমূহৰ বিকাশ আৰু তাৰ জনবহুলতাই সিন্ধু সভ্যতাৰ অধিবাসীসকলৰ স্বচ্ছল অর্থনৈতিক অৱস্থাৰ কথাকে প্রমাণ কৰে। এনে অর্থনৈতিক উন্নয়ণৰ মূলতে আছিল কৃষি, বেপাৰ-বাণিজ্য, যোগাযোগ আদিৰ দৰে বিভিন্ন কাৰকসমূহ।

সিন্ধু উপত্যকাৰ লোকসকলৰ প্রধান জীৱিকা আছিল কৃষি। সিন্ধু নৈ আৰু ইয়াৰ উপনৈসমূহৰ বাবে এই উপত্যকাৰ মাটি সাৰুৱা আছিল আৰু ই কৃষি উৎপাদন বৃদ্ধিত যথেষ্ট অৱিহণা যোগাইছিল। উৎপাদিত শস্যৰ ভিতৰত প্রধান আছিল— ঘেঁহু, বার্লি, ধান, কপাহ, বিভিন্ন জাতৰ শাক-পাচলি ইত্যাদি।

আন এক উল্লেখযোগ্য জীৱিকা আছিল পশুপালন। সিন্ধু উপত্যকাৰ আধিবাসীসকলে গৰু, ভেড়া, গাহৰি, উট, বলধ, ম'হ, গাধ, হাতী আদি জীৱ-জন্তু পুহিছিল। অৱশ্যে ঘোঁৱা পুহিছিলনে নাই সেই বিষয়ে সঠিককৈ জনা নাযায়। খাদ্যৰ বাবেই মূলতঃ তেওঁলোকে পশুপালন কৰিছিল।

বেপাৰ-বাণিজ্য হৰপ্পা সভ্যতাৰ অর্থনৈতিক জীৱনৰ এক অবিচ্ছেদ্য অংগ আছিল। বিভিন্ন তথ্যই এই কথা প্রমাণ কৰে যে সিন্ধু সভ্যতাৰ লোকসকলে ভাৰতৰ বিভিন্ন ঠাইৰ লগতে পশ্চিম আৰু উত্তৰ এছিয়াৰ বিভিন্ন ঠাই, যেনে- ইজিপ্ত, বেবিলন আদিৰ সৈতেও বেহা-বেপাৰ কৰিছিল। হৰপ্পাৰ কিছুমান বস্তু ছুমেৰীয়াত পোৱা গৈছে। ই ছুমেৰীয়া সভ্যতাৰ সৈতে সিন্ধু উপত্যকাৰ বেহা-বেপাৰৰ সম্পর্ক থকাৰ কথাকে সুনিশ্চিত কৰে। সিন্ধু সভ্যতাৰ বিভিন্ন ৰপ্তানি সামগ্রীৰ ভিতৰত কাপোৰ আছিল প্রধান আৰু ইয়াৰ সলনি সমসাময়িক বহির্বিশ্বৰপৰা সোণ, ৰূপ, তাম আৰু মূল্যবান পাথৰ আমদানি কৰিছিল।

চিত্র ৩.৪ ঃ হৰপ্পাৰ মোহৰ



এক উন্নত আৰু সুৰক্ষিত যোগাযোগ ব্যৱস্থা হৈছে বিকাশৰ প্রথম চর্ত। নদী আৰু সাগৰীয় পথেৰে সিন্ধু উপত্যকাৰ লোকসকলে বিদেশৰ লগত বেহা-বেপাৰ কৰিছিল। হৰপ্পাৰ শীল-মোহৰসমূহত থকা নাও আৰু জাহাজৰ ছবিয়ে এই কথা প্রমাণ কৰে। সম্ভৱতঃ লোথাল আৰু মহেঞ্জদাৰো আছিল সিন্ধু উপত্যকাৰ দুটা উল্লেখযোগ্য বন্দৰ। সিন্ধু উপত্যকাৰ লোকসকলে স্থানীয় নৈ সমূহেৰে আভ্যন্তৰীণ বাণিজ্য চলাইছিল।

৩.৩.৪ ধর্ম

হৰপ্পা আৰু মহেঞ্জদাৰোৰ প্রত্নতাত্বিক নিদর্শনসমূহে এই সভ্যতাৰ অধিবাসীসকলৰ ধর্মীয় জীৱন সম্পর্কে বহু কথাই জানিবলৈ দিয়ে। লক্ষণীয়ভাৱে খনন কার্য্য চলোৱা স্থানসমূহত কোনো মন্দিৰৰ ধ্বংসাৱশেষ আৱিষ্কৃত হোৱা নাই। তথাপিও যথেষ্ট সংখ্যক মোহৰ আৰু পো�ৰামাটিৰ মূর্তিৰ আৱিষ্কাৰে সিন্ধু সভ্যতাৰলোকসকলে মূর্তিপূজা কৰাৰ কথাকে প্রমাণ কৰে। মানুহে সম্ভৱতঃ সৃষ্টিৰ উৎস হিচাপে এক স্ত্রীশক্তি বা মাতৃশক্তিৰ ওপৰত বিশ্বাস কৰিছিল। মাতৃপূজাৰ উপৰিও আন এক দেৱতাকো পূজা কৰা হৈছিল। মহেঞ্জদাৰোত উদ্ধাৰ হোৱা মোহৰত খোদিত তিনিখন মুখেৰে যোগাসনত উপবিষ্ট, শিং থকা আৰু চাৰিওফালে জীৱ জন্তুৰে পৰিৱেষ্টিত হৈ থকা এক দেৱতাৰ ছবি দেখিবলৈ পোৱা যায়। এই সকলো দিশ বিবেচনা কৰি পণ্ডিতসকলে এই মূর্তিটো শিৱৰ পূর্ব সংস্কৰণ বুলি ক'ব খোজে। লগতে সিন্ধু সভ্যতাত শিৱ লিংগ সদৃশ বহুতো পাথৰ আৱিষ্কাৰ হোৱাটোৱেও এই দেৱতা যে শিৱই আছিল সেই কথা সুনিশ্চিত কৰে। ইয়াৰ উপৰিও গছ-গছনি, পানী আৰু জুইৰ উপাসনাও হৰপ্পাৰ লোকসকলৰ মাজত প্রচলন আছিল। স্বস্তিকাৰ চিন থকা কিছুসংখ্যক মোহৰৰ আৱিষ্কাৰে সূর্যদেৱতাৰ উপাসনাৰ প্রচলন থকাৰ কথা প্রমাণ কৰে।

স্বস্তিকা ঃ হৈছে সূর্যৰ প্রতীক।

চিন্তা-চর্চা কৰক ৩.১

হৰপ্পাৰ অধিবাসীসকলে ব্যৱহাৰ কৰা ঘৰুৱা সামগ্রীৰ লগত আপোনালোকৰ ঘৰত ব্যৱহৃত সা-সামগ্রীৰ এখন তুলনামূলক তালিকা প্রস্তুত কৰক।

.....

.....

.....

.....

.....

.....

৩.৩.৫ সিন্ধু উপত্যকাৰ সভ্যতাৰ সময় আৰু বিস্তৃতি

সিন্ধু উপত্যকাৰ সভ্যতাৰ প্রকৃত সময় নির্ধাৰণ কৰাটো কঠিন। উদ্ধাৰ হোৱা বিভিন্ন সামগ্রীৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে সিন্ধু সভ্যতাৰ সময় ৩২০০ খ্রীঃপূঃৰ পৰা ১৭০০ খ্রীঃ পূঃ লৈ আছিল বুলি ঠাৱৰ কৰিছে।

এক বিশাল ভৌগোলিক এলেকা জুৰি সিন্ধু উপত্যকাৰ সভ্যতা বিস্তৃত আছিল।

পশ্চিমে বেলুচিস্তানৰ ছুতকাজেনদাৰোৰ পৰা পূৱে উত্তৰ প্রদেশৰ আলমগীৰপূৰলৈকে আৰু উত্তৰে জম্মুৰ মন্দাৰ পৰা দক্ষিণে গোদাবৰী উপত্যকাৰ দৈমাবাদলৈকে সিন্ধু সভ্যতা বিস্তৃত আছিল। মুঠৰ ওপৰত এই সভ্যতাই ২২,৫০,০০০ বর্গ কিঃমিঃ এলেকা সামৰিছিল। ই হৈছে সমসাময়িক বিশ্ব ইতিহাসৰ সর্ববৃহৎ সাংস্কৃতিক মণ্ডল।

৩.৩.৬ সিন্ধু উপত্যকাৰ সভ্যতাৰ পতন

সভ্যতাৰ উত্থান আৰু পতন এক স্বাভাৱিক পৰিঘটনা। সিন্ধু উপত্যকাৰ সভ্যতাৰ ক্ষেত্রতো ইয়াৰ ব্যতিক্রম হোৱা নাছিল। পণ্ডিতসকলৰ মাজত সিন্ধুসভ্যতাৰ পতনৰ কাৰণ সম্পর্কে বিভিন্ন মতবাদ আছে। আটাইতকৈ যুক্তিপূর্ণ আৰু গুৰুত্বপূর্ণ মতবাদ কেইটা হ'ল— পাৰিপার্শ্বিকতাৰ দ্রুত পৰিৱর্তন, প্রাকৃতিক দুর্যোগ যেনে— বানপানী আৰু ভূমিকম্প, বিদেশী আক্রমণ, ইত্যাদি। অৱশ্যে বেছিভাগ পণ্ডিতে বিদেশী আক্রমণক (সম্ভৱত আর্যসকলৰ প্রৱেশক) হাৰাপ্পা সভ্যতা ধ্বংসৰ মূল কাৰণ হিচাপে অভিহিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) সিন্ধু সভ্যতাৰ দুটা গুৰুত্বপূর্ণ বন্দৰ আছিল ..... আৰু .....।

(খ) হৰপ্পা সভ্যতা..... বর্গ কিঃ মিঃ এলেকা জুৰি বিস্তৃত আছিল।

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

(ক) স্বস্তিকা সূর্য্য দেৱতাৰ প্রতীক (শুদ্ধ/অশুদ্ধ)

.....

(খ) হৰপ্পা সভ্যতা পতনৰ প্রধান কাৰণ আছিল ছুনামি (শুদ্ধ/অশুদ্ধ)

.....

৩.৪ বৈদিক সভ্যতা

ইতিমধ্যে আমি হৰপ্পা সভ্যতাৰ বিষয়ে কিছু কথা জানিলোঁ। এই শাখাত আমি আন এক সভ্যতাৰ বিষয়ে আলোচনা কৰিম। সিন্ধু সভ্যতাৰ পিছত এই সভ্যতা আৰম্ভ হৈছিল। এই সভ্যতাৰ লোকসকল আছিল আর্যসকল। তেওঁলোক মধ্য এছিয়াৰ বিভিন্ন ঠাইৰ পৰা উত্তৰ-পশ্চিম সীমান্তইদি ভাৰতলৈ আহিছিল। আপোনালোকে নিশ্চয় বেদৰ বিষয়ে শুনিছে। বেদ আছিল আর্যসকলৰ প্রধান ধর্মগ্রন্থ। আর্যসভ্যতাক বৈদিক সভ্যতা বুলিও জনা যায়।



জানি থোৱা ভাল

বেদ চাৰিখন। যেনে—

- ঋক্ বেদ
- যজুৰ বেদ
- সাম্ বেদ আৰু
- অথর্ববেদ

ইয়াৰ ভিতৰত ঋক্ বেদেই আটাইতকৈ পুৰণি। লগতে এই বেদ ভাৰতৰ সবাতোকৈ প্রাচীন সাহিত্যও।

সমগ্র বৈদিক যুগটোক দুটা ভাগত ভাগ কৰিব পাৰি— ঋক্ বৈদিক যুগ বা আদি বৈদিক যুগ আৰু পৰৱর্তী বৈদিক যুগ। ১৫০০ খ্রীঃ পূঃ ৰ পৰা ১০০০ খ্রীঃ পূঃ লৈ ঋক্ বৈদিক যুগ আৰু ১০০০ খ্রীঃ পূঃ ৰ পৰা ৭০০ খ্রীঃ পূঃ লৈ পৰৱর্তী বৈদিক যুগত ভাগ কৰা হৈছে। এই খণ্ডত আমি উক্ত দুয়োটা যুগৰে বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰিম।

৩.৪.১ সমাজ



পিতৃপ্রধান সমাজঃ- পিতৃপ্রধান সমাজত পৰিয়ালৰ জ্যেষ্ঠ পুৰুষজনকেই পৰিয়ালৰ মুৰব্বী হিচাবে গণ্য কৰা হয়।

বৈদিক সমাজৰ ভেটি আছিল পৰিয়াল। সেই সময়ৰ সমাজ আছিল পিতৃপ্রধান। ঋক বৈদিক যুগত পৰিয়ালৰ এই মূৰব্বীজনক গৃহপতি বা কুলপতি বোলা হৈছিল।

আদি বৈদিক যুগৰ সমাজত নাৰীয়ে এক সন্মানজনক স্থান লাভ কৰিছিল। সমাজ যদিও পিতৃতান্ত্রিক আছিল কন্যাসন্তানক অৱহেলা কৰা হোৱা নাছিল। পুত্র সন্তানৰ দৰে কন্যাসন্তানৰ বাবেও শিক্ষাৰ দুৱাৰ খোলা আছিল। সেই বাবেই ঘোষা, অপালা, বিশ্বম্ভৰা আদি সেই সময়ৰ বিদূষী মহিলাৰ বিষয়ে আমি জানিব পাৰো। ছোৱালীক পৰিণত বয়সত বিয়া দিয়া হৈছিল। যদিও বাল্য বিবাহৰ প্রচলনো একেবাৰে নোহোৱাকৈ নাছিল। বিধবা বিবাহৰ প্রতি সমাজৰ অনুমতি আছিল। ইয়াৰ পৰা আমি দেখিবলৈ পাওঁ যে ঋক্ বৈদিক যুগত সমাজ আৰু পৰিয়াল উভয়তে নাৰীৰ স্থান উচ্চ আছিল।

কপাহ, উল আৰু পহুৰ ছালৰ পৰা সাজ-পোছাক তৈয়াৰ কৰা হৈছিল। ঋক্ বৈদিক যুগৰ নাৰীয়ে সোণৰ বিভিন্ন ধৰণৰ আ-অলংকাৰ পিন্ধি ভাল পাইছিল। নাৰী-পুৰুষ উভয়েই পাগুৰী মাৰিছিল।

বার্লি, ধান, ঘেঁহু আৰু ইয়াৰ পৰা তৈয়াৰী বিভিন্ন বস্তু তেওঁলোকে খাইছিল। আমিষ আহাৰৰ ভিতৰত আছিল মাছ, চৰাইৰ মাংস, ছাগলীৰ মাংস, ষাঁড় গৰুৰ মাংস ইত্যাদি।

বৈদিক আর্যসকলে সোম আৰু সুৰা নামৰ দুবিধ মাদক দ্রব্য ব্যৱহাৰ কৰিছিল।

বৈদিক যুগৰ লোকসকলে ৰং ৰহইচ কৰি ভাল পাইছিল। ৰথ চালনা, সমৰ নৃত্য আৰু চিকাৰ আছিল আটাইতকৈ আকর্ষণীয় বর্হিবিভাগীয় খেল (Out door game)। আনন্দৰ মুহূর্ত বোৰ গান গাই আৰু নাচি উদ্‌যাপন কৰা হৈছিল। সম্ভৱতঃ সেই সময়ৰ আটাইতকৈ

উত্তেজনামূলক আন্তঃবিভাগীয় (Indoor) খেল আছিল পাশাখেল।

বৈদিক সমাজখন চাৰিটা শ্ৰেণীত বিভক্ত আছিল। যেনে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শুদ্ৰ। যি নহওক ঋক্ বৈদিক যুগত সমাজৰ শ্ৰেণী বিভাজন ইমান কটকটীয়া নাছিল।

৩.৪.২ ৰাজনীতি

বৈদিক যুগত ভালেমান পৰিয়াল লগ লাগি একোখন গাওঁ হৈছিল। গাঁৱৰ মূৰব্বীজনক গ্ৰামণী বোলা হৈছিল। সেইসময়ত ৰাজতন্ত্ৰৰ প্ৰচলন আছিল। ৰজাক 'ৰাজন' বোলা হৈছিল। সমৰ নিপুণতা আছিল ৰজা হোৱাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় গুণ। প্ৰজাৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিয়াটো ৰজাৰ কৰ্ত্তব্য। ইয়াৰ বিনিময়ত তেওঁ প্ৰজাসকলৰ পৰা 'বলি' নামৰ এবিধ কৰ আদায় কৰিছিল। ৰাজকৰ্মত ৰজাক পুৰোহিত (পূজাৰী), সেনানী (সেনাপতি), গ্ৰামণী (গাওঁবুঢ়া) আৰু স্পাশ (গুপ্তচৰ) সকলে সহায় কৰিছিল। ইয়াৰ বাহিৰেও ৰজাৰ সহায়ৰ বাবে 'সভা' আৰু 'সমিতি' নামৰ দুটা পৰিষদ আছিল। সম্ভৱতঃ সভা আছিল বিভিন্ন জনজাতিৰ মুখীয়ালসকলেৰে গঠিত পৰিষদ আৰু সমিতি আছিল জনপৰিষদ বা সৰ্বসাধাৰণ লোকৰ পৰিষদ।



জানি থোৱা ভাল

ঋক্ বেদে আমাক ভালে সংখ্যক আৰ্য জনজাতি যেনে যদু, অনু, পুৰু, ভৰত আদিৰ বিষয়ে জানিবলৈ দিয়ে। এই জনজাতিসমূহৰ মাজত প্ৰায়েই ভূমি আৰু গাইগৰুৰ অধিকাৰক লৈ যুঁজ-বাগৰ চলিছিল।

৩.৪.৩ অৰ্থনীতি

বৈদিক সভ্যতা আছিল এক গ্ৰাম্য সভ্যতা। আৰ্য্যসকলৰ প্ৰধান জীৱিকা আছিল কৃষি। তেওঁলোকে ষাঁড় গৰুৰে হাল বাইছিল। জলসিঞ্চনৰ বিষয়েও তেওঁলোকে জানিছিল। প্ৰধানকৈ ঘেঁহু আৰু বার্লিৰ খেতি কৰা হৈছিল যদিও তেলজাতীয় শস্য আৰু কপাহৰো খেতি কৰিছিল।

পশুপালন আছিল আন এক উল্লেখযোগ্য জীৱিকা। গৰুক পৱিত্ৰ জন্তু বুলি গণ্য কৰা হৈছিল। ইয়াক 'গো-ধন' বোলা হৈছিল। গৰুৰ বাহিৰেও অন্যান্য ঘৰচীয়া জন্তুৰ ভিতৰত আছিল বলধ, ঘোঁৰা, কুকুৰ, ভেড়া ছাগলি ইত্যাদি। কৃষি আৰু পশুপালনৰ বাহিৰেও আৰ্য্যসকলে জীৱিকাৰ অন্যান্য বহুতো উপায় অৱলম্বন কৰিছিল। ঋক বেদত তাঁতী, কাঠমিস্ত্ৰী, কুমাৰ আদি বৃত্তিৰ উল্লেখ পোৱা যায়। ঋক্বৈদিক যুগত মানুহে সম্ভৱতঃ আভ্যন্তৰীণ বেহা-বেপাৰ কৰিছিল। সেই সময়ত বিনিময় প্ৰথাৰ প্ৰচলন আছিল। সেই সময়ত জাতিভেদ প্ৰথা কঠোৰ নাছিল। বিভিন্ন শ্ৰেণীৰ মাজত সেই সময়ত বিয়া-

বাৰু চলিছিল। সমাজৰ ৰক্ষণশীল বিভাজন, অস্পৃশ্যতাৰ ধাৰণা ইত্যাদি পিছৰ যুগতহে কঠোৰ ৰূপত দেখা গৈছিল



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক ঃ

(ক) ঋক্‌বৈদিক যুগৰ পৰিয়াল আছিল মাতৃপ্রধান/পিতৃপ্রধান।

.....

(খ) চিকাৰ/পাশা আছিল ঋক্‌বৈদিক যুগৰ আটাইতকৈ আকর্ষণীয় আন্তঃবিভাগীয় খেল (Indoor Game).

.....

প্রশ্ন নং ৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

ৰজাই প্রজাসকলৰ পৰা সংগ্রহ কৰা কৰক ..... বোলা হৈছিল।

প্রশ্ন নং ৮ ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

(ক) ঋক্‌বেদৰ সময়ৰ আর্যসকলে জলসিঞ্চনৰ বিষয়ে জানিছিল (শুদ্ধ/অশুদ্ধ)

.....

(খ) বৈদিক সভ্যতা এক নগৰীয়া সভ্যতা (শুদ্ধ/অশুদ্ধ)

.....

৩.৪.৪ ধর্ম

ঋক্‌বৈদিক যুগৰ ধর্ম আছিল সৰল। সেই সময়ত প্রকৃতিৰ বিভিন্ন শক্তিক পূজা কৰা হৈছিল। সেয়ে আর্যসকলৰ ধর্মত ভালেমান দেৱ-দেৱী আছিল। তেওঁলোকে পূজা কৰা দেৱতাসকলক তিনিটা শ্রেণীত ভাগ কৰিছিল। যেনে— পৃথিৱী, সোম, অগ্নি আদি আছিল ভূদেৱতা। ইন্দ্র, ৰুদ্র, ইত্যাদি আছিল বায়ুদেৱতা (Atmospheric God) আৰু সূর্য্য, বৰুণ আদি আছিল স্বর্গৰ দেৱতা (Heavenly God)। বৈদিক যুগৰ ধর্মত যাগ-যজ্ঞৰ বিশেষ স্থান আছিল। আর্য্যসকলে বিশ্বাস কৰিছিল যে যাগ-যজ্ঞই দেৱতাসকলক সন্তুষ্ট কৰে আৰু বিনিময়ত দেৱতাসকলে পূজা-অর্চনা কৰোতাজনৰ মনোকামনা পূৰণ কৰে। ধনী-দুখীয়া নির্বিশেষে প্রত্যেকেই নিজৰ সামর্থ অনুযায়ী যাগ-যজ্ঞ কৰিব পাৰে।



চিন্তা-চর্চা কৰক ৩.২

শ্রেণী অনুসৰি বৈদিক ধর্মৰ দেৱ-দেৱীসকলৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

.....

.....

.....

.....

৩.৪.৫ পৰৱর্তী বৈদিক সভ্যতা

আমি ইতিমধ্যে আলোচনা কৰিছিলো যে ঋক্‌বৈদিক যুগ আৰু পৰৱর্তী বৈদিক যুগৰ মাজত সুস্পষ্ট পার্থক্য আছিল। পৰৱর্তী বৈদিক যুগৰ আর্য্যসকলে উত্তৰ-পশ্চিম ভাৰতৰ পৰা পূৱলৈ বসতি বিস্তাৰ কৰিছিল। লাহে লাহে ঋক্‌বৈদিক যুগৰ সৰু সৰু জনজাতীয় ৰাজ্যসমূহৰ ঠাই লৈছিল ডাঙৰ ডাঙৰ ৰাজ্যসমূহে। ৰাজ্যসমূহৰ আকাৰ বৃদ্ধি পোৱাৰ লগে লগে ৰজাৰ ক্ষমতাও লক্ষণীয়ভাৱে বৃদ্ধি পাইছিল। পৰৱর্তী বৈদিক যুগৰ ৰজাসকলে সম্রাট বা 'এক্‌ৰাত' উপাধি গ্রহণ কৰিছিল। ইয়াৰ অর্থ হৈছে একছত্রী শাসক। ৰাজ্যৰ কাম কাজসমূহ সুচাৰুৰূপে চলাবলৈ কর্মচাৰীৰ সংখ্যাও বৃদ্ধি পাইছিল।

পৰৱর্তী বৈদিক যুগত সামগ্রিকভাৱে সমাজৰ সুদূৰপ্রসাৰী পৰিৱর্তন হৈছিল। সম্ভৱতঃ সেই সময়ৰ পৰাই জাতিভেদপ্রথা কটকটীয়া হৈ পৰিছিল। সমাজত ব্রাহ্মণ আৰু ক্ষত্রিয়সকলৰ ক্ষমতা আৰু প্রতিপত্তি লক্ষণীয় ভাৱে বৃদ্ধি পাইছিল। সমাজত অস্পৃশ্যতাৰ ধাৰণাটোৱে গা-কৰিবলৈ লৈছিল। পৰৱর্তী বৈদিক যুগৰ সমাজত নাৰীৰ স্থান যথেষ্ট সলনি হৈছিল। নাৰীয়ে ঋক্‌বৈদিক যুগত উপভোগ কৰা সামাজিক মর্যদা এই যুগত হেৰুৱাইছিল। কন্যা সন্তানৰ জন্মক হেয় জ্ঞান কৰা হৈছিল। যৌতুক ব্যৱস্থা জনপ্রিয় হৈ পৰিছিল। মুঠৰ ওপৰত পৰৱর্ত্তী বৈদিক যুগত সমাজত নাৰীৰ স্থান অৱনমিত হৈছিল।

সভ্যতাৰ বিকাশৰ লগে লগে বেপাৰ-বাণিজ্য উন্নতি হৈছিল। পৰৱর্তী বৈদিক যুগত আভ্যন্তৰীণ বাণিজ্য আৰু বর্হিবাণিজ্য দুয়োটাই চলিছিল। নিয়মীয়া মুদ্রাৰ সলনি 'নিষ্ক' নামৰ এবিধ সোণৰ মুদ্রা মূল্যায়ন হিচাবে ব্যৱহাৰ কৰা হৈছিল। কৃষি তেতিয়াও প্রধান জীৱিকা হৈ আছিল। পৰৱর্তী বেদসমূহত সদাগৰ, ধন ধাৰে দিওঁতা আদিৰ বিষয়েও উল্লেখ পোৱা যায়।

এই যুগৰ আর্য্যসকলৰ ধর্মীয় তথা আধ্যাত্মিক জীৱনলৈ যথেষ্ট পৰিৱর্তন আহিছিল। ঋক্‌বৈদিক যুগৰ দেৱতাসকল যেনে ইন্দ্র, বৰুণ, সূর্য্য আদিয়ে পূর্বৰ মাহাত্ম্য হেৰুৱাইছিল আৰু তাৰ ঠাই লৈছিল ৰুদ্র, বিষ্ণু, প্রজাপতি আদি নতুন দেৱতাই। পৰৱর্তী

বৈদিক যুগত যাগ-যজ্ঞই প্রাধান্য পাইছিল। ঋক্‌বেদৰ যুগত যজ্ঞ আছিল সৰল। কিন্তু পৰৱৰ্তী বৈদিক যুগত যজ্ঞৰ প্রক্রিয়া জটিল, আড়ম্বৰপূর্ণ আৰু ব্যয়বাহুল্য হৈ পৰে। তদুপৰি ব্রাহ্মণসকলক স্বর্গৰ দেৱতাসকল আৰু মর্ত্যৰ লোকসকলৰ মাজত মধ্যস্থতাকাৰী হিচাবে গণ্য কৰা হৈছিল। এইদৰে ধর্ম লাহে লাহে সাধাৰণ মানুহে ঢুকি পোৱাৰ পৰা আঁতৰি গৈছিল আৰু সমাজৰ বহুতকে অসন্তুষ্ট কৰিছিল। ইয়াৰ প্রতিক্রিয়া হিচাবে পৰৱৰ্তী বৈদিক যুগত এক দার্শনিক ধর্ম চিন্তাই গা কৰি উঠিছিল। দার্শনিকসকলৰ অনুসন্ধিৎসু মনে সৃষ্টি, জীৱন, মৰণৰ বিভিন্ন ৰহস্যৰ বিষয়ে অনুসন্ধান কৰিছিল। এইদৰে আত্মাৰ পুনর্জন্ম, কর্ম আৰু মোক্ষ বা মুক্তিৰ দৰে দার্শনিক মতবাদসমূহৰ জন্ম হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) আর্যসকলে তেওঁলোকৰ উপাস্যদেৱতাসকলক ..... শ্রেণীত ভাগ কৰিছিল।

(খ) পৰৱৰ্তী বৈদিক যুগত আর্যসকলে .....ৰ পৰা ..... লৈ বসতি বিস্তাৰ কৰিছিল।

(গ) পৰৱৰ্তী বৈদিক সমাজত কন্যাসন্তানৰ জন্মক ..... কৰা হৈছিল।

(ঘ) নিয়মীয়া মুদ্রাৰ সলনি ..... নামৰ এবিধ সোণৰ মুদ্রা মূল্যমান হিচাবে ব্যৱহাৰ কৰা হৈছিল।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ পিছত আপোনালোকে—

- হৰপ্পা সভ্যতাৰ নগৰীয়া জীৱন আৰু নগৰ পৰিকল্পনাৰ লগতে এই সভ্যতাৰ অধিবাসীসকলৰ আর্থসামাজিক আৰু ধর্মীয় জীৱনৰ অন্যান্য বিভিন্ন দিশ সম্পর্কে জানিব পাৰিলে।
- বৈদিক আর্যসকলৰ সমাজ, অর্থনীতি, ৰাজনীতি আৰু ধর্মৰ প্রধান দিশসমূহৰ বিষয়েও গম পালে।



৩.৬ প্রসংগ পুথি

1. Kosambi, D.D. (2001): *The cultural Civilization of Ancient India in Historical outline, Vikas Publishing House.*
2. Thapar Romila (2003): *The Penguin History of Early India, from the origins to AD 1300, Penguin Books India.*

3. Singh Upindar (2009) : *A History of Ancient and Early medieval India, from the Stone Age to the 12th Century, Pearson.*

৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সিন্ধু

২ নং প্ৰশ্নৰ উত্তৰঃ মহেঞ্জদাৰোৰ

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) চাৰিটা, (খ) টাকুৰী

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) লোথাল আৰু মহেঞ্জদাৰো, (খ) ২২,৫০,০০০

৫ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ, (খ) অশুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰঃ (ক) পিতৃপ্ৰধান. (খ) জুৱা

৭ নং প্ৰশ্নৰ উত্তৰঃ বালি

৮ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ, (খ) অশুদ্ধ

৯ নং প্ৰশ্নৰ উত্তৰঃ (ক) তিনিটা (খ) পশ্চিম, পূৱ, (গ) হেয় জ্ঞান, (ঘ) নিষ্ক

৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখা)

প্ৰশ্ন ১ ঃ ভাৰতৰ সকলোতকৈ পুৰণি সভ্যতাটোৰ নাম কি ?

প্ৰশ্ন ২ ঃ হৰপ্পা সভ্যতাৰ প্ৰধান বৃত্তি কিআছিল ?

প্ৰশ্ন ৩ ঃ আৰ্য দেব-দেবীসকলৰৰ তিনিটা ভাগ কি কি আছিল ?

প্ৰশ্ন ৪ ঃ বৈদিক যুগত ৰাজন বুলি কাক কোৱা হৈছিল ?

প্ৰশ্ন ৫ ঃ কুলপতি কোন আছিল ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ হৰপ্পা সভ্যতাৰ জনসাধাণ আৰু সমাজৰ ওপৰত এটা চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ পৰৱৰ্তী বৈদিকযুগৰ সভ্যতা আৰু ঋক্ বৈদিকযুগৰ সভ্যতাতকৈ কিদৰে পৃথক ?

প্ৰশ্ন ৩ ঃ 'বৈদিক সভ্যতা মূলত এটি গ্ৰাম্য সভ্যতা'-আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ হৰপ্পা সভ্যতাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বৈদিক সভ্যতাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ মধ্যযুগৰ ভাৰতৰ ৰাজনৈতিক বিকাশ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ দিল্লী চুলতানসকল
৪.৪ মোগলসকলৰ আগমন
৪.৫ দ্বিতীয় আফগান সাম্ৰাজ্যৰ প্ৰতিষ্ঠা
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ প্ৰসংগ পুথি
৪.৮ অগ্ৰগতিৰ খতিয়ান
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দিল্লীৰ চুলতানসকলৰ দিনত দাস বংশ, খল্‌জি বংশ, টুগ্‌লক বংশ, চৈয়দ আৰু লোডীসকলৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে জানিব পাৰিব,
- মোগলসকলৰ আগমন সম্পৰ্কে জানিব পাৰিব,
- দ্বিতীয় আফগান সাম্ৰাজ্যৰ প্ৰতিষ্ঠা সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

৪.২ পৰিচয়

ভাৰতবৰ্ষৰ ইতিহাসত খ্ৰীষ্টাব্দ ১২০৬ বছৰটো এক যুগান্তৰকাৰী বছৰ হিচাপে চিহ্নিত হৈছে। সেই বছৰটোতে কুটুব-উদ্‌-দিন-আইবাকে দিল্লীৰ চুলতানসকলৰ প্ৰতিষ্ঠা কৰে। চুলতানসকলে দেশখন তিনি শতিকাজুৰি ৰাজত্ব কৰিছিল। উল্লেখযোগ্য যে এই সময়ছোৱাত পাঁচটা বংশই অনুক্ৰমিকভাৱে ৰাজকাৰ্য চলাইছিল। এই পাঁচটা বংশ হ'ল— **দাস বংশ** (১২০৬-১২৯০), **খল্‌জি বংশ** (১২৯০-১৩২০), **টুঘলক বংশ** (১৩২০-১৪১৩), **চৈয়দ আৰু লোডী** (১৪১৩-১৫২৬)। ১৫২৬ খ্ৰীষ্টাব্দত পাণিপথৰ প্ৰথম যুদ্ধত ইব্ৰাহীম লোডীক পৰাস্ত কৰি দিল্লীৰ চুলতানসকলৰ ভাগ্যৰ দুৱাৰ ৰুদ্ধ কৰে আৰু মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। মোগল সম্ৰাজ্যৰ প্ৰতিষ্ঠাতা বাবৰৰ মৃত্যুত তেওঁৰ পুত্ৰ হুমায়ুনৰ প্ৰশাসনিক দুৰ্বলতাৰ সুযোগ লৈ শ্বেৰশ্বাহে দ্বিতীয় আফগান সাম্ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। এই অধ্যায়টোত আমি মধ্যযুগৰ ভাৰতৰ ইতিহাসত হোৱা সকলোবিলাক ৰাজনৈতিক বিকাশৰ বিষয়ে আলোচনা কৰিম।

৪.৩ দিল্লীৰ চুলতানসকল

- **দাস বংশ (Slave Dynasty) ঃ** ১২০৬-১২৯০ খ্ৰীষ্টাব্দৰ সময়ছোৱাত দিল্লী শাসন কৰা শাসকসকলক দাস বংশ বুলি জনা গৈছিল। আপুনি জানেনে এই বংশটিক কিয় দাস বংশ বোলা হয়? মূলতঃ এই বংশৰ বহুকেইজন গুৰুত্বপূৰ্ণ শাসক প্ৰকৃততে দাস আছিল আৰু সেই বাবে এই বংশক দাস বুলি জনা যায়। উল্লেখযোগ্য যে এই বংশৰ শাসকসকল কোনো এক নিৰ্দিষ্ট ৰাজবংশৰ পৰা অহা নহয়। কুটুব-উদ্-দিন আইবাক আছিল কুটুব বংশৰ প্ৰতিষ্ঠাতা, ইলতুৎমিছ আছিল ছামছি বংশৰ প্ৰতিষ্ঠাতা আৰু বলবানে বলবানী বংশ প্ৰতিষ্ঠা কৰিছিল। এওঁলোকক ইলবাৰী তুকছ্ বা দিল্লীৰ মামেলুক চুলতান বুলিও জনা গৈছিল।

তুৰ্কীস্তানৰ অধিবাসী কুটুব-উদ্-দিন আইবাকে মহম্মদ ঘোৰীৰ ক্ৰীতদাস হিচাপে জীৱন আৰম্ভ কৰিছিল। তেওঁৰ প্ৰভুৰ ভাৰত অভিযানৰ সফলতাত তেওঁৰ অধিনায়কত্বই গুৰুত্বপূৰ্ণ অৱদান যোগাইছিল। তৰাইনৰ দ্বিতীয় যুদ্ধৰ (১১৯৩) পাছত ভাৰত অভিযানৰ দায়িত্ব কুটুব-উদ্-দিনৰ হাতত এৰি থৈ মহম্মদ ঘোৰী গজনীলৈ উভতি যায়। ১২০৬ খ্ৰীষ্টাব্দত কোনো পুত্ৰ সন্তান নথকা মহম্মদ ঘোৰীৰ মৃত্যু ঘটে। সেই একেটি বছৰতে ঘূৰৰ চুলতান গিয়াছুদ্দিন মহম্মদৰ পৰা কুটুব-উদ্-দিনে চুলতান উপাধি লাভ কৰে। এই সময়ৰ পৰাই তেওঁক দিল্লীৰ প্ৰথম চুলতান হিচাপে গণ্য কৰিব পাৰি।

তেওঁ *লাখ বক্স* (লাখ টকা দিওতা) উপাধি লাভ কৰিছিল। তেওঁ এগৰাকী নৈষ্ঠিক মুছলমান আছিল। তেওঁ দুটা বিখ্যাত মছজিদ নিৰ্মাণ কৰিছিল। ইয়াৰে এটা দিল্লীত অৱস্থিত যাক *কুৱাট-উল-ইছলাম* বুলি জনা যায় আৰু আজমীৰত নিৰ্মাণ কৰা আনটো মছজিদ *আধাই দিন কা জোপোৱা* বুলি জনা যায়। ১১৯৯ খ্ৰীষ্টাব্দত তেওঁ দিল্লীৰ প্ৰখ্যাত কুটুব মিনাৰটো নিৰ্মাণৰ কাম হাতত লৈছিল।

ইলতুৎমিছ কুটুব-উদ্-দিনৰ জোঁৱায়েক আছিল। তুৰস্কীয় উচ্চ বিষয়াসকলে তেওঁৰ সিংহাসন আৰোহণৰ বিৰোধিতা কৰিছিল। ইলত্যুৎমিছ এগৰাকী সুদক্ষ শাসক আছিল। তেওঁ বংগৰ বিদ্ৰোহ দমন কৰাত সফল হৈছিল। তেওঁ গোৱালিয়ৰ, আজমীৰ, বায়না আৰু নাগোৰ পুনৰ জয় কৰিছিল। ৰণথাম্বোৰ আৰু ঝালোৰ বিৰুদ্ধে তেওঁ এক সামৰিক অভিযান পঠাইছিল। ১২২৬ খ্ৰীষ্টাব্দত তেওঁ মাণ্ডোৰ আক্ৰমণ কৰি দখল কৰে। ইলত্যুৎমিছৰ সময়তে মালৱাত তুৰ্কীসকলৰ প্ৰথম প্ৰৱেশ ঘটে। ১২৩৪ খ্ৰীষ্টাব্দত তেওঁ ভিলচা আৰু উজ্জয়িনী নগৰীত লুটপাত চলায়। ১২২৯ খ্ৰীষ্টাব্দত তেওঁ খলিফাৰ পৰা ৰাজকীয় উপাধিৰ নিশ্চয়তা পাইছিল। ই দিল্লীৰ চুলতানৰ স্বতন্ত্ৰ মৰ্যাদাৰ প্ৰতি এক স্বীকৃতি আছিল।

চুলতানী যুগৰ দুবিধ মূল মুদ্ৰা— ৰূপৰ টকা আৰু কপাৰৰ জিটাল মুদ্ৰাৰ আৰম্ভণি ইলতুৎমিছেই কৰিছিল। তেওঁ মুদ্ৰাৰ প্ৰচলন কৰাইছিল আৰু খুটবাত তেওঁৰ নামত মোহৰ মাৰিছিল। তেওঁ ইকতা ব্যৱস্থাৰো সূচনা কৰাইছিল। ইলত্যুৎমিছে দিল্লীৰ কুটুব মিনাৰৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছিল।



জানি থোৱা ভাল

চুলতানৰ প্ৰতি সামৰিক সেৱা আগবঢ়োৱাত ইকতাৰ পৰা ইকতাৰসকলে ৰাজহৰ এটি অংশ ৰাখি থৈছিল। বেছিভাগ ইকতাদাৰক সংশ্লিষ্ট ইকতাবোৰত আইন-শৃংখলাৰ দায়িত্বত ৰখা হৈছিল। তেওঁলোকে প্ৰয়োজনৰ সময়ত চুলতানলৈ সৈন্য প্ৰেৰণ কৰিব লাগিছিল।

মৃত্যুৰ আগে আগে ইলতুৎমিছে ৰেজিয়াক তেওঁৰ উত্তৰাধিকাৰী হিচাপে মনোনীত কৰি থৈ যায়। সিংহাসন আৰোহণ কৰিয়েই ৰেজিয়াই হেৰেমৰ আবুৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰে। মুকলি ৰাজসভাত বহি তেওঁ ৰাজকাৰ্য পৰিচালনা কৰিছিল আৰু বিদ্ৰোহী মুখিয়ালবোৰৰ বিৰুদ্ধে নিজাকৈ সৈন্যৰ নেতৃত্ব লৈছিল। জালাল-উদ্-দিন ইয়াকুত নামৰ এগৰাকী আবিছিনিয়ান বিষয়াৰ প্ৰতি তেওঁৰ অত্যাধিক অনুগ্ৰহক তেওঁৰ ***চাহালগেনিস***কলে ভাল পোৱা নাছিল। ৰেজিয়াৰ প্ৰধান উদ্দেশ্য আছিল তুৰস্কীয় বিষয়াসকলক তেওঁৰ অধীনস্থ কৰা। এই বিষয়াসকলৰ এক শক্তিশালী অংশই প্ৰদেশবোৰত ৰেজিয়াৰ বিৰুদ্ধে সংঘবদ্ধ হৈছিল। এদিন ৰেজিয়া আৰণ্যৰ ভিতৰত এদল দস্যুৰ হাতত পৰে, তেওঁ সাহসিকতাৰে যুদ্ধ দিছিল যদিও দস্যুসকলৰ হাতত পৰাস্ত হৈ মৃত্যুমুখত পৰে। তেওঁ চাৰে তিনিবছৰ কাল দিল্লীৰ শাসক হিচাপে অধিষ্ঠিত আছিল।



চাহালগেনি ঃ ক্ষমতাশালী তুৰ্কী বিষয়াসকলক 'চল্লিশজনীয়া চাহালগেনিজ' বোলা হৈছিল।

বলবান ৰাজপাটত আৰোহণ কৰাৰ লগে লগে এক কেন্দ্ৰীভূত শাসন প্ৰণালীৰো আৰম্ভণি ঘটে। তেওঁ চাহালগেনিৰ ক্ষমতা কৰ্তন কৰি চুলতানৰ কতৃত্ব শক্তিশালী কৰিব বিচাৰিছিল। তেওঁ চুলতানৰ ক্ষমতা আৰু সন্মান বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেওঁ নিজকে ইৰানৰ ৰজা আফ্ৰাছিয়াবৰ বংশধৰ বুলি ঘোষণা কৰিছিল। তেওঁৰ ৰাজসভা পাৰ্চীসকলৰ আৰ্হিত সজাই তুলিছিল আৰু পাইবোচ (সাষ্টাংগে প্ৰণাম) আৰু ছিজদা (ৰজাৰ পদযুগলত চুমা খোৱা) নিচিনা পাৰস্যৰ আচৰণ বিধি আৰম্ভ কৰিছিল। তেওঁ তেওঁৰ ৰাজসভাত পাৰস্য দেশীয় নৌৰজ অনুষ্ঠানৰো সূত্ৰপাত কৰিছিল।

সৈন্যসকলৰ বাবে সুকীয়া বিভাগ *দিৱান-ই-অৰ্জ* খোলাৰ কৃতিত্বৰ গৰাকী বলবান। বলবানে প্ৰতিটো বিভগতে *বাৰিদ বা গুপ্তচৰ* নিয়োগ কৰিছিল। ন্যায়বিচাৰৰ ক্ষেত্ৰত বলবান আছিল সম্পূৰ্ণৰূপে নিৰপেক্ষ।

মূলতঃ মঙ্গোলৰ পৰা হ'ব পৰা বিপদৰ কথা ভাবি বলবানে নতুনকৈ ৰাজ্যজয়ৰ কথা চিন্তা কৰা নাছিল। তেওঁ ইতিমধ্যে দখল কৰি থকা সাম্ৰাজ্যৰ ভেটি নিকপকপীয়া কৰাতহে মনোনিবেশ কৰিছিল। দোৱাৰ আৰু অৱধত হোৱা বিদ্ৰোহো তেওঁ সহজতে দমন কৰিছিল। ১২৭৯ খ্ৰীষ্টাব্দত বংগত বলবানৰ নিজৰ ক্ৰীতদাস তুঘ্ৰিল খাঁই বিদ্ৰোহ কৰে। অৱশ্যে সৰ্বশেষত বলবানৰ সেনাই তুঘ্ৰিলক কৰায়ত্ব কৰিবলৈ সক্ষম হয়।

বলবানৰ ৰাজত্বকালৰ সময়ত দস্যু আৰু ডকাইতৰ উপদ্ৰবৰ বাবে দিল্লীৰ অঞ্চল অসুৰক্ষিত হৈ পৰিছিল। মেৱাতিসকলে দিল্লীৰ উপকণ্ঠ অঞ্চলত লুটপাট কৰিছিল। বলবানে

অতি কঠোৰ প্ৰথা অৱলম্বন কৰি মেৱাতিসকলক নিৰ্দয়ভাৱে বশীভূত কৰিছিল।

১২৮৫ খ্ৰীষ্টাব্দত বলবানে মঙ্গোলসকলৰ এক আক্ৰমণৰ মুখামুখি হ'ব লগাত পৰে। বলবানে জ্যেষ্ঠ পুত্ৰ যুৱৰাজ মহম্মদক এই আক্ৰমণ প্ৰতিহত কৰিবলৈ প্ৰেৰণ কৰে, কিন্তু যুদ্ধক্ষেত্ৰতে তেওঁৰ মৃত্যু হয়। বলবানে এই শোকৰ বোজা আঁতৰাব নোৱাৰিলে আৰু ১২৮৬ খ্ৰীষ্টাব্দত মৃত্যুক আঁকোৱালি লয়।

- **খল্‌জিসকল [The Khaljis (1290-1320)]** ঃ ১২৮৬ খ্ৰীষ্টাব্দত বলবানৰ মৃত্যু হোৱাৰ পাছৰ কিছুকাল দিল্লীত এক অস্থিৰতাৰ সৃষ্টি হয়। জালালুদ্দিন খল্‌জিৰ নেতৃত্বত এদল খল্‌জি বিষয়াই বলবানৰ নিষ্কৰ্মা উত্তৰাধিকাৰীসকলক পৰাভূত কৰে। খল্‌জিসকল সম্ভৱতঃ তুৰ্কী বংশোদ্ভৱ আছিল। কিন্তু সমসাময়িক লেখক বাৰানিয়ে খল্‌জিসকলক তুৰ্কীবোৰতকৈ বেলেগ আছিল বুলি মত পোষণ কৰিছিল।

১২৯০ খ্ৰীষ্টাব্দত সত্তৰ বছৰ বয়সত জালালুদ্দিন ৰাজপাটত বহে। তেওঁ মাত্ৰ ছয় বছৰৰৰ বাবেহে শাসন চলাইছিল। জালালুদ্দিনে বলবানৰ শাসনৰ কিছু কঠোৰ নিয়ম লঘু কৰিবলৈ চেষ্টা কৰিছিল। ১২৯০ খ্ৰীষ্টাব্দত জালালুদ্দিনে ৰণথাম্বোৰ বিৰুদ্ধে এটি অভিযান চলাইছিল যদিও ইয়াৰ ফল অমিমাংসিত হৈ ৰ'ল। ১২৯২ খ্ৰীষ্টাব্দত তেওঁ সফলতাৰে নিজৰ ৰাজ্যখনক মঙ্গোল আক্ৰমণৰ পৰা ৰক্ষা কৰিছিল।

জালালুদ্দিনৰ ৰাজত্বকালৰ আতাইটকৈ গুৰুত্বপূৰ্ণ ঘটনা আছিল তেওঁৰ ভতিজা তথা জোঁৱাই আলাউদ্দিনৰ অধীনত দাক্ষিণাত্যৰ পিনে হোৱা দুঃসাহসিক আক্ৰমণ। আলাউদ্দিনে দক্ষিণলৈ বুলি অগ্ৰসৰ হৈছিল আৰু বেৰাৰ তথা সন্দেহৰ মাজেৰে অভিযান আগবঢ়াই নিছিল। তেওঁ দেৱগিৰি ৰজা ৰামচন্দ্ৰক পৰাস্ত কৰি আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰিছিল। পাছলৈ ১২৯৬ খ্ৰীষ্টাব্দত জালালুদ্দিনক আলাউদ্দিনে পৰিকল্পিতভাৱে হত্যা কৰে।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে নিজৰ খুৰাক জালালুদ্দিনক ষড়যন্ত্ৰমূলভাৱে হত্যা কৰি আলাউদ্দিন ক্ষমতাত অধিষ্ঠিত হৈছিল। তেওঁৰ শাসন কালত বৃহৎ ভূখণ্ড অধিকাৰ কৰি মুছলমান শাসনৰ সম্প্ৰসাৰণ ঘটোৱা প্ৰত্যক্ষ কৰা গৈছিল। ১২৯৭ খ্ৰীষ্টাব্দত আলাউদ্দিনে তেওঁৰ প্ৰথম অভিযান গুজৰাটৰ বিৰুদ্ধে কৰে, য'ত তেওঁ অজস্ৰ সম্পত্তি লুণ্ঠন কৰিবলৈ সমৰ্থ হয়। আলাউদ্দিনে নিজাকৈ মেৱাৰ আক্ৰমণ কৰে আৰু চিত্তোৰ ঘেৰাও কৰি ১৩০৩ খ্ৰীষ্টাব্দত ইৱাৰ দুৰ্গটো দখল কৰে। ৰাজস্থানৰ দুটা শক্তিশালী দুৰ্গ ৰণথাম্বোৰ আৰু চিত্তোৰ দখল কৰাৰ পাছত তেওঁৰ দৃষ্টি মালৱাত পৰে। এনেদৰে মধ্যভাৰত চুলতানী সাম্ৰাজ্যৰে অংশ হৈ পৰে। দেৱগিৰিৰ ৰজা ৰামচন্দ্ৰই কৰ দিবলৈ বন্ধ কৰাৰ বাবে আলাউদ্দিনে তেওঁৰ বিৰুদ্ধে এক অভিযান চলাইছিল। এই অভিযানত সেনাবাহিনীৰ অধিনায়কত্ব তেওঁৰ ক্ৰীতদাস মালিক কাফুৰৰ হাতত অৰ্পণ কৰা হৈছিল। ৰামচন্দ্ৰই পৰাজয় বৰণ কৰিছিল যদিও নিজৰ ৰাজ্য ধৰি ৰাখিব পাৰিছিল। ১৩০৯ৰ পৰা ১৩১১ খ্ৰীষ্টাব্দৰ ভিতৰত মালিক কাফুৰে দক্ষিণ ভাৰতত দুটা অভিযান চলায়। ইয়াৰে এটা ৰাৰেংগলৰ বিৰুদ্ধে আৰু আনটো দ্বাৰ সমুদ্ৰৰ বিৰুদ্ধে। কাফুৰে ৰাৰেংগল আৰু দ্বাৰ সমুদ্ৰৰ শাসকসকলক শান্তিৰ কথা বিচাৰ

কৰিবলৈ বাধ্য কৰাত সমর্থ হৈছিল।

আলাউদ্দিন এগৰাকী উচ্চাভিলাসী শাসক আছিল। তেওঁ এক কঠোৰ প্রশাসনিক ব্যৱস্থা প্রতিষ্ঠা কৰিছিল। কিছুমান কঠিন পদক্ষেপেৰে চুলতানৰ স্থিতি শক্তিশালী কৰিব বিচাৰিছিল। তেওঁ নির্ধাৰণ কৰা চাৰিটা পদক্ষেপ হ'ল— তেওঁ বিষয়াসকলৰ পাৰস্পৰিক আতিথ্যগ্রহণ বন্ধ কৰিছিল, সুৰাপানৰ অনুষ্ঠান নিবাৰণ কৰিছিল, এক সুদক্ষ গুপ্তচৰ ব্যৱস্থাৰ জৰিয়তে সকলো ক্ষেত্রতে সূক্ষ্ম দৃষ্টি ৰখাৰ ব্যৱস্থা হাতত লৈছিল, মুখীয়ালক আৰু ধর্মীয় দানৰ নামত দিয়া মাটিবোৰ জব্দ কৰা হৈছিল।

তেওঁ সাহিত্যৰো পৃষ্ঠপোষক আছিল। আমিৰ খুশ্রু আৰু মিৰ হাছান দালাৰিটো —এই দুয়োজনা কবিয়েই তেওঁৰ পৃষ্টপোষকতা লাভ কৰিছিল। চিৰি নামৰ নতুন নগৰীখনৰো তেওঁ নির্মাতা আছিল। তেওঁ আলাই দৰৱাজা, হাজাৰ ছাতুন (হাজাৰটা স্তম্ভৰ প্রসাদ) আদিও নির্মাণ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ দাস বংশৰ কোনে প্রতিষ্ঠা কৰে?

.....

প্রশ্ন নং ২ঃ চিৰি নামৰ নগৰীখনৰ কোনে নির্মাণ কৰিছিল?

.....

প্রশ্ন নং ৩ঃ আলাউদ্দিন খল্‌জিয়ে কোন খ্রীষ্টাব্দত ৰাজপাটত আৰোহণ কৰে?

.....

- **টুঘলকসকল (১৩২০-১৪১২) (The Tughlaqs 1320-1412) ঃ** শেষৰ গৰাকী খল্‌জি শাসক কুটুবুদ্দিন মুবাৰক শ্বাহ খল্‌জি, ঘাজি মালিকৰ হাতত নিহত হয় আৰু এওঁ গিয়াছুদ্দিন টুঘলক নামেৰে ১৩২০ খ্রীষ্টাব্দত ৰাজপাটত আৰোহণ কৰে। কিছুসংখ্যক ইতিহাসবিদৰ মতে টুঘলকসকল কাৰাউনা তুর্ক নামৰ এটি জাতিৰ বংশধৰ আৰু তেওঁলোক সংমিশ্রিত জাতিৰ লোক।

গিয়াছুদ্দিন টুঘলকে টুঘলক বংশৰ প্রতিষ্ঠা কৰিছিল। গিয়াছুদ্দিন এগৰাকী সতর্ক প্রশাসক আছিল। তেওঁৰ শাসনকালত খেতি-বাতিৰ প্রতি গুৰুত্ব দিয়া হৈছিল। জলসিঞ্চনৰ বাবে নলা খন্দা হৈছিল। তেওঁৰ মূল দুই উদ্দেশ্য আছিল— খেতিৰ বাবে মাটি বৃদ্ধি কৰা আৰু খেতিয়কৰ আর্থিক অৱস্থাৰ উন্নতি সাধন।

তেওঁ ৰাজ্য সম্প্রসাৰণৰ নীতিও গ্রহণ কৰিছিল। ১৩২১ খ্রীষ্টাব্দত ৰাৰাংগলৰ প্রতাপৰুদ্রক দমন কৰিবলৈ তেওঁ পুত্র জৌনা খানক প্রেৰণ কৰিছিল। অৱশেষত প্রতাপৰুদ্রই আত্মসমর্পণ কৰি বছেৰেকীয়া কৰ দিবলৈ মান্তি হয়। তেওঁৰ সময়তে তেলেংগনাও দিল্লী চুলতান সাম্রাজ্যৰ অধীনলৈ আহে। জৌনা খানে তাৰ পাছত উৰিষ্যা (জাজানগৰ) আক্রমণ কৰে। ১৩২৫ খ্রীষ্টাব্দত গিয়াছুদ্দিনে বংগ আক্রমণ কৰি বংগৰ শাসকক পৰাস্ত কৰে।

বংগৰ পৰা উভতি আহোতে গিয়াছুদ্দিনে তিৰহুতৰ ৰজাক পৰাস্ত কৰে। এনেদৰে পূৱ আৰু দক্ষিণ বংগ চুলতানী সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হয়।

১৩২৫ খ্ৰীষ্টাব্দত জৌনা খানে পিতৃৰ মৃত্যুৰ পাছত মহম্মদ-বিন-টুঘলক নামেৰে সিংহাসনত অধিষ্ঠিত হয়। তেওঁ এগৰাকী নিৰ্ভীক সম্পৰীক্ষক আছিল যদিও মেজাজী আৰু অসহিষ্ণু প্ৰকৃতিৰ আছিল। খুৰাছান অভিযানেৰে তেওঁ তেওঁৰ ৰাজকীয় জীৱনৰ সূচনা কৰিছিল যদিও এই আঁচনি অবাস্তৱিক হোৱা বাবে ইয়াক পৰিহাৰ কৰিব লগা হৈছিল।

তেওঁ প্ৰথম প্ৰশাসনিক পদক্ষেপ হিচাপে দোৱাবৰ ভূমি কৰ বৃদ্ধি কৰে। তেওঁৰ এই কামে চাৰিওপিনে অসন্তোষ বিয়পাইছিল, কিয়নো এনে এক সময়ত এই কৰ বৃদ্ধি কৰিছিল যি সময়ত অঞ্চলটো বৰষুণৰ অভাৱত গভীৰ দুৰ্ভীক্ষত নিমৰ্জিত হৈছিল। কৰ সংগ্ৰহকাৰী-সকলে বলপূৰ্বকভাৱে কৰ সংগ্ৰহ কৰিছিল। ইয়ে ব্যাপক বিদ্ৰোহৰ সূত্ৰপাত ঘটাইছিল।

দক্ষিণ ভাৰতক আপাতভাৱে ভালদৰে নিয়ন্ত্ৰণ কৰিবলৈ দিল্লীৰ পৰা দেৱগিৰিলৈ ৰাজধানী স্থানান্তৰ কৰা কাৰ্যই তেওঁৰ আটাইতকৈ বিতৰ্কমূলক প্ৰচেষ্টা আছিল। অৱশ্যে এই প্ৰচেষ্টা বিফল হয়। স্থানান্তৰৰ বাবে কৰা যাত্ৰা যথেষ্ট দীঘলীয়া আছিল বাবে ই অসন্তোষৰ সৃষ্টি কৰিছিল। দৌলতাবাদৰ পৰা উত্তৰ ভাৰত নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰাৰ বাবে কিছু বছৰৰ পাছতে তেওঁ এই চহৰ পৰিত্যাগ কৰে।

১৩২৯ খ্ৰীষ্টাব্দত তামৰ প্ৰতীক মুদ্ৰাৰ প্ৰচলন কৰাতো তেওঁৰ এক অভিনৱ পৰীক্ষামূলক কাম আছিল। কিন্তু ব্যৱসায়ী তথা সাধাৰণ লোকসকলে এই মুদ্ৰা গ্ৰহণ কৰিবলৈ ইতস্ততঃ কৰিছিল। চৰকাৰেও মানুহক নতুন মুদ্ৰা জালিয়াতি কৰাত বিৰত কৰাব পৰা নাছিল। অৱশেষত মহম্মদ টুঘলকে এই মুদ্ৰা উঠাই দিছিল।

মহম্মদ টুঘলকে ৰাজহ প্ৰশাসনৰ উন্নতিৰ হকে কেইবাটাও ব্যৱস্থা হাতত লৈছিল। সকলো প্ৰাদেশিক শাসকক আয় আৰু ব্যয়ৰ হিচাপ কেন্দ্ৰৰ হাতত জমা দিবলৈ কোৱা হৈছিল। *দিৱান-ই-কোহি* নামৰ কৃষিৰ এক সুকীয়া বিভাগো তেওঁ স্থাপন কৰিছিল। দোৱাবত খেতিৰ উন্নতিৰ হকে তেওঁ এখন বিশেষ আঁচনি আগবঢ়াইছিল।

মহম্মদ-বিন টুঘলকৰ মৃত্যুৰ পাছত ভতিজাক ফি�ৰোজ-শ্বাহ টুঘলক দিল্লীৰ ৰাজপাটত বহে। তেওঁ এক অৰাজক অৱস্থাত প্ৰশাসনৰ দায়িত্ব লৈছিল। ফিৰোজে প্ৰথমতে আভ্যন্তৰীণ বা ঘৰুৱা বিষয়ৰোৱত মনোনিবেশ কৰিছিল, বিশেষকৈ বিষয়াবৰ্গক সন্তোষ্ট কৰিবলৈ চেষ্টা কৰিছিল, উলেমাৰ বিশ্বাসভাজন হ'বলৈ চেষ্টা কৰিছিল। তেওঁ কেইবাটাও জনহিতকৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। তাৰে ভিতৰত অমানুষিক শাস্তি বিধান নিষিদ্ধ কৰা, দৰিদ্ৰ লোকসকলৰ বিনামূলীয়া চিকিৎসাৰ বাবে চিকিৎসালয় স্থাপন কৰা আদি উল্লেখযোগ্য। চাৰিটা প্ৰধান নলা খন্দাৰ বাবে খেতি-বাতিও যথেষ্ঠ ভাল হৈছিল। নতুনকৈ সৃষ্টি কৰা *দিৱান-ই-বান্দাগানি* (ক্ৰীতদাসৰ বিভাগ)ৰ জৰিয়তে ফিৰোজ- শ্বাহে দ্ৰুত হাৰত কাৰখানাবোৰত উন্নতি সাধিছিল। নিৱনুৰাৰ বাবে চাকৰি সৃষ্টি কৰা হৈছিল। নতুনকৈ সৃষ্টি কৰা *দিৱান-ই- খৰিয়ট* নামৰ আন এটি বিভাগৰ জৰিয়তে সম্পন্ন কৰা হৈছিল। সকলোবোৰ পদবী উত্তৰাধীকাৰী সূত্ৰে পোৱাৰ

ব্যৱস্থা কৰা হৈছিল তথা বিষয়াসকলক পৰিতৃপ্ত কৰাবলৈ তেওঁ প্ৰশাসন সম্পূৰ্ণৰূপে বিকেন্দ্ৰীকৃত কৰিছিল।

ফিৰোজ-শ্বাহ টুঘলক এগৰাকী প্ৰখ্যাত নিৰ্মাতা আছিল। তেওঁ জৌনপুৰ, ফিৰোজবাদ, ফটেহপুৰ, হিজাৰ-ফিৰোজা আদি চহৰৰ প্ৰতিষ্ঠাতা আছিল।



জানি থোৱা ভাল

টুঘলকৰ যুগতে টাইমূৰে ভাৰত আক্ৰমণ কৰিছিল। তেওঁ সমৰকণ্ডৰ এগৰাকী ভয়ানক সামৰিক নেতা আছিল। টাইমূৰৰ ভাৰত আক্ৰমণে দিল্লীৰ চুলতানসকলৰ প্ৰতি এক মাৰঘাত আছিল।

- **চৈয়দ আৰু লোডীসকল (The Saiyyds and the Lodis)**
  - **চৈয়দ বংশ (১৪১৪-১৪৫০) ঃ** টাইমূৰৰ ভাৰত আক্ৰমণৰ পাছত দিল্লীত চৈয়দ বংশৰ উত্থান ঘটে। এই বংশত মাথোঁ চাৰিগৰাকী ৰজা আছিল। এই বংশৰ শাসন মাথোঁ দিল্লী আৰু দাঁতি কাষৰীয়া কেইখনমান জিলাত সীমাবদ্ধ আছিল।
  - **লোডী বংশ ঃ** পোন্ধৰ শতিকাৰ মধ্যভাগৰ পৰা লোডীসকলে উজনিৰ গংগা উপত্যকা আৰু পাঞ্জাৱত আধিপত্য স্থাপন কৰি আহিছিল। দিল্লীত ইয়াৰ আগৰ শাসকসকল তুৰ্কী আছিল, কিন্তু লোডীসকল আছিল আফগান। চৈয়দ বংশৰ সমাপ্তিৰ পাছত বাহালুল লোডীয়ে ১৪৫১ খ্ৰীষ্টাব্দত দিল্লীত লোডী বংশৰ প্ৰতিষ্ঠা কৰে।

    লোডী বংশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শাসক গৰাকীয়েই আছিল ছিকণ্ডৰ লোডী। ছিকণ্ডৰেও জৌনপুৰৰ হুছেইন শ্বাহ চাৰকিক সম্পূৰ্ণভাৰে পৰাভূত কৰিছিল। তেওঁ লগতে বিহাৰো দখল কৰিছিল। ১৫০৬ৰ পৰা ১৫১৭ খ্ৰীষ্টাব্দলৈ চুলতানে গোৱালিয়ৰ দখল কৰিবলৈ সমগ্ৰ শক্তি প্ৰয়োগ কৰিছিল যদিও কেৱল চান্দেৰিহে অধিকাৰ কৰিবলৈ সমৰ্থ হয়।

    ছিকণ্ডৰ এগৰাকী সুদক্ষ প্ৰশাসক আছিল। তেওঁ ন্যায়ৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁ কৃষিৰ উন্নতিৰ প্ৰতিও আগ্ৰহ দেখুৱাইছিল। তেওঁ বজাৰত সামগ্ৰীৰ দামৰ তালিকা নিয়মিতভাৱে নিৰীক্ষণ কৰিছিল। তেওঁ *গজ-ই-ছিকণ্ডৰ* নামে গজ্ (জোখাৰ এক নতুন জোখ-মাখ) ব্যৱস্থা উলিয়াইছিল। তেওঁ হিন্দুসকলৰ ওপৰত পুনৰ জিজিয়া কৰ আৰোপ কৰিছিল। ধোলপুৰ আৰু গোৱালিৰ জয় কৰি তেওঁ তেওঁৰ সাম্ৰাজ্যৰ বিস্তাৰ কৰিছিল।

    ১৫১৭ খ্ৰীষ্টাব্দত ছিকণ্ডৰ লোডীৰ পাছত তেওঁৰ পুত্ৰ ইব্ৰাহীম লোডী ৰাজপাটত বহে। তেওঁ প্ৰশাসনৰ ক্ষেত্ৰত ৰজাৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। ইয়েই ৰজা আৰু বিষয়াবৰ্গৰ মাজত তিক্ততাপূৰ্ণ সংঘাতৰ সৃষ্টি কৰিছিল। ইব্ৰাহাম লোডী এগৰাকী ঔচিত্যবোধহীন শাসক আছিল। এওঁৰ শাসনকালতে প্ৰশাসন যন্ত্ৰ ভাঙি পৰিছিল তথা দুৰ্নীতিয়ে এক ত্বৰান্বিত ৰূপ পাইছিলগৈ। পাঞ্জাবৰ শাসক দৌলত খান

লোডীয়ে বাবৰক ভাৰত আক্রমণ কৰিবলৈ আমন্ত্রণ জনায়। ইব্রাহীম লোডী পাণিপথৰ প্রথম যুদ্ধত (১৫২৬) পৰাস্ত হয় আৰু এনেদৰে মোগল সাম্রাজ্য ভাৰততে প্রতিষ্ঠা হয়।



চিন্তা-চর্চা কৰক ৪.১

দিল্লীৰ চুলতানসকলৰ ৰাজ্য জয়ৰ নীতিৰ বিষয়ে এটি প্রবন্ধ প্রস্তুত কৰক।



অগ্রগতি নীৰিক্ষণ

প্রশ্ন নং ৪ ঃ দিল্লীৰ পৰা দেৱগিৰিলৈ ৰাজধানী কোনে স্থানান্তৰিত কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ কোনে টুঘলক বংশৰ প্রতিষ্ঠা কৰিছিল ?

.....

প্রশ্ন নং ৬ ঃ লোডী বংশৰ সকলোতকৈ গুৰুত্বপুর্ণ শাসক কোন আছিল?

.....

৪.৪ মোগলসকলৰ আগমন (Advent of the Mughals)

বাবৰৰ ভাৰত আক্রমণৰ প্রাক্ক্ষণত ভাৰতবর্ষৰ ৰাজনৈতিক অৱস্থা বৰ পুতৌজনক আছিল। ভাৰতবর্ষ বিভিন্ন সৰু সৰু ৰাজ্যত বিভক্ত আছিল। এইবিলাকৰ ভিতৰত মালৱা, মেৱাৰ, গুজৰাট, কাশ্মীৰ আৰু উৰিষ্যা। দক্ষিণ ভাৰততো সেই একেই অৱস্থা আছিল। দিল্লী চুলতানীসকলৰ দিনত দিল্লীয়ে এটি গুৰুত্বপূর্ণ আৰু সন্মানীয় স্থান দখল কৰিছিল, কিন্তু চুলতানসকলৰ পতনৰ লগে লগে দিল্লীয়েও আগৰ মর্যাদা হেৰুৱাই পেলাইছিল। লোডী বংশৰ শেষ ৰজা ইব্রাহিম লোডীক ১৫২৬ চনত পৰাস্ত কৰি বাবৰে ভাৰততে প্রৱেশ কৰে। মোগলসকলৰ আগমনে ভাৰতীয় প্রেক্ষাপটত এক নতুন যুগৰ সূচনা কৰে। ১৫২৫ চনৰ ২১ এপ্রিল তাৰিখে ভাৰতৰ ভূ-মণ্ডত মোগল শাসনৰ ভেটি স্থাপিত হয়। মধ্য এছিয়াৰ পৰা ভাৰতলৈ অহা মোগলসকলে লোডী বংশৰ শাসক ইব্রাহীম লোডীক পৰাজিত কৰি ভাৰতৰ শাসন ক্ষমতা হস্তগত কৰে।

- **বাবৰ (Babur) ঃ** ভাৰতত মোগল সাম্রাজ্যৰ প্রতিষ্ঠাতা হ'ল বাবৰ। তেওঁৰ সম্পূর্ণ নাম জহিৰুদ্দিন মহম্মদ বাবৰ। ১৪৮৩ খ্রীঃ ১৪ ফেব্রুৱাৰী তাৰিখে মধ্য এছিয়াৰ ফৰঘনা ৰাজ্যত বাবৰে জন্ম গ্রহণ কৰে। তেওঁৰ পিতৃ ওমৰ শ্বেইখ মিৰজা, ফৰঘনা নামৰ এই সৰু ৰাজ্যখনৰ শাসক আছিল। বাবৰ পিতৃসূত্রে টাইমূৰ আৰু মাতৃসূত্রে ছেংগিজমানৰ বংশধৰ আছিল। তেওঁৰ মাতৃৰ নাম আছিল উত্লুগনিগাৰ মানুম। বাবৰৰ পৰিয়াল তুর্কী জাতিৰ অন্তর্গত 'ছাঘটাইদ' গোষ্ঠীৰ অন্তর্গত যিসকলক সাধাৰণভাৱে মোগল নামেৰে জনা যায়।

উত্তৰাধিকাৰী সূত্রে বাবৰে তেওঁৰ পিতৃৰ পিছত ১৪৯৪ খ্ৰীঃৰ পৰা তেওঁ ক্রমে ভাৰত বিজয়ৰ মন মেলে। ১৫১৯-১৫২৪ খ্ৰীঃলৈ এই সময়ছোৱাৰ ভিতৰত তেওঁ চাৰিবাৰকৈ ভাৰত আক্রমণ কৰে যদিও বিশেষ সক্ষমতা লাভ কৰিব পৰা নাছিল। অৱশ্যে তেওঁৰ পঞ্চমবাৰ ভাৰত অভিযানত সফলতা অর্জন কৰিবলৈ সক্ষম হয়। এইবাৰ বাবৰে ১৫২৬ খ্ৰীঃৰ বিখ্যাত পাণিপথৰ প্রথম যুদ্ধত ইব্রাহীম লোডীক পৰাস্ত কৰি ভাৰতৰ ক্ষমতাৰ কেন্দ্রবিন্দু দিল্লী অধিকাৰ কৰে। ইয়াৰ পিছত বাবৰে ১৫২৭ খ্ৰীঃত খানবাৰ যুদ্ধত সেইসময়ৰ শ্রেষ্ঠ ৰাজপুত ৰজা মেৱাৰৰ ৰাণা সংগ্রাম সিংহ বা ৰাণা সিংহক পৰাজিত কৰে। ইয়াৰ পৰৱর্তী সময়ত বাবৰে ৰাজপুত শাসক মেদিনী ৰায়ৰ পৰা চান্দেৰি অধিকাৰ কৰে। ১৫২৯ খ্ৰীঃৰ ঘগৰাৰ যুদ্ধত বাবৰে মহম্মদ লোডী আৰু তেওঁৰ সহযোগী বংগৰ নুচ্ৰত শ্বাহক পৰাস্ত কৰে।

ঘাগৰা যুদ্ধৰ পৰৱর্তী সময়ত বাবৰে তেওঁৰ নবনির্মিত সাম্রাজ্যখনক এক কার্যদক্ষ প্রশাসনীয় ব্যৱস্থাৰ দ্বাৰা সুদৃঢ় কৰি তুলিবলৈ প্রয়াস কৰে। অৱশ্যে ১৫৩০ খ্ৰীঃৰ ২৬ ডিচেম্বৰত তেওঁৰ মৃত্যুৰ পৰিপেক্ষিতত এক নির্ভৰযোগ্য প্রশাসনীয় ব্যৱস্থা গঢ়ি তুলিবলৈ তেওঁ যি প্রয়াস কৰিছিল সেয়া কার্য ৰূপায়িত নহ'ল। তেওঁক কাবুলত সমাধিষ্ঠ কৰা হয়। তুর্কী আৰু পার্চী ভাষাত বিদ্বান বাবৰে 'মুবাইয়া' নামৰ এক নতুন কাব্য শৈলীৰ উদ্ভাৱন কৰিছিল। বাবৰে তেওঁৰ স্মৃতি-কথা 'তজুক-ই-বাব্ৰি' নামৰ গ্রন্থখন তুর্কী ভাষাত ৰচনা কৰিছিল। তেওঁ আনকি এখন ৰাকাই তুর্কী ইতিহাসো ৰচনা কৰিছিল। ইয়াৰোপৰি সংগীত আৰু অন্য কলাতো বাবৰৰ উৎকর্ষতা মন কৰিবলগীয়া।

- **হুমায়ুন (Humayun) ঃ** নাছিৰুদ্দিন মহম্মদ হুমায়ুন আছিল বাবৰৰ জেষ্ঠ পুত্র। ১৫৩০ চনৰ ৩০ ডিচেম্বৰত হুমায়ুনে দিল্লীৰ সিংহাসন আৰোহন কৰে। সিংহাসন আৰোহনৰ প্রাৰম্ভিক অৱস্থাৰ পৰাই তেওঁ বিভিন্ন ধৰণৰ জটিলতাৰ সন্মুখীন হ'ব লগা হৈছিল। টাইমুৰৰ পৰম্পৰা অনুসৰণ কৰি হুমায়ুনে তেওঁৰ সাম্রাজ্যখন তেওঁৰ তিনিজন সতীয়া ভাতৃ কামৰান, হিন্দাল আৰু আছকাৰিৰ সৈতে ভগাই লৈছিল। কিন্তু তেওঁৰ ভাতৃসকল এই ভাগ বিতৰণৰ অংশক লৈ সন্তুষ্ট হোৱা নাছিল। তিনি সতীয়া ভাতৃ, তেওঁৰ ভনী জোৱাই মহম্মদ জামান মির্জা, অন্য টাইমুৰী ৰাজকুমাৰ সকল আৰু আফগান নেতাসকলৰ পৰা হুমায়ুনে প্রায়ে শক্তিশালী ভাবুকিৰ সন্মুখীন হ'ল লগা হৈছিল। হুমায়ুনে সততে তেওঁৰ ভাতৃসকল আৰু আত্মীয় সকলৰ প্রতি এক উদাৰনীতি গ্রহণ কৰিছিল। কিন্তু আফগানসকলৰ প্রতি তেওঁ আক্রমনাত্মক নীতি গ্রহণ কৰিছিল। তেওঁ ১৫৩১ চনত কালিঞ্জৰৰ ৰজা প্রতাপৰুদ্র দেৱৰ বিৰুদ্ধে এক অভিযান চলায় ইয়াৰ মুখ্য কাৰণ হ'ল ৰজা প্রতাপৰুদ্র দেৱ গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহৰ প্রতি সহানুভূতিশীল আছিল। হুমায়ুনে কালিঞ্জাৰ অৱৰোধ কৰে যদিও ইয়াক দখলত ৰাখিবলৈ সক্ষম নহ'ল। কাৰণ সেই সময়তে মহম্মদ লোডীৰ নেতৃত্বত হোৱা আফগান আক্রমণ আৰু দক্ষিণ বিহাৰৰ শ্বেৰ খান চুৰৰ দ্বাৰা হোৱা চুনাৰ দুর্গ দখলৰ ঘটনাই হুমায়ুনৰ দৃষ্টি কালিঞ্জাৰৰ পৰা আঁতৰাই আনিবলৈ বাধ্য কৰে। অৱশ্যে হুমায়ুনে ৰজা প্রতাবৰুদ্র দেৱৰ পৰা কিছু ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হয়। মহম্মদ লোডীৰ নেতৃত্বত অহা

আফগানসকলে জৌনপুৰ আক্রমণ কৰে আৰু ইয়াক মোগলৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু অতি কমদিনৰ ভিতৰতে ১৫৩২ চনৰ জুলাই মাহত হোৱা দাদৰাৰ যুদ্ধত হুমায়ুনে আফগান সকলক পৰাস্ত কৰে। ইয়াৰ পিছত ১৫৩২ চনৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰ পর্যন্ত তেওঁ শ্বেৰখান চুৰৰ নিয়ন্ত্রণত থকা চুনাৰ দুর্গ অৱৰোধ কৰে। শ্বেৰখানে হুমায়ুনৰ বশ্যতা স্বীকাৰ কৰে আৰু তেওঁৰ সৈতে সন্ধি স্থাপন কৰে। পৰৱর্তী সময়ত হুমায়ুনে গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহৰ প্রতি দৃষ্টি নিবদ্ধ কৰে সেই সময়ত বাহাদুৰ শ্বাহে মালৱা, ৰাইছিন,চান্দেৰী, ৰনথাম্বোৰ, আজমীৰ, নাগোৰ, চিষ্টোৰ আদি জয় কৰি মোগল সাম্রাজ্যৰ প্রতি এক ভাবুকী স্বৰূপ হৈ পৰে। হুমায়ুনে ১৫৩৫ চনত মাল্ৱা আৰু গুজৰাট, বাহাদুৰ শ্বাহৰ পৰা অধিকাৰ কৰে যদিও দীর্ঘদিনৰ বাবে নিজৰ দখলত ৰাখিবলৈ সক্ষম নহ'ল।

এনে এক সন্ধিক্ষণতে শ্বেৰখান চুৰীয়ে দক্ষিণ বিহাৰত নিজৰ অৱস্থান সুদৃঢ় কৰি তোলে। এই সময়ছোৱাত শ্বেৰখান চুৰি হুমায়ুনৰ প্রধান শত্রু হিচাপে পৰিগণিত হৈছিল যদিও হুমায়ুনে এই কথাটো সিমান গুৰুত্ব সহকাৰে লোৱা নাছিল। যাৰ বাবে পিছৰ সময়ত হুমায়ুনে এক ভয়ংকৰ বিপদৰ সন্মুখীন হ'ব লগা হৈছিল। ১৫৩৮ চনত শ্বেৰখানে গৌৰ অধিকাৰ কৰে। তাৰ পিছত ১৫৩৯ চনত সংঘটিত শৌচাৰ যুদ্ধত শ্বেৰখানে হুমায়ুনক পৰাস্ত কৰি 'শ্বেৰশ্বাহ' উপাধি লৈ নিজকে বেনাৰস চুলতান বুলি ঘোষণা কৰে। হুমায়ুন কথমপিহে আগ্রা পাবলৈ সক্ষম হ'ল। এবছৰৰ পিছত ১৫৪০ চনত এপ্রিল মাহত হুমায়ুন আৰু শ্বেৰশ্বাহৰ মাজত সংঘটিত কনৌজৰ যুদ্ধত শ্বেৰশ্বাহৰ হাতত মোগল সম্পূর্ণ ৰূপে পৰাভূত হয়। এই লজ্জাজনক পৰাজয়ৰ পাছত হুমায়ুন পলাতক হয় আৰু ১৫ বছৰ (১৫৪০-৫৫) জুৰি নির্বাসনত কটাবলৈ বাধ্য হয়। ফলস্বৰূপে শ্বেৰশ্বাহ দিল্লীৰ গৰাকী হৈ পৰে আৰু হিন্দুস্থানৰ সার্বভৌমত্ব পুনৰ্বাৰৰ বাবে আফগানসকললৈ হস্তান্তৰিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বাবৰৰ স্মৃতি-কথাৰ নাম কি আছিল?

.....

প্রশ্ন নং ৮ ঃ পাণিপথৰ প্রথম যুদ্ধত কোন পৰাস্ত হৈছিল?

.....

প্রশ্ন নং ৯ ঃ বাবৰৰ মোগল ৰাজপাটৰ উত্তৰাধিকাৰী কোন আছিল?

.....

প্রশ্ন নং ১০ ঃ হুমায়ুনৰ সতীয়া ভাতৃকেইজনৰ নাম কি কি?

.....

৪.৫ দ্বিতীয় আফগান সাম্রাজ্যৰ প্রতিষ্ঠা (Foundation of the Second Afghan Empire)

বাবৰৰ পানিপথ আৰু ঘাগৰাৰ বিজয়ে আফগান ৰজাসকলক সম্পূণৰূপে বিলুপ্তি

ঘটাব পৰা নাছিল। তেওঁলোকে সকলো সময়ত নব্য প্রতিষ্ঠিত মোগল সাম্রজ্যৰখনৰ প্রতি আগ্রাসী মনোভাৰ পোষণ কৰিছিল। সেইসময়ত তেওঁলোকৰ এই গাইগুটীয়া চেষ্টাবোৰক একগোট কৰি এক জাতীয় প্রচেষ্টালৈ ৰূপান্তৰিত কৰিবৰ বাবে এক শক্তিশালী নেতৃত্বৰ অত্যন্ত প্রয়োজন আছিল আৰু শ্বেৰখান চুৰীয়ে এই প্রয়োজনটো পূৰণ কৰিছিল। শ্বেৰখান চুৰে পুনৰবাৰ আফগান শক্তিক ভাৰতৰ বুকুত সজীৱ কৰি তোলে। তেওঁ নৱ প্রতিষ্ঠিত মোগল ৰাজত্বক উৎখাত কৰি দ্বিতীয় আফগান সাম্রাজ্যৰ ৰূপত এক চমু অর্থ গৌৰবোজ্জল আফগান শাসনৰ উত্থান ঘটায়।

- **শ্বেৰশ্বাহ চুৰী (Sher Shah Suri) ঃ** আফগানিস্থানৰ ৰাহোৰিৰ এক বিখ্যাত চুৰ পৰিয়ালৰ সন্তান শ্বেৰশ্বাহ চুৰীয়ে তেওঁৰ ব্যক্তিগত চেষ্টা আৰু গুণৰ বলত অতি কম সময়ৰ ভিতৰতে খ্যাতি লভিবলৈ সক্ষম হয়। শ্বেৰশ্বাহৰ প্রকৃত নাম আছিল ফৰিদ। চচৰামত অৱস্থিত তেওঁৰ দেউতাকৰ জাগীৰৰ প্রশাসনৰ দায়িত্ব প্রথমে গ্রহণ কৰে আৰু তাৰ পৰাই নিজৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰে। ১৪৯৭ চনৰ পৰা ১৫১৮ চন পর্যন্ত এই একৈশ বছৰ কাল শ্বেৰশ্বাহে জাগীৰৰ প্রশাসন সক্ষমতাৰে চলায় যদিও তেওঁৰ মাহীমাক আৰু সতীয়া ভাতৃসকলে ষড়যন্ত্র কৰি তেওঁক সেই পদৰ পৰা অৱনমিত কৰে। তেতিয়া শ্বেৰশ্বাহে বিহাৰ ত্যাগ কৰে আৰু দৌলতখান লোডীৰ অধীনত নিয়োজিত হয়। দৌলতখান লোডীৰ জৰিয়তে শ্বেৰশ্বাহে ইব্রাহীম লোডীক তেওঁৰ দেউতাকৰ জাগীৰৰ শাসনভাৰ তেওঁৰ হাতত অর্পণ কৰাৰ বাবে অনুৰোধ কৰে। চুলতান ইব্রাহীম লোডীয়ে শ্বেৰশ্বাহৰ পিতৃ হাছানৰ মৃত্যু ঘটাত ইব্রাহীম লোডীয়ে শ্বেৰশ্বাহক পিতৃৰ জাগীৰৰ ভাৰ অর্পণ কৰে। কিন্তু শ্বেৰশ্বাহৰ সতীয়া ভাতৃসকলৰ তীব্র বিৰোধিতাৰ বাবে তেওঁ পিতৃৰ জাগীৰ সম্পূর্ণৰূপে দখল কৰিবলৈ সক্ষম নহ'ল।

  ইয়াৰ পাছত শ্বেৰশ্বাহে দক্ষিণ বিহাৰৰ আফগানৰ শাসনকর্তা বাহাৰ খান লোহানীৰ অধীনত নিয়োজিত হয়। পানিপথৰ যুদ্ধত ইব্রাহীম লোডীৰ পৰাজয়ৰ পিছত বাহাৰখান লোহানীয়ে নিজৰে দক্ষিণ বিহাৰৰ স্বতন্ত্র শাসক হিচাপে ঘোষণা কৰে আৰু শ্বেৰশ্বাহক তেওঁৰ উপমুখ্য প্রশাসক হিচাপে নিয়োগ কৰে। একে সময়তে তেওঁ শ্বেৰশ্বাহক তেওঁৰ নাবালক পুত্র জালাল খানৰ প্রশিক্ষক হিচাপেও নিয়োগ কৰে। কিন্তু বাহাৰখান লোহানীকো শ্বেৰশ্বাহৰ বিৰুদ্ধে কিছুমান প্রৰোচনামূলক কথা কৈ শ্বেৰশ্বাহৰ বিৰোধী কৰি তোলা হয় যাৰ বাবে শ্বেৰশ্বাহ মোগলসকলৰ কায চাপিবলৈ বাধ্য হয়। এই সময়-ছোৱাত শ্বেৰশ্বাহে অতি হস্রকালীনভাৱে (১৫২৭-১৫২৮) নিজকে মোগলৰ অধীনত নিয়োজিত কৰিব লগাত পৰে। এই সময়ছোৱাত শ্বেৰশ্বাহেই বাবৰক চান্দেৰি অভিযানত সহায় কৰে। মোগল সম্রাটৰ পৰা পিতৃপ্রদত্ত জাগীৰৰ অধিকাৰ পুৰস্কাৰ হিচাপে ঘুৰাই পাবলৈ সক্ষম হয়।

  বাহাৰ খান লোহানীয়ে শ্বেৰশ্বাহক পুনৰবাৰ পূর্বৰ পদবী উপ প্রশাসক আৰু পুত্র জালানৰ প্রশিক্ষক হিচাপে নিয়োগ কৰে। কিন্তু ১৫২৮ চনত বাহাৰ খান লোহানীৰ পৰলোক প্রাপ্তি ঘটে আৰু তাৰ কিছুদিনৰ পিছতে তেওঁৰ বিধবা পত্নী দুদু বিবিৰো মৃত্যু হয়। ইয়াৰ পিছত শ্বেৰশ্বাহে নামমাত্র শাসনকর্তা জালানখানৰ অভিভাৱকৰ দায়িত্ব পালন কৰাৰ লগতে ৰাজ

প্ৰতিনিধিও হৈ পৰে। ক্ৰমান্বয়ে শ্বেৰশ্বাহে শাসনৰ চাবিকাঠি নিজৰ হাতলৈ আনিবলৈ যত্ন কৰিলে। অৱশেষত তেওঁ দক্ষিণ বিহাৰৰ স্বতন্ত্ৰ শাসকলৈ ৰূপান্তৰিত হ'ল আৰু নিজকে 'হজৰত-ঈ-আল্লা' বুলি ঘোষণা কৰিলে।



জানি থোৱা ভাল

এখন হাতেৰে এটা বাঘ বধ কৰাৰ বাবে বাহাৰ খান লোহানীয়ে শ্বেৰশ্বাহক শ্বেৰখান উপাধি প্ৰদান কৰে।

শ্বেৰশ্বাহে চুনাৰ শাসনকৰ্তা তাজখানৰ বিধবা পত্নী লেড মালিকাৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ চুনাৰ দুৰ্গ লাভ কৰাটো তেওঁৰ এক উল্লেখনীয় সফলতা আছিল। ইয়াৰ পিছত ১৫৩৩ চনত শ্বেৰশ্বাহে বিহাৰৰ লোহানী নেতা আৰু বংগৰ মহম্মদ শ্বাহৰ যুটিয়া শক্তিক মুৰুজগড়ৰ যুদ্ধত পৰাস্ত কৰে আৰু সমগ্ৰ বিহাৰ নিজৰ অধীনলৈ আনে। তেওঁ বংগৰ শাসনকৰ্তা মহম্মদ শ্বাহক ১৫৩৫, ১৫৩৭ আৰু ১৫৩৮ চনত তিনিবাৰকৈ পৰাস্ত কৰি বৃহৎ পৰিমাণৰ সা-সম্পত্তি লাভ কৰাৰ লগতে বংগৰ ৰাজধানী গৌড়ও কিছুদিনৰ বাবে অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। এই বিজয়ৰ জৰিয়তে এনে এক সময়ত শ্বেৰশ্বাহৰ ক্ষমতা আৰু সন্মান উভয়েই বৃদ্ধি পাইছিল। শ্বেৰশ্বাহে অতি কৌশলেৰে মোগল সম্ৰাট হুমায়ুনক গৌড়ত ব্যস্ত ৰাখি বিহাৰ আৰু দিল্লীৰ যোগাযোগৰ সকলো ব্যৱস্থা বিচ্ছিন্ন কৰি দিয়ে আৰু বংগৰ পৰা আগ্ৰালৈ হুমায়ুনৰ উভতনি যাত্ৰাত শ্বেৰশ্বাহে পথৰুদ্ধ কৰি মোগল সেনা বাহিনীক ২৬ জুন ১৫৩৯ চনৰ চৌচাৰ যুদ্ধত সম্পূৰ্ণভাৱে পৰাভুত কৰে। এই যুদ্ধত মোগল সম্ৰাট হুমায়ুনে কথমপিহে নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়।

এই বিজয়ৰ দ্বাৰা উৎসাহিত হৈ শ্বেৰশ্বাহ চুলতান-ই-আদিল' নামেৰে গৌড়ৰ ৰাজ ক্ষমতা হস্তগত কৰে। ইয়াৰ ঠিক পাছৰ বছৰত ১৫৪০ চনত 'শ্বেৰশ্বাহে হুমায়ুনক কনৌজ বা বিলগ্ৰামৰ যুদ্ধত পুনৰ পৰাস্ত কৰে আৰু দিল্লীৰ ৰাজপাট অধিকাৰ কৰে। ইয়াৰ দ্বাৰা শ্বেৰশ্বাহে দিল্লীত পুনৰ্বাৰ আফগান সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল আৰু ১৫৪০ৰ পৰা ১৫৪৫ চন পৰ্যন্ত এই পাঁচটা বছৰ দিল্লীৰ সিংহাসন নিজৰ অধীনত ৰাখে।

এই কম সময়ছোৱাৰ ভিতৰত শ্বেৰশ্বাহে ১৫৪২ চনত মালৱা আৰু পঞ্জাৱ, ১৫৪৩ চনত ৰাইচিন, মুলতান আৰু সিন্ধ, ১৫৪৪ চনত মাৰৱাৰ আৰু মেৱাৰ আৰু ১৫৪৫ চনত কালিঞ্জাৰৰ বিজয় সাব্যস্ত কৰে। কিন্তু কালিঞ্জাৰ অভিযানত ঘটা এক বিস্ফোৰণত তেওঁ গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। শ্বেৰশ্বাহে এক সুদক্ষ প্ৰশাসনীয় গাঁথনি প্ৰদান কৰি যায়। তেওঁ সমগ্ৰ ৰাজ্যখন চৰকাৰ নামেৰে সাতচল্লিশটা গোটত বিভক্ত কৰিছিল। প্ৰত্যেক চৰকাৰকে পুনৰ কিছুমান পৰগণাত বিভক্ত কৰিছিল। শ্বেৰশ্বাহে এক উৎকৃষ্ট ৰাজহ প্ৰশাসন ব্যৱস্থাৰ উদ্ভাৱন কৰিছিল আৰু এই ব্যৱস্থাটোক ভৱিষ্যতৰ দিনবিলাকত কৃষি সংস্কাৰৰ আদৰ্শ প্ৰণালী হিচাপে কাৰ্যকৰী কৰা হৈছিল। শ্বেৰশ্বাহ প্ৰকৃতাৰ্থত এজন মহান বীৰ আৰু ৰাজনীতিবিদ আছিল।

- **শ্বেৰশ্বাহৰ উত্তৰাধিকাৰীসকল (Successors of Sher Shah Suri) ঃ** শ্বেৰশ্বাহে প্ৰতিষ্ঠা কৰা দ্বিতীয় আফগান সাম্ৰাজ্য বা চুৰ সাম্ৰাজ্যখন তেওঁৰ অদক্ষ উত্তৰাধীকাৰী সকলৰ বাবে দীঘস্থায়ী হৈ নাথাকিল। শ্বেৰশ্বাহৰ পাছত তেওঁৰ দ্বিতীয় পুত্ৰ জালানখানে ইছলাম শ্বাহ বা চেলিম উপাধি গ্ৰহণ কৰি ১৫৪৫ চনৰ পৰা ১৫৫৩ চনলৈ শাসন কাৰ্য চলায়। ইছলাম শ্বাহ এজন সন্দেহপৰায়ন লোক আছিল। ইছলাম শ্বাহৰ শাসন কালক আফগান সাম্ৰাজ্য পতনৰএক প্ৰধান কাৰক বুলি গন্য কৰিব পাৰি। তেওঁৰ মৃত্যুৰ পাছত আতীয় নিজামে মহম্মদ আদিল শ্বাহ উপাধি লৈ ৰাজপাট আৰোহন কৰে। মহম্মদ আদিল শ্বাহে ১৫৫৩ চনৰ পৰা ১৫৫৭ চনলৈ মাত্ৰ চাৰি বছৰ কাল শাসন কাৰ্য চলাবলৈ সক্ষম হয়।

মহম্মদ আদিল শ্বাহৰ চাৰিবছৰীয়া শাসন কালৰ অন্তত দিল্লীৰ ৰাজপাট ইব্ৰাহীম খান চুৰৰ হাতলৈ যায় । ইব্ৰাহীম খান শ্বেৰশ্বাহৰ এজন ভতিজাক আছিল আৰু ইব্ৰাহীম খানে তেওঁৰ নব্য প্ৰতিষ্ঠিত ৰাজধানী চুনাৰৰ পৰা দিল্লীৰ শাসন কাৰ্য চলাবলৈ লৈছিল। সমসাময়িকভাৱে শ্বেৰশ্বাহৰ অন্য এজন ভতিজাক চিকন্দৰ শ্বাহে পঞ্জাব অধিকাৰ কৰে। মুঠতে সেই সময়ছোৱাত সমগ্ৰ প্ৰশাসন ব্যৱস্থাও এক অৰাজকতাৰ সৃষ্টি হয়। এনে এক সময়তে মহম্মদ আদিল শ্বাহে হিমুক মুখ্যমন্ত্ৰীৰূপে নিয়োগ কৰি সকলো প্ৰশাসনীয় দায়িত্ব ভাৰ অৰ্পণ কৰে। আদিল শ্বাহৰ এই কাৰ্যক আফগান অভিজাত লোকসকলে সহজভাৱে লব পৰা নাছিল। এই ঘটনাক্ৰমৰ মাজতে আফগান অভিজাত লোকসকলৰ মাজত ক্ষমতাক লৈ তীব্ৰ টনা-আজোৰাৰ সৃষ্টি হয় আৰু ইয়াৰ মাজেৰে কোনো কোনোৱে নিজকে স্বাধীন বুলি ঘোষণা কৰে।

এই সময়ছোৱাত মহম্মদ আদিল শ্বাহ, ইব্ৰাহীম খান চুৰ আৰু চিকন্দৰ চুৰৰ নেতৃত্বত আফগান সৈন্য বাহিনীক ছুটলেজ নৈৰ পাৰৰ মাচিৱাৰৰ যুদ্ধত পৰাস্ত কৰে আৰু পঞ্জাৰ অধিকাৰ কৰি তেওঁৰ পুত্ৰ আকবৰক ইয়াৰ শাসনকৰ্তা হিচাপে নিয়োগ কৰে। ১৫৫৫ চনৰ ২২ জুনত চাৰহিন্দ নামৰ ঠাইত দুয়োপক্ষৰ মাজত এক তুমুল সংঘৰ্ষ সংঘটিত হয়। ইয়াৰ জৰিয়তে হুমায়ুনে ১৫৫৩ চনৰ ২৩ জুলাইত দিল্লীত প্ৰৱেশ কৰে আৰু ১৫ বছৰীয়া দীৰ্ঘদিনীয়া বিৰতীৰ অন্তত পুনৰ ভাৰতবৰ্ষৰ সিংহাসন দখল কৰে। ইয়াৰ লগে লগে চুৰ সাম্ৰাজ্য বা দ্বিতীয় আফগান সাম্ৰাজ্যৰ অন্ত পৰে আৰু মোগলৰ শাসন পুনৰ প্ৰতিষ্ঠিত হয়। কিন্তু ইয়াৰ পিছত হুমায়ুন বেছিদিন জীয়াই নাথাকিল। ১৫৫৬ চনৰ ২৫ জানুৱাৰী তাৰিখে এক দুৰ্ঘটনাত হুমায়ুনৰ মৃত্যু হয়। মৃত্যুৰ আগতে হুমায়ুনে তেওঁৰ পুত্ৰ আকবৰক তেওঁৰ উত্তৰাধিকাৰী ৰূপে মনোনিত কৰি থৈ যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ শ্বেৰশ্বাহে বা কাক পৰাস্ত কৰি দিল্লীৰ ৰাজপাট অধিকাৰ কৰিছিল ?

.....

প্ৰশ্ন নং ১২ ঃ শ্বেৰশ্বাহৰ প্ৰকৃত নাম কি আছিল ?

.....

প্ৰশ্ন নং ১৩ ঃ শ্বেৰশ্বাহে কাক বিয়া কৰাইছিল ?

.....

প্ৰশ্ন নং ১৪ ঃ হুমায়ুনে কাক উত্তৰাধিকাৰী ৰূপে মনোনীত কৰিছিল ?

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- দিল্লীৰ ৰাজপাটত দিল্লী চুলতানসকলৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বিষয়ে জানিব পাৰিলে,
- দিল্লী চুলতানসকলৰ পতনৰ পাছত বাবৰে প্ৰতিষ্ঠা কৰা মোগল সাম্ৰাজ্যই দিল্লীৰ ৰাজনৈতিক শূন্যতা দূৰ কৰিবলৈ সক্ষম হয়,
- হুমায়ুন বাবৰৰ দৰে এজন দক্ষ সেনা নায়ক বা শ্বেৰশ্বাহৰ দৰে এজন কৌশলী ব্যক্তি নাছিল যাৰ বাবে তেওঁ শ্বেৰশ্বাহৰ ৰাজনৈতিক কৌশলতা বুজি পোৱা নাছিল আৰু শ্বেৰশ্বাহৰ হাতত দুবাৰকৈ শোচনীয় ভাৱে পৰাজয় স্বীকাৰ কৰিব লগা হৈছিল।
- ইয়াৰ ফলস্বৰূপে নব্য প্ৰতিষ্ঠিত মোগল সাম্ৰাজ্য ইমানতে থমকি ৰয় আৰু শ্বেৰশ্বাহৰ দ্বাৰা দ্বিতীয় আফগান সাম্ৰাজ্য বা চুৰ সাম্ৰাজ্যৰ পুনৰ প্ৰতিষ্ঠা হয়।
- শ্বেৰশ্বাহে মাত্ৰ পাঁচবছৰৰ এক হ্ৰস্বকালীন সময়ৰ বাবে সিংহাসনত থাকে। এই সময়ছোৱাৰ ভিতৰত তেওঁ সাম্ৰাজ্যৰ পৰিসীমা বহলোৱাৰ লগতে এক দক্ষ প্ৰশাসনীয় ব্যৱস্থা প্ৰদান কৰিবলৈ সক্ষম হয়। কিন্তু বংশানুক্ৰমিক সাম্ৰাজ্যৰ বাবে দৰকাৰ ক্ৰমাগত সুদক্ষ উত্তৰাধিকাৰীৰ।
- শ্বেৰশ্বাহৰ উত্তৰাধিকাৰীসকল আছিল অদক্ষ আৰু তেওঁলোক আছিল প্ৰায়ে গৃহ কন্দলত জড়িত। এই সুযোগ গ্ৰহণ কৰি হুমায়ুনে শ্বেৰশ্বাহৰ পৰৱৰ্তী শাসকসকলক পৰাস্ত কৰে আৰু আফগান শাসন আঁতৰাই মোগল সাম্ৰাজ্য পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল আৰু ইয়াৰ দ্বাৰা দ্বিতীয় আফগান সাম্ৰাজ্য বা চুৰ সাম্ৰাজ্যৰ অৱসান ঘটে।



৪.৭ প্ৰসংগ পুথি

1. Kosambi, D.D. (2001): *The cultural Civilization of Ancient India in Historical outline, Vikas Publishing House.*
2. Thapar Romila (2003): *The Penguin History of Early India, from the origins to AD 1300, Penguin Books India.*
3. Singh Upindar (2009) : *A History of Ancient and Early medieval India, from the Stone Age to the 12th Century, Pearson.*



৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ কুটুব-উদ্-দিন আইবাক

২নং প্ৰশ্নৰ উত্তৰ ঃ আল্লাউদ্দিন

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১২৯৬

৪নং প্ৰশ্নৰ উত্তৰ ঃ মহম্মদ-বিন-টোঘলক

৫নং প্ৰশ্নৰ উত্তৰ ঃ গিয়াছুদ্দিন টোঘলক

৬নং প্ৰশ্নৰ উত্তৰ ঃ ছিকন্দৰ লোডী

৭নং প্ৰশ্নৰ উত্তৰ ঃ তজুক-ই-বাব্‌ৰি

৮নং প্ৰশ্নৰ উত্তৰ ঃ ইব্ৰাহীম লোডী

৯নং প্ৰশ্নৰ উত্তৰ ঃ হুমায়ুন

১০নং প্ৰশ্নৰ উত্তৰ ঃ কামৰান, হিন্দাল আৰু আছকাৰি।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ফৰিদ

১২নং প্ৰশ্নৰ উত্তৰ ঃ হুমায়ুন

১৩নং প্ৰশ্নৰ উত্তৰ ঃ লেড মালিকা

১৪নং প্ৰশ্নৰ উত্তৰ ঃ আকবৰ



৪.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ *লাখ বক্স* (লাখ টকা দিওতা) উপাধি কোনে লাভ কৰিছিল?

প্ৰশ্ন ২ ঃ খাগৰাৰ যুদ্ধ কাৰ কাৰ মাজত আৰু কোন চনত সংঘটিত হৈছিল?

প্ৰশ্ন ৩ ঃ কুটুব মিনাৰৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কোনে কৰিছিল?

প্ৰশ্ন ৪ ঃ দিল্লী চুলতানসকলৰ শেষৰ বংশটোৰ নাম কি আছিল?

প্ৰশ্ন ৫ ঃ দিল্লী চুলতান গঠন কৰা ৰাজ বংশ কেইটাৰ নাম উল্লেখ কৰক।

খ) চমু প্ৰশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ টোগলকসকলৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ চুলতানৰ কেন্দ্ৰীয় স্থিতি শক্তিশালী কৰিবৰ বাবে আল্লাউদ্দিনে লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ বলবানে কিদৰে চুলতানৰ ৰাজকীয় সন্মান বৃদ্ধি কৰিব বিচাৰিছিল?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ মহম্মদ বিন টুগলকে গ্ৰহণ কৰা কোন দুটা পদক্ষেপে তেওঁক প্ৰজাৰ অপ্ৰিয়ভাজন কৰিছিল?

প্ৰশ্ন ২ ঃ ভাৰতত মোগল শাসন প্ৰতিষ্ঠাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ঃ ৫ মধ্যযুগৰ ভাৰতীয় সমাজ, অৰ্থনীতি, ধৰ্ম আৰু সংস্কৃতি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ মধ্যযুগৰ ভাৰতীয় সমাজ

৫.৩.১ সমাজ বিভাজন

৫.২.২ নাৰীৰ স্থান

৫.৩.৩ দাস প্ৰথা

৫.৪.৪ জীৱন ধাৰণৰ মানদণ্ড

৫.৫.৫ উৎসৱ পাৰ্বণ

৫.৬.৬ মনোৰঞ্জন

৫.৪ মধ্যযুগৰ ভাৰতীয় অৰ্থনীতি

৫.৪.১ ভূমি ৰাজহ ব্যৱস্থা

৫.৪.২ কৃষিভিত্তিক অৰ্থনীতি

৫.৪.৩ চহৰভিত্তিক অৰ্থনীতি

৫.৫ মধ্যযুগৰ ভাৰতীয় ধৰ্ম

৫.৫.১ ভক্তি আন্দোলন

৫.৫.২ চুফীবাদ

৫.৬ মধ্যযুগৰ ভাৰতীয় সংস্কৃতি

৫.৬.১ স্থাপত্য শিল্প

৫.৬.২ সুকুমাৰ কলা

৫.৬.৩ সাহিত্য

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ প্ৰসংগ পুথি

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মধ্য যুগীয় ভাৰতীয় সমাজ ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিব পাৰিব,
- মধ্যযুগীয় ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থা বৰ্ণনা কৰিব পাৰবি,
- মধ্যযুগীয় ভাৰতৰ ধৰ্মীয় জীৱনৰ বিষয়ে আলোচনা কবিৰ পাৰিব,
- মধ্যযুগীয় ভাৰতৰ শাসকসকলৰ শৈল্পীক কার্যসমূহ ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

তুৰ্কী ঃ মধ্য এছিয়াৰ এক জনগোষ্ঠী ।

আপোনালোক সকলোৱে ইতিমধ্যে মধ্যযুগৰ ৰাজনৈতিক বিকাশৰ বিষয়ে অধ্যয়ন কৰিলে।

ৰাজনৈতিক ভাৱে মধ্যযুগৰ ভাৰতৰ ইতিহাস আৰম্ভ হৈছে দিল্লী চুলতানসকলৰ আগমণৰ লগে লগে আৰু অন্ত পৰিছে মোগলসকলৰ পতনৰ সৈতে। এই অধ্যায়ে আপোনালোকক মধ্যযুগৰ ভাৰতীয় সমাজৰ সৈতে পৰিচয় কৰাই দিব। ইয়াৰ পৰা আপোনালোকে সমাজত নাৰীৰ স্থান, জীৱন ধাৰণ পদ্ধতি লগতে সেই যুগৰ লোক সকলৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ বিষয়ে জানিব পাৰিব।



জানি থোৱা ভাল

বাবৰৰ আচল নাম আছিল জাহিৰুদ্দিন মহম্মদ বাবৰ। পিতৃৰ ফালৰ পৰা তেওঁ আছিল টাইমুৰৰ বংশধৰ আৰু মাতৃৰ ফালৰ পৰা আছিল চেংগীজ্ খাঁৰ বংশধৰ

৫.৩ মধ্যযুগৰ ভাৰতীয় সমাজ

৫.৩.১ সমাজ বিভাজন

আপোনালোকে নিশ্চয় 'মধ্যবিত্ত শ্রেণী' বা 'অভিজাত' তথা 'উচ্চশ্রেণী' ইত্যাদিৰ বিষয়ে শুনিছে বা পঢ়িবলৈ পাইছে। শ্রমিক বা বণিক শ্রেণীৰ লোকসকলকো নিশ্চয় মন কৰিছে। এইদৰে সমাজত বাস কৰা লোকসকলক প্রায়েই জাতি, বর্ণ, আয়, বৃত্তি, শিক্ষা আদি বিভিন্ন গুণ অনুযায়ী বেলেগ বেলেগ ভাগত বিভক্ত কৰা হয়। উদাহৰণ স্বৰূপে যিসকল লোকে শ্রম কৰি জীৱিকা নির্বাহ কৰে তেওঁলোকক শ্রমিক আৰু ব্যৱসায় কৰা সকলক ব্যৱসায়ী বোলা হ'য়।

মধ্যযুগীয় ভাৰততে, প্রধানকৈ দিল্লীৰ চুলতানী আমোলত সমাজখন স্পষ্ট ভাৱে তিনিটা শ্রেণীত বিভক্ত আছিল— অভিজাতসকল, সর্বসাধাৰণ লোক আৰু ক্রীতদাস বা দাসসকল। অভিজাত সকল কোন আছিল জানেনে ? চুলতানৰ বিষয়া, মন্ত্রী, ডাঙৰ ডাঙৰ ভূস্বামীসকল আছিল এই শ্রেণীৰ লোক। দাস সকলৰ বাহিৰে বাকীসকল আছিল সর্বসাধাৰণ লোক বা জনতা। সর্বসাধাৰণ লোকসকলৰ ভিতৰত আছিল বণিক, ব্যৱসায়ী, শ্রমিক ইত্যাদি। চুলতান আৰু অভিজাত সকলে বৃহৎ সংখ্যক দাস ৰাখিছিল। এই দাসসকলে নিজৰ গৰাকীৰ হৈ কাম কৰিছিল।

মোগল যুগতো ভাৰতীয় সমাজ ভালেমান শ্রেণীত বিভক্ত আছিল। অভিজাত সকলে বিশেষ সন্মান আৰু অধিকাৰ ভোগ কৰিছিল। মোগল দৰবাৰ আছিল সকলো

আমোদ প্ৰমোদৰ থলী। অভিজাত শ্ৰেণীটোৰ তলতে আছিল মধ্যবিত্ত শ্ৰেণী আৰু তাৰ তলত আছিল সৰ্বসাধাৰণ লোকসকল। সৰ্বসাধাৰণৰ ভিতৰত আছিল খেতিয়ক, কাৰিগৰ ইত্যাদি লোক। সাধাৰণ মানুহৰ অৱস্থা সন্তোষজনক নাছিল। সমাজৰ উচ্চ শ্ৰেণীটোৰ দ্বাৰা তেওঁলোক শোষিত আৰু নিষ্পেষিত হৈছিল। মোগল যুগত দাস প্ৰথা জনপ্ৰিয় আছিল।

৫.৩.২ নাৰীৰ স্থান

আমাৰ সমাজত মহিলাসকলক সদায়েই ২য় শ্ৰেণীৰ নাগৰিক হিচাবে গণ্য কৰি অহা হৈছে। নহয় জানো? মধ্যযুগৰ ভাৰতীয় সমাজতো হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ নাৰীয়েই সম্পূৰ্ণৰূপে পুৰুষৰ ওপৰত নিৰ্ভৰশীল আছিল। তেওঁলোকৰ কোনো স্বতন্ত্ৰতা নাছিল।

মধ্যযুগৰ হিন্দু সমাজত ল'ৰা সন্তানৰ জন্মক যিদৰে আদৰণি জনোৱা হৈছিল, কন্যা সন্তানৰ জন্মক অধিকাংশ লোকেই সকলো সমস্যা আৰু অথন্তৰৰ মূল বুলি গণ্য কৰিছিল। শিশু বধ প্ৰথাৰ বিষয়ে আপোনালোকে কেতিয়াবা শুনিছেনে? সেই যুগত বহুতো পৰিয়ালত নাবালিকা অৱস্থাতে কন্যা সন্তানক বধ কৰা হৈছিল। পৰিয়ালৰ বাবে কন্যা সন্তান আছিল এক বোজা স্বৰূপ। মধ্যযুগত ভাৰতৰ কোনো কোনো ঠাইত এই প্ৰথাৰ প্ৰচলন আছিল। সেই সময়ত বাল্য বিবাহৰ প্ৰচলন আছিল। কম বয়সতে বিয়া হোৱাৰ বাবে বিধবাৰ সংখ্যা যথেষ্ট আছিল আৰু তেওঁলোকক পুনৰ বিবাহৰ অনুমতি দিয়া হোৱা নাছিল। মুছলমানসকলৰ মাজত পৰ্দা প্ৰথা আৰু বাল্যবিবাহৰ প্ৰচলন সাধাৰণ কথা আছিল। হিন্দু সকলৰ মাজত সতীদাহ প্ৰথাৰো প্ৰচলন আছিল। ৰাজপুত নাৰীসকলে নিজৰ সতীত্ব ৰক্ষা কৰিবলৈ মৃত্যু বৰণ কৰিছিল। ইয়াকে জোহৰ বোলা হৈছিল।

এইদৰে মধ্যযুগৰ নাৰীসকল সকলো ক্ষেত্ৰতে পুৰুষৰ দ্বাৰা অৱদমিত হৈ আছিল। তেওঁলোকৰ বাবে সাধাৰণতে শিক্ষাৰ দুৱাৰ মুকলি নাছিল। সেয়েহে এই যুগত নাৰীৰ সাক্ষৰতাৰ হাৰ নিম্নগামী হৈছিল। এক কথাত নাৰীসকল সকলো ফালেই বাধা-বিধিনিৰ সন্মুখীন হৈছিল। শিক্ষাৰ অভাৱ, পুৰুষৰ ওপৰত আত্মনিৰ্ভৰশীলতা, বিভিন্ন সামাজিক কু-সংস্কাৰে সমাজত নাৰীৰ স্থান যথেষ্ট নিম্নগামী কৰিছিল।

সতীদাহ প্ৰথাঃ
স্বামীৰ মৃত্যু হ'লে একেখন চিতাতে পত্নী গৰাকীক জীৱন্তে দাহ কৰা প্ৰথাকেই সতীদাহ প্ৰথা বোলা হয়।

জোহৰ ঃ ৰাজপুত নাৰী সকলৰ আত্ম বলিদানৰ এক প্ৰথা।

৫.৩.৩ দাস প্ৰথা

আপোনালোকে দাস প্ৰথাৰ বিষয়ে শুনিছেনে? মধ্যযুগত ভাৰতত দাস প্ৰথা বহুলভাৱে প্ৰচলিত আছিল। চুলতান আৰু অভিজাতসকল উভয়েই দাস ৰাখিছিল। খিল্‌জি বংশৰ আলাউদ্দিন খিলিজি আৰু টোগলক বংশৰ ফিৰোজ ছাহ টোগলকে

কেইবাহাজাৰো দাস ৰাখিছিল। ফিৰোজ ছাহ টোগলকৰ দিনত দাস সকলৰ বাবে বেলেগ বিভাগৰ সৃষ্টি কৰা হৈছিল। যি নহওক চুলতানে কোনো অভিজাত লোকৰ অধীনৰ পৰা দাসক মুক্ত কৰি দিব পাৰিছিল যদিও দাসজনৰ গৰাকীক ইয়াৰ ক্ষতিপূৰণ দিব লাগিছিল।

৫.৩.৪ জীৱন ধাৰণৰ মানদণ্ড

মধ্যযুগত ভালেমান ইউৰোপীয় বণিক আৰু ভ্ৰমণকাৰী ভাৰতলৈ আহিছিল। তেওঁলোকৰ লেখাৰ পৰা আমি সেই যুগৰ লোকসকলৰ জীৱন ধাৰণৰ মানদণ্ড সম্পৰ্কে জানিব পাৰো। তেওঁলোকৰ মতে ভাৰতীয় লোকসকলৰ জীৱন যাত্ৰাৰ মাজত কোনো মিল নাছিল। উচ্চ শ্ৰেণীৰ লোকসকলে বিলাসী জীৱন যাপন কৰাৰ বিপৰীতে কৃষক আৰু শ্ৰমিকৰ দৰে সাধাৰণ শ্ৰেণীৰ লোকসকলে এক কৰুণ জীৱন যাপন কৰিছিল। সাধাৰণ হিন্দু এজনে ধূতি পৰিধান কৰিছিল আৰু এজন সাধাৰণ শ্ৰেণীৰ মুছলমানে পায়জামা আৰু দীঘল চোলা পৰিধান কৰিছিল। সম্ৰাটসকলে অতি উত্তম কাপোৰ পিন্ধিছিল লগতে মণিমুক্তা খচিত পাগুৰী মাৰিছিল। হিন্দু নাৰীসকলে শাৰী পিন্ধিছিল। আনহাতে মুছলমান নাৰীয়ে দীঘল পায়জামা বা ঘাগ্ৰা আৰু জেকেট পৰিধান কৰিছিল। বিদেশী ভ্ৰমণকাৰীসকলৰ বিৱৰণীত এই কথা স্পষ্ট হয় যে সৰ্বসাধাৰণ মানুহে খালী ভৰিৰে খোজ কাঢ়িছিল। ধনী লোকসকলে বিভিন্ন ডিজাইনৰ দামী জোতা পিন্ধিছিল।

খাদ্যাভ্যাসৰ ফালৰ পৰা হিন্দুসকলৰ বেছিভাগেই নিৰামিষ ভোজী আছিল। আনহাতে মুছলমান সকলে সাধাৰণতে আমিষ আহাৰ গ্ৰহণ কৰিছিল। বিভিন্ন ধৰণৰ শস্য যেনে ঘেঁহু, ধান, বার্লি আদিৰ উৎপাদনেৰে দেশৰ অৱস্থা স্বচ্ছল আছিল। উত্তৰ ভাৰতত ঘেঁহুৰ পৰা তৈয়াৰী ৰুটী আৰু সেউজীয়া শাক-পাচলি খাদ্য হিচাবে ব্যৱহাৰ কৰা হৈছিল। মুছলমানসকলৰ মাজত নান আৰু কাবাব প্ৰিয় খাদ্য আছিল। ভাৰতীয় খাদ্য তালিকাত গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰী সামগ্ৰীয়ে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। সেই সময়ত ঘিউ আৰু তেল যথেষ্ট সস্তা হোৱাৰ বিপৰীতে নিমখ আৰু চেনিৰ মূল্য আছিল যথেষ্ট বেছি।

৫.৩.৫ উৎসৱ পাৰ্বণ

মধ্যযুগত ভাৰতীয় লোকৰ জীৱন আছিল বাৰে ৰহণীয়া। হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ মাজতেই অসংখ্য উৎসৱ-পাৰ্বণ হৈছিল। ফাকুৱা, বিজয়া দশমী, শিৱৰাত্ৰী, বসন্ত পঞ্চমী আদি উৎসৱসমূহ হিন্দুসকলে পালন কৰিছিল। আনহাতে মুছলমানসকলে ঈদ-উল-ফিত্ৰ, ঈদ্-উদ্-জোহা, ছবেৰাত আৰু মহৰম্ আদি পালন কৰিছিল। উক্ত উৎসৱ সমূহৰ বেছিভাগেই শোভাযাত্ৰা, ঢোলবাদন, গান আদিৰে ৰাজহুৱাকৈ পালন কৰা হৈছিল।

৫.৩.৬ মনোৰঞ্জন

ভাৰতীয় লোকসকলে খেল-ধেমালি ভাল পাইছিল। উচ্চ আৰু মধ্যবিত্ত, নাৰী আৰু পুৰুষ উভয়ৰ মাজতে দবাখেল, তাচখেল জনপ্ৰিয় আছিল। সমাজৰ উচ্চ শ্ৰেণীটোৱে চিকাৰ, জীৱ-জন্তুৰ যুঁজ আদি খেল উপভোগ কৰিছিল। সম্ৰাটে হাতী ধৰা আৰু বাঘ চিকাৰ আদিক মনোৰঞ্জনৰ আহিলা হিচাবে গণ্য কৰিছিল। নাওখেলো এক আকৰ্ষণীয় অৱসৰ-বিনোদন আছিল। ৰজা, বিষয়া আৰু অন্যান্য সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকলৰ আন এক চখ আছিল ফুলনি বা উদ্যানৰ তত্বাৱধান। মল্লযুদ্ধ আৰু মেজিকৰ প্ৰদৰ্শনীসমূহ সমাজৰ সকলো লোকেই উপভোগ কৰিছিল। ৰাজপ্ৰসাদৰ নাৰীসকলে নৃত্য, গীত আৰু প্ৰেম আৰু বীৰত্বৰ কাহিনী উপভোগ কৰিছিল।



চিন্তা-চৰ্চা কৰক ৫.১

মধ্যযুগৰ ভাৰতীয় লোকসকলৰ জীৱন-ধাৰণৰ মানদণ্ড সম্পৰ্কে এক চমু প্ৰতিবেদন প্ৰস্তুত কৰক।

.....

.....

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ (ক) মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা কোন আছিল?

.....

(খ)পাণিপথৰ প্ৰথম যুদ্ধ কোন চনত হৈছিল?

.....

প্ৰশ্ন নং ২ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) মধ্যযুগৰ সমাজখন আছিল এখন অসমতাপূৰ্ণ সমাজ ।

.....

খ) মধ্যযুগৰ ভাৰতীয় সমাজত সতী দাহ প্ৰথাৰ প্ৰচলন নাছিল।

.....

গ) ৰাজপুত নাৰীসকলৰ মাজত জোহৰ প্ৰথাৰ প্ৰচলন আছিল।

.....

৫.৪ মধ্যযুগৰ ভাৰতীয় অৰ্থনীতি

এজন ব্যক্তি অথবা দেশৰ সামাজিক জীৱনত অথনীতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পেলায়। এজন মানুহে কি বা এটা কৰিবলৈ বাসনা বা পৰিকল্পনা কৰিব পাৰে; কিন্তু তেওঁৰ হাতত যদি ধন নাথাকে তেওঁ ইয়াক কৰিবলৈ সমৰ্থবান নহ'বও পাৰে। প্ৰকৃতাৰ্থত এজন মানহৰ ব্যক্তিগত, সামজিক ধৰ্মীয় অথবা সাংস্কৃতিক আদি সকলো কৰ্ম বহু বেছি পৰিমাণে নিৰ্ধাৰিত হয় তেওঁৰ আৰ্থিক অৱস্থা আৰু উপাৰ্জনৰ স্বৰূপত। একে ধৰণে এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱন নিৰূপিত হয় ৰাষ্ট্ৰখনৰ অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি। মধ্যযুগৰ অৰ্থনীতিতত প্ৰধানকৈ দিল্লী চুলতানেট আৰু মোগল যুগৰ অৰ্থনৈতিক বিকাশে আধিপত্য বিস্তাৰ কৰিছে।

৫.৪.১ ভূমি ৰাজহ ব্যৱস্থা

ভাৰতত মধ্যযুগীয় অৰ্থনীতি প্ৰধানকৈ কৃষিকেন্দ্ৰিক আছিল। ভাৰতৰ মাটি অতি উৰ্বৰা আছিল। সেয়েহে ভাৰতীয়সকলে যথেষ্ট পৰিমাণে খেতি-বাতি কৰিছিল। ভূমিও ৰাজহৰ এক অন্যতম উৎস আছিল। দিল্লী চুলতানেটৰ সমছোৱাত ভূমিৰ প্ৰকাৰ (গুণ) আৰু পৰিমাণে ভূমিৰ ৰাজহ নিৰূপণ কৰিছিল। দিল্লী চুলতানেটত চাৰি প্ৰকাৰৰ ভূমি আছিল ঃ ইনাম বা ৱাৰফ, ৱালিছ বা মুক্তিছ, হিন্দু বিষয়াসকলৰ অধীনৰ ভূমি আৰু খালিছা ভূমি।

বিজয়নগৰ সাম্ৰাজ্যত ভূমি ৰাজহেই মুখ্য ৰাজহ আছিল আৰু ইয়াক নগদ আৰু বস্তুৰ ৰূপত দুই ধৰণেই আদায় কৰিব পাৰিছিল। ৰাজহ বিভাগক 'অথভানে' বোলা হৈছিল। ভূমি আমোলৰ তিনিটা মুখ্য শাখা আছিল ঃ 'অমৰা', 'বনডৰৱাদা' আৰু 'মান্য'। ইয়াৰ এটা অংশ ৰাজ্যখনৰ দুৰ্গ তত্ত্বাৱধানৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

মোগল সাম্ৰাজ্যৰ ভূমি ৰাজহ ব্যৱস্থা সম্ৰাট আকবৰে ৰজা টোডৰ মল (ৰাজহ বিভাগৰ ৱাজিৰ) ৰ সহযোগত নিৰ্মাণ কৰিছিল। উৰ্বৰ ভূমিক ' পোলাজ', 'পাৰাউতি', 'ছাছাৰ' আৰু 'বঞ্জৰ' নামেৰে চাৰি ভাগত ভাগ কৰা হৈছিল। প্ৰথম দুটাক (পোলাজ আৰু পাৰাউতি) পুনৰ উত্তম, মধ্যম আৰু অধম এই তিনিটা শ্ৰেণীত ভগোৱা হৈছে। তিনিটা শ্ৰেণীৰ ভূমিকা উৎপাদন যোগ কৰি, সেই পৰিমাণৰ গঢ় হিচাপ কৰি, সেই পৰিমাণটোক ভূমিৰ মুঠ উৎপাদন বুলি ধৰি, তাৰ ভিত্তিত ৰাজ্যখনৰ ৰাজহৰ অংশ নিৰূপণ কৰা হয়। মোগল যুগৰ প্ৰচলিত মুখ্য ভূমি ৰাজহ ব্যৱস্থা সমূহ হ'ল 'জৱাটি' বা 'দাহচালা', 'গাল্লাবাক্ছা', 'কানকুট', 'নাছাক্, ইত্যাদি।

মহাৰাষ্ট্ৰৰ এলেকাটো পাহাৰীয়া হোৱা বাবে ভূমি ৰাজহৰ পৰিমাণ কম আছিল। মাৰাঠাসকলে ওচৰ-পাজৰৰ ভূমিৰ ওপৰত 'চৌথ' আৰু 'চৰদেশমুখী' ৰাজহ প্ৰয়োগ কৰিছিল। চৌথ আছিল মাৰাঠাসকলৰ দিব লগা চাৰি ভাগৰ এক অংশ ভূমিৰ ৰাজহ, যাতে মাৰাঠাসকলৰ আক্ৰমণৰ সম্ভাৱনাৰ সন্মুখীন হ'ব লগা নহয়। 'চৰদেশমুখী' আছিল

এক অতিৰিক্ত ১০% কৰা মহাৰাষ্ট্ৰৰ সেইবোৰ অঞ্চলৰ ওপৰত, য'ত মাৰাঠাসকলে বংশানুক্ৰমিক স্বত্ব দাবী কৰিছিল, কিন্তু, যিবোৰ মোগল সাম্ৰাজ্যৰ অংশ আছিল।

৫.৪.২ কৃষিভিত্তিক অৰ্থনীতি

কৃষিভিত্তিক উৰ্ৰৰা হোৱা বাবে মধ্যযুগত ভাৰতৰ কৃষিভিত্তিক অৰ্থনীতি যথেষ্ট মচ্ছল আছিল। ভাৰতীয়সকলে বছৰটোত দুটা প্ৰকাৰৰ খেতি কৰিছিল — ৰবি আৰু খাৰিফ।

নিৰ্দিষ্ট স্থানৰ পৰা নিৰ্দিষ্ট ধৰণৰ শস্য উৎপাদন কৰা হৈছিল। গুজৰাটত ঘেঁহু, জব, মটৰমাহ আৰু উৰহিৰ উৎপাদন অধিক পৰিমাণত হৈছিল। মধ্য আৰু পশ্চিম ভাৰতৰ বহুত ঠাইত কপাহৰ খেতি কৰা হৈছিল। আধুনিক উত্তৰ প্ৰদেশ, বংগ আৰু বিহাৰৰ কিছু অংশত কুহিঁয়াৰ খেতি কৰা হৈছিল। আনহাতে উত্তৰ আৰু দক্ষিণ ভাৰতৰ বিভিন্ন প্ৰান্তত নীল উৎপাদিত হৈছিল। ইৱন বাটুটা নামৰ এজন মোৰোক্কোৰ ভ্ৰমণকাৰীয়ে দক্ষিণ ভাৰতৰ মালাবাৰ অঞ্চলক 'জালুকৰ দেশ' বুলি অভিহিত কৰিছিল। তেওঁৰ লিখনী অনুসৰি মালাৱাৰ অঞ্চলৰ প্ৰতিটো অংশই খেতিৰ বাবে ব্যৱহৃত হৈছিল। বেছিভাগ ক্ষেত্ৰতে বৰ্তমান সময়ৰ দৰে কৃষিকাৰ্যৰ সা-সৰঞ্জাম ব্যৱহাৰ কৰা হৈছিল। খেতিয়কসকলে কাষতে থকা পুখুৰী আৰু নাদৰ পানী খেতি পথাৰত দিছিল।

উৎপাদিত অন্য ৰপ্তানি কৰাৰো ব্যৱস্থা আছিল। টুলুনাড নামৰ উপকূলীয় অঞ্চলৰ পৰা পাৰস্য আৰু আৰৱ দেশসমূহলৈ কৃষি উৎপাদিত সামগ্ৰী বিক্ৰী কৰা হৈছিল। সেই সময়ত লোকসকলে পশুপালনো কৰিছিল। উৰিশ্যাত গৰু, হাঁহ, ভেৰা আৰু ঘোঁৰা পালন কৰা হৈছিল। আনহাতে বংগত ঘোঁৰা, গৰু, ভেৰা আৰু ঘৰচীয়া চৰাইবোৰ অতি কম দামত উপলব্ধ আছিল।

৫.৪.৩ চহৰভিত্তিক অৰ্থনীতি

মধ্য যুগত বাণিজ্যিক কেন্দ্ৰসমূহত ভিত্তি কৰি গঢ়ি উঠা চহৰসমূহতে চহৰভিত্তিক অৰ্থনীতি বিকাশ হৈছিল। মোৰোক্কোৰ ভ্ৰমণকাৰী ইৱন বাটুটাই লিখা মতে উজনিৰ গংগা উপত্যকা বংগ গুজৰাটৰ মালৱা, মালৱাৰ আৰু ডেক্কানৰ কিছুমান চহৰত কেতবোৰ চহকী বজাৰ কৰিছিল। তেওঁ মালাৱাৰৰ দুখন চহৰ কালিকট আৰু কুইলনক বিশষবৰ গুণ্ডত্বপূৰ্ণ বন্দৰ ইজিপ্টৰ আলেকজেন্দ্ৰিয়া, ক্ৰিমিয়াৰ চুদাক আৰু চীনৰ জায়টুনৰ সৈতে তুলনা কৰিছিল।

দেশৰ বিভিন্ন প্ৰান্তত বিবিন্ন সামগ্ৰী উৎপাদন কৰা হৈছিল। পৰ্টুগালৰ ভ্ৰমণকাৰী বাৰবোছাৰ মতে ১৬ শ শতিকাৰ প্ৰথমাৰ্দ্ধত গুজৰাট ভাৰতৰ প্ৰধান বস্ত্ৰ উৎপাদন কেন্দ্ৰ আছিল। মালৱাৰৰ কালিকটৰ ওচৰত অৱস্থিত স্বালিয়াত নগৰ কপাহী সামগ্ৰীৰ বাবে

বিখ্যাত আছিল। বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত বংগ এক অন্যতম কেন্দ্ৰ আছিল। ঢাকাৰ লগতে বংগৰ কেতবোৰ ঠাই ৰেচমী কাপোৰ, উন্নতমানৰ মল্‌মল্‌ আৰু গাদীৰ বাবে বিখ্যাত আছিল। ঊলৰ চাদৰ আৰু দলিছাৰ বাবে কাশ্মীৰৰ সুনাম আছিল। ফতেহপুৰ চিকাৰী, আলৰাৰ বেৰাৰ, আহমেদাবাদ, আগ্ৰা ইত্যাদিত ৰঙীন কাপোৰ উৎপাদন কৰা হৈছিল।

এইবোৰৰ বাদেও মূল্যবান ধাতু, শিল, মুকুতা আদিৰ সামগ্ৰীও সেইসময়ত দেখা যায়। চুলতানসকলৰ ৰাজত্বকালত সম্ভ্ৰান্ত লোকসকলে এনেধৰণৰ দামী সামগ্ৰী বিভিন্ন ধৰণে ব্যৱহাৰ কৰিছিল। বাৰ্বোছাই গুজৰাটত এনে উদ্যোগ থকাৰ বিষয়ে উল্লেখ কৰিছে। কেম্বে এক উল্লেখযোগ্য কেন্দ্ৰ আছিল আৰু ইয়াত পাকৈট সোণাৰি সকলে কেতবোৰ উন্নতমানৰ কাম কৰি থৈ গৈছে। ইয়াত প্ৰবাল, ক্ষীৰমণি আৰু অন্যান্য ধাতুৰ কামো কৰা হৈছিল। দক্ষিণ ভাৰতৰ কায়াল ইয়াৰ মুকুতাৰ সামগ্ৰীৰ বাবে বিখ্যাত আছিল। মূল্যবান শিলসমূহ কটা আৰু মসৃন কৰা উদ্যোগ সমূহ মালৰাৰ, কালিকাট, বিজয়নগৰ আদিত অৱস্থিত আছিল।

মধ্যযুগীয় ভাৰততে বেপাৰ বাণিজ্যই যথেষ্ট বিকাশ লাভ কৰিছিল। অৰ্ন্তদেশীয় আৰু সমুদ্ৰতীৰবৰ্তী দুয়োধৰণৰ বাণিজ্যই প্ৰচলিত আছিল। দিল্লী এক মুখ্য বাণিজ্য কেন্দ্ৰ আছিল। চাৰছুটিৰ চাউল, কনৌজৰ চেনি, মাৰৰ ঘেঁহু আৰু ----- পাণৰ বিক্ৰীৰ বাবে দিল্লী আছিল এক উমৈহতীয়া বজাৰ। দিল্লীৰ পৰা তেলেংগানা, মালৰাৰ আৰু দৌলতাবাদলৈ কিছুমান দীঘলীয়া বাট আছিল। এই সূচল যোগাযোগ ব্যৱস্থাই দিল্লীক এক গুৰুত্বপূৰ্ণ বাণিজ্য কেন্দ্ৰ ৰূপে গঢ়ি তোলাত সহায় কৰিছিল। ভাৰতৰ পশ্চিম সমুদ্ৰ তীৰত থকা বৃহৎ সংখ্যক সমুদ্ৰ বন্দৰসমূহে আন্তঃ আৰু বাহ্যিক দুয়োধৰণৰ উপকূলীয় বাণিজ্যকে উদগনি যোগাইছিল। সেই সময়ত ভাৰতৰ কেতবোৰ উল্লেখযোগ্য সমুদ্ৰ বন্দৰ হৈছে — গুজৰাটৰ দিউ, ডেক্কানৰ গোৱা, আৰু মালৰাৰৰ কালিকাট, কোছিন আৰু কুইলোন। পশ্চিম এছিয়া, পূৱ আফ্ৰিকা, দক্ষিণ-পূৱ এছিয়া আদিৰ দেশসমূহৰ লগত ভাৰতৰ বিদেশী বাণিজ্যিক সম্পৰ্ক আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) বিজয়নগৰ সাম্ৰাজ্যত ৰাজহ বিভাগটোৰ নাম কি আছিল?

.....

খ) মোগল সাম্ৰাজ্যৰ ভূমি ৰাজহ ব্যৱস্থা নিৰ্মাণতা কোন আছিল?

.....

প্ৰশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) সৰহ সংখ্যক লোকৰ বাবে ..... প্ৰধান জীৱিকা আছিল।

খ) ইবন বাটুটা এজন ..... দেশৰ ভ্ৰমণকাৰী আছিল।

প্ৰশ্ন নং ৫ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ধাৰণ কৰক ঃ

(ক) উৰিষ্যাৰ লোকসকলে যথেষ্ট গৰু, ম'হ, ভেৰা আৰু ঘোঁৰা পালন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

(খ) দক্ষিণ ভাৰতত কেয়াল ধাতু উদ্যোগৰ বাবে বিখ্যাত আছিল। (শুদ্ধ/অশুদ্ধ)

.....

(গ) দিল্লী এক মুখ্য বাণিজ্য কেন্দ্ৰ আছিল। (শুদ্ধ/অশুদ্ধ)

.....

৫.৫ মধ্যযুগৰ ভাৰতীয় ধৰ্ম

চুলতানী আমোলত ইছ্লাম ধৰ্ম আছিল ৰাজধৰ্ম। ইছলাম ধৰ্মৰ মূল নীতি সমূহৰ ৰক্ষণাবেক্ষণ আৰু সৰ্বসাধাৰণৰ মাজত তাৰ প্ৰচাৰ চলোৱাটো চুলতান আৰু তেওঁৰ শাসনযন্ত্ৰৰ প্ৰধান কৰ্তব্য আছিল। বেছিভাগ প্ৰজাই আছিল হিন্দু ধৰ্মাৱালম্বী। যি সকল হিন্দু প্ৰজাই ইছলাম শাসন মানি লৈ 'জিজিয়া' নামৰ কৰ পৰিশোধ কৰিছিল, তেওঁলোকক 'জিম্মি' বা সুৰক্ষিত প্ৰজাৰ মৰ্যাদা দিয়া হৈছিল। মহিলা আৰু শিশুক ইয়াৰ পৰা ৰেহাই দিয়া হৈছিল। প্ৰথম অৱস্থাত ভূমি ৰাজহৰ লগতে জিজিয়া কৰ সংগ্ৰহ কৰা হৈছিল। কিন্তু ফিৰোজ ছাহে জিজিয়াক এক সুকীয়া কৰ হিচাবে আদায় কৰিছিল। ইতিহাসবিদ জিয়াউদ্দিন বৰাণীৰ মতে চুলতানসকল অন্য ধৰ্মৰ প্ৰতি অসহিষ্ণু নাছিল। তেওঁ লিখিছিল— "হিন্দুসকলে ৰাজপ্ৰসাদৰ দেৱালৰ কাষেদিয়েই গান গাই, ঢোল বজাই, শোভাযাত্ৰা কৰি যমুনা নৈত প্ৰতিমা বিসৰ্জন দিবলৈ যায়।" যি নহওক কোনো কোনো চুলতানে হিন্দু প্ৰজাক হাৰাশাস্তি কৰিছিল।



জানি থোৱা ভাল

মধ্যযুগত যথেষ্ট সংখ্যক হিন্দুৱে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ মূলতে আছিল ৰাজনৈতিক লাভালাভ বা অৰ্থনৈতিক সা-সুবিধা অথবা ব্যক্তি বিশেষৰ সামাজিক অৱস্থাৰ উন্নতিৰ আশা ।

মোগল সম্ৰাটসকলে ধৰ্মীয় সহিষ্ণুতা আৰু সমতাৰ এক নীতি অৱলম্বন কৰিছিল। বাবৰ আৰু হুমায়ুন মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠা আৰু শক্তিশালীকৰণৰ বাবে আফগান আৰু ৰাজপুত সকলৰ লগত যুদ্ধ-বিগ্ৰহত ব্যস্ত আছিল। আকবৰে এক সুদীৰ্ঘ সময় ধৰি শাসন কৰিছিল। তেওঁ ধৰ্মীয় সহিষ্ণুতাৰ এক নীতি গ্ৰহণ কৰিছিল আৰু লগতে ভাৰতৰ সাংস্কৃতিক ঐক্যৰ বাবেও প্ৰচেষ্টা চলাইছিল। জাহাঙ্গীৰ আৰু ছাহজাহানে একেই ধৰ্মীয় নীতিকে অনুসৰণ কৰিছিল। মোগল সম্ৰাট ঔৰংজেবে হিন্দু ধৰ্মৰ প্ৰতি অসহিষ্ণু মনোভাব পোষণ কৰিছিল। তেওঁৰ দিনতেই মোগল সাম্ৰাজ্যই ক্ষমতাৰ শীৰ্ষবিন্দু লাভ কৰিছিল। সম্ভৱতঃ সৰ্বসাধাৰণ লোকসকলৰ ওপৰত তেওঁ

সম্পূৰ্ণ দৃঢ়তাৰে নিজৰ ধৰ্মীয় আদৰ্শসমূহ আৰোপ কৰিব বিচাৰিছিল। ঔৰংজেবৰ এই ধৰ্মীয় নীতিয়ে মোগল সাম্ৰাজ্য পতনৰ অন্যতম কাৰক।

৫.৫.১ ভক্তি আন্দোলন

ভক্তি ঃ ভগৱানৰ ওচৰত প্ৰকৃত সমৰ্পণ।

মধ্যযুগত ভাৰতৰ বিভিন্ন প্ৰান্তত এক ধৰ্মীয় আন্দোলনে গা কৰি উঠিছিল। এই আন্দোলন ভক্তি আন্দোলন নামে জনাজাত। যিহেতু এই আন্দোলনে প্ৰধানকৈ ভক্তিৰ ওপৰত গুৰুত্ব দিছিল, সেয়ে এই আন্দোলনক ভক্তি আন্দোলন বোলা হৈছিল। মধ্যযুগত হিন্দুধৰ্মৰ যথেষ্ট অধঃপতন হৈছিল। সমাজত ব্ৰাহ্মণসকল অতি প্ৰভাৱশালী হৈ উঠিছিল আৰু সময়ে সময়ে তেওঁলোকে নিৰীহ লোকক শোষণ কৰিবলৈ লৈছিল। ভক্তি আন্দোলনে হিন্দু ধৰ্মৰ অনাচাৰবোৰ যেনে- কু-সংস্কাৰ, অন্ধবিশ্বাস, জাতিভেদ প্ৰথা আদিৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু ঐক্য আৰু সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভক্তি আন্দোলনে এজন ঈশ্বৰত বিশ্বাস কৰিছিল। ভক্তি আন্দোলনৰ ধৰ্ম সংস্কাৰকসকলে মূৰ্তিপূজাত বিশ্বাস নকৰিছিল। এই আন্দোলনৰ কেই গৰাকীমান মহাপুৰুষৰ ভিতৰত ৰামানুজ, নামদেৱ, ৰামানন্দ, সুৰদাস, চৈতন্য, কবীৰ, গুৰুনানক আদিৰ নামেই উল্লেখযোগ্য।

ভাৰতৰ বিভিন্ন অঞ্চলক ভক্তি আন্দোলনে জোকাৰি গৈছিল। বংগদেশ, মহাৰাষ্ট্ৰ, গুজৰাট, কৰ্ণাটক, কাশ্মীৰ, অসম আদিত এই আন্দোলন বেছি জনপ্ৰিয় হৈছিল। অসমত শ্ৰীমন্ত শংকৰদেৱে ভক্তি আন্দোলনৰ সূচনা কৰিছিল আৰু ইয়াক এক শৰণ নাম ধৰ্ম নামে জনা গৈছিল। তেওঁ সত্ৰ প্ৰতিষ্ঠা কৰিছিল য'ত সকলো শ্ৰেণীৰ লোকেই ধৰ্মীয় আৰু সামাজিক উদ্দেশ্যে একত্ৰিত হৈছিল।



জানি থোৱা ভাল

তুৰ্কীসকল অহাৰ বহু আগতেই ভাৰতত ভক্তি আন্দোলনৰসূত্ৰপাত হৈছিল। দক্ষিণ ভাৰতত এই আন্দোলনৰ সূচনা হৈছিল ৭ ম শতিকাত আৰু তাৰ পিছত ই উত্তৰ ভাৰতলৈ বিস্তৃতি লাভ কৰে ১৫ শতিকাত।

এই আন্দোলনে ঐক্য আৰু সমতাৰ বাণীক জনপ্ৰিয় কৰি তুলিছিল আৰু ভাৰতীয় সমাজৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিছিল। জাতি-ভেদ প্ৰথাৰ বিৰোধিতাই নিপীড়িত লোকসকলৰ সামাজিক অৱস্থাৰ উন্নয়নত সহায় কৰিছিল।

৫.৫.২ চুফীবাদ

আপোনালোকে চুফীবাদৰ বিষয়ে শুনিছেনে? মধ্যযুগত চুফীবাদ আছিল এক উল্লেখযোগ্য ধৰ্মীয় শক্তি। ই হৈছে ইছলাম ধৰ্মৰ ৰহস্যবাদৰ এক ৰূপ। ইছলাম ধৰ্মই

সমতাৰ ওপৰত যি গুৰুত্ব আৰোপ কৰিছিল তাৰ প্ৰতি চুফীসকলে উলেমা সকলতকৈও বহু বেছি সন্মান জনাইছিল। ভগৱানক পাবলৈ ভালেমান পথ আছে বুলি তেওঁলোকে নিষ্ঠা সহকাৰে বিশ্বাস কৰিছিল।

উলেমা ঃ মুছলমান ধৰ্ম গুৰু।

ভাৰতীয় চুফীসকলৰ দুটা মুখ্য ভাগ আছিল। সেই দুটা হ'ল— 'চিস্তি (Chishti) আৰু 'ছুহ্ৰাৱৰ্দী (Surhawardi)। বিখ্যাত চিস্তি সকল হ'ল— খাজা মইনুদ্দিন চিস্তি, বখতীয়া খাকী, নিজামুদ্দিন আউলিয়া আৰু নাজিৰুল- চিৰাগ-এ-ডাল্‌ভী। বিখ্যাত ছুহ্ৰাৱৰ্দী সন্তসকলৰ ভিতৰত আছিল ছেইখ চিহাবুদ্দিন ছুহ্ৰাৱৰ্দী আৰু হামিদ-উদ্দিন নাগৰী।

চুফীবাদ আৰু ভক্তিবাদৰ মাজত ভালেমান সাদৃশ্য আছিল। দুয়োটা মতবাদেই কেৱল সমতাৰ বাণী প্ৰচাৰ কৰাই নহয়, ইয়াক প্ৰয়োগো কৰিছিল। সেয়ে সমাজৰ নিম্ন শ্ৰেণীটোৰ মনোযোগ আকৰ্ষণ কৰিছিল। দুয়োটা মতবাদেই ভগৱানৰ লগত সম্পৰ্কৰ মূল ভেটি হিচাবে প্ৰেমৰ ওপৰত জোৰ দিছিল।



চিন্তা-চৰ্চা কৰক ৫.২

ভক্তি আন্দোলনৰ মহাপুৰুষসকল আৰু চুফীবাদী সন্তসকলৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ দিল্লীৰ চুলতানসকল আৰু মোগল সকলে কোনটো ধৰ্ম অনুসৰণ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৭ঃ ভাৰতৰ এজন চিস্তি সন্তৰ নাম লিখক।

.....

৫.৬ মধ্যযুগৰ ভাৰতীয় সংস্কৃতি

দিল্লীৰ চুলতানী শাসনে দেশৰ সংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰে। দিল্লীৰ চুলতানসকলে কলা আৰু স্থাপত্য বিদ্যাৰ প্ৰতি যথেষ্ট আগ্ৰহ প্ৰদৰ্শন কৰিছিল।

সেই সময়চোৱাত ভাৰতীয় কলা-শিল্প উন্নতিৰ চৰম শিখৰত উপনীত হৈছিল। তুৰ্কী আৰু ভাৰতীয় সংস্কৃতিৰ সংমিশ্ৰণত এক নতুন সংস্কৃতিৰ বিকাশ হৈছিল।

দাস বংশ ঃ এই বংশৰ প্ৰতিষ্ঠাতা কুতুবুদ্দিন আইবাক এজন দাস বা ক্ৰীতদাস আছিল। সেয়ে এই বংশটোক দাস বংশ নামে জনা যায়।

৫.৬.১ স্থাপত্য শিল্প

আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে কুতুবুদ্দিন আইবাক দাস বংশৰ প্ৰতিষ্ঠাতা আছিল। তেওঁ এজন মহান নিৰ্মাতাও আছিল। তেওঁ 'কুৱাত-উল্-ইছলাম' নামৰ প্ৰসিদ্ধ মছজিদ এটাৰ ভেটি স্থাপন কৰিছিল। কুতুবুদ্দিনে 'কুতুব মিনাৰ'ৰ প্ৰথম কেইটামান মহলা নিৰ্মাণ কৰিছিল যিটো কাম সম্পূৰ্ণ কৰিছিল তেওঁৰ জোঁৱায়েক ইলতুৎমিছে। খিল্‌জি বংশৰ বিখ্যাত শাসক আলাউদ্দিন খিলজিয়েও স্থাপত্যকালৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰদৰ্শন কৰিছিল। তেওঁ দিল্লীৰ ওচৰৰ চিৰি নামৰ ঠাইত তেওঁৰ ৰাজ্যৰ ৰাজধানী পাতিছিল। লগতে আলাই দৰৱাজা, নিজামুদ্দিন আউলিয়াৰ দৰগাহত জামাত্ খানা মছজিদ, হাউজ্-ই-খাছ্ আদিও তেওঁ নিৰ্মাণ কৰিছিল। টোগলক বংশৰ আমোলতো ভালেমান নিৰ্মাণ কাৰ্য সম্পন্ন হৈছিল। গিয়াছুদ্দিন টোগলক আৰু মহম্মদ-বিন-টোগলকে প্ৰাসাদ আৰু দুৰ্গৰে পৰিবেষ্টিত টোগলকাবাদ নামৰ এক সুবিশাল চৌহদ নিৰ্মাণ কৰিছিল। ছৈয়দ আৰু লোডী বংশৰ শাসক সকলেও ভালেমান বিশাল সমাধি নিৰ্মাণ কৰিছিল।

চিত্ৰ ৫.১ ঃ কুতুব মিনাৰ




উৎস ঃ *গোগোল ইমেজ*

জানি থোৱা ভাল



তুৰ্কী চুলতানসকলে তেওঁলোকৰ স্থাপত্যসমূহত যথেষ্ট মাত্ৰাত তোৰণ আৰু গম্বুজৰ ব্যৱহাৰ কৰিছিল। তোৰণ (arch) আৰু গম্বুজৰ (dome) বিষয়ে ভাৰতীয় সকলে পূৰ্বতে জানিছিল যদিও অধিক হাৰত তেওঁলোকে ইয়াক ব্যৱহাৰ কৰা নাছিল। চুলতানী যুগত ই এক বিশেষত্ব হৈ পৰে।

চিত্ৰ ৫.২ ঃ তাজমহল



উৎস ঃ *গোগোল ইমেজ*

স্থাপত্য কলাৰ ক্ষেত্ৰত মোগল সকলৰো গুৰুত্বপূৰ্ণ অৱদান আছিল। মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা বাবৰে বাগিচা ভাল পাইছিল। আকবৰৰ শাসন কালতেই (১৫৫৬—১৬০৫) নিৰ্মাণ কাৰ্যৰ প্ৰথম গৌৰৱময় যুগৰ সূচনা হয়। তেওঁ এলানি দুৰ্গ নিৰ্মাণ কৰিছিল। ইয়াৰ ভিতৰত ৰঙা বালিশিলেৰে তৈয়াৰী আগ্ৰাৰ দুৰ্গটোৱেই আছিল আটাইতকৈ বিখ্যাত।১৫৭২খ্ৰীঃত আকবৰে আগ্ৰাৰ পৰা ৩৬ কিঃমিঃ দূৰৰ ফটেহপুৰ চিক্ৰিত প্ৰাসাদ আৰু দুৰ্গৰ এক চৌহদ নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। এই নিৰ্মাণ কাৰ্য সম্পন্ন হ'বলৈ ৮ বছৰ সময় লাগিছিল। ফটেহপুৰ চিক্ৰিৰ কেইটামান উল্লেখযোগ্য স্থাপত্যৰ নিদৰ্শন হ'ল— দিৱান্-ই-খাছ্, দিৱান্-ই-আম্, পঞ্চমহল, যোধাবাঈ মহল, বুলন্দ দৰৱাজা, ছেইখ ছালিম চিস্তিৰ সমাধি ইত্যাদি। জাহাঙ্গীৰে আগ্ৰাৰ ওচৰত তেওঁৰ পিতৃ আকবৰৰ আৰু শহুৰেক ইতিমাদ্-উদ্-দোলা ৰ সমাধি নিৰ্মাণ কৰিছিল। ছাহজাহানৰ শাসন কালচোৱা মোগল স্থাপত্যৰ গৌৰৱোজ্জ্বল অধ্যায়। তেওঁ আছিল

সৰ্বশ্ৰেষ্ঠ নিৰ্মাতা। তেওঁৰ শাসনকালত নিৰ্মাণ কাৰ্যত প্ৰধানতঃ বগা মাৰ্বল ব্যৱহাৰ কৰা হৈছিল। ছাহজাহানে আকবৰৰ দিনত সজা আগ্ৰাৰ ভালেমান ৰঙা পাথৰেৰে তৈয়াৰী গাঁথনি ভাঙি পেলাইছিল আৰু তাৰ ঠাইত দিৱান-ই-আম, দিৱান-ই-খাছ, শ্বিশ্ মহল, মতি মছজিদ ইত্যাদি নিৰ্মাণ কৰিছিল। এই সকলো বগা মাৰ্বলেৰে নিৰ্মিত আছিল। ১৬৩৮ খ্ৰীঃত ছাহজাহানে দিল্লীৰ ওচৰত ছাহজাহানবাদ নামৰ এখন নতুন নগৰৰ ভেটি স্থাপন কৰে। ইয়াতেই ৰঙা বালি-শিলেৰে এক প্ৰাসাদোপম দূৰ্গ তেওঁ নিৰ্মাণ কৰিছিল, যাক আজি আমি লাল-কিল্লা (Red Fort) বুলি জানো। ইয়াৰ ভিতৰত বগা মাৰ্বলেৰে নিৰ্মিত ভালেমান মহল দেখিবলৈ পোৱা যায়। যেনে— মতি মহল, হিৰা মহল, ৰংমহল, দিৱান-ই-আম, দিৱান-ই-খাছ ইত্যাদি। এই আটাইবোৰ অতি উচ্চ কাৰুকাৰ্যৰে শোভিত। নগৰৰ ভিতৰত দুৰ্গটোৰ পৰা কিছু আতৰতে ছাহজাহানে নিৰ্মাণ কৰে বিখ্যাত জামা মছজিদ। যি নহওক মোগল যুগৰ স্থাপত্য সমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ নিদৰ্শন আছিল তাজমহল। তাজমহলক পৃথিৱীৰ সপ্তম আশ্চৰ্যৰ ভিতৰত এটা বুলি গণ্য কৰা হয়। ছাহজাহানে তেওঁৰ মৰমৰ পত্নী মমতাজৰ স্মৃতিত তাজমহল সজাইছিল। গাখীৰৰ দৰে বগা মাৰ্বল পাথৰৰ এই মহলৰ নিৰ্মাণ কাৰ্য ১৬৩১ চনত আৰম্ভ হৈ ১৬৫৯ চনত সম্পূৰ্ণ হৈছিল। তাজমহলৰ নক্সা আছিল উস্তাদ আহমদৰ। নিৰ্মাণ কাৰ্যত স্থানীয় আৰু বিদেশী দুয়ো ধৰণৰ কাৰিগৰকে নিয়োগ কৰা হৈছিল। ছাহজাহানৰ মৃত্যুৰ পিছৰ পৰা মোগল স্থাপত্য বিদ্যাৰ দ্ৰুত অৱনতি ঘটিবলৈ আৰম্ভ কৰে। ঔৰংজেৱ আছিল এজন নৈষ্ঠিক বা গোড়া লোক আৰু তেওঁ কলা আৰু স্থাপত্য শিল্পৰ ওপৰত বাধা আৰোপ কৰিছিল।

৫.৬.২ সুকুমাৰ কলা

এই যুগত চিত্ৰকলা আৰু সংগীতৰ দৰে সুকুমাৰ কলাৰো বিকাশ হৈছিল। দিল্লীৰ চুলতানী আমোলত পাৰ্চী আৰু ৰাজপুত চিত্ৰকলাৰ সংমিশ্ৰণত এক নতুন কলাশৈলীৰ জন্ম হৈছিল। বহুতো হিন্দু চিত্ৰকৰে পাৰ্চী চিত্ৰ শৈলীৰ সূক্ষ্মতাক অনুকৰণ কৰি অতি উত্তম চিত্ৰকৰ্মৰ সৃষ্টি কৰিছিল।

চিত্ৰকলাৰ ক্ষেত্ৰত মোগল সকলেও বিশিষ্ট বৰঙণি আগবঢ়াইছিল। তেওঁলোকে ৰাজ দৰবাৰ, যুদ্ধৰ দৃশ্য ইত্যাদিক বুজাবলৈ ভালেমান নতুন বিষয় বস্তু ব্যৱহাৰ কৰাৰ উপৰিও নতুন ৰং আৰু শৈলীৰ ব্যৱহাৰ কৰিছিল। হুমায়ুনে চিত্ৰকলাৰ ক্ষেত্ৰত যথেষ্ট আগ্ৰহ প্ৰদৰ্শন কৰিছিল। আৰু তেওঁ ইৰাণৰ পৰা মিৰ ছৈয়দ আলী আৰু আব্দুছ আলী নামৰ দুজন সুনিপুণ চিত্ৰকৰক মতাই আনিছিল। তেওঁলোকৰ তত্বাবধানতে আকবৰৰ শাসন কালত চিত্ৰকলাৰ বাবে এক সুকীয়া বিভাগ সৃষ্টি কৰা হৈছিল। যশবন্ত আৰু দশবন্ত আছিল আকবৰৰ ৰাজসভাৰ দুজন বিখ্যাত চিত্ৰকৰ।

জাহাঙ্গীৰৰ দিনত মোগল চিত্ৰকলা উন্নতিৰ চৰম শিখৰত উপনীত হৈছিল। জাহাঙ্গীৰৰ শাসন কালত প্ৰতিকৃতি আৰু জীৱ-জন্তুৰ চিত্ৰাংকনৰ বিশেষ উন্নতি হৈছিল। মনছুৰ, আব্দুল হাছান আৰু বিষণ দাস আছিল সেই সময়ৰ উল্লেখযোগ্য চিত্ৰকৰ। ছাজাহানৰ দিনত সেই পৰম্পৰা অব্যাহত আছিল যদিও ঔৰংজেৱৰ চিত্ৰকলাৰ প্ৰতি কোনো আগ্ৰহ নাছিল। ফলস্বৰূপে বহু চিত্ৰশিল্পী দেশৰ অন্যান্য প্ৰান্তলৈ গুছি গৈছিল আৰু বেলেগ বেলেগ ঠাইত থাকিবলৈ লৈছিল, যিটোৱে ৰাজস্থান আৰু পঞ্জাৱৰ পাহাৰীয়া অঞ্চলসমূহত চিত্ৰকলাৰ বিকাশত অৰিহণা যোগাইছিল।



জানি থোৱা ভাল

পশ্চিম ভাৰত আৰু মোগল শৈলীৰ সমন্বয়ত গঢ় লৈ উঠিছিল ৰাজস্থানী চিত্ৰকলা। ৰামায়ণ, মহাভাৰত আদিৰ উপাখ্যানক বিষয় বস্তু কৰি লৈও চিত্ৰশিল্প জনপ্ৰিয় হৈছিল।

সংগীতৰ ক্ষেত্ৰত পাৰ্চী আৰু ভাৰতীয় সংগীতৰ সংমিশ্ৰণত নতুন স্বৰলিপিৰ সৃষ্টি হৈছিল। সেই সময়ত কাৱালী সমূহ বৰ জনপ্ৰিয় আছিল।

মোগল সম্ৰাটসকলৰ ভিতৰত বাবৰ আছিল এজন সংগীতজ্ঞ। হুমায়ুনৰ ৰাজসভাৰ সংগীতজ্ঞ আছিল বাচ্ছু (Bacchu)। আকবৰো সংগীতৰ এজন মহান পৃষ্ঠপোষক আছিল। তেওঁৰ ৰাজসভাৰ সংগীতজ্ঞৰ ভিতৰত তানসেনেই আছিল সৰ্বশ্ৰেষ্ঠ। জাহাঙ্গীৰ আৰু ছাহজাহানৰো সংগীতৰ প্ৰতি ধাউতি আছিল। জগন্নাথ আৰু লাল খান আছিল ছাহজাহানৰ ৰাজদৰবাৰৰ দুজন প্ৰসিদ্ধ সংগীতজ্ঞ। সি যি নহওক কলাৰ আন সকলো দিশৰ নিচিনাকৈ ঔৰংজেৱে সংগীতকো ঘিণ কৰিছিল।

৫.৬.৩ সাহিত্য

দিল্লীৰ চুলতানসকলে পাৰ্চী ভাষাক যথেষ্ট গুৰুত্ব দিছিল। সেই সময়ৰ আটাইতকৈ উল্লেখযোগ্য পাৰ্চী সাহিত্যিক আছিল আমিৰ খুশ্ৰু। তেওঁ ভালেমান কবিতা ৰচনা কৰিছিল আৰু 'ছবক্-ই-হিন্দী' বা 'ভাৰতীয় শৈলী' নামৰ এক নতুন শৈলীৰ সৃষ্টি কৰিছিল। কাব্য ৰচনাৰ উপৰিও সেইসময়ত পাৰ্চী ভাষাত ইতিহাস লিখাৰ এক শক্তিশালী ধাৰাও আৰম্ভ হৈছিল। পাৰ্চীভাষাৰ ইতিহাসমূলক টোকা সমূহৰ ভিতৰত আছিল— হাছান নিজামিৰ 'তাজ্-উল্-মাছিৰি', মিনহাজ্ চিৰাজৰ 'তবকাৎ-ই-নাচিৰি', জিয়াউদ্দিন বৰাণীৰ 'তাৰিখ্-ই-ফিৰোজ্ছাহী' আৰু 'ফতোৱা-ই-জাহানদাৰী' ইত্যাদি। চুলতানী আমোলত সংস্কৃত সাহিত্যইও গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰিছিল। দৰ্শন, নাটক, কল্প কাহিনী, চিকিৎসা শাস্ত্ৰ, জ্যোতিৰ্বিজ্ঞানৰ ওপৰত সংস্কৃত ভাষাত ভালেমান সাহিত্যৰ সৃষ্টি হৈছিল। সংস্কৃত ভাষাৰ কিছুমান সাহিত্য কৰ্ম পাৰ্চী ভাষালৈ অনুদিত হৈছিল। সেই যুগৰ এনে জনপ্ৰিয় অনূদিত গ্ৰন্থ আছিল 'টুটি

নামা' (Tuti Nama)। চিকিৎসা শাস্ত্ৰ আৰু সংগীতৰ আন কেইখনমান সংস্কৃত গ্ৰন্থ পাৰ্চী ভাষালৈ অনুবাদ কৰা হৈছিল। এইদৰে ৰাজনীতি, ধৰ্ম, দৰ্শন ইত্যাদিৰ ক্ষেত্ৰত সংস্কৃত আৰু পাৰ্চী আছিল দেশৰ সংযোগী ভাষা।



জানি থোৱা ভাল

যদিও মুছলমান সকলে আৰবী ভাষাতে বৃহৎ সংখ্যক সাহিত্য সৃষ্টি কৰিছিল, ভাৰতলৈ অহা তুৰ্কীসকল পাৰ্চী ভাষাৰ দ্বাৰা গভীৰ ভাৱে প্ৰভাৱান্বিত হৈছিল। খ্ৰীষ্ট্ৰীয় দশম শতিকাৰ পৰা ইৰাণ আৰু মধ্য এছিয়াত পাৰ্চী ভাষাৰ এক পুনৰ জাগৰণ হৈছিল।

মোগল যুগতো সংস্কৃত আৰু পাৰ্চীভাষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। স্থানীয় শাসকসকলৰ পৃষ্ঠপোষকতাত আন ভালেমান আঞ্চলিক ভাষা যেনে— তেলেগু, মাৰাঠী, বঙালী আদিৰ বিকাশ হৈছিল। মোগল সম্ৰাটসকলে সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছিল। প্ৰথমজন মোগল শাসক বাবৰ আছিল তুৰ্কী আৰু পাৰ্চী ভাষাৰ এজন বিশিষ্ট কবি আৰু তেওঁ নিজৰ আত্মজীৱনী "বাবৰনামা' ৰচনা কৰিছিল। হুমায়ুনেও কবিতা ভাল পাইছিল। আকবৰ নিজে অশিক্ষিত আছিল যদিও বিভিন্ন বিষয়ৰ ওপৰত তেওঁৰ যথেষ্ট জ্ঞান আছিল। আবুল ফজল, ফৈজী, বদাউনী আদি পণ্ডিতে আকবৰৰ ৰাজ দৰবাৰৰ শোভাবৰ্ধন কৰিছিল। আবুল ফজলে আইন-ই-আকবৰী (আকবৰৰ প্ৰতিষ্ঠানসমূহ) আৰু আকবৰনামা (আকবৰৰ ইতিহাস) ৰচনা কৰিছিল। বাবৰৰ জীয়েক গুলবদন বেগমে 'হুমায়ুননামা' ৰচনা কৰিছিল। সংস্কৃত ভাষাৰ কিছুমান বিখ্যাত গ্ৰন্থ পাৰ্চী ভাষালৈ অনূদিত হৈছিল। ফৈজীৰ তত্বাৱধানত মহাভাৰতৰ অনুবাদৰ কাম চলিছিল। টোডৰমলে ভাগৱত পুৰাণক পাৰ্চী ভাষালৈ অনুবাদ কৰিছিল। আকবৰৰ ৰাজসভাত গঙ্গা কবি, তানসেন আৰু কেশৱ দাসৰ দৰে হিন্দী কবিয়েও সমাদৰ লাভ কৰিছিল। 'ৰামচৰিত মানস'ৰ প্ৰণেতা তুলসী দাসে সেই যুগৰ হিন্দু কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন লাভ কৰিছিল।

জাহাঙ্গীৰে 'তুজুক্-ই-জাহাঙ্গীৰি' নামৰ আত্মজীৱনী ৰচনা কৰিছিল। ছাহজাহানৰ ৰাজসভাত কেইবাজনো প্ৰখ্যাত পাৰ্চী, হিন্দী আৰু সংস্কৃত ভাষাৰ কবি আছিল। তেওঁৰ পুত্ৰ দাৰা চিকো আছিল এজন বিখ্যাত পণ্ডিত। ঔৰংজেবে আৰবী আৰু পাৰ্চী ভাষা ভালদৰে জানিছিল। ইছলাম ধৰ্মৰ পবিত্ৰ অনুশাসন বা আইনৰ তেওঁ এজন বিশেষজ্ঞ আছিল।



চিন্তা-চৰ্চা কৰক ৫.৩

ভাৰতৰ এখন মানচিত্ৰ অংকন কৰি তলত দিয়া বোৰ চিহ্নিত কৰক আৰু বহুৱাওক।

ক) কুটুৱমিনাৰ খ) আগ্ৰাৰ দুৰ্গ গ) লালকিল্লা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ বাঁওফালৰ লগত সোঁফাল মিলাওক—

ক) ছাহজাহান	ক) আলাই দৰৱাজা।
খ) আলাউদ্দিন খিল্‌জি	খ) ফটেহপুৰ চিক্রি ।
গ) আকবৰ	গ) তাজমহল।

.....

প্রশ্ন নং ৯ঃ খালী ঠাই পূৰণ কৰক

ক) জাহাঙ্গীৰৰ শাসন কালত ..... চিত্রকলাৰ বিশেষ উন্নতি হৈছিল ।

খ) আকবৰৰ ৰাজসভাৰ বিখ্যাত সংগীতজ্ঞজন কোন আছিল ?

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপোনালোকে—

- মধ্যযুগত ভাৰতীয় সমাজৰ শ্রেণী বিভাগ আৰু মহিলাৰ স্থান সম্পর্কে ধাৰণা লাভ কৰিলে। মধ্যযুগৰ সমাজখন উচ্চ শ্রেণী, মধ্যবিত্ত শ্রেণী, নিম্ন শ্রেণী আদি বিভিন্ন শ্রেণীত বিভক্ত আছিল।
- অর্থনৈতিক অৱস্থা সচ্ছল আছিল। কৃষি আৰু বেপাৰ বাণিজ্য যথেষ্ট উন্নতমানৰ আছিল। আপোনালোকে লগতে মধ্যযুগৰ ভাৰতীয় সমাজত প্রচলিত বিভিন্ন উৎসৱ-পার্বণ আৰু দাস প্রথাৰ বিষয়ে জানিবলৈ সক্ষম হ'ল।
- সেই যুগত ভাৰতীয় জীৱন আছিল বাৰে ৰহণীয়া। মানুহে বিভিন্ন খেল ধেমালি ভাল পাইছিল। এই অধ্যায়ৰ বিষয় সমূহ ভালদৰে অধ্যয়ন কৰিলে আপোনালোকে মধ্যযুগৰ ভাৰতীয় লোকসকলৰ ধর্মীয় আৰু সাংস্কৃতিক জীৱন সম্পর্কেও ধাৰণা কৰিব পাৰিব।



৫.৮ প্রসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.

৫.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক)বাবৰখ) ১৫২৬

২নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) অশুদ্ধ

৩নং প্রশ্নৰ উত্তৰ ঃ (ক) অথভানে (খ) ৰজা টোডৰ মল

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) কৃষি (খ) মোৰোক্কো

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

৬নং প্রশ্নৰ উত্তৰ ঃ ইছলাম

৭নং প্রশ্নৰ উত্তৰ ঃ খাজা মইনুদ্দিন চিস্তি

৮নং প্রশ্নৰ উত্তৰ ঃ ক) ছাহজাহান ------ -------- তাজমহল

খ) আলাউদ্দিন খিল্‌জি -- ------- আলাই দৰৱাজা।

গ) আকবৰ ---------- ----- ফটেহপুৰ চিক্রি।

৯নং প্রশ্নৰ উত্তৰ ঃ ক) প্রতিকৃতি আৰু জীৱ জন্তুৰ চিত্রাংকণ, খ)তানসেন

৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ জাহাঙ্গীৰৰ আত্মজীৱনীখনৰ নাম কি?

প্রশ্ন ২ ঃ *ৰামচৰিতমানসৰ* লিখক কোন?

প্রশ্ন ৩ ঃ অসমত ভক্তি আন্দোলন কোনে আৰম্ভণি কৰে?

প্রশ্ন ৪ ঃ মোগলসকলৰ দিনত থকা বিভিন্ন ৰাজহ ব্যৱস্থাসমূহৰ নাম উল্লেখ কৰক।

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ 'চৌথ' আৰু 'চৰদেশমুখী' বুলিলে কি বুজে?

প্রশ্ন ২ ঃ মোগলযুগৰ **স্থাপত্য শিল্প কলাৰ ওপৰত এটি চমু টোকা লিখক।**

প্রশ্ন ৩ ঃ চুফীবাদ বুলিলে কি বুজে?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ মধ্যযুগৰ বিভিন্ন ৰাজহ ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ 'দিল্লীৰ চুলতানী শাসনে দেশৰ সংস্কৃতিক উন্নয়নৰ ক্ষেত্রত এক নতুন অধ্যায়ৰ সূচনা কৰে' -আলোচনা কৰক।

প্রশ্ন ৩ মধ্যযুগৰ ভাৰতৰ সামাজিক ব্যৱস্থাৰ এটা ৰাখ্যা কৰক।

* * * * * * * * * *

অধ্যায় ৬ ঃ ভাৰতত বৃটিছ শাসন

গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ভাৰতলৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন

৬.৩.১ ভাৰতলৈ ইউৰোপীয়সকলৰ আগমন

৬.৩.২ ভাৰতত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিকাশ

৬.৪ ভাৰতত কোম্পানী শাসন প্ৰৱৰ্তন

৬.৪.১ দক্ষিণ ভাৰতত এংলো-ফৰাচী শত্ৰুতা

৬.৪.২ বংগত বৃটিছৰ উত্থান

৬.৪.৩ বৃটিছৰ সাম্ৰাজ্যবাদী নীতি

৬.৫ ঔপনিৱেশিক অৰ্থনীতি

৬.৬ ১৮৫৭ চনৰ বিদ্ৰোহ

৬.৬.১ বিদ্ৰোহৰ কাৰণ

৬.৬.২ বিদ্ৰোহৰ আৰম্ভণি আৰু ইয়াৰ বিস্তাৰ

৬.৬.৩ বিদ্ৰোহৰ বিফলতাৰ কাৰণ

৬.৬.৪ ১৮৫৭ চনৰ বিদ্ৰোহৰ ফলাফল

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ প্ৰসংগ পুথি

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইউৰোপীয়ৰ ভাৰত আগমন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ভাৰতত বৃটিছ শাসন প্ৰতিষ্ঠাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতৰ ঔপনিৱেশিক অৰ্থনীতি ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

আমি সকলোৱে জানো যে স্বাধীনতাৰ পূৰ্বে প্ৰায় দুশ বছৰ ধৰি বৃটিছে ভাৰত শাসন কৰিছিল। ইয়াৰ আগৰ অধ্যায়টোৰ জৰিয়তে আপোনালোকে ভাৰতবৰ্ষৰ মধ্যযুগৰ সমাজ, ধৰ্ম

আৰু সংস্কৃতিৰ বিষয়ে তথ্য সংগ্রহ কৰিব পাৰিছে।

এই অধ্যায়টিয়ে আপোনালোকক বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেদৰে ভাৰতলৈ আহিল আৰু এক নিজা সাম্রাজ্য গঢ়ি তুলিলে সেই বিষয়ে পৰিচয় হ'ব। ইয়াৰোপৰি ইয়াত ঔপনিৱেশিক অর্থনীতিৰ প্রকৃতি, ভাৰতত বৃটিছৰ বিৰুদ্ধে কৰা প্রথমটো মুখ্য আন্দোলন অর্থাৎ ১৯৫৭ চনৰ বিদ্রোহও আভাষ দিয়া হৈছে।

৬.৩ ভাৰতলৈ ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন

এই অংশত আমি মূলত ভাৰতবর্ষলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমনৰ বিষয়ে আলোচনা কৰিম। কিন্তু ইয়াৰ আগতে ইউৰোপীয় সকলৰ ভাৰতলৈ অহাৰ কাৰণ সমূহ জানি থও।

৬.৩.১ ভাৰতলৈ ইউৰোপীয়সকলৰ আগমন

ভাৰতবর্ষত থকা বেহা-বাণিজ্যৰ উজ্বল সম্ভাৱনাই ইউৰোপীয়সকলক এই দেশলৈ আকর্ষিত কৰিছিল। ভাৰতৰ ইউৰোপৰ লগত বাণিজ্যিক সম্পর্কৰ এক সুদীর্ঘ ইতিহাস আছিল। ভাৰতীয় সামগ্রী যেনে ঃ বিভিন্ন তৰহৰ মছলা, কাৰুকার্য্য খচিত কপাহী কাপোৰ, ৰেচম, নানাধৰণৰ মূল্যবান শিল, মাটিৰ পাত্র আদিয়ে ইউৰোপীয় বণিকক আকর্ষিত কৰিছিল। অৱশ্যে দীর্ঘ সময় ধৰি তেওঁলোকে ভাৰতৰ সতে এক প্রত্যক্ষ ব্যৱসায় স্থাপনত ব্যর্থ হৈছিল কিয়নো মূল পথ সমুহ আৰবৰদ্বাৰা নিয়ন্ত্রিত আছিল। অৱশেষত পর্তুগীজসকলে ভাৰতৰ লগত এক প্রত্যক্ষ সাগৰীয় পথ উলিওৱাত সফল হৈছিল। ১৪৯৮ চনত ভাস্কো-ডা-গামা নামৰ এগৰাকী পর্তুগীজ নাৱিকে দক্ষিণ-পশ্চিম ভাৰতৰ এক গুৰুত্বপূর্ণ বন্দৰ কালিকটত উপস্থিত হৈছিল। ভাৰতলৈ এক চিধা সাগৰীয় পথ আৱিষ্কাৰে আন ইউৰোপীয় দেশবোৰক ভাৰতলৈ আহি ব্যৱসায় কৰিবলৈ উৎসাহিত কৰি তুলিছিল।

হলেণ্ড, বৃটেইন, ফ্রান্স ইত্যাদি ইউৰোপীয় দেশে ভাৰতবর্ষৰ বাণিজ্যত সফলতাৰে অংশ লৈছিল। লাহে লাহে, ভাৰতীয় শাসক সকলৰ দুর্বলতাৰ সুযোগ লৈ

তেওঁলোকে থলুৱা ৰাজ্যৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ কৰিবলৈ ধৰে। পৰৱর্তী কিছু শাখাত আমি বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেদৰে বনিকৰ পৰা শাসকলৈ পৰিণত হৈছিল তাক আলোচনা কৰিম।



জানি থোৱা ভাল

ইউৰোপৰ আন কেইখনমান দেশ যেনে— অষ্ট্রিয়া, ডেনমার্ক, ফিনলেণ্ড, চুইডেন আদিয়েও ভাৰতবর্ষৰ লগত ব্যৱসায়ীক যোগসূত্র স্থাপন কৰিব বিচাৰিছিল যদিও বিভিন্ন কাৰণত তেওঁলোকৰ এই প্রয়াস বিফল হৈছিল।।

৬.৩.২ ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিকাশ

প্ৰাচ্যৰ ব্যৱসায়ত পৰ্তুগীজ সকলে বহুপৰিমানে মুনাফা লাভ কৰা দেখি বৃটিছ বণিকসকল আকৰ্ষিত হৈছিল। সেইবাবে ১৫৯৯ চনত বৃষ্টিছ ব্যৱসায়ীসকলৰ এটি গোটে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী গঠন কৰিছিল। ১৬০০ খ্ৰীষ্টাব্দৰ ৩১ ডিচেম্বৰত ৰাণী এলিজাবেথে এক ৰাজকীয় চনদ যোগে কোম্পানীক পূৰ্বৰ পিনে একচেতিয়া ব্যৱসায় কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল। আপোনালোকে জানি আচৰিত হ'ব যে ইংলেণ্ডৰ ৰাণী নিজেও ইষ্ট ইণ্ডিয়া কোম্পানীৰ অংশীদাৰ হৈছিল। ১৬১২ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পশ্চিম ভাৰতৰ চুৰাতত তেওঁলোকৰ প্ৰথম বাণিজ্যিক কুঠী স্থাপন কৰিছিল।

১৬৫১ চনত ইংলেণ্ডৰ ৰজা জেম্ছ প্ৰথমে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে বেছিকৈ ৰেহাই বিচাৰি ছাৰ থ'মাছ ৰো'ক মোগল সম্ৰাট জাহাংগীৰৰ ৰাজ সভালৈ প্ৰেৰণ কৰিছিল। মোগল সম্ৰাটৰপৰা ব্যৱসায়ৰ ক্ষেত্ৰত অধিক সা-সুবিধা লাভ কৰাত থমাছ ৰো সফল হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ সমৃদ্ধি দিনে দিনে বাঢ়ি গৈছিল। অৱশ্যে ইষ্ট ইণ্ডিয়া কোম্পানীক পৰ্তুগীজ আৰু ডাচ্চ কোম্পানী বোৰে নিৰবছিন্ন ভাৱে প্ৰত্যাহবান জনাইছিল যদিও বৃটিছসকলে ভাৰতত নিজৰ আধিপত্য বিস্তাৰত সফল হৈছিল। চুৰাত, মাদ্ৰাজ, বোম্বাইকে আদি কৰি ভাৰতৰ বিভিন্ন ঠাইত তেওঁলোকে কুঠী স্থাপন কৰিছিল। সপ্তদশ শতিকাৰ মাজ ভাগৰপৰাই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগ আৰু উৰিষ্যাত ব্যৱসায় আৰম্ভ কৰে। আমি অবশ্যে বংগত বৃটিছৰ কাৰ্য্যকলাপ সম্পৰ্কে ইয়াৰ পাছৰ এক অংশত আলোচনা কৰিম। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত পদাৰ্পন কৰাৰ কেইটামান দশকৰ ভিতৰতে পশ্চিম আৰু দক্ষিন ভাৰতত নিজৰ স্থিতি গজ- গজিয়া কৰিবলৈ সক্ষম হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ইউৰোপীয় বজাৰত চাহিদা বৃদ্ধি পোৱা কিছুমান ভাৰতীয় সামগ্ৰীৰ নাম লিখক।

.....

প্ৰশ্ন নং ২ঃ ১৪৯৮ চনত ভাস্ক'ডা গামাই উপস্থিত হোৱা ভাৰতীয় বন্দৰটোৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৩ঃ জাহাঙ্গীৰৰ ৰাজসভালৈ জেম্ছ প্ৰথমে পঠোৱা দুত জনৰ নাম আছিল কেপ্তেইন হকিন্স/ছাৰ থমাছ ৰো।

.....

৬.৪ ভাৰতত কোম্পানী শাসন প্ৰৱৰ্তন

এই শাখাত আমি কেনেদৰে ইষ্ট ইণ্ডিয়া কোম্পানী এক ব্যৱসায়ীক প্ৰতিষ্ঠানৰ পৰা ৰাজনৈতিক ক্ষমতালৈ ৰূপান্তৰিত হ'ল এই বিষয়টোক আলোচনা কৰিম। কিন্তু বিষয়টোৰ গভীৰতালৈ যোৱাৰ আগতে, আমি সেইবোৰ ঘটনা জানিব লাগিব যিবোৰৰ সহায়ত বৃটিছসকল পৰৱৰ্তী দুশ বছৰৰ বাবে ভাৰতবৰ্ষৰ মুখ্য শাসকলৈ পৰিণত হৈছিল। এতিয়া আমি তেনে কিছু কাৰক সংক্ষেপে দৃষ্টিপাত কৰিম ঃ

- ঔৰংগজেৱৰ পাছত মোগল সাম্ৰাজ্য দুৰ্বল হৈ পৰিছিল। এই দুৰ্বলতাৰ সুযোগ গ্ৰহন কৰি মোগলৰ তলতীয় প্ৰদেশ যেনে ঃ বংগ, হায়দৰাবাদ, অযোধ্যা আদিয়ে মোগলৰ সাৰ্বভৌমত্ব বিসৰ্জন দি স্বাধীনতা ঘোষণা কৰিছিল। এনে ৰাজনৈতিক অনৈক্যৰে পূৰ্ণ সুযোগ গ্ৰহণ কৰিছিল বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে।
- পাছৰ মোগল শাসক সকল অকৰ্মণ্য আছিল। তেওঁলোকে নিজৰ ৰাজ্যত বৃটিছ বা ফৰাচীৰ দৰে বিদেশীসকলৰ সক্ৰিয়তা নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছিল। তাৰ বিপৰীতে এইসকল শাসকে বিদেশী সকলক অতিৰিক্ত সা-সুবিধা আগবঢ়াইছিল।
- ৰাজনৈতিক স্থিৰতা নোহোৱাৰ বাবে ভাৰতীয় শাসক সকলৰ মাজত এক প্ৰকাৰৰ শংকা আৰু নিৰাপত্তা হীনতাৰ সৃষ্টি হৈছিল। নিজৰ সুৰক্ষাৰ বাবে তেওঁলোকে বিদেশী শক্তিৰ সহায় লব বিচাৰিছিল। ইয়ে বৃটিছক ভাৰতীয় ৰাজ্যসমুহৰ আভ্যন্তৰীন বিষয়ত হস্তক্ষেপ কৰিবলৈ সোণালী সুযোগ আনি দিয়ে।

৬.৪.১ দক্ষিণ ভাৰতত এংলো ফৰাচী শত্ৰুতা

দক্ষিণ ভাৰতৰ ৰাজনৈতিক অৱস্থাই বৃটিছক ৰাজনৈতিক ক্ষমতাৰ বাবে উচ্চাভিলাসী কৰি তুলিছিল। কিন্তু এই অভিলাস একমাত্ৰ তেওঁলোকেৰে নাছিল। এই ক্ষেত্ৰত ফৰাচীসকলে তেওঁলোকলৈ প্ৰতিদ্বন্দিতা আগবঢ়াইছিল। ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী ১৬৬৪ চনত গঠিত হৈছিল আৰু তেওঁলোকে ভাৰতত এক ৰাজনৈতিক সাম্ৰাজ্য গঢ়াৰ সপোন ৰছিছিল।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত বিশ বছৰৰ ভিতৰত (১৭৪৪-১৭৬৩) তিনিখন দীঘলীয়া যুদ্ধ সংঘটিত হৈছিল। এই দুই কোম্পানীৰ মাজত ১৭৬৩ চনৰ ২২ জানুৱাৰীত ৰাণ্ডিবাছ (Wandiwash)-ত শেষ যুদ্ধখন লাগিছিল আৰু ইয়াত ফৰাচীসকল সম্পূৰ্ণ ভাৱে পৰাভূত হৈছিল। এনেদৰে ভাৰতবৰ্ষত এক ৰাজনৈতিক সাম্ৰাজ্য প্ৰতিষ্ঠাৰ বাবে ফৰাছী সকলে দেখা সপোনটি আধৰুৱা হৈ ৰল। আনহাতে ৰাণ্ডিৰাছৰ বিজয়ৰ পাছত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে ভাৰতভূমিত কোনো ইউৰোপীয় প্ৰতিদন্দ্বী নাথাকিল।

৬.৪.২ বংগ দেশত বৃটিছৰ উত্থান

পশ্চিম আৰু দক্ষিণ ভাৰতৰ পাছত কোম্পানীয়ে তেওঁলোকৰ দৃষ্টি পূৱৰ পিনে নিক্ষেপ কৰিছিল। এইটো অংশত বংগই আছিল আটাইটকৈ বিশাল এক সমৃদ্ধিশালী প্ৰদেশ। স্বাভাৱিকতে লাভখোৰ বৃটিছ ব্যৱসায়ীসকলে বংগত ব্যৱসায়ীক তথা ৰাজনৈতিক নিয়ন্ত্ৰন সাব্যস্ত কৰিবলৈ উঠিপৰি লাগিল।

১৬৯৮ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সুতানটি, গোবিন্দপুৰ আৰু কলিকতা নামৰ তিনিখন গাওঁ ক্ৰয় কৰি লৈছিল। তেওঁলোকে তাত কাৰখানা নিৰ্মাণ কৰাৰ উপৰিও ফোৰ্ট উইলিয়াম নিৰ্মাণ কৰিছিল। এই টুকুৰা ঠাইতে বিখ্যাত কলিকতা চহৰ গঢ়ি উঠিছিল। ১৭১৭ চনত মোগল বাদশ্বাহ ফাৰুখ ছিয়াৰে এক ৰাজকীয় ফৰমান (চনদ)ৰ জৰিয়তে বংগত ব্যৱসায় কৰাৰ বাবে কিছুমান সা-সুবিধা বৃটিছক প্ৰদান কৰিছিল। এই চনদৰ জৰিয়তে ইষ্ট ইণ্ডিয়া কোম্পানীক বংগ দেশত কৰ নিদিয়াকৈ সামগ্ৰী আমদানি তথা ৰপ্তানী কৰিবলৈ অনুমতি দিয়া হৈছিল। লগতে বেহা-বেপাৰৰ কাৰণে কোম্পানীয়ে দস্তক বা ৰেহাই নিৰ্দেশ পত্ৰ ব্যৱহাৰৰ অনুমতি লাভ কৰিছিল। ১৭৫৬ চনত বংগৰ স্বাধীন-চিতীয়া নৱাব আলিবৰ্দি খাঁৰ মৃত্যুৰ পাছত কোম্পানীয়ে বংগদেশত ৰাজনৈতিক অভিলাস পূৰণৰ সুযোগ পাইছিল।



জানি থোৱা ভাল

মোগল শাসনৰ পৰা স্বঘোষিত স্বাধীনতা লাভ কৰাৰ পিছত বংগৰ শাসকসকলে নিজকে নৱাব উপাধিৰে বিভূষিত কৰে।

- **পলাচী যুদ্ধ আৰু বক্সাৰ যুদ্ধ ঃ** বৃটিছে ভাৰতবৰ্ষত ৰাজনৈতিক প্ৰভুত্ব স্থাপন কৰাৰ ক্ষেত্ৰত পলাচী আৰু বক্সাৰ যুদ্ধৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। প্ৰথম যুদ্ধখনে ভাৰতবৰ্ষত বৃটিছৰ শক্তি আৰু গৌৰৱ বৃদ্ধি কৰিছিল আৰু দ্বিতীয়খনে তেওঁলোকক বংগ, বিহাৰ আৰু উৰিষ্যাৰ শাসকলৈ পৰিণত কৰিছিল।

চিত্ৰ ৬.১ ছিৰাজুদ্দৌলা



উৎস ঃ *গোগোল ইমেজ*

ইতিমধ্যে উল্লেখ কৰা হৈছে যে আলিবৰ্দী খাঁৰ ১৭৫৬ চনত মৃত্যু হৈছিল। তেওঁৰ উত্তৰাধিকাৰী হৈছিল তেওঁৰ নাতি-ল'ৰা ছিৰাজুদ্দৌলা। প্ৰথমৰ পৰাই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তৰুণ নৱাব জনৰ শক্তিক তুচ্ছ জ্ঞান কৰিছিল আৰু ফলস্বৰূপে ছিৰাজ আৰু কোম্পানীৰ মাজত সংঘাত আৰম্ভ হৈছিল। ৰৱাৰ্ট ক্লাইভৰ তত্বাবধানত বৃটিছে ছিৰাজৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ আৰম্ভ কৰিছিল। ছিৰাজুদ্দৌলাৰ সেনাপতি মিৰ্জাফৰে নবাৱৰ বিৰুদ্ধে বৃটিছৰ লগত ষড়যন্ত্ৰত লিপ্ত হৈছিল। ১৭৫৭ চনৰ ২৩ জুনত পলাচীত ছিৰাজুদ্দৌলা আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত যুদ্ধ সংঘটিত হৈছিল যত বৃটিছৰ হাতত ছিৰাজুদ্দৌলা পৰাস্ত হৈছিল।

পলাচী যুদ্ধৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক তাৎপৰ্য্য আছে। এই যুদ্ধৰ ফলতেই

ভাৰতত বৃটিছৰ জয়-যাত্ৰাৰ আৰম্ভনি হৈছিল। অজস্ৰ ধন-সম্পত্তিৰ লগতে বৃটিছে ২৪ পৰগনাৰ জমিদাৰীও লাভ কৰিছিল। বেহা-বেপাৰৰ ক্ষেত্ৰত ইংৰাজৰ একচেতিয়া আধিপত্য দিনে দিনে প্ৰৱল হৈ পৰিছিল। বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী বংগৰ নৱাব ভঙা-পতা কৰিব পৰাকৈ ক্ষমতাশালী হৈ উঠিছে।

পলাচী যুদ্ধৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মিৰজাফৰক বংগৰ ৰাজপাটত বহুৱাইছিল। কিন্তু কম দিনৰ ভিতৰতে মিৰজাফৰৰ জোঁৱায়েক মিৰকাচিমৰ (১৭৬০) দ্বাৰা তেওঁ অপসাৰিত হয়। মিৰকাচিম স্বাধীন-চিতীয়া স্বভাৱৰ আছিল আৰু তেওঁ কোম্পানীৰ প্ৰভাৱত শাসন কৰিব বিচৰা নাছিল। মিৰকাচিমৰ কাৰ্য্যকলাপে কোম্পানীক তেওঁৰ ৰেহৰূপ সন্দৰ্ভত সন্দিহান কৰি তুলিছিল। শেষত তেওঁলোকৰ মাজত সংঘাত আৰম্ভ হৈছিল।


বৃটিছৰ লগত প্ৰাথমিক কিছু সংঘাতৰ পাছত মিৰকাচিমে অযোধ্যাৰ নৱাব ছুজা-উদ-দৌলাহ আৰু মোগল বাদশ্বাহ দ্বিতীয় শ্বাহ আলমৰ লগত মিত্ৰতা স্থাপন কৰি এক সংযুক্ত শক্তি গঢ়ি তুলিছিল। ১৭৬৪ চনৰ ২২ অক্টোবৰত সংযুক্ত সৈন্যই বিহাৰৰ বক্সাৰ নামে ঠাইত বৃটিছৰ মুখা মুখি হৈছিল আৰু ইয়াতেই বক্সাৰ যুদ্ধ সংঘটিত হৈছিল। বৃটিছৰ হাতত সন্মিলিত শক্তি শোচনীয় পৰাজয় ঘটিছিল।

ভাৰতত বৃটি ছ শাসন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বক্সাৰ যুদ্ধ এক উল্লেখযোগ্য ঘটনা আছিল। পলাচী যুদ্ধ এক ষড়যন্ত্ৰৰ ফল আছিল যদিও বক্সাৰ যুদ্ধই ভাৰতৰ তিনিটা শক্তিৰ ওপৰত বৃটিছ শক্তিৰ পৰাক্ৰম প্ৰমাণ কৰিছিল।

৬.৪.৩ বৃটিছৰ সাম্ৰাজ্যবাদী নীতি

ইতিমধ্যে আমি বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন, উত্থান আৰু বিকাশ সম্পৰ্কে আলোচনা কৰিছো। আমি লগতে এই বিদেশীসকলে কেনেদৰে বণিকৰ পৰা ভাৰতবৰ্ষৰ শাসকলৈ ৰূপান্তৰিত হ'ল তাৰো গম পাইছো। এইখিনিতে আপোনালোকক ভাৰতত বৃটিছ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা কেইজনমান ব্যক্তিৰ বিষয়ে জনাব খুজিছো। ৰবাৰ্ট ক্লাইব আছিল এনে এগৰাকী ব্যক্তি যিয়ে ইষ্ট ইণ্ডিয়া কোম্পানীকভাৰতৰ ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত কৰাত মুখ্য ভূমিকা লৈছিল। এই ক্ষেত্ৰত আন বহুটো বৃটিছ বিষয়াই উল্লেখনীয় অৱদান আগবঢ়াইছিল যেনে ঃ ৰাৰেণ হেষ্টিংছ (১৭৭২-১৭৮৫), লৰ্ড ওৱেলছ্লি (১৭৯৮-১৮০৫), লৰ্ড হেষ্টিংছ (১৮১৩-১৮২৩), লৰ্ড ডেলহাউছি (১৮৪৮-১৮৫৬) ইত্যাদি। বিশেষকৈ ওৱেলছ্লি আৰু ডেলহাউছিয়ে তেওঁলোকৰ সম্প্ৰসাৰণবাদী নীতিৰে বৃহৎ সংখ্যক ভাৰতীয় ৰাজ্য প্ৰত্যক্ষভাৱে কোম্পানীৰ শাসনৰ অধীনলৈ আনিছিল। বৃটিছৰ এই সম্প্ৰসাৰণবাদী নীতিয়ে সাধাৰণ মানুহৰ লগতে দেশীয় ৰাজ্য বৰ্গৰ মাজত এক তিক্ততাৰ সৃষ্টি কৰিছিল।

চিত্ৰ ৬.২ ৰবাৰ্ট ক্লাইব



উৎস ঃ *গোগোল ইমেজ*

১৮৫৭ চনৰ গণ-বিপ্লৱত আমি এই তিক্ততাবোৰৰ এক প্ৰতিফলন দেখিবলৈ পাওঁ। পৰৱৰ্তী এটি শাখাত আমি ১৮৫৭ চনৰ বিদ্ৰোহৰ বিষয়ে আলোচনা কৰিম।



জানি থোৱা ভাল

ওৱেলছ্‌লি আৰু ডেলহাউছিয়ে অনুসৰণ কৰা সম্প্ৰসাৰণবাদী নীতি আছিল যথাক্ৰমে বশ্যতামূলক মিত্ৰতা নীতি আৰু স্বত্ব বিলোপ নীতি। এই নীতিসমূহ প্ৰয়োগ কৰি এই দুজন বৃটিছ বিষয়াই অনৈতিক ভাৱে বৃহৎ অঞ্চল কোম্পানীৰ শাসনৰ অন্তৰ্ভুক্ত কৰিছিল।

৬.৫ ঔপনিৱেশিক অৰ্থনীতি

ইষ্ট ইণ্ডিয়া কোম্পানী মূলত আছিল এক মুনাফাখোৰ কোম্পানী। অৰ্থনৈতিক ভাৱে ভাৰত বৃটিছৰ দ্বাৰা শোষিত হৈছিল। বৃটিছৰ আৰ্থিক নীতিবোৰে ভাৰতীয় বাণিজ্যক নিশকতীয়া কৰি পেলাইছিল। ওঠৰ শতিকাৰ দ্বিতীয়াৰ্ধত ইংলেণ্ডত আৰম্ভ হোৱা উদ্যোগ বিপ্লৱে ভাৰতীয় বাণিজ্য আৰু উদ্যোগত প্ৰভাৱ বিস্তাৰ কৰিছিল। বিশেষকৈ ভাৰতৰ কুটীৰ শিল্পৰ ওপৰত ই মাধমাৰ সোধাইছিল।

১৮১৩ চনত বৃটিছ চৰকাৱে ঘোষণা কৰা মুক্ত বাণিজ্য নীতি ভাৰতৰ বাবে বিপৰ্য্যয়মূলক বুলি প্ৰমানিত হৈছিল। কেচা মালৰ ৰপ্তানী সাংঘাতিকভাৱে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছিল অথচ, ভাৰতৰ নিজস্ব ঔদ্যোগিক কাৰ্যকলাপৰ পতন ঘটিছিল।

বৃটিছ শাসনৰ অধীনত ভাৰতীয় সম্পদৰ বৰ্হিগমন অবিৰতভাৱে চলিছিল। বৃটিছে সম্পদৰ এই বৰ্হিগমন প্ৰক্ৰিয়া তিনি প্ৰকাৰে কৰিছিল (ক) ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলৰ জৰিয়তে (খ) কোম্পানীৰ বিনিয়োজনৰ দ্বাৰা আৰু (গ) হোম চার্জৰ জৰিয়তে। বংগৰ কৰেৰে কোম্পানীয়ে ভাৰতত বিভিন্ন পণ্য ক্ৰয় কৰিছিল। এনে ক্ৰয়ক কোম্পানীয়ে বিনিয়োজন বুলি কৈছিল। এনেদৰে ভাৰতীয় সম্পদৰ অবিৰত বৰ্হিগমনে দেশখনক তথা ইয়াৰ প্ৰজাক দৰিদ্ৰতাৰ মুখলৈ ঠেলি দিছিল।



হোম চার্জঃ প্ৰতি বছৰে ভাৰতত ব্ৰিটিছ প্ৰশাসনৰ ভৰন-পোষনৰ বাবে ব্ৰিটিছ চৰকাৰে যথেষ্ট টকা পইচা খৰচ কৰিছিল। এনেদৰে খৰচ কৰা অৰ্থক হোম চার্জ বুলি কোৱা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ মোগল সাৰ্বভৌমত্বক বিসৰ্জন দি স্বাধীনতা ঘোষণা কৰা দুখন প্ৰদেশৰ নাম লিখক।

.....

প্ৰশ্ন নং ৫ঃ কোনখন যুদ্ধৰ পাছত ফৰাছী ইষ্ট ইণ্ডিয়া কোম্পানী সম্পূৰ্ণৰূপে আশাহত হৈছিল?

.....

প্ৰশ্ন নং ৬ঃ ১৬৯৮ কোম্পানীয়ে ক্ৰয় কৰা গাঁও তিনিখনৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৭ঃ পলাছীৰ যুদ্ধত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতত কোন পৰাজিত হয়?

.....

চিন্তা-চৰ্চা কৰক ৬.১

ভাৰতত থকা বৃটিছৰ কুঠীবোৰৰ এক তালিকা প্ৰস্তুত কৰক আৰু ভাৰতৰ মানচিত্ৰত সেইবোৰৰ অৱস্থান চিহ্নিত কৰক।

.....

.....

৬.৬ ১৮৫৭ চনৰ বিদ্ৰোহ

১৮৫৭ চনৰ বিদ্ৰোহে ভাৰত ইতিহাসত এক নতুন অধ্যায় মুকলি কৰিছিল। এই বিদ্ৰোহ মূলতঃ উত্তৰ আৰু মধ্য ভাৰতত আৰম্ভ হৈছিল আৰু ভাৰতত বৃটিছ শাসনৰ মূল ভেটি কঁপাই দিছিল। যদিও ই প্ৰথমতে চিপাহী সকলৰ বিদ্ৰোহ ৰূপে আৰম্ভ হৈছিল, অতি সোনকালে ই বিভিন্ন অঞ্চল তথা সমাজৰ সকলো শ্ৰেণীকেই প্ৰভাৱান্বিত কৰিছিল।

৬.৬.১ বিদ্ৰোহৰ কাৰণ

১৮৫৭ চনৰ বিদ্ৰোহ এক আকস্মিক ঘটনা নাছিল। শতিকাজুৰি বিদেশী শাসনৰ বিৰুদ্ধে মানুহৰ অসন্তোষ আৰু ঘৃণাই ভাৰতীয় সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত দ কৈ শিপাইছিল। এই অসন্তোষৰ জুইয়ে কালক্ৰমত প্ৰবল গণ বিদ্ৰোহৰ ৰূপ লৈছিল। বিভিন্ন কাৰকে এই বিদ্ৰোহ সূচনা হোৱাত সহায় কৰিছিল।

চিত্ৰ ৬.৩



উৎস ঃ *গোগোল ইমেজ*

- **ৰাজনৈতিক কাৰণ ঃ** আমি ইতিমধ্যে আলোচনা কৰিছো যে বৃটিছৰ সাম্ৰাজ্যবাদী নীতিয়ে ভাৰতীয় লোকৰ মাজত অসন্তোষৰ সৃষ্টি কৰিছিল। লৰ্ড ডেলহাউছিয়ে স্বত্ব বিলোপ নীতি উদ্ভাৱন কৰিছিল আৰু ইয়াৰ সহায়ত তেওঁ নাগপুৰ, চাতাৰা, ঝান্সী, চম্বলপুৰ আদি অঞ্চল দখল কৰিছিল। পেছোৱা বাজীৰাওৰ তোলনীয়া পুত্ৰ নানা চাহিবক পেনছন দিবলৈ ডেলহাউছিয়ে অগ্ৰাহ্য কৰাত হিন্দু সমাজত অসন্তুষ্টিৰ সৃষ্টি হৈছিল। তদুপৰি মোগল বাদশ্বাহ দ্বিতীয় বাহাদুৰ শ্বাহক তেওঁৰ দিল্লীৰ পৈত্ৰিক প্ৰসাদটিৰ পৰা আতৰ কৰিবলৈ লোৱা প্ৰস্তাৱটিয়ে ভাৰতীয় জনগনৰ মাজত সন্দেহৰ ভাব জগাই তুলিছিল। কু-শাসনৰ অভিযোগত অযোধ্যাক বৃটিছ সাম্ৰাজ্যৰ লগত চামিল কৰা হৈছিল। এই চামিলকৰণক বৃটিছ আগ্ৰাসনৰ আটাইতকৈ অনৈতিক কাৰ্য্য বুলি ভাৰতৰ লোকে ভাবিছিল।
- **অৰ্থনৈতিক কাৰণ ঃ** অৰ্থনৈতিক শোষণ এই বিদ্ৰোহৰ অন্যতম মুখ্য কাৰণ আছিল। ভাৰতীয় লোকক কৰা আৰ্থিক শোষন, বংগৰ পৰা বৃহৎ পৰিমানে সম্পদৰ বৰ্হিগমন

আৰু দেশৰ কুটিৰ উদ্যোগৰ উছনে দেশখনক কঙাল কৰি পেলাইছিল। উদ্যোগ আৰু বাণিজ্যৰ এনে অৱনতিয়ে ভাৰতবৰ্ষক বৃটিছৰ উপনিবেশলৈ পৰিণত কৰাইছিল। ফলস্বৰূপে সেইসময়ত সমগ্ৰ ভাৰতজুৰি গভীৰ অসন্তোষে দেখা দিছিল।

- **সামাজিক আৰু ধর্মীয় কাৰণ ঃ** পশ্চিমীয়া শিক্ষাৰ প্ৰচলনক সেই সময়ত ভাৰতৰ সকলো শ্ৰেণীৰ লোকে আদৰি লোৱা নাছিল। খ্ৰীষ্টিয়ান মিছনাৰীসকলৰ কার্য্যকলাপতো একাংশ লোক অসন্তুষ্ট হৈছিল। আনহাতে চৰকাৰে মিছনাৰীসকলৰ কার্য্যকলাপক উৎসাহ দিছিল। ফলত ভাৰতীয়সকলে ভাবিবলৈ লৈছিল যে তেওঁলোকৰ ধর্ম আৰু সংস্কৃতিৰ বিনাশ ঘটোৱাটোৱেই বৃটিছ চৰকাৰৰ প্ৰধান উদ্দেশ্য আছিল। তদুপৰি সতীদাহ আৰু শিশু বধ নিবাৰণ, বিধৱা বিবাহ আইন প্ৰণয়ন, পশ্চিমীয়া শিক্ষাৰ প্ৰচলন আদিক ভাৰতীয় মানুহে সন্দেহৰ চকুৰে চাইছিল।
- **চিপাহীসকলৰ অসন্তোষ ঃ** চিপাহীসকলৰ অসন্তোষেই আছিল ১৮৫৭ চনৰ বিদ্রোহৰ প্ৰধান কাৰণ। ইউৰোপীয় বিষয়াসকলে ভাৰতীয় চিপাহীসকলৰ প্ৰতি নিষ্ঠুৰ ব্যবহাৰ কৰিছিল। ভাৰতীয় আৰু ইউৰোপীয় সৈন্যৰ দৰমহা তথা পদোন্নতিৰ ব্যৱস্থাও একে নাছিল। যদিও ভাৰতীয় সৈন্যসকলে জাতিগত নীতি-নিয়ম সমূহ পালন কৰাত সচেষ্ট আছিল তথাপিও তেওঁলোকক এইবোৰ পালন কৰাত বাধা দিয়া হৈছিল। এনেবোৰ কাৰণতে চিপাহীসকল অসন্তুষ্ট হৈছিল।
- **তৎকালীন কাৰণ ঃ** এনে এক জটিল সময়তেই ভাৰতীয় সৈন্যৰ মাজত এক নতুন ধৰণৰ ৰাইফল (এনফিল্ড ৰাইফল) প্ৰবর্তন কৰা হ'ল। এই ৰাইফলৰ টোটাসমূহ দাঁতেৰে কামুৰিহে ৰাইফলত ভৰাব পৰা গৈছিল। এটি জনৰৱ অতি সোনকালে চাৰিওপিনে বিয়পি পৰিছিল যে টোটাবোৰত গৰু আৰু গাহৰীৰ চর্বি ব্যৱহাৰ কৰা হৈছিল, যি হিন্দু-মুছলমান উভয়ৰে বাবে অশুচিকৰ আছিল। এই উৰা বাতৰিয়ে যেন জ্বলা জুইত ঘিউহে ঢালিছিল আৰু বৃটিছৰ বিৰুদ্ধে এক গণ অভ্যুত্থানৰ জন্ম দিছিল।

৬.৬.২ বিদ্রোহৰ আৰম্ভণি আৰু ইয়াৰ বিস্তাৰ

দিল্লীৰ সমীপৱর্ত্তী মীৰাটত ১৮৫৭ চনৰ ১০ মে'ত বিদ্রোহ আৰম্ভ হৈছিল। ইয়াৰ পিছতেই ভাৰতীয় বিদ্রোহীসকলে দিল্লী দখল কৰিছিল। বিদ্রোহীসকলে তেতিয়াৰ নামমাত্ৰ মোগল বাদশ্বাহ দ্বিতীয় বাহাদুৰ শ্বাহক ভাৰতৰ সম্ৰাটৰূপে ঘোষণা কৰিছিল। অতি সোনকালে বিদ্রোহ অযোধ্যা, ৰোহিলাখণ্ড, লক্ষ্ণৌ, কানপুৰ, আগ্ৰা, ঝান্সী তথা উওৰ ভাৰতৰ আন ঠাইলৈ বিয়পি পৰিছিল। কানপুৰত নানা চাহিবে বিদ্রোহীৰ নেতৃত্ব লৈছিল। ঝান্সীৰ ৰাণী লক্ষ্মী বাঈয়ে সাহসিকভাবে বৃটিছৰ বিৰুদ্ধে তেওঁৰ সৈন্যবাহিনীক নেতৃত্ব দিছিল। অবশ্যে বৃটিছৰ বিৰুদ্ধে যুঁজ দি তেওঁ মৃত্যুবৰণ কৰিছিল। কোৱৰ সিং ১৮৫৭ চনৰ বিদ্রোহৰ আন এগৰাকী প্ৰখ্যাত নেতা আছিল। দুর্ভাগ্য বশতঃ ব্রিটিছ

সেনাই ১৮৫৭ চনৰ শেষৰ ফালে এই বিদ্রোহ দমন কৰাত সফল হয়। দ্বিতীয় বাহাদুৰ শ্বাহক ব্রিটিছ সেনাই কৰায়ত্ত কৰে আৰু ৰেঙ্গুনলৈ নির্বাসন দিয়ে। নানা চাহিবো বৃটিছৰ হাতত পৰাস্ত হয়। এনেদৰে বৃটিছে পুনৰবাৰৰ বাবে ভাৰতবর্ষত নিজৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰে।



জানি থোৱা ভাল

লক্ষ্ণৌত ১৮৫৭ চনৰ ৩০ মে'ত বিদ্রোহ আৰম্ভ হয়। মূখ্য আয়ুক্ত চাৰ হেনৰী লৰেঞ্চে চহৰ পৰিত্যাগ কৰি সকলো সৈন্য সহিতে ৰাজভৱন (Residency)-ত আশ্রয় গ্রহণ কৰে। বিদ্রোহীসকলে ৰাজভৱন দখল কৰে আৰু ৪ জুলাইৰ দিনাখন লৰেঞ্চক হত্যা কৰে।

৬.৬.৩ বিদ্রোহৰ বিফলতাৰ কাৰণ

১৮৫৭ চনৰ বিদ্রোহৰ বিফলতাৰ কাৰণ আছিল বহুতো। সেইবোৰৰ ভিতৰত---

- ১৮৫৭ চনৰ বিদ্রোহৰ প্রথমৰে পৰা অসংগঠিত আছিল।
- বৃটিছৰ বিৰুদ্ধে জনগণক নেতৃত্ব দিবলৈ কোনো উপযুক্ত নেতা নাছিল। দ্বিতীয় বাহাদুৰ শ্বাহ, লক্ষ্মী বাই, নানা চাহিব এই সকলো কেইজন নেতা তেওঁলোকৰ নিজ নিজ অঞ্চলবোৰতহে বিখ্যাত আছিল।
- বিভিন্ন অঞ্চলত যুদ্ধ কৰি থকা বাহিনীবোৰৰ মাজত সমন্বয়ৰ অভাৱ আছিল।
- হোলকাৰ, সিন্ধিয়া আদিৰ নিচিনা শক্তিশালী নেতাবোৰে বিদ্রোহত অংশ লৱলৈ অসম্মতি প্রকাশ কৰিছিল।
- বৃটিছ সকল বিদ্রোহী চিপাহীবোৰতকৈ সামৰিকভাৱে শ্রেষ্ঠ আছিল।

৬.৬.৪ ১৮৫৭ চনৰ বিদ্রোহৰ ফলাফল

বৃটিছ সংসদে ১৮৫৮ চনত এখন আইন প্রণয়নৰ জৰিয়তে ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ আনুষ্ঠানিকভাৱে অন্ত পেলাইছিল।

- ভাৰতৰ প্রশাসন বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা প্রত্যক্ষভাৱে বৃটিছ ৰাজত্বৰ অধীনলৈ গৈছিল।
- কোম্পানীৰ গভর্ণৰ জেনেৰেলৰ ঠাইত মহাৰাণীৰ প্রতিনিধি হিচাপে এগৰাকী ভাইচৰয়ক নিযুক্তি দিয়া হৈছিল।
- প্রশাসনৰ প্রায় সকলো স্তৰতে পৰিৱর্তন সাধন কৰা হৈছিল।
- ১৮৫৮ চনৰ ১ নৱেম্বৰত এলাহাবাদৰ এক দৰবাৰত ঘোষিত ৰাণী ভিক্টোৰিয়াৰ এক ইস্তাহাৰত এই পৰিৱর্তনসমূহৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰা হৈছিল,— যিয়ে ভাৰতৰ ভৱিষ্যত বৃটিছ নীতিৰ ৰেখাঙ্কণ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ ভাৰতবর্ষত শেষ মোগল সম্রাট কোন আছিল ?

.....

প্রশ্ন নং ৯ঃ ৰাণী লক্ষ্মীবাঈ কোন ?

.....

প্রশ্ন নং ১০ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন ভাৰতত কোন চনত শেষ হয় ?

.....



চিন্তা-চর্চা কৰক ৬.২

ভাৰতবর্ষৰ মানচিত্রত নিম্নোক্ত স্থানসমূহ চিনাক্ত কৰক—

ক. মীৰাটখ. দিল্লী



৬.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাৰতত বৃটিছসকলৰ আগমন আৰু বৃটিছ শাসনৰ স্থাপনৰ বিষয়ে জানিব পাৰিলে,
- কেনেকৈ বেহা-বেপাৰৰ বাবে অহা ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল। সেই বিষয়ে জ্ঞাত হ'ল।
- বৃটিছৰ অর্থনৈতিক শোষণৰ বিষয়ে জানিব পাৰিলে। ভাৰতীয় সম্পদৰ অবিৰত বর্হিগমনে দেশখনক তথা ইয়াৰ প্রজাক দৰিদ্রতাৰ মুখলৈ ঠেলি দিছিল।



৬.৮ প্রসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মছলা, কাৰু-কার্য খচিত কপাহী কাপোৰ, ৰেচম, মূল্যৱান শিল ইত্যাদি।

২ নং প্রশ্নৰ উত্তৰঃ চাৰ থমাছ ৰো।

৩ নং প্রশ্নৰ উত্তৰঃ ৰাণ্ডিৱাৰ যুদ্ধ

৪ নং প্রশ্নৰ উত্তৰঃ বংগ আৰু হায়দৰাবাদ।

৫ নং প্রশ্নৰ উত্তৰঃ ৰাণ্ডিৱাশ্বৰ যুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰঃ চুতানাতি, গোবিন্দপুৰ আৰু কলিকতা।

৭ নং প্রশ্নৰ উত্তৰঃ বংগৰ নৱাব চিৰাজ উদ-দৌল্লা।

৮ নং প্রশ্নৰ উত্তৰঃ বাহাদুৰ শ্বাহ দ্বিতীয়

৯ নং প্রশ্নৰ উত্তৰঃ ঝাঞ্চীৰ ৰাণী

১০ নং প্রশ্নৰ উত্তৰঃ ১৮৫৮ চন

৬.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ কোনে ভাৰতলৈ সাগৰীয় পথটোৰ আৱিষ্কাৰ কৰিছিল?

প্রশ্ন ২ঃ কোন চনত বৃটিছ চৰকাৰে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাণিজ্যিক একছেটিয়া অধিকাৰৰ অন্ত পেলায়?

প্রশ্ন ৩ঃ সত্ব বিলোপ নীতি কোনে আৰম্ভণি কৰে?

প্রশ্ন ৪ঃ কোন চনত ভাৰতত কোম্পানীৰ শাসনৰ অন্ত পৰে?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ঔপনিৱেশিক শাসনৰ বিৰোদ্ধে চিপাহীসকলৰ অসন্তুষ্টিবোৰ কি আছিল?

প্রশ্ন ২ঃ পলাশী আৰু বক্সাৰৰ যুদ্ধৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ৩ঃ বৃটিছসকলে ভাৰতৰ পৰা সম্পদৰ বর্হিগমন কৰা তিনিটা প্রকাৰ কি কি আছিল?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ১৮৫৭ চনৰ বিদ্রোহৰ কাৰণবিলাক আলোচনা কৰক।

প্রশ্ন ২ঃ ইংলিচ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেকৈ ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত হ'ল তাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ঔপনিৱেশিক শাসনৰ অধীনত সামাজিক আৰু ধর্মীয় সংস্কাৰ

- ৭.৩.১ ব্রাহ্ম সমাজ
- ৭.৩.২ প্রার্থনা সমাজ
- ৭.৩.৩ আর্য্য সমাজ
- ৭.৩.৪ ৰামকৃষ্ণ মিচন
- ৭.৩.৫ থিয়'ছোফিকেল চোছাইটি
- ৭.৩.৬ আলিগড় আন্দোলন

৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৫ প্রসংগ পুথি

৭.৬ অগ্রগতিৰ খতিয়ান

৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্রাহ্ম সমাজৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- প্রার্থনা সমাজৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- আর্য সমাজৰ বিষয়ে বর্ণনা কৰিবলৈ সক্ষম হ'ব
- ৰামকৃষ্ণ মিছনৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- থিয়'চোফিকেল চোছাইটি আলোচনা কৰিবলৈ সক্ষম হ'ব
- আলিগড় সমাজৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

ঊনবিংশ শতিকাত ভাৰতীয়সকলৰ সামাজিক চিন্তা ধাৰাত এটা অতি উল্লেখনীয় পৰিৱর্তন প্রত্যক্ষ হয়। ইংৰাজী শিক্ষাৰ আৰম্ভণি আৰু পশ্চিমীয়া উদাৰ চিন্তা-ধাৰাৰ প্রভাৱতেই ভাৰতীয় সমাজৰ এই পৰিৱর্তন সম্ভৱ হৈছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত হোৱা এই নতুন ভাৰতীয় মধ্যবিত্তসকলে সমাজৰ ভাল বেয়া দুয়োটা দিশ বিজ্ঞানসম্মত আৰু যুক্তি যুক্ততাৰে বিশ্লেষণ কৰিব পাৰিছিল আৰু এইদৰেই ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ঊনবিংশ শতিকাৰ প্রথম ভাগত সংস্কাৰৰ বাট মুকলি হৈছিল।

৭.৩ সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলন

ঊনবিংশ শতিকাৰ প্রথমার্ধত ভাৰতত সামাজিক আৰু ধর্মীয় ক্ষেত্রত এক উল্লেখযোগ্য পৰিৱর্তন পৰিলক্ষিত হয়। এই পৰিৱর্তন সংঘটিত হৈছিল মূলত ইংৰাজী শিক্ষাৰ প্রসৰণৰ বাবে। ইংৰাজী শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্রেণীটোৱে পশ্চিমৰ বৈজ্ঞানিক আৰু যুক্তিবাদী দৃষ্টিভংগীৰ দ্বাৰা প্রভাৱান্বিত হৈ ভাৰতীয় সমাজৰ শক্তি আৰু দুর্বলতাক জুকিয়াই চাইছিল। এই অন্বেষণৰ স্পৃহাই ঊনবিংশ শতিকাৰ প্রথমার্ধত সামাজিক-সাংস্কৃতিক সংস্কাৰ সাধনৰ বাবে এক অপ্রতিৰোধ্য শক্তিৰ জন্ম দিছিল ।

৭.৩.১ ৰাজা ৰামমোহন ৰায় আৰু ব্রাহ্ম সমাজ

চিত্র ৭.১ ৰাজা ৰামমোহন ৰায়



উৎস ঃ *গোগোল ইমেজ*

এই জাগৰণৰ মূল হোতা আছিল ৰাজা ৰামমোহন ৰায়, যাক 'আধুনিক ভাৰতৰ পিতৃ' বুলি গণ্য কৰা হয়। ১৮২৮ চনত কলিকতাত ৰামমোহন ৰায়ে ব্রাহ্ম সমাজ প্রতিষ্ঠা কৰিছিল। ভাৰতৰ সামাজিক তথা ধর্মীয় জাগৰণ সৃষ্টিত ব্রাহ্ম সমাজে এক উল্লেখনীয় ভূমিকা গ্রহণ কৰিছিল। এই সমাজে মূর্তি পূজা আৰু যি কোনো বলি-বিধানৰ বিৰোধিতা কৰিছিল। ব্রাহ্ম সমাজে হিন্দু সমাজত প্রচলিত জাতি-ভেদ প্রথাক আক্রমণ কৰিছিল আৰু সতীদাহ প্রথা তথা বাল্য-বিবাহ প্রথাৰ বিৰোধিতা কৰিছিল। হিন্দু সমাজত প্রচলিত বহুতো কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে ব্রাহ্মসমাজে থিয় দিছিল। সমাজত নাৰীৰ সন্মানীয় মর্য্যদা ৰক্ষাৰ বাবে ব্রাহ্মসমাজে কাম কৰিছিল। ৰাজা ৰাম মোহন ৰায়ৰ উদ্যোগতেই ১৮২৯ চনত ভাৰতৰ গবর্ণৰ জেনেৰেল লর্ড উইলিয়াম বেণ্টিংকে সতীদাহ প্রথাক আইন মতে দণ্ডণীয় বুলি ঘোষণা কৰিছিল। ১৮৩৩ চনত ইংলেণ্ডৰ ব্রিষ্টলত মহান সংস্কাৰক গৰাকীৰ মৃত্যু হয়।

৭.৩.২ ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ

ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ ভাৰতীয় সমাজৰ এগৰাকী মহান সংস্কাৰক আছিল। তেওঁ শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ প্রচলনৰ পোষকতা কৰিছিল। স্ত্রী শিক্ষাৰ উন্নতিৰ বাবেও তেওঁ চেষ্টা চলাইছিল। ১৮৪৯ চনত কলিকতাত আৰম্ভ হোৱা হিন্দু বালিকা বিদ্যালয় (যাক এতিয়া বেথুন স্কুল আৰু কলেজ নামে জনা যায়) স্থাপন কৰাৰ ক্ষেত্রত ঈশ্বৰ চন্দ্রই এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। তেওঁ বিধবা বিবাহৰো এগৰাকী মহান সমর্থক আছিল। ঈশ্বৰ চন্দ্রৰ সহযোগত ১৮৫৬ চনত তেতিয়াৰ গভর্ণৰ জেনেৰেল লর্ড কেনিঙে হিন্দু বিধৱা বিবাহ আইনখন প্রণয়ণ কৰাত সফল হৈছিল।

৭.৩.৩ প্রার্থনা সমাজ

কেশৱ চন্দ্র সেনৰ তত্বাবধানত আত্মাৰংগ পাণ্ডুৰংগে ১৮৬৭ চনত বোম্বাইত প্রার্থনা সমাজ প্রতিষ্ঠা কৰে। এই সমাজৰ মূল নির্মাতা আছিল মহাদেৱ গোবিন্দ ৰাণাডে। প্রার্থনা সমাজে একেশ্বৰবাদত বিশ্বাস কৰিছিল আৰু সামাজিক সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই সমাজে জাতি বিচাৰ পৰিত্যাগ কৰিবলৈ গুৰুত্ব দিয়াৰ লগতে বিধবা বিবাহ, পর্দা প্রথাৰ বিলোপ, বাল্য বিবাহ আদিত গুৰুত্ব দিছিল।

৭.৩.৪ আর্য্য সমাজ

দয়ানন্দ সৰস্বতীয়ে ১৮৭৫ চনত আর্য্য সমাজ প্রতিষ্ঠা কৰে। তেওঁ প্রাচীন ভাৰতীয় ধর্ম আৰু পৰম্পৰাৰ পৰা অনুপ্রেৰনা লাভ কৰিছিল। তেওঁৰ বাণী আছিল 'বেদলৈ উভতি যোৱা'। ভাৰতীয় সমাজক অধঃপতনৰ পৰা পুনৰুদ্ধাৰ কৰিবলৈ তেওঁ আর্য্য সমাজ প্রতিষ্ঠা কৰিছিল। আর্য্য সমাজৰ মূল বিশেষত্ব আছিল শুদ্ধি আন্দোলন যাৰ অর্থ হৈছে অনাহিন্দু সকলক হিন্দু ধর্মলৈ ধর্মান্তৰিত কৰা। নিজৰ আদর্শ প্রচাৰ কৰিবলৈ বিখ্যাত গ্রন্থ 'সত্যার্থ প্রকাশ' ৰচনা কৰিছিল।

৭.৩.৫ ৰামকৃষ্ণ মিছন

১৮৯৭ চনত স্বামী বিবেকানন্দই ৰামকৃষ্ণ মিছন প্রতিষ্ঠা কৰে। তেওঁ ৰামকৃষ্ণ পৰমহংসৰ এজন শিষ্য আছিল। বিবেকানন্দই অনুভৱ কৰিছিল যে প্রত্যেক ধর্ম সত্যৰ ওপৰত প্রতিস্থিত আৰু লক্ষ্য প্রাপ্তিৰ বিভিন্ন পথ আছে। ১৮৯৩ চনত চিকাগোত অনুষ্ঠিত বিশ্ব ধর্ম সভাত তেওঁ ভাগ লৈছিল আৰু হিন্দু ধর্মৰ প্রকৃত অর্থ বিশ্বৰ আগত ব্যাখ্যা কৰিছিল। হিন্দু সমাজত প্রচলিত সামাজিক অসমতাক তেওঁ তীব্রভাবে বিৰোধিতা কৰিছিল।

৭.৩.৬ থিয়'ছোফিকেল চোছাইটি

মেদাম ব্লেভৎস্কি আৰু হেনৰি ওল্‌কটে ১৮৭৫ চনত আমেৰিকা যুক্তৰাষ্ট্রত থিয়'ছোফিকেল চোছাইটি প্রতিস্থা কৰে। মেদাম ব্লেভৎস্কিৰ মৃত্যুৰ পিছত ১৮৯৩ চনত এনি বেছান্ট ভাৰতলৈ আহে। তেওঁ ভাৰতৰ থিয়ছোফিকেল ছোচাইটিৰ সভানেত্রী হৈ পৰে। এই সমাজৰ মূখ্য কার্য্যালয় মাদ্রাজৰ আদিয়াৰত ১৯০৭ চনত স্থাপন কৰা হৈছিল। তেওঁৰ নেতৃত্বত এই সমাজে সমগ্র ভাৰত জুৰি সামাজিক তথা ধর্মীয় সংস্কাৰ সাধনত লিপ্ত হয়। বেছান্টে ১৮৯৮ চনত বাৰানসীত হিন্দু কলেজ প্রতিস্থা কৰিছিল, যত হিন্দু আৰু পশ্চিমীয়া বৈজ্ঞানীক বিষয় উভয়ৰে শিক্ষা দিয়া হৈছিল।

৭.৩.৭ আলিগড় আন্দোলন আৰু চাৰ চৈয়দ্ আহমদ্ খান

চাৰ চৈয়দ্ আহমদ্ খানে ভাৰতবর্ষৰ মুছলমান সকলৰ উত্তৰণৰ বাবে অহোপুৰুষার্থ কৰিছিল। ১৮৫৭ চনত চাৰ চৈয়দ্ আহমদ্ খানে আলিগড়ত মহমেদান এংলো-অ'ৰিয়েণ্টেল কলেজ প্রতিষ্ঠা কৰে। এনেদৰে আলিগড়ক কেন্দ্র কৰি মুছলমানসকলৰ সামাজিক আৰু সাংস্কৃতিক উন্নয়ণৰ বাবে এক সংস্কাৰ আন্দোলন গঢ়ি উঠিছিল। মুছলমান সকলৰ বাবে আধুনিক বৈজ্ঞানিক তথা পশ্চিমীয়া শিক্ষাৰ প্রয়োজনীয়তা তেওঁৰেই পোনতে অনুধাৱন কৰিছিল। ১৮৬৩ চনত তেওঁ কলিকতাত 'মহমেদান লিটাৰেৰি চোছাইটি' প্রতিষ্ঠা কৰে।

এই সংস্কাৰক সমূহৰ উপৰিও জাতিবা ফুলে, চাৰ নাৰায়ণ চন্দ্রভাৰকাৰ, হৰিচন্দ্র ঠাকুৰৰ নিচিনা আৰু কিছু সংখ্যক ধর্ম নিৰপেক্ষ সংস্কাৰক সেই সময়ত আছিল। তেওঁলোকে সমাজৰ অৱনত শ্রেণীৰ উত্তৰণৰ বাবে মহান অৱদান আগবঢ়াইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্রাহ্ম সমাজৰ প্রতিষ্ঠাতা কোন আছিল আৰু কেতিয়া ইয়াক প্রতিষ্ঠা কৰা হৈছিল ?

.....

প্রশ্ন নং ২ঃ কোন চনত বিধৱা বিবাহ আইন প্রণয়ন কৰা হৈছিল ?

.....

প্রশ্ন নং ৩ঃ স্বামী বিবেকানন্দই কোন চনত চিকাগোত অনুস্থিত বিশ্ব ধর্ম সভাত যোগদান কৰিছিল ?

.....

প্রশ্ন নং ৪ঃ মহমেদান এংলো-অৰিয়েন্টেল কলেজ কোনে প্রতিষ্ঠা কৰিছিল ?

.....

প্রশ্ন নং ৫ঃ ৰামকৃষ্ণ মিছন কোন চনত প্রতিষ্ঠিত হৈছিল ?

.....

প্রশ্ন নং ৬ঃ ভাৰতত থিয়'ছোফিকেল চোছাইটিৰ মূখ্য কার্য্যালয় ক'ত আছিল ?

.....



৭.৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- ব্রাহ্ম সমাজৰ সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলন ৰূপে ভূমিকা সম্পর্কে অৱগত হ'ল।
- ঊনবিংশ শতিকাৰ ভাৰতীয় সমাজ সংস্কাৰত আর্থ সমাজ, ৰামকৃষ্ণ মিছন, প্রার্থনা সমাজ আৰু থিয়'ছফিকেল চোছাইটিৰ ভূমিকা সম্পর্কে অবগত হ'ল।
- মুছলিম সমাজৰ সামাজিক ব্যৱস্থাৰ উন্নতিৰ হকে আলিগড় আন্দোলনে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে জানিব পাৰিলে।



৭.৫ প্রসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern*

Indian History, New Delhi, C Chand & Company Ltd.

4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.

৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ৰাজা ৰামমোহন ৰায়

২ নং প্রশ্নৰ উত্তৰঃ ১৮২৯ চনত

৩ নং প্রশ্নৰ উত্তৰঃ ১৮৯৩ চনত

৪ নং প্রশ্নৰ উত্তৰঃ ছাৰ চৈয়দ আহমেদ খান

৫ নং প্রশ্নৰ উত্তৰঃ ১৮৯৭ চনত

৬ নং প্রশ্নৰ উত্তৰঃ আদিয়াৰ, মাদ্রাজত

৭.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্রাহ্ম সমাজ কেতিয়া প্রতিষ্ঠা হয়?

প্রশ্ন ২ঃ আর্য সমাজ কোনে আৰু কেতিয়া প্রতিষ্ঠা কৰে?

প্রশ্ন ৩ঃ ভাৰতত থিয়'ছফিকেল চোছাইটি কোনে প্রতিষ্ঠা কৰে?

প্রশ্ন ৪ঃ প্রার্থনা সমাজৰ প্রধান স্রষ্টা কোন আছিল?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ৰাজা ৰাম মোহন ৰায়ৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ২ঃ আলিগড় আন্দোলনৰ ওপৰত এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ঔপনিৱেশিক শাসনৰ অধীনত হোৱা সামাজিক আৰু ধর্মীয় সংস্কাৰ আন্দোলনৰ ওপৰত এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ৮ ঃ জাতীয়তাবাদৰ উত্থান আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ গঠন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাৰতত জাতীয়তাবাদৰ উত্থান

৮.৪ বিভিন্ন ৰাজনৈতিক সংগঠনৰ গঠন

৮.৫ ভাৰতীয় জাতীয় কংগ্ৰেছৰ গঠন

৮.৬ কৃষক আৰু জনজাতীয় আন্দোলন

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ প্ৰসংগ পুথি

৮.৯ অগ্ৰগতিৰ খতিয়ান

৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত জাতীয়তাবাদৰ উত্থানৰ কাৰণসমূহ ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন ৰাজনৈতিক সংগঠনৰ গঠন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- কৃষক আৰু জনজাতীয় আন্দোলনসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

আগৰ অধ্যায়ত ইতিমধ্যে আপোনালোকে কেনেদৰে ভাৰতবৰ্ষলৈ বেপাৰ-বাণিজ্যৰ বাবে অহা বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী এক ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত হৈছিল, সেইবিষয়ে জানিব পাৰিলে। আপোনালোকে লগতে জানিব পাৰিলে যে ১৮৫৭ চনত ভাৰতত বৃটিছৰ বিৰুদ্ধে প্ৰথম আৰু প্ৰধান বিদ্ৰোহৰ আৰম্ভণি ঘটে। ১৮৫৭ চনৰ পাছত ভাৰতত জাতীয়তাবাদী ভাবধাৰা বিকশিত হ'ব ধৰে। সাধাৰণ লোক ৰাজনৈতিকভাৱে সচেতন হৈ পৰিছিল আৰু বৃটিছ প্ৰশাসনৰ সংস্কাৰ বিচাৰিছিল। কিন্তু এই দাবীবোৰক বৃটিছে ধাৰাবাহিকভাৱে নস্যাৎ কৰাৰ ফলত ভাৰতীয় লোকে আন্দোলনৰ পথ বাচি লৈছিল। এই অধ্যায়টোত আমি ভাৰতত জাতীয়তাবাদী ভাবধাৰা বিকশিত হোৱাৰ, জাতীয় কংগ্ৰেছৰ জন্ম হোৱা আৰু লগতে কৃষক আৰু জনজাতীয় বিদ্ৰোহৰ বিষয়ে আলোচনা কৰিম।

৮.৩ ভাৰতত জাতীয়তাবাদৰ উত্থান

জাতীয়তাবাদ হৈছে এক আধুনিক ধাৰণা। ইউৰোপৰ তুলনাত জাতীয়তাবাদৰ চেতনা ভাৰতবৰ্ষত বহু দেৰিকৈ উদ্ৰেক হৈছিল। মুখ্যত বৃটিছ শাসনে ভাৰতীয়সকলৰ মাজত জাতীয়তাবাদৰ বিকাশত সহায় কৰিছিল। ভাৰতত জাতীয়তাবাদৰ উত্থানত নিম্নোক্ত কাৰকসকলে অৱদান আগবঢ়াইছিল।

- **বিদেশী শাসনৰ পৰিণাম ঃ** ভাৰতত জাতীয়তাবাদৰ উত্থানত বিদেশী শাসনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বৃটিছে ভাৰতক শোষনৰ এক ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। জনসাধাৰণে বুজি পাইছিল যে দেশখনৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণ হৈছে বৃটিছ শাসন আৰু সেইবাবে তেওঁলোকে বৃটিছ শাসনৰ বিৰুদ্ধে সংঘবদ্ধ হৈছিল।
- **ৰাজনৈতিক আৰু অৰ্থনৈতিক একতা ঃ** বৃটিছ শাসনৰ অধীনত সমগ্ৰ ভাৰত একত্ৰিত হৈ পৰিছিল। ভাৰতীয়সকলৰ মাজত জাতীয়তাৰ চেতনা সহজতে বিকশিত হৈছিল কিয়নো বৃটিছে সমগ্ৰ দেশখনকে এটি প্ৰশাসনিক গোট হিচাপে বিবেচনা কৰিছিল। তেওঁলোকে গোটেই দেশখনতে একে ধৰণৰ প্ৰশাসনিক ব্যৱস্থা আৰম্ভ কৰিছিল। একে সময়তে তেওঁলোকে সমগ্ৰ দেশখনকে এটি অৰ্থনৈতিক গোট হিচাপে গণ্য কৰিছিল। এই সকলোবোৰৰ পৰিণতিস্বৰূপে এখন দেশৰ প্ৰতি অৰ্থাৎ ভাৰতবৰ্ষৰ প্ৰতি আপোনভাবৰ অনুভূতি গঢ়ি উঠিছিল। এই সকলোবোৰে জাতীয় জাগৰণতো প্ৰভূত পৰিমাণে অৱদান যোগাইছিল।
- **পশ্চিমীয়া চিন্তাধাৰা আৰু শিক্ষাৰ প্ৰসাৰ ঃ** ঊনবিংশ শতিকাত পশ্চিমীয়া শিক্ষা আৰু চিন্তাৰ প্ৰসাৰেও ভাৰতীয় সকলৰ মাজত জাতীয় চেতনাৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গণতন্ত্ৰ, জাতীয়তাবাদ ইত্যাদি আধুনিক ধাৰণাবোৰে তেওঁলোকৰ মনত গভীৰ ৰেখাপাত কৰিছিল। জাতি, ধৰ্ম, অঞ্চল নিৰ্বিশেষে শিক্ষিত ভাৰতীয় সকলৰ মাজত ইংৰাজী ভাষা সংযোগী ভাষা হৈ পৰিছিল। ফলত পৰস্পৰৰ মাজত বুজাবুজি আৰু নিকট সম্পৰ্ক গঢ়িবলৈ এই ভাষা উত্তম মাধ্যম হৈ পৰিছিল। এই শিক্ষিত ভাৰতীয়সকলে ৰাজনৈতিক সজাগতা সৃষ্টি আৰু ভাৰতত ৰাজনৈতিক আন্দোলন সংগঠিত কৰিবলৈ প্ৰাথমিকভাৱে দায়বদ্ধ আছিল।
- **প্ৰাচীন ভাৰতবৰ্ষৰ গৌৰৱ অধ্যয়ন ঃ** ঊনবিংশ শতিকাৰ বহুসংখ্যক বৃটিছ লেখক আৰু চৰকাৰী বিষয়াই এই দৃষ্টিভংগী আগবঢ়াইছিল যে ভাৰতীয়সকল দেশ শাসন কৰিব পৰাকৈ সভ্য হোৱা নাছিল। অৱশ্যে ভালেসংখ্যক জাতীয়তাবাদী নেতাই ভাৰতীয়সকলৰ মাজত আত্মবিশ্বাস আৰু আত্ম সন্মান জগাই তুলিবলৈ বৃটিছৰ এই প্ৰচাৰকাৰ্য্যৰ বিৰুদ্ধাচৰণ কৰিছিল। বহুতো ভাৰতীয় পণ্ডিতে ভাৰতৰ পুৰণি ইতিহাস অনুসন্ধান কৰি ভাৰতৰ গৌৰৱসমূহ জনগনক জনাইছিল। ভাৰত বুৰঞ্জীৰ এই অধ্যয়নে সাধাৰণ মানুহক বিখ্যাত শাসক চন্দ্ৰগুপ্ত মৌৰ্য্য, অশোক, আকবৰ আৰু বহুতৰে বিষয়ে অৱগত কৰাইছিল। এই সকলোবোৰ কাৰ্য্যই শিক্ষিত ভাৰতীয় সকলক দেশাত্মবোধ আৰু জাতীয়তাবোধৰ এক নৱভাবেৰে উদ্বুদ্ধ কৰি তুলিছিল।

- **ছপাশাল আৰু সাহিত্যৰ ভূমিকা ঃ** ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত জাতীয়তাবাদী বাতৰি কাকতৰ অভূতপূর্ব বিকাশ পৰিলক্ষিত হয়। এই বাতৰি কাকত সমূহৰ যোগেদি জনসাধাৰণক এক হবলৈ তথা জাতীয় ঐক্যৰ হকে কাম কৰিবলৈ আহ্বান জনোৱা হয়। এই সময়ৰ কিছুমান মুখ্য জাতীয়তাবাদী বাতৰি কাকত আছিল — অমৃত বাজাৰ পত্রিকা, হিন্দু পেট্রিয়ট, ইণ্ডিয়ান মিৰৰ, সঞ্জীৱনী, কেশৰী, বিজুলী, জোনাকী ইত্যাদি। বিজুলী আৰু জোনাকীৰ নিচিনা বাতৰি কাকতে অসমত জাতীয় চেতনা বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। জাতীয় চেতনাৰ জাগৰণত জাতীয় সাহিত্যৰ ভূমিকাও আছিল গুৰুত্বপূর্ণ। বাংলাভাষাত বংকিম চন্দ্র চেটার্জী, ৰবীন্দ্র নাথ ঠাকুৰ ইত্যাদি, অসমীয়াত লক্ষ্মীনাথ বেজবৰুৱা, তামিলত সুব্রমনিয়াম ভাৰতী, হিন্দীত ভাৰতেন্দু হৰিচন্দ্র আৰু উর্দুত আলতাফ হুছেইন সেই সময়ৰ কেইজনমান বিখ্যাত জাতীয়তাবাদী লেখক আছিল।
- **উন্নত যোগাযোগ আৰু যাতায়ত ব্যৱস্থা ঃ** ভাৰতবর্ষত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্রত বৃটিছৰ অৱদান অনস্বীকার্য্য। ব্রিটিছে ভাৰতবর্ষত ৰেলপথ আৰু ৰাস্তা নির্মাণ কৰাৰ লগতে টেলিগ্রাফ, অনাতাৰ তথা ডাক সেৱাৰো ব্যৱস্থা কৰিছিল। বৃটিছে মূলত সাম্রাজ্যবাদী স্বার্থক সুৰক্ষা দিবলৈ এই সকলোবোৰ কৰিছিল যদিও ভাৰতীয়সকল ইয়াৰ দ্বাৰা লাভাৱান্বিত হৈছিল। দূৰে দূৰে থকা ভাৰতীয়সকল এজনে আনজনৰ ওচৰ চপাৰ সুযোগ পাইছিল। এইবোৰে তেওঁলোকৰ মাজত ঐক্যৰ এক অনুভূতি আনিছিল যিয়ে এক সর্বভাৰতীয় আন্দোলন সংগঠিত কৰাত সহায়ক হৈছিল।
- **শাসকৰ জাতিগত দম্ভালি ঃ** বৃটিছসকল বগা ছালৰ হোৱা হেতুকে সততে ভাৰতীয়সকলতকৈ উচ্চ বুলি দাবী কৰিছিল। তেওঁলোকে সকলোতে জাত্যাভিমান প্রকট কৰিছিল। বৃটিছৰ এই দম্ভালি ভাৰতীয় বাতৰি কাকতবোৰে বহুলভাৱে প্রচাৰ কৰিছিল। ইয়ে বৃটিছৰ বিৰুদ্ধে ভাৰতীয়সকলৰ জাতীয় জাগৰণত সহায় কৰিছিল।



চিন্তা-চর্চা কৰক ৮.১

ভাৰতৰ জাতীয় জাগৰণত বৰঙনি আগবঢ়োৱা বাতৰি কাকতসমূহৰ এখন তালিকা প্রস্তুত কৰক।

.....

.....

৮.৪ বিভিন্ন ৰাজনৈতিক সংগঠনৰ গঠন

অতি কম সময়ৰ ভিতৰত ভাৰতীয় ভাৱৰ বিকাশ ৰাজনৈতিক সংগঠন গঢ়াৰ জৰিয়তে প্রকট হৈ পৰিল। এই সংগঠনবোৰ মূলত বংগ, বোম্বাই আৰু মাদ্রাজ প্রদেশত ঠন ধৰি উঠিছিল।

বংগ আছিল ভাৰতীয় জাতীয়তাবাদৰ সাৰুৱা ভেঁটি। ১৮৩৬ চনত প্রথম ৰাজনৈতিক

সংস্থা 'বংগভাষা প্রকাশিকা সভা' গঠন হয়। জমিদাৰসকলৰ স্বার্থ ৰক্ষার্থে ১৮৩৮ চনৰ 'জমিদাৰী এছোছিয়েশ্বন' গঠিত হয়। এই সংস্থাটোক 'লেণ্ডল'র্ডছ্ ছোছাইটি' বুলিও কোৱা হৈছিল। জনসাধাৰণৰ প্রকৃত দুর্দশাৰ বিষয়ে বৃটিছক অৱগত কৰাবলৈ ১৮৪৩ খ্রীষ্টাব্দত 'বেংগল বৃটিছ ইণ্ডিয়ান ছোছাইটি' প্রতিষ্ঠিত হয়। ১৮৫১ খ্রীষ্টাব্দৰ ২৯ অক্টোবৰত 'ৰেংগুল উছ ছোছাইটি' আৰু 'বেংগল বৃটিছ ইণ্ডিয়ান ছোছাইটি' লগ হৈ 'বৃটিছ ইণ্ডিয়ান এছোছিশ্বেন' গঢ়ি তোলে। জনসাধাৰণৰ মাজত জাতীয়তাবদী ভাৱ জাগ্রত কৰিবলৈ তথা জনসাধাৰণক ৰাজনৈতিক শিক্ষাৰ প্রতি আগ্রহান্বিত কৰিবলৈ ১৮৭৫ খ্রীষ্টাব্দৰ ছেপ্তেম্বৰ মাহত বাবু শিশিৰ কুমাৰ ঘোষে 'ইণ্ডিয়ান লীগ' প্রতিষ্ঠা কৰে। এই সংগঠনটিৰ অংকুৰণ ১৮৭৬ খ্রীষ্টাব্দৰ ২৬ জুলাইত আনন্দ মোহন বসু আৰু সুৰেন্দ্রনাথ বেনার্জীয়ে 'ইণ্ডিয়ান এছোছিশ্বেন' প্রতিষ্ঠা কৰে। এই সংগঠনটিয়ে কম সময়ৰ ভিৰতে মধ্যবিত্ত শ্রেণী আৰু সাধাৰণ লোকক সন্মিলিত কৰিব পাৰিছিল।

কলিকতাৰ বৃটিছ ইণ্ডিয়ান এছোছিশ্বেনৰ পদাংক অনুকৰণ কৰি বোম্বাইত ১৮৫২ খ্রীষ্টাব্দত 'বোম্বাই এছোছিশ্বেন' গঠন কৰা হৈছিল। এই সংগঠনটিয়ে নতুনকৈ প্রতিষ্ঠা হ'ব লগা বিধায়িনী পৰিষদত ভাৰতীয় লোকৰ প্রতিনিধিত্বৰ দাবী তুলিছিল। অৱশ্যে এই সংগঠনটি সৰহদিন টিকি নাথাকিল। লিটনৰ আঁচনিসমূহ আৰু ইলবার্ট বিল সন্দর্ভত মেহতা, টেলাঙ আৰু টয়বজিৰ উদ্যোগত ১৮৮৫ খ্রীষ্টাব্দত 'বোম্বাই প্রেচিডেন্সি এছোছিশ্বেন' প্রতিষ্ঠা হয়। ১৮৬৭ ত পুনা 'সার্বজনিক সভা' প্রতিষ্ঠা হয়। এই সভা আৰু বোম্বাই প্রেচিডেন্সি এছোছিশ্বেনে একেলগে কামকাজ চলাইছিল।

মাদ্রাজত 'মাদ্রাজ নেটিভ এছোছিশ্বেন' নামৰ বৃটিছ ইণ্ডিয়ান এছোছিশ্বেনৰ এটি শাখা প্রতিষ্ঠা কৰা হৈছিল। ১৮৮৪ খ্রীষ্টাব্দত গঠন হোৱা 'মহাজন সভা' ৰ নিচিনা কিছুমান সৰু স্থানীয় সংগঠনো মাদ্রাজত গঢ়লৈ উঠিছিল।

সমগ্র ৰাষ্ট্রৰ বাবে এক উমৈহতীয়া ৰাজনৈতিক সংগঠনৰ ধাৰণাটো পূর্বৰ পৰাই আছিল। কিন্তু ১৮৮০ ৰ দশকত হোৱা কিছুমান উন্নয়ণে বিভিন্ন ক্ষেত্রীয় সংগঠনৰ নেতাসকলক এক উমৈহতীয়া আৰু সুসংগঠিত কার্যপ্রণালীৰ বাবে উৎসাহিত কৰিছিল। ক্রমান্বেয়ে প্রেচিডেন্সি চহৰসমূহৰ স্থানীয় সংগঠনসমূহ একত্রিত হ'বলৈ ধৰিলে। ১৮৮৩ ৰ ডিচেম্বৰ মাহত অনুষ্ঠিত ভাৰতীয় জাতীয় সন্মিলনলৈ ভাৰতৰ সকলোবোৰ প্রধান চহৰৰ প্রতিনিধিসকলক আমন্ত্রণ কৰা হৈছিল। দ্বিতীয়খন ভাৰতীয় জাতীয় সন্মিলন ১৮৮৫ চনৰ ডিচেম্বৰ মাহত কলিকতাত অনুষ্ঠিত হৈছিল। কিন্তু ভাৰতীয় জাতীয় কংগ্রেছৰ উত্থান আৰু প্রচলনৰ ফলত ভাৰতীয় জাতীয় সন্মিলনৰ প্রভাৱ ম্লান পৰিবলৈ ধৰিলে। ভাৰতীয় জাতীয় কংগ্রেছৰ বিষয়ে আমি পৰবর্তী শাখাটোত আলোচনা কৰিছো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

ক) বৃটিছে ভাৰত ৰাষ্ট্রক এক শোষণ ক্ষেত্র ৰূপে ব্যৱহাৰ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

খ) গণতন্ত্র, জাতীয়তা ইত্যাদিৰ আধুনিক ধাৰণাই ভাৰতীয় সকলৰ মনত গভীৰভাৱে সাঁচ বহুৱাইছিল। (শুদ্ধ/অশুদ্ধ)

গ) বংগ ভাষা প্রকাশিকা সভা ১৮৩৪ চনত সংগঠিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

ঘ) পুণা সার্বজনীক সভা ১৮৬৮ চনত গঠিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ঃ ভাৰতত জাতীয়তাবাজৰ বিকাশৰ চাৰিটা কাৰক সম্পর্কে লিখক।

.....

প্রশ্ন নং ৩ঃ ভাৰতীয় জাতীয় কংগ্রেছৰ পূর্বে গঠিত তিনিটা ৰাজনৈতিক সংগঠনৰ নাম লিখক।

.....

৮.৫ ভাৰতৰ জাতীয় কংগ্রেছৰ গঠন

আপোনালোকে ভাৰতীয় জাতীয় কংগ্রেছৰ নাম শুনিছে? এই সংগঠনটিৰ জৰিয়তেই ভাৰতীয়সকলে বৃটিছ শাসনৰ বিৰুদ্ধে স্বাধীনতা সংগ্রাম গতিময় কৰি ৰাখিছিল। ভাৰতবর্ষৰ ৰাজনৈতিক ইতিহাসৰ বাবে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠা হোৱাটো এটি গুৰুত্বপূর্ণ ঘটনা। ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠা এক আকস্মিক ঘটনা নাছিল। এক সর্বভাৰতীয় অনুষ্ঠান গঢ়াৰ গুনা-গঠা বহুদিন ধৰি চলি আছিল। এই ধাৰণাৰ সর্বশেষ ৰূপ আগবঢ়ায় এ. ও. হিউম নামৰ এগৰাকী অৱসৰপ্রাপ্ত ইংৰাজ অসামৰিক বিষয়াই। তেওঁক ভাৰতীয় জাতীয় কংগ্রেছৰ 'পিতৃ' বুলিও জনা যায়। তেওঁ সেই সময়ৰ আগশাৰীৰ বুদ্ধিজীৱীসকলক সক্রিয় কৰি তুলিছিল আৰু ১৮৮৫ চনত বোম্বাইত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রথম অধিৱেশন সংগঠিত কৰিছিল। জাতীয় কংগ্রেছৰ প্রথম অধিৱেশনত ৭২ জন প্রতিনিধি উপস্থিত আছিল আৰু ইয়াৰ সভাপতিত্ব কৰিছিল উমেশ চন্দ্র বেনার্জীয়ে। এই অধিবেশন বোম্বেৰ (বর্তমান মুম্বাই) গোকুল দাস তেজপাল সংস্কৃত কলেজৰ চৌহদত অনুষ্ঠিত হৈছিল।

কংগ্রেছৰ লক্ষ্য আৰু উদ্দেশ্য

ভাৰতীয় জাতীয় কংগ্রেছে ইয়াৰ কামকাজ অনুষ্ঠুপীয়াভাবে আৰম্ভ কৰিছিল। প্রথম অধিবেশনত কংগ্রেছে নিম্নোক্ত উদ্দেশ্যসমূহ স্থিৰ কৰিছিল --

- ভাৰতবর্ষৰ বিভিন্ন প্রান্তত দেশৰ বাবে একাগ্রচিত্তে তথা দৃঢ়তাৰে কাম কৰি থকা লোকসকলৰ মাজত অন্তৰংগতা তথা বন্ধুত্বভাৰ উন্নত কৰা
- জাতীয় ঐক্যৰ চেতনা বৃদ্ধিৰ স্বার্থত সম্ভাব্য সকলো ধৰণৰ জাতি, ধর্ম আৰু প্রাদেশিক বিদ্বেষ নোহোৱা কৰা

সংস্থা 'বংগভাষা প্রকাশিকা সভা' গঠন হয়। জমিদাৰসকলৰ স্বার্থ ৰক্ষার্থে ১৮৩৮ চনৰ 'জমিদাৰী এছোছিয়েশ্বন' গঠিত হয়। এই সংস্থাটোক 'লেণ্ডল'র্ডছ্ ছোছাইটি' বুলিও কোৱা হৈছিল। জনসাধাৰণৰ প্রকৃত দুর্দশাৰ বিষয়ে বৃটিছক অৱগত কৰাবলৈ ১৮৪৩ খ্রীষ্টাব্দত 'বেংগল বৃটিছ ইণ্ডিয়ান ছোছাইটি' প্রতিষ্ঠিত হয়। ১৮৫১ খ্রীষ্টাব্দৰ ২৯ অক্টোবৰত 'ৱেংগুল উছ ছোছাইটি' আৰু 'বেংগল বৃটিছ ইণ্ডিয়ান ছোছাইটি' লগ হৈ 'বৃটিছ ইণ্ডিয়ান এছোছিশ্বেন' গঢ়ি তোলে। জনসাধাৰণৰ মাজত জাতীয়তাবদী ভাৱ জাগ্রত কৰিবলৈ তথা জনসাধাৰণক ৰাজনৈতিক শিক্ষাৰ প্রতি আগ্রহান্বিত কৰিবলৈ ১৮৭৫ খ্রীষ্টাব্দৰ ছেপ্তেম্বৰ মাহত বাবু শিশিৰ কুমাৰ ঘোষে 'ইণ্ডিয়ান লীগ' প্রতিষ্ঠা কৰে। এই সংগঠনটিৰ অংকুৰণ ১৮৭৬ খ্রীষ্টাব্দৰ ২৬ জুলাইত আনন্দ মোহন বসু আৰু সুৰেন্দ্রনাথ বেনার্জীয়ে 'ইণ্ডিয়ান এছোছিশ্বেন' প্রতিষ্ঠা কৰে। এই সংগঠনটিয়ে কম সময়ৰ ভিৰতে মধ্যবিত্ত শ্রেণী আৰু সাধাৰণ লোকক সন্মিলিত কৰিব পাৰিছিল।

কলিকতাৰ বৃটিছ ইণ্ডিয়ান এছোছিশ্বেনৰ পদাংক অনুকৰণ কৰি বোম্বাইত ১৮৫২ খ্রীষ্টাব্দত 'বোম্বাই এছোছিশ্বেন' গঠন কৰা হৈছিল। এই সংগঠনটিয়ে নতুনকৈ প্রতিষ্ঠা হ'ব লগা বিধায়িনী পৰিষদত ভাৰতীয় লোকৰ প্রতিনিধিত্বৰ দাবী তুলিছিল। অৱশ্যে এই সংগঠনটি সৰহদিন টিকি নাথাকিল। লিটনৰ আঁচনিসমূহ আৰু ইলবার্ট বিল সন্দর্ভত মেহতা, টেলাঙ আৰু টয়বজিৰ উদ্যোগত ১৮৮৫ খ্রীষ্টাব্দত 'বোম্বাই প্রেচিডেন্সি এছোছিশ্বেন' প্রতিষ্ঠা হয়। ১৮৬৭ ত পুনা 'সার্বজনিক সভা' প্রতিষ্ঠা হয়। এই সভা আৰু বোম্বাই প্রেচিডেন্সি এছোছিশ্বেনে একেলগে কামকাজ চলাইছিল।

মাদ্রাজত 'মাদ্রাজ নেটিভ এছোছিশ্বেন' নামৰ বৃটিছ ইণ্ডিয়ান এছোছিশ্বেনৰ এটি শাখা প্রতিষ্ঠা কৰা হৈছিল। ১৮৮৪ খ্রীষ্টাব্দত গঠন হোৱা 'মহাজন সভা' ৰ নিচিনা কিছুমান সৰু স্থানীয় সংগঠনো মাদ্রাজত গঢ়লৈ উঠিছিল।

সমগ্র ৰাষ্ট্রৰ বাবে এক উমৈহতীয়া ৰাজনৈতিক সংগঠনৰ ধাৰণাটো পূর্বৰ পৰাই আছিল। কিন্তু ১৮৮০ ৰ দশকত হোৱা কিছুমান উন্নয়ণে বিভিন্ন ক্ষেত্রীয় সংগঠনৰ নেতাসকলক এক উমৈহতীয়া আৰু সুসংগঠিত কার্যপ্রণালীৰ বাবে উৎসাহিত কৰিছিল। ক্রমান্বেয়ে প্রেচিডেন্সি চহৰসমূহৰ স্থানীয় সংগঠনসমূহ একত্রিত হ'বলৈ ধৰিলে। ১৮৮৩ ৰ ডিচেম্বৰ মাহত অনুষ্ঠিত ভাৰতীয় জাতীয় সন্মিলনলৈ ভাৰতৰ সকলোবোৰ প্রধান চহৰৰ প্রতিনিধিসকলক আমন্ত্রণ কৰা হৈছিল। দ্বিতীয়খন ভাৰতীয় জাতীয় সন্মিলন ১৮৮৫ চনৰ ডিচেম্বৰ মাহত কলিকতাত অনুষ্ঠিত হৈছিল। কিন্তু ভাৰতীয় জাতীয় কংগ্রেছৰ উত্থান আৰু প্রচলনৰ ফলত ভাৰতীয় জাতীয় সন্মিলনৰ প্রভাৱ ম্লান পৰিবলৈ ধৰিলে। ভাৰতীয় জাতীয় কংগ্রেছৰ বিষয়ে আমি পৰবর্তী শাখাটোত আলোচনা কৰিছো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

ক) বৃটিছে ভাৰত ৰাষ্ট্রক এক শোষণ ক্ষেত্র ৰূপে ব্যৱহাৰ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

খ) গণতন্ত্র, জাতীয়তা ইত্যাদিৰ আধুনিক ধাৰণাই ভাৰতীয় সকলৰ মনত গভীৰভাৱে সাঁচ বহুৱাইছিল। (শুদ্ধ/অশুদ্ধ)

গ) বংগ ভাষা প্রকাশিকা সভা ১৮৩৪ চনত সংগঠিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

ঘ) পুণা সার্বজনীক সভা ১৮৬৮ চনত গঠিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ঃ ভাৰতত জাতীয়তাবাজৰ বিকাশৰ চাৰিটা কাৰক সম্পর্কে লিখক।

.....

প্রশ্ন নং ৩ঃ ভাৰতীয় জাতীয় কংগ্রেছৰ পূর্বে গঠিত তিনিটা ৰাজনৈতিক সংগঠনৰ নাম লিখক।

.....

৮.৫ ভাৰতৰ জাতীয় কংগ্রেছৰ গঠন

আপোনালোকে ভাৰতীয় জাতীয় কংগ্রেছৰ নাম শুনিছে? এই সংগঠনটিৰ জৰিয়তেই ভাৰতীয়সকলে বৃটিছ শাসনৰ বিৰুদ্ধে স্বাধীনতা সংগ্রাম গতিময় কৰি ৰাখিছিল। ভাৰতবর্ষৰ ৰাজনৈতিক ইতিহাসৰ বাবে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠা হোৱাটো এটি গুৰুত্বপূর্ণ ঘটনা। ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠা এক আকস্মিক ঘটনা নাছিল। এক সর্বভাৰতীয় অনুষ্ঠান গঢ়াৰ গুনা-গঠা বহুদিন ধৰি চলি আছিল। এই ধাৰণাৰ সর্বশেষ ৰূপ আগবঢ়ায় এ. ও. হিউম নামৰ এগৰাকী অৱসৰপ্রাপ্ত ইংৰাজ অসামৰিক বিষয়াই। তেওঁক ভাৰতীয় জাতীয় কংগ্রেছৰ 'পিতৃ' বুলিও জনা যায়। তেওঁ সেই সময়ৰ আগশাৰীৰ বুদ্ধিজীৱীসকলক সক্রিয় কৰি তুলিছিল আৰু ১৮৮৫ চনত বোম্বাইত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রথম অধিৱেশন সংগঠিত কৰিছিল। জাতীয় কংগ্রেছৰ প্রথম অধিৱেশনত ৭২ জন প্রতিনিধি উপস্থিত আছিল আৰু ইয়াৰ সভাপতিত্ব কৰিছিল উমেশ চন্দ্র বেনার্জীয়ে। এই অধিবেশন বোম্বেৰ (বর্তমান মুম্বাই) গোকুল দাস তেজপাল সংস্কৃত কলেজৰ চৌহদত অনুষ্ঠিত হৈছিল।

কংগ্রেছৰ লক্ষ্য আৰু উদ্দেশ্য

ভাৰতীয় জাতীয় কংগ্রেছে ইয়াৰ কামকাজ অনুষ্ঠুপীয়াভাবে আৰম্ভ কৰিছিল। প্রথম অধিবেশনত কংগ্রেছে নিম্নোক্ত উদ্দেশ্যসমূহ স্থিৰ কৰিছিল --

- ভাৰতবর্ষৰ বিভিন্ন প্রান্তত দেশৰ বাবে একাগ্রচিত্তে তথা দৃঢ়তাৰে কাম কৰি থকা লোকসকলৰ মাজত অন্তৰংগতা তথা বন্ধুত্বভাৰ উন্নত কৰা
- জাতীয় ঐক্যৰ চেতনা বৃদ্ধিৰ স্বার্থত সম্ভাব্য সকলো ধৰণৰ জাতি, ধর্ম আৰু প্রাদেশিক বিদ্বেষ নোহোৱা কৰা

- গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ ক্ষেত্রত ভাৰতীয় শিক্ষিত শ্রেণীয়ে আগবঢ়োৱা পৰিপক্ক দৃষ্টিভংগীক বিচাৰ কৰা
- পৰৱৰ্তী এবছৰৰ বাবে জনসাধাৰণৰ স্বার্থত অহা কৰ্ম পন্থা ভাৰতীয় ৰাজনীতিক সকলে নির্ধাৰণ কৰা

৮.৬ কৃষক তথা জনজাতীয় আন্দোলন

ভাৰতীয় উপমহাদেশত বৃটিছৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে সাধাৰণ মানুহ আৰু নিম্নশ্রেণীৰ লোকৰ ক্ষোভৰ প্রথম প্রকাশ ঘটে ১৮৫৭ খৃঃ ৰ বিদ্রোহৰ ৰূপত। যদিও ইতিহাসবিদসকলে ১৮৫৭ চনৰ বিদ্রোহ বা চিপাহী বিদ্রোহক বৃটিছৰ বিৰুদ্ধে ভাৰতীয়ৰ প্রথম বিদ্রোহ বুলি কয় তথাপিও আমি ক'ব পাৰো যে বিভিন্ন জনজাতীয় দল বা খেতিয়কৰ দ্বাৰা সংঘটিত কিছু গণ প্রতিৰোধী আন্দোলনৰ একেবাৰে তু !ত এই বৃটিছ বিৰোধী সংগ্রামৰ প্রথম আধাৰশিলা স্থাপিত হৈছিল। এইসকল লোকে তেওঁলোকৰ প্রতি বৈষম্যমূলক আচৰণ কৰা এটি ব্যৱস্থাৰ বিৰুদ্ধে সৰৱ হৈ উঠিছিল।

ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জাগি উঠিবলৈ খেতিয়ক আৰু জনজাতীয় লোকসকলৰ নিজাববীয়া কাৰণো আছিল। সঁচাঅর্থত ক'বলৈ গ'লে ভাৰতীয় সকলৰ ৮০ শতাংশই কৃষক আছিল। তেওঁলোক ঔপনিৱেশিক চৰকাৰ আৰু মাটিৰ মালিক (জমিদাৰ) এই দুয়োটাৰে দ্বাৰা শোষিত হৈছিল। ভূমি ৰাজহ বৃদ্ধি হোৱাৰ ফলত খেতিয়কসকল দুখীয়া হৈ গৈছিল আৰু ফলত মাটিৰ মালিকৰ হাতত তেওঁলোকৰ মাটিবোৰ বিক্রী কৰি দিবলৈ তথা ঋণ ল'বলৈ বাধ্য হৈছিল। বৃটিছ ভূমি ৰাজহ ব্যৱস্থা প্রবর্ত্তনৰ ফলস্বৰূপে পঞ্চায়ত আৰু গ্রাম সভাৰ দৰে ভাৰতীয় কৃষিত্তিক অনুষ্ঠানসমূহৰ অৱনতি হ'বলৈ ধৰে। লগতে জমিদাৰ, মহাজন, মহলদাৰ আদিৰে গঠিত এক শোষক শ্রেণীৰ উত্থান ঘটিল। তেওঁলোকে মাটি হেৰুৱাই এনে এক দাৰিদ্র ৰূপক আকোৱালি ল'ব লগা হৈছিল যে ইয়ে তেওঁলোকক বৃটিছৰ বিৰুদ্ধে থিয় কৰাইছিল। ভাৰতীয় কৃষি জীৱনত সেই অন্তবর্তী ব্যৱস্থা নাছিল যিয়ে খেতিয়কসকলক একত্রিত কৰি শোষণৰ বিৰুদ্ধে সৰৱ কৰিব পাৰিছিল। বৃটিছে খেতিয়কসকলক বিভিন্ন ভূমি ৰাজহ বন্দবস্ত অঞ্চলৰ দ্বাৰা বি ভক্ত কৰিছিল যাৰ বাবে কৃষকসকলৰ ওজৰ আপত্তি অঞ্চল ভেদে বেলেগ বেলগ আছিল। ১৯২০ ৰ দশকত কিষাণ সভা আন্দোলনৰ সূচনা হোৱাৰ আগলৈকে বৃটিছ শাসিত ভাৰতবর্ষত কৃষক আন্দোলন তেনেই কম আছিল আৰু যিবোৰ আন্দোলন হৈছিল সেইবোৰো তেনেই বিচ্ছিন্ন প্রকৃতিৰ আছিল। কেতবোৰ উল্লেখযোগ্য কৃষক আন্দোলন আছিল — ফকিৰ আৰু সন্ন্যাসীৰ বিদ্রোহ, নীল বিদ্রোহ, পাবনাৰ কৃষি আন্দোলন, ফুলগুৰিৰ বিদ্রোহ, দাক্ষিণাত্যৰ বিদ্রোহ, ইত্যাদি।

কোম্পানীৰ শাসনৰ বিৰুদ্ধে জনজাতীয় প্রতিৰোধৰো কিছুমান পর্যাপ্ত কাৰণ আছিল। জনজাতীয় লোকসকলৰ মাটি অধিগ্রহণ কৰি বৃটিছ প্রশাসনে জনজাতীয় মুখীয়ালসকলক তেওঁলোকৰ ৰজা হিচাপে ঘোষণা কৰাৰ সলনি জমিদাৰ বুলিহে ঘোষণা কৰিছিল। তদুপৰি বৃটিছ প্রশাসনে জনজাতীয়সকলৰ পুৰণি কৰ আৰু ৰাজহ ব্যৱস্থা বিলুপ্ত কৰিছিল যি বৃটিছ শাসনৰ

বিৰুদ্ধে জনজাতীয় লোকে মাত মতাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছিল। বৃটিছ চৰকাৰে আৰম্ভ কৰা নতুন প্ৰশাসনিক ব্যৱস্থাৰ ফলশ্ৰুতিত জনজাতীয় লোকসকলে তেওঁলোকৰ ভূমি হেৰুৱাব ধৰিছিল আৰু তেওঁলোকৰ নিজা কৃষিভূমিতে তেওঁলোক কৃষিজাত বনুৱা তথা অতিপাত খাজানা দিব লগা ৰায়তলৈ পৰিণত হৈছিল। এনেদৰে বৃটিছৰ বিৰুদ্ধে জনজাতীয় লোকসকলৰ মাজত এক অসন্তোষে গা কৰি উঠিছিল। মহাজন, বণিক, ঠিকাদাৰৰ উত্থান তথা ঔপনিৱেশিক শাসনে এওঁলোকক প্ৰদান কৰা নিৰাপত্তা সদায়ে বৃটিছ আৰু জনজাতীয় লোকসকলৰ মাজৰ সংঘাতৰ এক কাৰণ হৈ পৰিছিল। ৰাজহৰ বাবে বনাঞ্চলত বৃটিছে নিয়ন্ত্ৰণ টনকীয়াল কৰা, এই অঞ্চলবোৰত খ্ৰীষ্টান মিছনেৰীসকলৰ ধৰ্মীয় সক্ৰিয়তা, কিছুমান জনজাতীয় পৰম্পৰা আৰু প্ৰথা যেনে — শিশুহত্যা, মানুহৰ বলি আদি নোহোৱা কৰিবলৈ বৃটিছৰ প্ৰচেষ্টা তথা লগুৱাৰ কামত বেতনবিহীনভাৱে জনজাতীয় বনুৱাক নিযুক্তি দিয়া আদি কাৰ্য বৃটিছ শাসিত ভাৰতবৰ্ষত জনজাতীয় আন্দোলনৰ প্ৰধান কাৰণ আছিল।

জনজাতীয় আন্দোলনবোৰ স্থানীয় অভাৱ-অভিযোগবোৰৰ এক বিচ্ছিন্নপ্ৰায় তীব্ৰ বহিঃপ্ৰকাশ আছিল আৰু এইবোৰৰ প্ৰকৃতি মূলতঃ আৰ্থিক আছিল। ইয়াৰ প্ৰাথমিক লক্ষ্য আছিল স্থানীয় স্বাৰ্থ পূৰণ। আইন শৃংখলাৰ সমস্যা জড়িত থকা হেতুকে বৃটিছ চৰকাৰী সংস্থাবোৰে এই আন্দোলনবোৰৰ সৈতে সংঘাটত লিপ্ত হৈছিল। যদিও এই আন্দোলনবোৰত এক ৰাজনৈতিক সুৰ আছিল তথাপি জনজাতীয় আন্দোলনবোৰক ঔপনিৱেশিকতাবাদ বিৰোধী সংগ্ৰাম ৰূপে চাব নোৱাৰি। এই আন্দোলনবোৰ ঐতিহাসিক দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ কিয়নো এইবোৰে সমাজৰ এটি অংশৰ লোকৰ দুখ যন্ত্ৰণাৰ ওপৰত আলোকপাত কৰিছিল আৰু এইসকল লোক ৰাজনৈতিকভাৱে সৰৱ নাছিল। সেইবাবে ৰাজনীতিবিদসকলে এওঁলোকক বিদেশী শাসনৰ বিৰুদ্ধে সংগঠিত কৰা চেষ্টা কৰা নাছিল। বৃটিছ ভাৰতৰ মুঠ জনসংখ্যাৰ ১৩ শতাংশ লোক জনজাতীয় আছিল। বৃটিছ ভাৰতৰ মুঠ জনসংখ্যাৰ ১৩ শতাংশ লোক জনজাতীয় আছিল। শতিকাজুৰি বিচ্ছিন্নভাৱে বাস কৰি অহা এইসকল লোকে স্ব-শাসন আৰু সু-সুৰক্ষিত জীৱন উপভোগ কৰিছিল। তেওঁলোকৰ এক স্ব-নিৰ্ভৰশীল অৰ্থনীতি আছিল। বৃটিছ শাসন প্ৰতিষ্ঠাৰ পাছতে এই স্বায়ত্ব শাসন আৰু জনজাতীয় অৰ্থনীতিৰ স্ব-নিৰ্ভৰশীলতা বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হয় যিয়ে ঊনবিংশ আৰু বিংশ শতিকাৰ আৰম্ভণিত প্ৰায় ৭০ টা প্ৰধান জনজাতীয় বিদ্ৰোহৰ জন্ম তথা বিকাশ সাধন কৰে। এই বিদ্ৰোহবোৰ নিৰ্দিষ্ট জনজাতিটোৰ মাজতে সীমাবদ্ধ আছিল আৰু ইয়াক উক্ত জনজাতিৰ জনজাতীয় নেতাই নেতৃত্ব দিছিল। কেতবোৰ মুখ্য জনজাতীয় আন্দোলন আছিল — সাঁথাল বিদ্ৰোহ, মুণ্ডা বিদ্ৰোহ, ৰাম্পা বিদ্ৰোহ, জয়ন্তীয়াসকলৰ বিদ্ৰোহ, টানা ভগত আন্দোলন ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ কেইটামান উল্লেখযোগ্য কৃষক বিদ্ৰোহৰ নাম লিখক।

.....

প্রশ্ন নং ৫ঃ কেইটামান উল্লেখযোগ্য জনজাতীয় বিদ্রোহৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ঃ কৃষি বৃত্তিধাৰী লোক কিমান শতাংশ আছিল।

.....



৮.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- ভাৰতত জাতীয়তাবাদৰ জন্মত সহায়ক কাৰকবোৰৰ বিষয়ে আলচ কৰিব পাৰিলে। বিদেশী শাসন, দেশখনৰ ৰাজনৈতিক আৰু আর্থিক একতা, পশ্চিমীয়া চিন্তাধাৰা আৰু শিক্ষা, প্রেছ আৰু বাতৰি কাকতৰ ভূমিকা, শাসকৰ জাতিগত দম্ভালি, উন্নত মানৰ যোগাযোগ ব্যৱস্থা আদি কাৰকে ভাৰতত জাতীয়তাবাদৰ উত্থানত অৱদান আগবঢ়াইছিল।
- জাতীয়তাবাদৰ উত্থানৰ লগে লগে বিভিন্ন ৰাজনৈতিক সংগঠন স্থাপন হ'বলৈ ধৰিলে আৰু এই সমূহে ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠানলৈ অৰিহণা যোগাইছিল।
- ঔপনেৱেশিক শাসনৰ শোষনমূলক ভূমি নীতিৰ প্রতিবাদত কৃষক আৰু জনজাতীয়সকলেও বৃটিছ শাসনৰ বিৰুদ্ধে মূৰ দাঙি উঠিছিল।



৮.৮ প্রসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ।

২ নং প্রশ্নৰ উত্তৰঃ (ক) দেশখনৰ ৰাজনৈতিক আৰু অর্থনৈতিক একতা।

(খ) পশ্চিমীয়া চিন্তাধাৰা আৰু শিক্ষাৰ প্রসাৰ।

(গ) উন্নত যোগাযোগ আৰু যাতায়াত ব্যৱস্থা।

(ঘ) বিদেশী শাসনৰ পৰিনাম।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) বৃটিছ ইণ্ডিয়া এছোচিয়েশ্যন।

(খ) মাদ্রাছ নেটিভ এছোচিয়েশ্যন।

(গ) মহাজন সভা।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) ফকীৰ আৰু সৈন্যাসী বিদ্রোহ।

(খ) নীল বিদ্রোহ।

(গ) পাবনাৰ কৃষি আন্দোলন।

(ঘ) ফুলগুৰিৰ বিদ্রোহ।

(ঙ) দাক্ষিণাত্যৰ বিদ্রোহ।

৫ নং প্রশ্নৰ উত্তৰঃ (ক) সান্তাল বিদ্রোহ। (খ) মুণ্ডা বিদ্রোহ (গ) ৰাম্পা বিদ্রোহ

(ঘ) জয়ন্তীসকল (ঙ) টানা ভগত আন্দোলন।

৬ নং প্রশ্নৰ উত্তৰঃ মুঠ জনসংখ্যাৰ ৮০%।



৮.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ঔপনিৱেশিক শাসন কালৰ দুখন অসমীয়া জাতীয়তাবাদী বাতৰি কাকতৰ নাম লিখক।

প্রশ্ন ২ঃ ভাৰতীয় জাতীয় কংগ্রেছৰ কোন চনত জন্ম হয়?

প্রশ্ন ৩ঃ ভাৰতীয় জাতীয় কংগ্রেছৰ প্রথম অধিৱেশনৰ সভাপতি কোন আছিল?

প্রশ্ন ৪ঃ জাতীয়সকলৰ আন্দোলনৰ প্রধান কাৰণ কি আছিল?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ঔপনিৱেশিক শাসন কালত কৃষকসকলৰ প্রধান অসন্তুষ্টিবোৰ কি আছিল?

প্রশ্ন ২ঃ ভাৰতীয় জাতীয় কংগ্রেছৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ কি কি আছিল?

প্রশ্ন ৩ঃ জাতীয় কংগ্রেছ গঠন হোৱা আগৰ বিভিন্ন ৰাজনৈতিক সংগঠনবোৰৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ভাৰতত জাতীয়তাবাদ বিকাশ হোৱাৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ কৃষক আৰু জনজাতীয় আন্দোলনসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ঃ ৯ ভাৰতৰ জাতীয় আন্দোলন ১৯১৬ চনলৈ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতৰ জাতীয় কংগ্রেছৰ নৰমপন্থী যুগ (১৮৮৫-১৯০৫)
৯.৪ চৰম পন্থী যুগ (১৯০৫-১৯১৬)
৯.৫ সাম্প্রদায়িক ভাবধাৰাৰ উত্থান
৯.৬ বংগ বিভাজন আৰু স্বদেশী আন্দোলন
৯.৭ বিপ্লৱী জাতীয়তাবাদী আন্দোলন
৯.৮ হোমৰুল আন্দোলন
৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.১০ প্রসংগ পুথি
৯.১১ অগ্রগতিৰ খতিয়ান
৯.১২ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় জাতীয় কংগ্রেছৰ নৰমপন্থী আৰু চৰমপন্থী দুয়োটা যুগৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- সাম্প্রদায়িক ভাৱধাৰাৰ উত্থান সম্পর্কে ব্যাখ্যা কৰিব পাৰিব,
- বংগভংগ তথা স্বদেশী আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- বিপ্লৱী জাতীয়তাবাদৰ উত্থান সম্পর্কে আলোচনা কৰিব পাৰিব,
- হোমৰুল আন্দোলনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়ত ইতিমধ্যে আপোনালোকে জাতীয় কংগ্রেছৰ প্রতিষ্ঠাৰ বিষয়ে জানিব পাৰিলে। সাধাৰণ লোক ৰাজনৈতিকভাৱে সচেতন হৈ পৰিছিল আৰু বৃটিছ প্রশাসনৰ সংস্কাৰ বিচাৰিছিল। কিন্তু এই দাবীবোৰক বৃটিছে ধাৰাবাহিকভাৱে নস্যাৎ কৰাৰ ফলত ভাৰতীয় লোকে আন্দোলনৰ পথ লৈছিল। এই অধ্যায়ে আপোনালোকক ১৯১৬ চনলৈকে ভাৰতৰ স্বাধীনতা সংগ্রামৰ বিষয়ে অৱগত কৰাব।

৯.৩ নৰম পন্থী যুগ (১৮৮৫-১৯০৫)

কংগ্রেছৰ দ্বাৰা ঘোষিত এই চাৰিটা উদ্দেশ্যৰ বাহিৰেও প্রথম অধিবেশনে ভালেসংখ্যক প্রস্তাব গ্রহণ কৰিছিল। কংগ্রেছৰ প্রথম পৰ্বক (১৮৮৫-১৯০৫) নৰম পর্য্যায় বুলিও জনা যায়। এই সময়খিনিত কংগ্রেছে সীমিত উদ্দেশ্যৰ হকে কাম কৰিছিল আৰু সংগঠনটো মজবুতকৈ গঢ়ি তুলিবলৈ মনোনিবেশ কৰিছিল। দাদাভাই নৌৰোজী, গোপাল কৃষ্ণ গোখলে, মদন মোহন মালব্য, উমেশ চন্দ্র বেনার্জী আদিৰ নিচিনা জাতীয় নেতাই সেই সময়ছোৱাত কংগ্রেছত অধিপত্য বিস্তাৰ কৰিছিল। এইসকল লোকে উদাৰ আৰু নৰমপন্থীয় ৰাজনীতিৰ দৃঢ় পোষকতা কৰিছিল।

নৰমপন্থী সকলে ব্রিটিছৰ ন্যায় ব্যৱস্থাটোক বিশ্বাস কৰিছিল। কংগ্রেছৰ সেই সময়ৰ মূল দাবী আছিল মূলত সাংবিধানিক। দেশ পৰিচালনাৰ ক্ষেত্রত ভাৰতীয় সকলে যাতে বেছিকৈ অংশ গ্রহণ কৰিব পাৰে তাৰ বাবে তেওঁলোকে জোৰ দিছিল। কংগ্রেছে দেশখনৰ আর্থিক প্রগতিৰ বাবেও কিছুসংখ্যক উপদেশ আগবঢ়াইছিল। কংগ্রেছৰ এই দাবীবোৰৰ প্রতি ব্রিটিছ চৰকাৰে অৱশ্যে সামান্যতম গুৰুত্বহে প্রদান কৰিছিল। কংগ্রেছৰ এই প্রথম পর্যায়ৰ নেতাসকলে ভাৰতীয় জনসাধাৰণৰ আশা-আকাঙক্ষা পূৰণ তেনেই সামান্যভাৱে কৰিব পাৰিছিল। যি নহওক নৰমপন্থীসকলে ভাৰতৰ জাতীয় আন্দোলনটোত এক বৃহৎ অৱদান আগবঢ়াই গৈছিল। এই সময়ছোৱাতে প্রথমবাৰৰ বাবে ভাৰতীয় লোকসকল একত্রিত হ'ব পাৰিছিল আৰু বিদেশী শাসনৰ বিৰুদ্ধে এক বৃহৎ আন্দোলন আৰম্ভ কৰিছিল।



জানি থোৱা ভাল

১৯০৯ চনত ভাৰত চৰকাৰৰ গঠন বিষয়ক কিছু পৰিৱর্তন ঘোষণা কৰা হ'ল। এই পৰিৱর্তন সমূহৰ লগত গৃহ সচিব মর্লে আৰু ভাৰতৰ গৱর্ণৰ জেনেৰেল লর্ড মিন্টোৰ নাম জড়িত হৈ আছিল। সেইবাবে ১৯০৯ চনৰ আইনে অনা এই পৰিৱর্তনৰাজিক মর্লে-মিন্টো সংস্কাৰ নামেৰেও জনা যায়।

৯.৪ চৰম পন্থী যুগ (১৯০৫-১৯১৬)

কংগ্রেছৰ দ্বিতীয় পর্য্যায়টোত (১৯০৫-১৬) এক নতুন আৰু যুৱ প্রজন্মৰ উত্থান পৰিলক্ষিত হয়। এওঁলোকে অধিক আত্মপ্রত্যয়ৰে তথা স্বাধীন-চিতীয়া পদ্ধতিৰে কংগ্রেছৰ মূল লক্ষ্য স্বৰাজ প্রাপ্তিৰ পোষকতা কৰিছিল। তেওঁলোকৰ বৃটিছৰ ন্যায় ব্যৱস্থাটোৰ প্রতি কোনো আস্থা নাছিল।

ঊনবিংশ শতিকাৰ শেষৰ ফালে বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতীয় সকলৰ জাগৰণে চূড়ান্ত ৰূপ পাইছিল আৰু ভাৰতীয় ৰাজনীতিত উগ্রবাদ গঢ় লৈ উঠাত ই অৱদান যোগাইছিল। এই যুগটোক 'চৰমপন্থী যুগ' বুলিও জনা যায়। বিপিন চন্দ্র পাল, বাল গঙ্গাধৰ তিলক, লালা লাজপট

ৰয় এই উগ্রবাদী দলৰ গুৰুত্বপূর্ণ সদস্য আছিল। চৰমপন্থীসকল ৰাজনৈতিক আদর্শ, উদ্দেশ্য আৰু কৌশলত নৰমপন্থী সকলতকৈ পৃথক আছিল। নৰমপন্থীসকলে গ্রহণ কৰা 'প্রার্থনা আৰু আবেদন' নীতিৰ তেওঁলোকে বিৰোধিতা কৰিছিল। তেওঁলোকে ইয়াক 'ৰাজনৈতিক ভিক্ষাবৃত্তি' বুলি ৰৈছিল আৰু অধিক আত্ম প্রত্যয়ৰে আন্দেলন আগবঢ়াই নিছিল।

বাল গংগাধৰ তিলকে ঘোষণা কৰিছিল 'স্বৰাজ মোৰ জন্মগত অধিকাৰ আৰু ই মোৰ প্রাপ্য'। তিলকে 'কেশৰী' আৰু বিপিন চন্দ্র পালে 'নিউ ইণ্ডিয়া' নামৰ কাকত দুখনৰ সম্পাদনা কৰিছিল আৰু মানুহৰ মাজত বৃটিছ বিদ্বেষী মনোভাৱ জাগৃত কৰাত কাকত দুখনক ব্যৱহাৰ কৰিছিল। ১৯০৫ চনৰ বংগ বিভাজনৰ পিছত নৰমপন্থী আৰু চৰমপন্থীসকলৰ মাজত মতানৈক্যই চূড়ান্ত পর্যায় পায়। অৱশেষত ১৯০৭ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ চুৰাত অধিবেশনত নৰমপন্থী আৰু চৰমপন্থীসকলৰ আনুষ্ঠানিক ভাঙোন সংঘটিত হ'ল। যি নহওক ১৯১৬ চনত তেওঁলোক পুনৰ একত্রিত হ'ল। চৰমপন্থীসকলে জাতীয় আন্দোলনত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। চৰমপন্থী নেতাসকলৰ ত্যাগে ভাৰতীয় লোকক বৃটিছৰ বিৰুদ্ধে জগাই তুলিছিল।

চিত্র ৯.১ বাল গঙ্গাধৰ তিলক





চিন্তা-চর্চা কৰক ৯.২

চৰমপন্থী আৰু নৰমপন্থীসকলৰ মাজৰ বিভেদৰ বিষয়ে এক টোকা প্রস্তুত কৰক।

.....

.....

.....

.....

.....

.....

৯.৫ সাম্প্রদায়িক ভাবধাৰাৰ উত্থান

সাম্প্রদায়িকতাবাদ হৈছে এনে এক আদর্শ যি কোনো এজনৰ ধর্মীয় স্বার্থত ন্যস্ত থাকে। অৱশ্যে সাম্প্রদায়িকতা বাদ হৈছে আধুনিক সময়ৰ এক পৰিঘটনা যাক ৰাজনৈতিক লাভালাভৰ বাবে ব্যৱহাৰ কৰা হয়। সাম্প্রদায়িকতাবাদ হৈছে এক জটিল বিষয়। এফালে হিন্দু আৰু মুছলমানসকল পৃথক পৃথক সত্তা বুলি এক সাম্প্রদায়িকতাৰ ধাৰণা থকাৰ বিপৰীতে আনফালে মূলতঃ জাতীয়তাবাদীসকলে বিশ্বাস কৰিছিল যে পূর্বতে সাম্প্রদায়িকআপত্তি বুলি কোনো কথা নাছিল আৰু ইয়াক বৃটিছে 'ডিভাইড এণ্ড ৰুল' নীতিৰ দ্বাৰা সৃষ্টি কৰিছিল। জাতীয়তাবাদৰ

লেখিয়াকৈ সাম্প্রদায়িকতাবাদে ভাৰতৰ বাবে এক আধুনিক পৰিঘটনা। উচ্চ পদবী আৰু ৰাজনৈতিক লাভৰ বাবে অভিজাত শ্রেণীৰ মাজত হোৱা প্রতিযোগিতাৰ বাবে প্রথমতে ইয়াৰ উত্থান ঘটিছিল। অৱশ্যে ইয়াক অস্বীকাৰ কৰিব নোৱাৰি যে অতীতৰে পৰা সাম্প্রদায়িকতাবাদে এক বিশাল ক্ষেত্র দখল কৰি আহিছিল। আর্থ-সামাজিক উদ্বিগ্নতাই ইয়াৰ জন্ম দিছিল। ১৮৮০ ৰ দশকৰ পিছত সঘনে সাম্প্রদায়িক সংঘর্ষ সংগঠিত হৈছিল।

জাতীয় আন্দোলনৰ প্রথম অৱস্থাত সাম্প্রদায়িকতাবাদে মূৰ দাঙি উঠিছিলহি মাথো আৰু ই লাহে লাহে নিজৰ ক্ষেত্রখন প্রস্তুত কৰি তুলিছিল। ১৮৮০ চনৰ পিছত সঘনাই প্রজা বিপ্লৱ হ'বলৈ ধৰিলে। চাৰ ছৈয়দ আহমেদ খানে প্রাৰম্ভণিতে হিন্দু মুছলমান একতাৰ পোষকতা কৰিছিল যদিও পাছলৈ তেওঁ ভাৰতীয় জাতীয় কংগ্রেছৰ বিৰূদ্ধে থিয় হ'ল। তেওঁৰ নেতৃত্বত ১৮৮৮ চনত *ইউনাইটেড ইণ্ডিয়ান পেট্রিঅ'টিক এছোছিয়েশ্বন* (United Indian Patriotic Association) স্থাপন কৰা হয়। এই অনুষ্ঠান সভা স্থাপনৰ মূল উদ্দেশ্য আছিল ইংলেণ্ড আৰু ভাৰতত কংগ্রেছৰ প্রচাৰ আৰু নীতি দমন কৰা আৰু কংগ্রেছৰ পৰা সদস্যসকলক উলিয়াই নিয়া। ইয়াৰ পিছতেই ১৮৯৩ চনত মুছলমান সকলক ৰাজনৈতিক আন্দোলনৰ পৰা আঁতৰাই ৰাখি ভাৰতত বৃটিছ শাসন শক্তিশালী কৰি তোলাৰ উদ্দেশ্যৰে উত্তৰ ভাৰতত *মুহাম্মদান এংলো-অৰিয়েন্টেল ডিফেন্স এছোছিয়েশ্বন* (Muhanmmadan Anglo-Oriental Defence Association) স্থাপন কৰা হয়।

চৰকাৰৰ দ্বাৰা প্রৱর্তন কৰা নির্বাচনৰ পৰিপ্রেক্ষিতত মুছলমানসকলে তেওঁলোকৰ বাবে এক পৃথক নির্বাচনী এলেকাৰ দাবী জনাবলৈ সিদ্ধান্ত লয়। ইয়াৰ বাবে আগা খানৰ নেতৃত্বত এক প্রতিনিধি দলে ১৯০৫ চনৰ অক্টোবৰ মাহত ছিমলাত লর্ড মিন্টোক সাক্ষাৎ কৰে। প্রতিনিধি দলটোৱে মুছলমানসকলৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপন কৰাৰ লগতে আসনসমূহৰ নির্বাচন পৃথ ক নির্বাচনী এলেকাৰ লোকৰ দ্বাৰা হোৱাটো বিচাৰিছিল। লর্ড মিন্টোই এই দাবীসমূহ গ্রহণ কৰিছিল। ভাৰতীয় জাতীয় কংগ্রছক এক হিন্দু সংগঠন ৰূপে চিনাক্ত কৰা হৈছিল। এই সংগঠন বিপক্ষে ১৯০৬ চনৰ ৩০ ডিচেম্বৰত *অল্ ইণ্ডিয়া মুছলীম লীগ* (All India Muslim League) গঠন কৰা হয়। এই সংগঠনৰ উদ্দেশ্য আছিল মুছলমান লোকসকলৰ ৰাজনৈতিক অধিকাৰ আৰু ক্ষমতাৰ ৰক্ষণাবেক্ষণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ জাতীয় কংগ্রেছ চৰমপন্থী আৰু নৰমপন্থীসকলৰ মাজত বিভাজিত হৈছিল

(ক) ১৮৮৫ (খ) ১৮৯২ (গ) ১৯০৫ (ঘ) ১৯০৭

.....

প্রশ্ন নং ২ঃ স্বৰাজ মোৰ জন্মস্বত্ব বুলি কোনে কৈছিল?

.....

প্ৰশ্ন নং ৩ঃ মুছলমান সকলৰ বাবে পৃথক নিৰ্বাচন ক্ষেত্ৰ ৰ দাবী কোনে গ্ৰহণ কৰিছিল ?

.....

প্ৰশ্ন নং ৪ঃ অল্ ইণ্ডিয়া মুছলিম লীগ কোনে স্থাপন কৰিছিল ?

.....

৯.৬ বংগ বিভাজন আৰু স্বদেশী আন্দোলন

১৯০৫ চনৰ বংগ বিভাজন আৰু স্বদেশী আন্দোলনে ভাৰতৰ জাতীয় আন্দোলনৰ ইতিহাসত এক নতুন অধ্যায় মুকলি কৰিলে। সেই সময়ত ভাৰতৰ ভাইচৰয় আছিল লৰ্ড কাৰ্জন। ১৯০৫ চনৰ ১৯ জুলাইত চৰকাৰে বংগ বিভাজনৰ আঁচনি ঘোষণা কৰিছিল। এই আঁচনি অনুসাৰে বংগ দেশক পূৰ্ব বংগ আৰু পশ্চিম বংগ নামৰ দুখন প্ৰদেশত ভাগ কৰাটো ঠিক কৰা হৈছিল। ঢাকাক পূব বঙ্গৰ ৰাজধানী হিচাপে বিবেচিত কৰা হৈছিল। ১৯০৫ চনৰ ১৬ অক্টোবৰৰ দিনটো চৰকাৰে বংগ বিভাজনৰ বাবে নিৰ্দ্ধাৰণ কৰিছিল।

স্বদেশী ঃ স্থানীয়ভাৱে উপলব্ধ শিল্প আৰু উপাদান ব্যৱহাৰ কৰিবৰ বাবে জনোৱা আহ্বান।

বংগ বিভাজনৰ চৰকাৰী যুক্তি আছিল এয়ে যে প্ৰদেশখন বহু বেছি পৰিসৰৰ হোৱা হেতুকে এখন চৰকাৰৰ দ্বাৰা ইয়াক নিয়াৰিকৈ চলোৱাটো সম্ভৱ নহৈছিল। জাতীয়তাবাদীসকলে কিন্তু বিভাজনৰ এই প্ৰক্ৰিয়াক ভাৰতীয় জাতীয়তাবাদৰ বাবে এক ভাবুকিৰূপে গণ্য কৰিছিল। তেওঁলোকৰ মতে চৰকাৰে ইয়াৰ জৰিয়তে ইচ্ছাকৃতভাৱে বংগত গঢ় লৈ উঠা জাতীয়তাবাদক থানবান কৰি দিব চেষ্টা কৰিছিল। বিভাজনৰ অন্তৰালত সাম্প্ৰদায়িক মনোভাৱ জগাই তোলাৰ উদ্দেশ্যও আছিল। পূব বংগ মুছলমানৰ দ্বাৰা আৰু পশ্চিম বংগ হিন্দুসকলৰ দ্বাৰা অধ্যুষিত আছিল। বৃটিছে হিন্দু আৰু মুছলমানৰ মাজত এক বিভাজন সৃষ্টি কৰিব বিচাৰিছিল। সেইবাবে তেওঁলোকে মুছলমান অধ্যুষিত অঞ্চলক হিন্দু অধ্যুষিত অঞ্চলৰ পৰা পৃথক কৰিছিল।



জানি থোৱা ভাল

বংগ বিভাজন আৰু স্বদেশী আন্দোলনে মুছলমান শিক্ষিত সম্প্ৰদায়ৰ মাজত ৰাজনৈতিক চেতনা উদয় কৰিছিল আৰু তেওঁলোকে নিজকে ৰাজনৈতিকভাৱে সংগঠিত কৰাৰ প্ৰয়োজন অনুভৱ কৰিছিল। ১৯০৬ চনত মুছলীম লীগৰ প্ৰতিষ্ঠা হৈছিল। ঢাকাৰ নৱাব ছালিমুল্লাই ইয়াত সক্ৰিয় অংশ লৈছিল।

বিভাজনৰ ঘোষণাই ভাৰতীয়সকলৰ বিশেষকৈ বংগৰ সাধাৰণ মানুহৰ মাজত তীব্ৰ বিদ্বেষৰ সৃষ্টি কৰিছিল। ইয়ে বিভাজন বিৰোধী আন্দোলনৰ জন্ম দিছিল আৰু এই আন্দোলন গোটেই দেশজুৰি বিয়পি পৰিছিল। বিভাজনৰ দিনাখন কলিকতাত এক হৰতাল হৈছিল। বন্দে মাতৰম জাতীয় গানহৈ পৰিছিল।

বৃটিছ সামগ্ৰী বৰ্জনেৰে বিভাজন বিৰোধী আন্দোলনটি স্বদেশী আন্দোলনলৈ ৰূপান্তৰিত হৈছিল। সমগ্ৰ বংগ দেশতে জনসভাৰ আয়োজন কৰি স্বদেশী বা ভাৰতীয় বস্তু ব্যৱহাৰ আৰু বিদেশী বস্তু বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বিদ্যালয় আৰু মহাবিদ্যালয় বৰ্জনে পৰম্পৰাগত শিক্ষা প্ৰতিষ্ঠানৰ বাট মোকোলাইছিল। জাতীয়তাবাদীসকলে বহুতো শৈক্ষিক অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। শিক্ষাৰ ক্ষেত্ৰত মাতৃভাষাৰ মাধ্যমক গুৰুত্ব দিয়া হৈছিল। বিদেশী বস্তুৰ বৰ্জনৰ লগতে থলুৱা উদ্যোগৰ বিকাশৰ বাবে ব্যৱস্থা লোৱা হৈছিল। বৰ্জন আৰু স্বদেশী আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল বৃটিছ চৰকাৰক বংগ বিভাজন বাতিল ৰদ্বিবলৈ হেঁচা আৰোপ কৰা।



বৰ্জন ঃ বৃটিছৰ সৈতে সামাজিক আৰু ব্যৱসায়িক সম্পৰ্ক স্থাপন নকৰা।

অৱশ্যে চৰকাৰৰ দীৰ্ঘকালীন দমন নীতি, জাতীয় কংগ্ৰেছৰ ১৯০৭ চনত হোৱা ভাঙোন আদিৰ বাবে এই আন্দোলন সফল নহ'ল। অৱশেষত বৃটিছ চৰকাৰে ১৯১১ চনত বংগ বিভাজন বাতিল কৰে।



চিন্তা-চৰ্চা কৰক ৯.৩

ধৰি লওক আপুনি বংগদেশৰ বাসিন্দা। বংগ দেশৰ বিভাজনৰ পিছত আপোনাৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ হ'ব?

.....

.....

.....

.....

৯.৭ বিপ্লৱী জাতীয়তাবাদী আন্দোলন

ভাৰতীয় জাতীয় আন্দোলনত কেৱল অহিংসা নীতিয়ে অৱলম্বন কৰা হৈছিলনে? হিংসা আৰু অহিংসা — এই দুই ধৰণৰ আন্দোলনৰ সমভাৱে আগবাঢ়িছিল। অহিংস আন্দোলন আগবাঢ়িছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত আৰু হিংসামূলক নীতিৰ গুৰি ধৰিছিল বিপ্লৱী জাতীয়তাবাদীসকলে। দুয়ো পক্ষই নিজস্ব শৈলীৰে ভাৰতীয় জনতাৰ মাজত স্বাধীনতাৰ বার্তা প্ৰচাৰ কৰিছিল।

ঊনৈশ শতিকাৰ শেষৰফালে বাল গংগাধৰ তিলক, বিপিন চন্দ্ৰ পাল, অৰবিন্দ ঘোষ আদিৰ নিচিনা কিছু সংখ্যক নেতাই ভাৰতৰ স্বাধীনতা সংগ্ৰামক এক নতুন শক্তি প্ৰদান কৰিছিল। তেওঁলোকক চৰমপন্থী বুলি কোৱা হৈছিল কিয়নো তেওঁলোকৰ সংস্কাৰধৰ্মী দৃষ্টিভংগী আছিল তেওঁলোকে বৃটিছ ঔপনিৱেশিকতাবাদৰ বিৰুদ্ধে সক্ৰিয় প্ৰতিৰোধ গঢ়াৰ বাবে তেওঁলোকে ওকালতি কৰিছিল। দেশৰ বাবে নিজৰ জীৱন আহুতি দিবলৈ তেওঁলোকে ভাৰতবাসীৰ প্ৰতি আহ্বান জনাইছিল। জংগী জাতীয়তাবাদী বা চৰমপন্থী সকলৰ আন এক গোষ্ঠী আছিল বিপ্লবী

উগ্রবাদীসকল। এই সকলে বৃটিছক বিপ্লৰী আৰু হিংসাত্মক প্রথাৰে ভাৰতৰ পৰা খেদি পঠিওৱাৰ লক্ষ্য লৈছিল।

ভাৰতৰ ৰাজনীতিত চৰমপন্থী ভাৱধাৰাৰ বিকাশ হোৱাৰ পটভূমি গঢ়ি তুলিছিল বংকিম চন্দ্র চট্টোপাধ্যায়, স্বামী বিবেকানন্দ, দয়ানন্দ সৰস্বতী আদিয়ে। বংকিম চন্দ্রই আত্ম বলিদান আৰু বিদেশী দাসত্বৰ পৰা দেশখনক মুক্ত কৰাবলৈ শক্তি বৃদ্ধিৰ প্রয়োজনীয়তাৰ প্রচাৰ চলাইছিল। ভাৰতৰ জনসাধাৰণলৈ তেওঁৰ বাণী এইয়ে আছিল যে বৃটিছৰ হাতৰ পৰা দেশখনক মুক্ত কৰাবলৈ হ'লে কাপুৰুষৰ মনোবৃত্তি এৰিব লাগিব। ৰবীন্দ্র নাথ ঠাকুৰ, দয়ানন্দ সৰস্বতী আদিৰ লিখনীয়ে ভাৰতবাসীক নিজৰ দেশ আৰু সংস্কৃতিক লৈ গর্ব কৰিবলৈ শিকাইছিল আৰু ভাৰতীয় জাতীয়তাবাদক এক নতুন তীক্ষ্ণতা প্রদান কৰিছিল। এনে মহান লোকসকলৰ প্রভাৱত পৰি ভাৰতীয়সকলৰ মনত প্রত্যয় জন্মিছিল যে কেৱল তেওঁলোকৰ প্রচেষ্টাৰ বলতে দেশখনৰ ভালৰ বাবে দেশখনৰ ভাগ্যৰ পৰিৱর্তন সাধন হ'ব পাৰে।

ভাৰতৰ ৰাজনীতিত চৰমপন্থা বিকাশৰ আন এক কাৰণ আছিল বৃটিছ শাসনৰ অধীনত ভাৰতীয় লোকৰ আর্থিক যাতনা। পলাশী যুদ্ধৰ সময়ৰে পৰা আৰম্ভ হোৱা সম্পদৰ বর্হিগমনে ভাৰতৰ আর্থিক বিন্যাস পতনৰ পিনে ঠেলি দিছিল। ভাৰতত গঢ় লৈ উঠা শিল্পপতি শ্রেণীটোৰ ভাৰতৰ উদ্যোগিক বিকাশত বিধি পথালি দিয়া বৃটিছ ঔপনিৱেশিক আঁচনিৰ বিৰুদ্ধে প্রতিবাদ কৰিছিল আৰু বৃটিছ উৎপাদনকাৰীসকলৰ নামত নিজ স্বার্থ বিসর্জন দিছিল। বেছিভাগ শিক্ষিত ভাৰতীয়ৰ হাতত চাকৰি নাছিল।

জাতীয় আন্দোলন আৰম্ভ হোৱাৰ পৰাই দেশখনক জংগী জাতীয়তাবাদী গোষ্ঠী এটাই মুটামুটিভাৱে নিজৰ অস্বিত্ব বজাই ৰাখিছিল।১৮৯৬-৯৭ খ্রীষ্টাব্দত চাপেকৰ ভাতৃ দামোদৰ হৰি আৰু বালকৃষ্ণ হৰিয়ে যাক নামেৰে জনাজাত মণ্ডল গঠন কৰিছিল। বাপেকৰ ভাতৃয়ে পুনাত দুগৰাকী অপ্রিয়ভাজন বিষয়াক হত্যা কৰিছিল। দামোদৰ হৰিক ফাঁচী দিয়া হৈছিল আৰু পিছত বালকৃষ্ণ হৰিক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হৈছিল। ১৯০৪ খ্রীষ্টাব্দত ভি ডি চাভাৰকাৰে মহাৰাষ্ট্রত বিপ্লৰীসকলৰ প্রথম সংগঠিত সংগঠন 'অভিনৱ ভাৰতী' প্রতিষ্ঠা কৰিছিল। অতি সোনকালে দেশখনৰ সকলো ফালে গোপন সংগঠনবোৰ গঢ় লৈ উঠিল। কলিকতাক মুখ্য কেন্দ্র হিচাপে লৈ গঢ়ি উঠা 'অনুশীলন সমিটি' আটাইতকৈ বিখ্যাত আৰু দীর্ঘকাল ধৰি চলি থকা গোপন সংগঠন আছিল — যাৰ সমগ্র ভাৰত জুৰি শাখা গঢ়ি উঠিছিল।

১৯০৫ চনত বংগ বিভাজনৰ বিৰুদ্ধে সৃষ্টি হোৱা আন্দোলনত বিপ্লৰী জাতীতাবাদ পোহৰলৈ আহে। ১৯০৫ ৰ বংগ বিভাজনৰ পিছত বহুতো কাকতে খোলাখুলিকৈ বিপ্লৰী প্রবাদ সমর্থন কৰিবলৈ ধৰিলে। এই সমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে বংগৰ 'সংঘ' আৰু ' যুগান্তৰ' ৰ লগতে মহাৰাষ্ট্রৰ 'বাল'। বংগ বিবাজন ৰোধ কৰাৰ ক্ষেত্রত স্বদেশী আন্দোলন বিফল হোৱাৰ ফলত বংগৰ যুৱচামে অন্য পন্থা অৱলম্বন কৰিবলৈ বাধ্য হয়। হতাশাগ্রস্ত হৈ তেওঁলোকে বৃটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰিবৰ বাবে হিংসা নীতি গ্রহণ কৰিলে। তেওঁলোকে অনুভৱ কৰিলে যে মহান শীল প্রতিৰোধৰ

জৰিয়তে সফলতা সম্ভৱ নহয় আৰু সেয়েহে বৃটিছক ভাৰতৰ পৰা বলপূৰ্বকভাৱে উলিয়াব পাৰি। ইয়াৰ ফলত দেশৰ ভিতৰে বাহিৰে বিপ্লবী আৰু উগ্রপন্থী কার্যকলাপ বৃদ্ধ পাবলৈ ধৰিলে।

বংগত বিপ্লৱী জাতীয়তাবাদে এক সংগঠিত ৰূপ গ্রহণ কৰিছিল আৰু ইয়াৰ মূল প্রচাৰক আছিল অৰবিন্দ ঘোষ। তেওঁ এই আন্দোলনটিৰ সৈতে আধ্যাত্মিকতাও সন্নিৱিষ্ট কৰিছিল। ১৯০৭ খ্রীষ্টাব্দত বঙ্গৰ লেফটেনেন্টে গৱর্ণৰজনৰ জীৱন নাশ কৰাৰ এক বিফল প্রচেষ্টা লোৱা হয়। ঢাকা জিলাৰ দণ্ডাধীশজনক ১৯০৭ খ্রীষ্টাব্দৰ ডিচেম্বৰ মাহত হত্যা কৰা হৈছিল। ১৯০৮ খ্রীষ্টাব্দৰ ৩০ এপ্রিলত প্রফুল্ল চাকি আৰু খুদিৰাম বসুৱে মুজাফ্ফৰপুৰৰ অপ্রিয়ভাজন ন্যায়াধীশলৈ কিংছফর্ড আহি থকা বুলি ভাবি এখন বাহনত বোমা নিক্ষেপ কৰিছিল। দুর্ভাগ্যবশতঃ এই ঘটনাত দুগৰাকী ইউৰোপীয় মহিলা নিহত হৈছিল। খুদিৰাম বসুক বিচাৰৰ অন্তত ফাঁচী দিয়া হৈছিল আৰু প্রফুল্ল চাকিয়ে গুলিয়াই আত্মহত্যা কৰিছিল। এই ঘটনাৰ পিছত এগৰাকী আৰক্ষী উপ-অধীক্ষক আৰু এজন লোক অভিযুক্তাক হত্যা কৰা হৈছিল। দুয়োজনকে আদালতৰ চৌহদত গুলিওৱা হৈছিল। ৰাজবিহাৰী বসু আৰু সচীন সন্ন্যালৰ নেতৃত্বত দিল্লীত ভাইচৰয় লর্ড হার্ডিঞ্জক হত্যা কৰাৰ বিফল প্রচেষ্টা চলোৱা হৈছিল য'ত ভাইচৰয় গৰাকীয়ে তেওঁৰ গালৈ দলিওৱা বোমাৰ দ্বাৰা আঘাতপ্রাপ্ত হৈছিল। আন এক গুৰুত্বপূর্ণ বিপ্লৱী কার্য আছিল মদন লাল ধিংৰাৰ দ্বাৰা লণ্ডনত কার্জন হোৱালিৰ হত্যাকাণ্ড।

জানি থোৱা ভাল



অসমত অম্বিকাগিৰিৰ ৰায়চৌধুৰী, ৰক্তিম বৰা, ত্রিগুণা বৰুৱা আৰু আন কিছু সংখ্যকে চৰমপন্থাৰ দ্বাৰা প্রভাৱিত হৈছিল। অম্বিকাগিৰিৰ সৈতে বংগৰ কিছু সংখ্যক বিপ্লৱী নেতাৰ সম্পর্ক স্থাপন হৈছিল। অনুশীলন কমিটিৰ লেখিয়াকৈ এক সন্ত্রাসবাদী সংগঠন গঢ়িবৰ বাবে অম্বিকাগিৰিয়ে সেৱা সংঘ নামৰ এক স্বেচ্ছাসেৱী সংগঠন আৰম্ভ কৰিছিল। তেওঁ '*বন্দিনী ভাৰত*' নামৰ এখন দেশপ্রেমমূলক নাটক ৰচনা কৰিছিল। ১৯০৬ খ্রীষ্টাব্দত এই নাটখনৰ পাণ্ডুলিপি আৰক্ষীয়ে জব্দ কৰে আৰু ১৯১৫ খ্রীষ্টাব্দ পর্যন্ত অম্বিকাগিৰিক পুলিচৰ নজৰত ৰখা হয়। ইয়ে অসমৰ ৰাজনীতিত এক নতুন পর্বৰ সূচনা কৰিছিল। আনহাতে সুৰমা উপত্যকাত চৰমপন্থী আন্দোলনে বৃহৎ পৰিসৰ লাভ কৰিছিল। বিপিন চন্দ্র পালে এই উপত্যকা সঘনে ভ্রমণ কৰিছিল আৰু তেওঁৰ অগ্নিবাণীয়ে সুপ্ত উপাদানবোৰক কার্যত পৰিণত কৰিবলৈ আলোড়িত কৰি তুলিছিল।

বিপ্লৱীসকলে আমেৰিকা, জার্মানী, ইন্দোচীন, ছিংগাপুৰ, শ্যামদেশ আৰু মধ্য আৰু প্রাচ্যৰ নিকটবর্তী বিদেশী ৰাষ্ট্রবোৰত সংগঠনা গঢ়ি তুলিছিল। শ্যামজী কৃষ্ণবার্মা আৰু ভি ডি চাভাৰকাৰে লণ্ডনত, মদন কামাই পেৰিছত আৰু অজিত সিং আৰু অম্বৰ প্রসাদে মধ্যপ্রাচ্যত তেওঁলোকৰ

বিপ্লৰী কৰ্মকাণ্ডৰ বাবে বিখ্যাত হৈ পৰিছিল। অৱশ্যে বিদেশৰ আটাইতকৈ বিখ্যাত সংগঠনটি আছিল আমেৰিকাৰ আডাৰ পাৰ্টী। এই দলটি ১৯১৩ খ্ৰীষ্টাব্দত চান ফ্ৰাঞ্চিক' মূখ্য কেন্দ্ৰ হিচাপে লালা হৰদয়ালে প্ৰতিষ্ঠা কৰিছিল। ভাৰতৰ স্বাধীনতাৰ বাবে আমেৰিকা আৰু ই উৰোপৰ বহু সংখ্যক লোকৰ সমৰ্থন আদায় কৰিবলৈ এই দলটি সক্ষম হৈছিল। এওঁলোকে বিপ্লৰীসকলক অস্ত্ৰ যোগান দিব বিচাৰিছিল যদিও ই সফল নহ'ল। যেতিয়া আমেৰিকাই বৃটেইনৰ সমৰ্থনত প্ৰথম বিশ্বযুদ্ধত অংশ ল'লে তেতিয়া দলটিৰ প্ৰভাৱ নোহোৱা হৈ পৰিল আৰু ইয়াৰ কাম কাজ নিষিদ্ধ কৰা হ'ল। প্ৰথম বিশ্বযুদ্ধৰ সময়ছোৱাত ভাৰতীয় বিপ্লৰীসকলে বিদেশত জাৰ্মানীৰ সহায় লোৱাত সফলতা লভিছিল আৰু ১৯১৫ খ্ৰীষ্টাব্দত এক সৰ্বাত্মক বিদ্ৰোহৰ প্ৰস্তুতি চলোৱা হৈছিল যদিও ইতিবাচক সফলতা লাভ কৰিব নোৱাৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ কোন চনত বংগ দেশৰ বিভাজন কৰা হৈছিল?

.....

প্ৰশ্ন নং ৬ঃ বংগদেশ ..... আৰু ..... মাজত বিভাজিত হৈছিল।

প্ৰশ্ন নং ৭ঃ পূব বংগৰ ৰাজধানী আছিল .....।

প্ৰশ্ন নং ৮ঃ বৃটিছ চৰকাৰে ১৯১৪ চনত বংগভংগ বাতিল কৰিছিল (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৯ঃ চাপেকাৰ ভাতৃদ্বয় কোন আছিল?

.....

প্ৰশ্ন নং ১০ঃ বংগৰ উগ্ৰ জাতীয়তাবাদৰ মুখ্য পৃষ্ঠপোষক কোন আছিল?

.....

প্ৰশ্ন নং ১১ঃ বিপ্লবীসকলে সমাজ স্থাপন কৰা কেইখনমান বিদেশী ৰাষ্ট্ৰৰ নাম লিখক।

.....

৯.৮ হোমৰুল আন্দোলন

হোমৰুল আন্দোলনে ভাৰতবৰ্ষৰ ইতিহাসত এক নতুন অধ্যায় মুকলি কৰে। ভাৰতীয় জাতীয় আন্দোলনৰ এগৰাকী বিখ্যাত নেত্ৰী এনি বেছান্তে ১৯১৬ চনত হোম ৰুল লীগৰ প্ৰতিষ্ঠা কৰে। এনি বেছান্ত আছিল এগৰাকী আইৰিছ মহিলা। ১৮৮৯ চনত তেওঁ থিয়'চফিকেল চোছাইটি (Theosophical Society)ত যোগদান কৰে। এই চোছাইটি চেন্নাইৰ নিকটবৰ্তী আদিয়াৰত প্ৰতিষ্ঠা লাভ কৰিছিল আৰু এনিবেচান্ত ইয়াৰ সভাপতি হৈছিল। পাছলৈ তেওঁ ভাৰতৰ জাতীয় আন্দোলনত জড়িত হৈ পৰে। ভাৰতৰ ৰাজনৈতিক সংস্কাৰৰ বাবে স্ব-শাসন প্ৰদান আটাইতকৈ উত্তম বুলি তেওঁ ভাবিছিল। ভাৰতত স্ব-শাসন প্ৰৱৰ্ত্তনৰ বাবে হোম ৰুল

চিত্র ৯.২ এনি বেছান্ত



লীগে দেশব্যাপী এক আন্দোলন আৰম্ভ কৰিছিল। এই হোম ৰুল আন্দোলনৰ উদ্দেশ্য আছিল বৃটিছ সাম্ৰাজ্যৰ ভিতৰত থাকিয়েই হোম ৰুল আহৰণ কৰা। সেই একে বছৰতে বাল গংগাধৰ তিলকে পুনেত ভাৰতীয় হোম ৰুল লীগ আৰম্ভ কৰে। তিলক আৰু বেছান্ত উভয়ে দেশৰ জনসাধাৰণৰ মাজত হোম ৰুলৰ বাণী প্ৰচাৰ কৰিছিল। দুয়ো গৰাকী নেতাই গোটেই দেশজুৰি যাত্ৰা কৰিছিল, ভাৰতৰ বিভিন্ন চহৰত লীগ শাখা প্ৰতিষ্ঠা কৰিছিল আৰু বাৰ্ত্তৰি কাকত, জনসভা আৰু পত্ৰিকা আদিৰে স্ব-শাসন বা হোম ৰুলৰ বাণী বিয়পাইছিল।



জানি থোৱা ভাল

১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধত গ্ৰেট ব্ৰিটেইন, ফ্ৰান্স আদিয়ে জাৰ্মানী, হাংগে�ৰী, তুৰ্কী আদি শক্তিৰ বিৰুদ্ধে যুঁজিছিল। বৃটিছ প্ৰশাসনে ভাৰতবৰ্ষক ইচ্চাকৃতভাৱে যুদ্ধত লিপ্ত বুলি ঘোষণা কৰিছিল আৰু ভাৰতবৰ্ষৰ সম্পদ বিস্তৰৰূপত ব্যৱহাৰ কৰিছিল।

হোমৰুল আন্দোলনে ইমান বেছি জনপ্ৰিয়তা অৰ্জন কৰিছিল যে হাজাৰ হাজাৰ লোকে এই আন্দোলনত যোগদান কৰিছিল। এনেদৰে প্ৰথম বিশ্বযুদ্ধৰ সময়ছোৱাত হোম ৰুল আন্দোলন এক শক্তিশালী আন্দোলন হৈ পৰিছিল। হোম ৰুলৰ ধাৰণা জনসাধাৰণৰ মাজত বিয়পাই লীগৰ নেতাসকলে ভাৰতীয় জাতীয়তাবাদৰ উদ্যম ধৰি ৰাখিব বিচাৰিছিল। অৱশ্যে ই সংবিধানিক সীমাৰেখাৰ মাজতে সংঘটিত হৈছিল।

হোমৰুল আন্দোলনৰ জনপ্ৰিয়তাই বৃটিছ চৰকাৰক সচকিত কৰিছিল। চৰকাৰে বলপূৰ্বকভাৱে এই আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছিল। এনি বেছান্তক গৃহবন্দী কৰি ৰখা হৈছিল। গংগাধৰ তিলকক কাৰাৰুদ্ধ কৰা হৈছিল। কিন্তু চৰকাৰৰ এই দমনে জনসাধাৰণক বিচলিত কৰাৰ সলনি বৃহৎ উদ্যমৰহে সৃষ্টি কৰিছিল।

যদিও হোমৰুল আন্দোলন ইয়াৰ উদ্দেশ্য পূৰণত বিফল হৈছিল তথাপিও জাতীয় আন্দোলনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। এই আন্দোলনে প্ৰথম বিশ্বযুদ্ধৰ সময়ত ভাৰতীয় জাতীয়তাবোধকো সজীৱ কৰি ৰাখিছিল।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ঃ কোন চনত ভাৰতত হোম ৰুল লীগ গঠন কৰা হৈছিল?

.....

প্ৰশ্ন নং ১৩ঃ হোমৰুল আন্দোলনৰ দুজন নেতাৰ নাম লিখক।

.....

প্ৰশ্ন নং ১৪ঃ হোমৰুল আন্দোলনৰ মূল উদ্দেশ্য কি আছিল?

.....



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- কংগ্ৰেছৰ প্ৰথম পৰ্যায়টোত সাংবিধানিক পন্থাত বিশ্বাসী নৰমপন্থীসকলে সবল ভূমিকা পালন কৰিছিল। তাৰ পিছৰ পৰ্যায়ত চৰমপন্থীসকলৰ উত্থান হয় আৰু তেওঁলোক বিপ্লৱবাদত বিশ্বাসী আছিল।
- ভাৰতীয়সকলৰ মাজত সাম্যবাদৰ বীজ ৰোপন কৰা হয় আৰু কংগ্ৰেছ দলক দমন কৰিবলৈ অল্ ইণ্ডিয়া মুছলিম লীগ স্থাপন কৰা হয়। বংগত জাতীয়তাবাদৰ উত্থানক দমন কৰিবলৈ আৰু সাম্প্ৰদায়িকতাৰ বিস্তাৰ কৰিলৈ ১৯০৫ চনত বংগ বিভাজন কৰা হয়।
- এই বিভাজনৰ বিৰুদ্ধে স্বদেশী আন্দোলন আৰম্ভ হয়। ভাতৰত জনসাধাৰণক স্বাধীন উদ্দেশ্যৰে হিংসা আন্দোলনৰ সমান্তৰালভাৱে বিপ্লৱী আন্দোলনৰো সূচনা হৈছিল।
- বিভাজনৰ বিৰুদ্ধে আৰম্ভ হোৱা প্ৰতিবাদত এই বিপ্লবী আন্দোলনে বংগত এক প্ৰণালীবদ্ধ ৰূপ লয়। প্ৰথম বিশ্বযুদ্ধৰ সময়ছোৱাত হোমৰুল আন্দোলন আৰম্ভ হয়।



৯.১০ প্ৰসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.



৯.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০৭

২নং প্ৰশ্নৰ উত্তৰ ঃ বাল গংগাধৰ তিলক

৩নং প্ৰশ্নৰ উত্তৰ ঃ লৰ্ড মিণ্টো

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৩০ ডিচেম্বৰ, ১৯০৬

৫নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০৫

৬নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ব বংগ, পশ্চিম বংগ

৭নং প্ৰশ্নৰ উত্তৰ ঃ ঢাকা

৮নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৯নং প্ৰশ্নৰ উত্তৰ ঃ দামোদৰ হৰি আৰু বালকৃষ্ণ হৰি।

১০নং প্ৰশ্নৰ উত্তৰ ঃ বংগৰ উগ্ৰ জাতীয়তাবাদৰ মুখ্য পৃষ্ঠপোষক আছিল অৰবিন্দ ঘোষ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, ইণ্ডো-চীন, চিংগাপুৰ, ইত্যাদি।

১২নং প্ৰশ্নৰ উত্তৰ ঃ১৯১৬

১৩নং প্ৰশ্নৰ উত্তৰ ঃ এনীবেচান্ত আৰু বাল গংগাধৰ তিলক

১৪নং প্ৰশ্নৰ উত্তৰ ঃবৃটিছ সাম্ৰাজ্যৰ ভিতৰতে স্ব-শাসন প্ৰৱৰ্তন কৰা



৯.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ভাৰতীয় জাতীয় আন্দোলনৰৰ দুজন নৰমপন্থী নেতাৰ নাম লিখক।

প্ৰশ্ন ২ঃ ভাৰতীয় জাতীয় আন্দোলনৰৰ অসমৰ এজন বিপ্লৱী নেতাৰ নাম লিখক।

প্ৰশ্ন ৩ঃ তিলকে সম্পাদনা কৰা বাতৰি কাকতখনৰ নাম লিখক।

প্ৰশ্ন ৪ঃ কাৰ নেতৃত্বত আমেৰিকাত গদ্দৰ পাৰ্টী প্ৰতিষ্ঠা হয় ?

খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ নৰম পন্থী আৰু চৰম পন্থী নেতৃত্ব— এই দুটা নেতৃত্বৰ মাজত থকা মৌলিক পাৰ্থক্যসমূহ চিহ্নিত কৰক।

প্ৰশ্ন ২ঃ স্বদেশী আন্দোলনৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয় জাতীয় আন্দোলনৰ বিপ্লবী আন্দোলনৰ ওপৰত এটি চমু টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ ৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ সাম্প্ৰদায়িকতাবাদৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ বংগ বিভাজনৰ আঁৰত বৃটিছৰ কি অভিপ্ৰায় নিহিত আছিল ? বংগৰ ওপৰত এই বিভাজনৰ প্ৰভাৱ কেনে আছিল আলোচনা কৰক।

* * * * * * * * * *

অধ্যায় ১০ ঃ ভাৰতৰ জাতীয় আন্দোলন ১৯১৯ চনৰ পৰা ১৯৩৯ চনলৈ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ভাৰতৰ ৰাজনীতিত গান্ধীৰ উত্থাপন

১০.৪ অসহযোগ আন্দোলন

১০.৪.১ ৰাওলাট আইন আৰু জালিনৱালাবাগৰ শোকাৱহ ঘটনা

১০.৪.২ খিলাফাৎ আৰু সহযোগ আন্দোলন

১০.৫ আইন অমান্য আন্দোলন

১০.৬ ভাৰত চৰকাৰ আইন, ১৯৩৫ চন

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ প্ৰসংগ পুথি

১০.৯ অগ্ৰগতিৰ খতিয়ান

১০.১০ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ ৰাজনীতিত মহাত্মা গান্ধীৰ উত্থাপনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসহযোগ আন্দোলনৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- আইন অমান্য আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব।


১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ইতিমধ্যে বংগ বিভাজনৰ বিষয়ে আৰু হোম ৰুল আন্দোলনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামলৈ অৱদান সম্পৰ্কে আলোচনা কৰি আহিছো। ভাৰতৰ জাতীয় আন্দোলনলৈ গান্ধীৰ উত্থান বৰ তাৎপৰ্যপূৰ্ণ আছিল। এই অধ্যায়টোত আমি ভাৰতৰ স্বাধীনতা সংগ্ৰাম ১৯১৯ চনৰ পৰা ১৯৩৯ চনলৈ আলোচনা কৰিম।

১০.৩ ভাৰতৰ জাতীয় ৰাজনীতিত গান্ধীৰ উত্থান

আমি সকলোৱে 'মহাত্মা গান্ধী' নামটোৰ সতে পৰিচিত। নহয় জানো? তেওঁ আকৌ 'বাপু' অথবা 'জাতিৰ পিতা' হিচাপেও পৰিচিত আছিল। আপোনালোকে বাৰু জানেনে তেওঁক কিয় জাতিৰ পিতাৰূপে জনা যায়? ভাৰতৰ স্বাধীনতা সংগ্ৰামলৈ তেওঁ আগবঢ়োৱা অনন্য অৱদানৰ বাবে তেওঁক এই নামেৰে জনা যায়।

চিত্ৰ ১০.৪ মহাত্মা গান্ধী



উৎস ঃ *গোগোল ইমেজ*

সত্যাগ্ৰহ ঃ সত্য আৰু অহিংসাৰ ভিত্তিত প্ৰতিস্থিত এক প্ৰতিৰোধ শক্তি।

দক্ষিণ আফ্ৰিকাৰ জোহানছবাৰ্গত তেওঁ আইনজীৱী হিচাপে জীৱিকা আৰম্ভ কৰিছিল। সেই দেশখনতে মহাত্মা গান্ধীয়ে ৰাজনৈতিক জীৱনৰ পাতনি মেলে। দক্ষিণ আফ্ৰিকালৈ প্ৰব্ৰজিত লোকসকলৰ এগৰাকী নেতাৰূপে গান্ধীয়ে শ্বেত শাসকসকলৰ ভাৰতীয় লোকসকলকে ধৰি কলা ছালৰ লোকসকলৰ প্ৰতি প্ৰদৰ্শিত বৈষম্যমূলক আচৰণৰ বিৰোধিতা কৰিছিল। আপোনালোকে জানি আচৰিত হ'ব যে এই আন্দোলনত গান্ধীৰ একমাত্ৰ অস্ত্ৰ আছিল 'অহিংসা' যাক 'সত্যাগ্ৰহ' বুলিও জনা যায়। এই শান্তিপূৰ্ণ সত্যাগ্ৰহৰ জৰিয়তে তেওঁ শাসক সকলক ভাৰতীয় লোকসকলৰ দাবী মানি লবলৈ বাধ্য কৰাইছিল। দক্ষিণ আফ্ৰিকাত হোৱা এই প্ৰাৰম্ভিক সফলতাৰ পিছত গান্ধীজিয়ে ১৯১৫ চনত ভাৰতলৈ ঘূৰি আহে। সেই সময়ত সমগ্ৰ ভাৰততে ব্ৰিটিছ বিদ্বেষী এক প্ৰৱণতা গঢ়ি উঠিছিল আৰু গান্ধীয়ে ভাৰতত সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু এই সিদ্ধান্ত লোৱাৰ আগতে তেওঁ গোটেই দেশ ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ জৰিয়তে তেওঁ সাধাৰণ ভাৰতীয় জনতাৰ দৰিদ্ৰতা আৰু অনাহাৰ ভালদৰে বুজি পাইছিল। জনসাধাৰণৰ এই দুৰ্দশাই 'বাপু'ৰ অন্তৰত এনে সাঁচ বহুৱাইছিল যে সাধাৰণ মানুহক কৰা শোষণ নিৰ্মূলকৰণ তেওঁৰ ৰাজনৈতিক আদৰ্শৰ এক মূল বিষয় হৈ পৰিছিল।



জানি থোৱা ভাল

ভ্ৰমণৰ কালছোৱাত গান্ধীজীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰক লগ কৰিবলৈ শান্তিনিকেতনলৈ গৈছিল আৰু তেওঁ ৰবীন্দ্ৰনাথক 'গুৰুদেৱ' বুলি সম্ভাষণ জনাইছিল। ৰবীন্দ্ৰনাথেও গান্ধীজীক 'মহাত্মা' সন্মানেৰে আদৰণি জনাইছিল।

১৯১৭ চনত বিহাৰৰ চম্পাৰণত কৰা সত্যাগ্ৰহৰ জৰিয়তে গান্ধীয়ে ভাৰতীয় ৰাজনীতিত প্ৰৱেশ কৰে। চম্পাৰণত ব্ৰিটিছে ভাৰতীয় নীল খেতিয়ক সকলক নিৰ্দয়ভাৱে দমন কৰিছিল। গান্ধীজীয়ে ৰাজেন্দ্ৰ প্ৰসাদ, জে. বি. কৃপালিনী, মহাদেৱ দেশাই আদিৰ নিচিনা ব্যক্তিৰ লগত চম্পাৰণ পায়গৈ আৰু ব্ৰিটিছ চৰকাৰক এখন তদন্ত কমিটি গঠন কৰি দিবলৈ বাধ্য কৰায়। ব্ৰিটিছ

চৰকাৰে উক্ত কমিটিখনৰ অনুমোদন জনোৱাৰ পাছত খেতিয়কসকলৰ যন্ত্ৰণা বহুখিনি লাঘৱ হয়। এনেদৰে উৎপীড়নৰ বিৰুদ্ধে ভাৰতত চলোৱা প্ৰথম সংগ্ৰামখনত গান্ধীজীয়ে সফলতা লাভ কৰে।

চম্পাৰণত সফলতা লাভ কৰাৰ পাছত গান্ধীজীয়ে আহমেদাবাদত সফলতাৰে বনুৱাসকলক ধৰ্মঘটত ভাগ লোৱায়। আহমেদাবাদত কাপোৰ কলৰ শ্ৰমিক আৰু মালিকৰ মাজত ১৯১৮ চনত হোৱা এক বিবাদত গান্ধীজীয়ে হস্তক্ষেপ কৰিছিল। এক বুজাবুজি কৰাৰ স্বাৰ্থত গান্ধীজীয়ে আমৰণ অনশনত বহিছিল আৰু সৰ্বশেষত কলৰ মালিকপক্ষই বনুৱাসকলৰ মজুৰি ৩৫ শতাংশ বঢ়াবলৈ সন্মতি প্ৰকাশ কৰে।

ইয়াৰ পাছত তেওঁ গুজৰাটৰ খেৰাৰ কৃষকসকলৰ সংগ্ৰামত যোগদান কৰে। সৰ্বশেষত চৰকাৰ আৰু খেতিয়কৰ মাজত এক বুজাবুজিত উপনীত কৰায়।

এই তিনিটা আন্দোলনৰ সফলতাই গান্ধীজীক সাধাৰণ মানুহৰ মাজত অধিক জনপ্ৰিয় কৰি তোলে। গান্ধীৰ এই সফলতাৰ মূলতে আছিল সত্য আৰু অহিংসাৰ ওপৰত থকা তেওঁৰ আস্থা। সাধাৰণ মানুহে এই দুবিধ আদৰ্শক গ্ৰহণ কৰিছিল আৰু ফলস্বৰূপে গান্ধীৰ সামাজিক ভাৱমূৰ্তি উজ্বল হৈ উঠিছিল। গান্ধীজীয়ে হিন্দু-মুছলমান সম্প্ৰীতি ৰক্ষাৰ বাবে তথা অৱদমিত শ্ৰেণীৰ লোক আৰু মাহিলাৰ মুক্তিৰ বাবেও আহ্বান জনাইছিল। এনেদৰে গান্ধীজী সৰ্বভাৰতীয় নেতালৈ পৰিণত হৈছিল। এই সময়ছোৱাৰ ভিতৰতে তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু গান্ধীজীৰ জনপ্ৰিয় সামাজিক ভাৱমূৰ্তিৰ ফলত প্ৰথমবাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ সাধাৰণ মানুহৰ ওচৰ চাপি আহে। গান্ধীৰ সুদক্ষ নেতৃত্বত ভাৰতীয় সাধাৰণ লোকে আগবাঢ়ি আহি ভাৰতীয় জাতীয় আন্দোলনত যোগদান কৰিবলৈ লয় ইয়াৰ ফলতেই ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰে।



চিন্তা-চৰ্চা কৰক ১০.১

নিম্নোক্ত স্থানসমূহ ভাৰতৰ মানচিত্ৰত চিহ্নিত কৰক—

(ক) চম্পাৰণ (খ) আহমেদাবাদ (গ) খেৰা



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ গান্ধীয়ে নিজৰ ৰাজনৈতিক জীৱন ক'ত আৰম্ভ কৰে?

.....

.....

প্ৰশ্ন নং ২ঃ চম্পাৰণ সত্যাগ্ৰহ কোন চনত হৈছিল?

.....

.....

১০.৪ অসহযোগ আন্দোলন

আপোনালোকে বাৰু অসহযোগ আন্দোলনৰ বিষয়ে শুনিছেনে? গান্ধীজীয়ে বৃটিছৰ বিৰুদ্ধে এই আন্দোলনৰ নেতৃত্ব দিছিল আৰু বৃহৎ সংখ্যক ভাৰতীয় লোকে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল। এই আন্দোলন আৰম্ভ কৰাৰ সময়ত গান্ধীয়ে ভাৰতীয় লোকক তেওঁলোকৰ দাবীসমূহ পূৰণ নোহোৱা পৰ্যন্ত বৃটিছ চৰকাৰৰ কামত সহযোগ নকৰিবলৈ আহ্বান জনাইছিল। অসহযোগ আন্দোলনৰ বিষয়ে জানিবলৈ হ'লে আমি প্ৰথমতে জালিৱানৱালাবাগৰ শোকাবহ ঘটনা, খিলাফৎ আন্দোলন আদিৰ বিষয়ে জানিব লাগিব।

১০.৪.১ ৰাওলাট আইন আৰু জালিৱানাবাগৰ শোকাবহ ঘটনা

প্ৰথম বিশ্বযুদ্ধ আৰু ইয়াৰ পৰৱৰ্তী ঘটনাৰাজিয়ে ভাৰতীয় ৰাজনীতিৰ দিশ সলনি কৰি পেলাইছিল। ভাৰতীয় জাতীয় নেতৃত্বই বৃটিছৰ সমগ্ৰ যুদ্ধ-প্ৰয়াসক সমৰ্থন কৰিছিল আৰু তেওঁলোকে আশা পুহিছিল যে বৃটিছসকলে বৃটিছ ৰাজত্বৰ ছত্ৰছায়াতে ভাৰতীয় সকলৰ স্বায়ত্ব শাসনৰ দাবীক পূৰ্ণ কৰিব। কিন্তু ইয়াৰ সলনি বৃটিছে ভাৰতীয় আশাৰ বিৰুদ্ধে দমনমূলক ৰাওলাট আইনখন (১৯১৯) জাপি দিছিল। বৃটিছৰ এই আইনখন প্ৰণয়ণৰ মূল উদ্দেশ্য আছিল ভাৰতীয়সকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা।



জানি থোৱা ভাল

ৰাওলাট আইনখনৰ মূল উপবন্ধ সমূহ আছিল এনে ধৰণৰ—

ক) যিকোনো ব্যক্তিক কেৱল সন্দেহবশত গ্ৰেপ্তাৰ অথবা দেশান্তৰ কৰা।

খ) ৰাজনৈতিক গোচৰসমূহ এই উদ্দেশ্যে স্থাপিত ন্যায়াধিকৰণ (Tribunal) ৰ দ্বাৰা বিচাৰ কৰা।

গ) কাৰোবাৰ হাতত ৰাজদ্রোহমূলক পুস্তিকা থকাটোক শাস্তিযোগ্য অপৰাধ বুলি ঘোষণা কৰা হ'ল।

এই বিধেয়কখন গ্ৰহণ কৰাৰ পাছত মহাত্মা গান্ধীয়ে জনসাধাৰণক ১৯১৯ চনৰ ৬ এপ্ৰিল তাৰিখে হৰতাল পালন কৰিবলৈ উপদেশ দিলে। গান্ধীজীয়ে ভাৰতীয় জনগণৰ মাজত অহিংসা আৰু সত্যাগ্ৰহৰ অস্ত্ৰ প্ৰয়োগ কৰিছিল। তথাপিও পুলিচী নিৰ্যাতনৰ ফলশ্ৰুতিত সকলো ঠাইতে সত্যাগ্ৰহীসকল অহিংস হৈ থাকিব পৰা নাছিল; বিশেষকৈ গান্ধীজীক পুলিচে গ্ৰেপ্তাৰ কৰা ঘটনা যথেষ্ট উত্তেজনাপূৰ্ণ আছিল।

যি নহওঁক আটাইতকৈ নিষ্ঠুৰ ঘটনাটি সংঘটিত হৈছিল পাঞ্জাবৰ জালিয়ানাবাগত ১৯১৯ চনৰ ১৩ এপ্ৰিল তাৰিখে। উক্ত দিনাখন ড° সত্যপাল আৰু ড° ছয়ফুদ্দিন

কিচলুৰ দেশান্তৰৰ প্ৰতিবাদত তাত এখন মিটিং অনুষ্ঠিত হৈছিল। প্ৰায় ১০,০০০ শান্তিপ্ৰিয় জনতাই অমৃতসৰৰ জালিৱানৱালা বাগ (বাগিছা) ত সমবেত হৈছিলহি। সমবেত জনতাই যি সময়ত বক্তৃতা শুনি আছিল সেই সময়ত কোনো ধৰণৰ পূৰ্ব সৰ্তকবাণী নুশুনুওৱাকৈ জেনেৰেল ডায়াৰে জনতাৰ ওপৰত মুকলি গুলীবৰ্ষণৰ আদেশ দিছিল। বিভিন্ন সূত্ৰ অনুসৰি প্ৰায় ১০০০ লোকৰ সেই শোকাবহ ঘটনাত মৃত্যু হৈছিল আৰু কেইবা শ লোক আঘাতগ্ৰস্ত হৈছিল।

জালিৱানৱালা বাগত ১৯১৯ চনত সংঘটিত এই শোকাবহ ঘটনাই ভাৰতীয় জাতীয় আন্দোলনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। সাধাৰণলোকৰ প্ৰতি বৃটিছে কৰা এই পাশৱিক আক্ৰমণৰ সমান্তৰাল উদাহৰণ ইতিহাসৰ পাতত পাবলৈ নাই। এই ঐতিহাসিক ঘটনাৰ পিছত হাজাৰ হাজাৰ ভাৰতীয় লোক স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিল।

১০.৪.২ খিলাফৎ আৰু অসহযোগ আন্দোলন

প্ৰথম বিশ্বযুদ্ধৰ পাছত বৃটিছৰ বিৰুদ্ধে ভাৰতীয় মানুহৰ ক্ৰমবৰ্দ্ধমান অসন্তুষ্টিয়েই ধাৰাবাহিক গণ আন্দোলনৰ ৰূপ ল'লে। ১৯১৯ চনত মুছলমান সকলে খিলাফৎ আন্দোলন আৰম্ভ কৰিলে। এই আন্দোলনৰ মূল নেতাসকল আছিল মৌলানা মহম্মদ আলি, চৌকৎ আলি ইত্যাদি। তুৰ্কীৰ প্ৰতি বৃটিছ চৰকাৰৰ ভাবভংগী সলনি কৰাবলৈ বাধ্য কৰোৱাটোৱেই এই আন্দোলনৰ মূল লক্ষ্য আছিল। প্ৰথম বিশ্বযুদ্ধত তুৰ্কীয়ে গ্ৰেট বৃটেইনৰ বিৰুদ্ধে অংশ গ্ৰহণ কৰিছিল। যুদ্ধত তুৰ্কী পৰাজিত হোৱাৰ পিছত খবৰ ওলাইছিল যে সন্মিলিত শক্তিয়ে তুৰস্কৰ সাম্ৰাজ্যক খণ্ডিত কৰিব বিচাৰিছে। তদুপৰি তুৰ্কীৰ চুলটানক, যি খালিফ বা ধৰ্ম গুৰুও আছিল, তেওঁক অসন্মান কৰা হৈছিল। ইয়ে খিলাফৎ আন্দোলনৰ সূত্ৰপাত কৰিছিল। এখন খিলাফৎ কমিটি গঠন কৰা হৈছিল আৰু দেশব্যাপী এই বিদ্ৰোহক সংগঠিত কৰা হৈছিল। মহাত্মা গান্ধী, গংগাধৰ তিলকৰ নিচিনা নেতাই এই আন্দোলনত অংশ গ্ৰহণ কৰিছিল। হিন্দু-মুছলমানক সন্মিলিত কৰিবলৈ তেওঁলোকে ইয়াক এক ভাল সুযোগ বুলি ধৰিছিল। ১৯১৯ চনত দিল্লীত সৰ্বভাৰতীয় খিলাফৎ সন্মিলন অনুষ্ঠিত হৈছিল আৰু ইয়াত মহাত্মা গান্ধীক সভাপতিৰূপে নিৰ্বাচিত কৰা হৈছিল। ১৯২০ চনৰ আগষ্ট মাহত খিলাফৎ কমিটিয়ে অসহযোগ আন্দোলন আৰম্ভ কৰে। কংগ্ৰেছেও এই আন্দোলনত সমৰ্থন জনায়। অৱশেষত খিলাফৎ কমিটি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ দাবীসমূহক লগ কৰি দিয়া হ'ল আৰু গান্ধীজীক এই আন্দোলনৰ নেতৃত্ব ল'বলৈ কোৱা হ'ল।

গান্ধীজীয়ে চৰকাৰক পাঞ্জাৱত সংঘটিত হোৱা শোকাবহ ঘটনা সন্দৰ্ভত অনুশোচনা প্ৰকাশ কৰিবলৈ, তুৰ্কীৰ প্ৰতি এক কোমল দৃষ্টিভংগী ল'বলৈ আৰু

সাংবিধানিক সংশোধনত কিছুমান নতুন আঁচনি আনিবলৈ আহ্বান জনালে। যেতিয়াই চৰকাৰে এই দাবীবোৰৰ প্ৰতি কানসাৰ নকৰিলে তেতিয়া ১৯২১ চনত অসহযোগ আন্দোলন আৰম্ভ কৰা হ'ল। জনসাধাৰণক বিদেশীবস্তু, আদালত, বিদ্যালয়, চৰকাৰী অনুষ্ঠান আদি বৰ্জন কৰিবলৈ কোৱা হ'ল। ইয়াৰ অৰ্থই আছিল যে ভাৰতীয় লোকে চৰকাৰক সহযোগ আগ নবঢ়ায়। তদুপৰি সাধাৰণ লোকক স্বদেশী বস্তুৰ ব্যৱহাৰ কৰা, যতৰেৰে কাম কৰা, অস্পৃশ্যতা আতৰ কৰাত যত্নপৰ হোৱা, মহিলাৰ মুক্তি আদিৰ হকে কাম কৰিবলৈ উপদেশ দিয়া হৈছিল। এই সমগ্ৰ আন্দোলনত সাধাৰণ লোকক অহিংস হৈ থাকিবলৈ গান্ধীজীয়ে প্ৰাৰ্থনা জনাইছিল। হাজাৰ-বিজাৰ লোকে এই আন্দোলনত অংশ লৈছিল। চৰকাৰেও সকলো প্ৰকাৰৰ দমন নীতি গ্ৰহণ কৰিছিল আৰু আন্দোলনটোৱে সকলো ঠাইতে অহিংস হৈ থাকিব পৰা নাছিল। সাধাৰণ মানুহৰ মনতো ব্ৰিটিছ বিৰোধী মনোভাৱ জাগি উঠিছিল। ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীত উত্তৰ প্ৰদেশৰ গোৰখপুৰৰ চৌৰি-চৌৰাত হোৱা এক কংগ্ৰেছী সমদলত পুলিছে গুলীবৰ্ষণ কৰিছিল। উত্তেজিত জনতাই পুলিচ থানা আক্ৰমণ কৰি থানাখন জ্বলাই দিছিল আৰু ফলত ২২ জন পুলিচৰ মৃত্যু ঘটিছিল। গান্ধীজীয়ে এই আন্দোলনে হিংস্ৰৰূপ ল'ব পাৰে বুলি ভয় খাইছিল আৰু ১৯২২ চনত আকস্মিকভাৱে এই আন্দোলন স্থগিত কৰিছিল।



জানি থোৱা ভাল

কিছুমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ঘটনাৰ বাবে খিলাফৎ আন্দোলনৰ গতি বেলেগ দিশলৈ সলনি হৈছিল। তুৰ্কীৰ প্ৰগতিবাদী নেতা কামাল পাছাই যেতিয়া চুলটানৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ক্ষমতা দখল কৰিছিল তেতিয়াই এই আন্দোলনে নিজৰ গতি হেৰুৱাই পেলাইছিল। ১৯২৪ চনত খিলাফতৰ বিলুপ্তি সাধন কৰা হৈছিল আৰু তুৰ্কীক এখন ধৰ্মনিৰপেক্ষ গণৰাজ্য হিচাপে ঘোষণা কৰা হৈছিল। এনেদৰে ভাৰতবৰ্ষত খিলাফৎ আন্দোলনৰ যৱনিকা পৰে।

অসহযোগ আন্দোলনৰ তাৎপর্য্য

- কৃষক, শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, আইনজীৱী, শিক্ষক ইত্যাদিৰ অংশগ্ৰহণেৰে প্ৰথমবাৰৰ বাবে ভাৰতীয় জাতীয় আন্দোলনটোৱে প্ৰকৃত গণভিত্তি লাভ কৰিছিল।
- স্বাধীনতা সংগ্ৰামত ভাৰতীয় জাতীয় কংগ্ৰেছ সাধাৰণ মানুহৰ সংগঠনলৈ পৰিণত হৈছিল।
- এই আন্দোলনত হিন্দু-মুছলমান সম্প্ৰীতিয়ে শীৰ্ষতা লাভ কৰিছিল।



চিন্তা-চৰ্চা কৰক ১০.২

জালিৱানৱালাবাগৰ শোকাবহ ঘটনাৰ বিষয়ে এক টোকা প্ৰস্তুত কৰক—

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ কোন চনত ৰাৱালট আইন গৃহীত হৈছিল?

.....

প্ৰশ্ন নং ৪ঃ কোন চনত জালিৱানৱালাবাগৰ হত্যাকাণ্ড সংঘটিত হৈছিল?

.....

প্ৰশ্ন নং ৫ঃ কোন চনত ভাৰতবৰ্ষত খিলাফৎ আন্দোলন আৰম্ভ হৈছিল?

.....

প্ৰশ্ন নং ৬ঃ খিলাফৎ আন্দোলনৰ দুগৰাকী নেতাৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৭ঃ কোন চনত গান্ধীয়ে অসহযোগ আন্দোলন স্থগিত ৰাখে?

.....

১০.৫ আইন অমান্য আন্দোলন

আইন অমান্য আন্দোলনে ভাৰতীয় জাতীয় আন্দোলনত এক নতুন যুগৰ সূচনা কৰে। ভাৰতবৰ্ষত ৰাজনৈতিক অসন্তোষ বৃদ্ধি হোৱাৰ সময়তে ১৯২৭ চনৰ ৮ নৱেম্বৰত ব্ৰিটিছ সংসদে ভাৰতলৈ ছাইমন কমিছন প্ৰেৰণ কৰে। এই কমিছনে অধিক সাংবিধানিক সংশোধন সম্পৰ্কত চিন্তা চৰ্চা কৰি এক প্ৰতিবেদন প্ৰস্তুত কৰিব লগা হৈছিল। এই কমিছন কেৱল ইংৰাজলোকৰ দ্বাৰাহে গঠিত হৈছিল আৰু কোনো ভাৰতীয়ই ইয়াত স্থান পোৱা নাছিল। স্বাভাৱিকতে ভাৰতীয়সকলে এই কমিছনৰ প্ৰচণ্ড বিৰোধিতা কৰিছিল। লাহোৰত অনুষ্ঠিত ছাইমন কমিছন বিৰোধী এক প্ৰতিবাদ সভাত হোৱা লাঠি চালনাত কংগ্ৰেছ নেতা লালা লাজপত ৰায় গুৰুতৰভাৱে আহত হৈছিল আৰু ইয়াৰ কিছুদিন পিছতে তেখেতৰ মৃত্যু হৈছিল।

ছাইমন কমিছন নিযুক্তিৰ প্ৰতিবাদত ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ নেতা আৰু দলসমূহে সাংবিধানিক সংশোধনৰ এক বিকল্প আঁচনি প্ৰস্তুত কৰিবলৈ যত্নৱান হৈছিল। সৰ্বশেষত ১৯২৯ চনৰ আগষ্ট মাহত মতিলাল নেহৰুৰ নেতৃত্বত নেহৰু সংবিধান প্ৰস্তুত কৰি উলিওৱা হৈছিল। এই নেহৰু সংবিধানে ভাৰতৰ বাবে 'ডমিনিয়ন ষ্টেটাচ্' দাবী কৰিছিল। দুৰ্ভাগ্যবশত কিছুসংখ্যক

মুছলিম লীগ আৰু শিখ লীগ নেতাৰ আপত্তিৰ বাবে ১৯২৮ চনৰ ডিচেম্বৰ মাহত কলিকতাত অনুষ্ঠিত সর্ব দলীয় সভাত এই সংবিধান গ্রহণ কৰিব পৰা নগ'ল।

১৯২৯ চনত লাহোৰত অনুষ্ঠিত কংগ্রেছৰ অধিবেশনত পূর্ণ স্বৰাজক মূল লক্ষ্য হিচাপে এক প্রস্তাৱ গ্রহণ কৰা হয় আৰু এবছৰৰ ভিতৰত ব্রিটিছ চৰকাৰে পূর্ণ স্বৰাজৰ দাবী মানি নল'লে আইন অমান্য আন্দোলন আৰম্ভ কৰিব বুলি কংগ্রেছ কার্যনির্বাহক কমিটিয়ে ঘোষণা কৰিছিল। এই আন্দোলন আৰম্ভ কৰিবলৈ মহাত্মা গান্ধীক কর্তৃত্ব দিয়া হৈছিল। ১৯৩০ চনৰ ১২ মার্চত মহাত্মা গান্ধীয়ে লোন আইন ভংগ কৰিবলৈ তেওঁৰ সবৰমতী আশ্রমৰ (আহমেদাবাদ) পৰা গুজৰাটৰ

চিত্র ১০.২ ঃ দাণ্ডি যাত্রা, ১৯৩০



উৎস ঃ *গোগোল ইমেজ*

সাগৰীয় উপকূলত অৱস্থিত দাণ্ডি গাওঁলৈ তেওঁৰ বিখ্যাত দাণ্ডি যাত্রা আৰম্ভ কৰে। এই ঐতিহাসিক যাত্রাত পঁচিশ দিন লাগিছিল। এই আন্দোলন অতি সোনকালে বিয়পি পৰিছিল। বোম্বাই, বংগ, উত্তৰ প্রদেশ, মাদ্রাজ ইত্যাদিত অবৈধভাৱে লোন প্রস্তুত কৰা আৰম্ভ হৈছিল। ইয়াক অনুসৰণ কৰি মহাৰাষ্ট্র, কর্ণাটক ইত্যাদিত বন আইন (Forest Act) অমান্য কৰা হৈছিল। উত্তৰ পশ্চিম সীমান্তৱর্তী প্রদেশত, খান আব্দুল গফৰ খানে আন্দোলনৰ নেতৃত্ব দিছিল। তেওঁ 'ফ্রন্টিয়াৰ গান্ধী' বা সীমান্ত গান্ধী নামেৰেও জনপ্রিয় হৈছিল। তেওঁৰ নেতৃত্বত 'খুদাই খিদ্মৎ গাৰ' নামৰ সংগঠনৰ জন্ম হৈছিল। উত্তৰ-পূব ভাৰতবর্ষত ৰাণী গাইদালুয়ে বিদেশী শাসনৰ বিৰুদ্ধে বিদ্রোহৰ ধ্বজা উৰুৱাইছিল। ব্রিটিছ চৰকাৰে এই আন্দোলন দমন কৰিবলৈ নিষ্ঠুৰ দমন নীতি অৱলম্বন কৰিছিল। কংগ্রেছক নিষিদ্ধ ঘোষণা কৰা হৈছিল। গান্ধীজী আৰু আন কংগ্রেছ নেতা প্রমুখ্যে হাজাৰ হাজাৰ সত্যাগ্রহীক গ্রেপ্তাৰ কৰা হৈছিল।

প্রথম ঘূৰণীয়া মেজ মেল আৰু গান্ধী - আৰ্ৱইন চুক্তি

ইতিমধ্যে ১৯৩০ চনত ব্রিটিছ চৰকাৰে ছাইমন কমিছনৰ প্রতিবেদন আলোচনা কৰিবলৈ লণ্ডনত প্রথম ঘূৰণীয়া মেজ মেলৰ আহ্বান কৰে কিন্তু জাতীয় কংগ্রেছে এই সন্মিলন বর্জন কৰিছিল। কংগ্রেছে যাতে পৰৱর্তী ঘূৰণীয়া মেজ মেলত অংশগ্রহণ কৰে তাৰ বাবে ব্রিটিছ চৰকাৰে

লর্ড আৰ্ৱইনঃ ১৯২৬ চনৰ লর্ড আৰ্ৱইনক ভাইচৰয় হিচাবে নিযুক্তি দিয়া হয়। তেওঁৰ সময়চোৱাতেই ১৯২৭ চনত চাইমন কমিছনক ভাৰতলৈ প্রেৰণা কৰা হৈছিল। ১৯৩১ চনত গান্ধী আৰ্ৱইন চুক্তি স্বাক্ষৰিত হৈছিল আৰু আইন অমান্য আন্দোলন প্রত্যাহাৰ কৰা হৈছিল।

কংগ্রেছৰ লগত এক বুজাবুজি কৰিবলৈ এইবেলি আহোপুৰুষার্থ কৰিছিল। শেষত গান্ধী আৰু ব্রিটিছ ভাইচৰয় লর্ড আৰ্ৱিইনৰ মাজত ১৯৩১ চনৰ মার্চ মাহত এক চুক্তি স্বাক্ষৰিত হয়। ইয়াকেই গান্ধী-আৰ্ৱিইন চুক্তি নামেৰে জনা যায়। এই চুক্তি মর্মে চৰকাৰে সকলো ৰাজনৈতিক বন্দীকে মোকোলাই দিবলৈ সম্মতি প্রকাশ কৰে। কংগ্রেছেও আইন অমান্য আন্দোলন প্রত্যাহাৰ কৰে আৰু দ্বিতীয় ঘূৰণীয় মেজ মেলত অংশ ল'বলৈ সম্মতি দিয়ে। তথাপিও ভালেসংখ্যক কংগ্রেছী নেতাই এই গান্ধী- আৰ্ৱিইন চুক্তিক লৈ অসন্তুষ্ট হৈছিল।

দ্বিতীয় ঘূৰণীয়া মেজ মেল

দ্বিতীয় ঘূৰণীয়া মেজ মেলত গান্ধীজীয়ে অংশগ্রহণ কৰিছিল। তেওঁ কংগ্রেছৰ পৰা একমাত্র প্রতিনিধি আছিল। এই মেজ মেলখন ১৯৩১ চনৰ ছেপ্টেম্বৰ মাহত লণ্ডনত অনুষ্ঠিত হৈছিল। ব্রিটিছ চৰকাৰে যেতিয়া ভাৰতৰ ডমিনিয়ন ষ্টেটাছৰ দাবী অস্বীকাৰ কৰিছিল তেতিয়া গান্ধীজীয়ে হতাশ মনেৰে খালী হাতে ভাৰতলৈ উভতি আহিছিল। ১৯৩২ চনত দেশলৈ প্রত্যাৱর্তন কৰাৰ পিছত চৰকাৰৰ দমন নীতিৰ প্রতিবাদত গান্ধীয়ে পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰিছিল। ফলস্বৰূপে কংগ্রেছক পুনৰবাৰৰ বাবে অবৈধ ঘোষণা কৰা হ'ল। গান্ধী আৰু অন্যান্য স্বেচ্ছাসেৱক সকলক গ্রেপ্তাৰ কৰা হ'ল। সাধাৰণ প্রচলিত আইনবোৰ প্রত্যাহাৰ কৰা হ'ল আৰু বিশেষ ধৰণৰ অধ্যাদেশৰ জৰিয়তে প্রশাসন চলোৱা হ'ল। স্বাধীনতা যুজাৰুসকলৰ ওপৰত পুলিচে নির্যাতন চলাইছিল আৰু জাতীয় ভাৱধাৰাৰ সাহিত্য নিষিদ্ধ কৰা হৈছিল। চৰকাৰী এই নির্যাতন অৱশেষত সফল হৈছিল কিয়নো ই ভাৰতীয় নেতৃবৃন্দৰ মাজত সাম্প্রদায়িকতা আৰু অন্যান্য বিষয়ত বিভাজনৰ সৃষ্টি কৰিছিল। ১৯৩৩ চনৰ মে মাহত কংগ্রেছে আনুষ্ঠানিকভাৱে এই আন্দোলন স্থগিত ৰাখে আৰু ১৯৩৪ চনৰ মে মাহত ইয়াক উঠাই লয়।

জানি থোৱা ভাল



১৯৩২ চনত ব্রিটিছ চৰকাৰে 'সাম্প্রদায়িক বাটোৱাৰা' (Communal Award) ঘোষণা কৰিছিল। এই বাটোৱাৰা ব্রিটিছ প্রধানমন্ত্রী ৰামশ্বে মেকডোনাল্ডে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল হিন্দুসকলৰ মাজত বিভাজন সৃষ্টি কৰা। ইয়াৰ জৰিয়তে পিছপৰা শ্রেণীৰ বাবে বিধান সভাত সুকীয়া প্রতিনিধিত্বৰ ব্যৱস্থা কৰা হৈছিল।

আইন অমান্য আন্দোলনৰ তাৎপর্য্য

- ইয়াৰ মূল লক্ষ্য আছিল পূর্ণ স্বৰাজ।
- এই আন্দোলনত মহিলাসকলে বিপুলভাৱে যোগদান কৰিছিল।
- ইয়াৰ জৰিয়তে ইচ্ছাকৃত ভাৱে আইন ভংগ কৰা হৈছিল আৰু স্বাভাৱিকতে এই আন্দোলন অধিক উগ্রৰূপ ধাৰণ কৰিছিল।
- অসহযোগ আন্দোলনে যেনেদৰে হিন্দু-মুছলমান সম্প্রীতিৰ এক নিদর্শন আছিল এনে সম্প্রীতি আইন অমান্য আন্দোলনত পৰিলক্ষিত হোৱা নাছিল।



চিন্তা-চৰ্চা কৰক ১০.৩

নিম্নোক্ত স্থানসমূহ ভাৰতৰ মানচিত্ৰত চিহ্নিত কৰক—

(ক) দাণ্ডি (খ) আহমেদাবাদ (গ) বোম্বাই (ঘ) মাদ্ৰাজ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ কোন চনত ব্ৰিটিছ সংসদে ছাইমন কমিছনক ভাৰতলৈ পঠাইছিল?

.....

প্ৰশ্ন নং ৯ঃ কোন চনত লাহোৰ কংগ্ৰেছে পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং ১০ঃ কাক 'সীমান্ত গান্ধী' বুলি জনা যায়?

.....

প্ৰশ্ন নং ১১ঃ গান্ধী আৰউইন চুক্তি কোন চনত স্বাক্ষৰিত হৈছিল ?

.....

১০.৬ ভাৰত চৰকাৰ আইন, ১৯৩৫ চন

১৯৩৫ ৰ ভাৰত চৰকাৰ আইনখন ঘূৰণীয়া মেজমেল সমূহৰ প্ৰতিফলন আছিল। ১৯৩৫ৰ ভাৰত চৰকাৰ আইনখনেই ১৯৫০ চনৰ স্বাধীন ভাৰতৰ সংবিধানখন প্ৰস্তুত হোৱাৰ সময়লৈকে ভাৰতৰ সংবিধান হিচাপে কাম কৰিছিল। এই আইনখনৰ বৈশিষ্টসমূহ তলত আলোচনা কৰা হৈছে।

- এই আইনখনে বৃটিছ ভাৰতীয় প্ৰদেশ আৰু দেশীয় ৰাজ্যবোৰক লৈ এখন সৰ্বভাৰতীয় যুক্তৰাষ্ট্ৰ গঠনৰ প্ৰস্তাৱ ৰাখিছিল। বৃটিছ প্ৰদেশবোৰ এই যুক্তৰাষ্ট্ৰত যোগদান কৰিবলৈ বাধ্য আছিল যদিও দেশীয় ৰাজ্যবোৰ এই ক্ষেত্ৰত সিদ্ধান্ত ল'বলৈ স্বাধীন আছিল। এই আইনখনে এক যুক্তৰাষ্ট্ৰীয় কাৰ্যবাহী আৰু এখন যুক্তৰাষ্ট্ৰীয় বিধানমণ্ডল গঠনৰ কথাও কৈছিল।
- ১৯৩৫ খ্ৰীষ্টাব্দৰ আইখনৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্যটো আছিল প্ৰদেশিকবোৰৰ মাজত বিষয়বোৰ ভগাই দিয়া হৈছিল।
- প্ৰদেশবোৰৰ ওপৰত কেন্দ্ৰৰ নিয়ন্ত্ৰণ অতি কম আছিল। গৱৰ্ণৰ প্ৰদেশিক কাৰ্যবাহীৰ মুৰব্বীআছিল যদিও মন্ত্ৰীসকলৰ পৰামৰ্শ অনুযায়ীহে তেওঁ প্ৰশাসন চলাব লাগিছিল। গৱৰ্ণৰ সকলক যথেষ্ট শক্তি দিয়া হৈছিল যদিও তেওঁলোকে মন্ত্ৰীসকলৰ কামকাজত বৰ বেছি হস্তক্ষেপ কৰা নাছিল।

- এই আইনখনৰ জৰিয়তে কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত ভাগ কৰি দিয়া হৈছিল। কেন্দ্ৰসূচীৰ অৰ্ন্তগত বিষয়সমূহৰ ওপৰত কেন্দ্ৰ বিধানমণ্ডলীয়ে আইন প্ৰণয়ন কৰিব পাৰিছল আৰু প্ৰাদেশিকসূচীৰ অৰ্ন্তগতবিষয়সমূহ প্ৰাদেশিক আৰু স্থানীয় গুৰুত্বতাৰ আছিল।
- এই আইনখনৰ জৰিয়তে যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় স্থাপন কৰা হৈছিল।
- যদিও ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে ভাৰতীয় জনসাধাৰণক সন্তুষ্ট কৰিব নোৱাৰিলে, কিন্তু ভাৰতীয় ইতিহাসত প্ৰশাসনিক দৃষ্টিকোণৰ পৰা ই গুৰুত্বপূৰ্ণ।



১০.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যায়ন কৰি আপুনি জানিব পাৰিলে—

- আৰম্ভণিৰ পৰ্যায়ত ভাৰতীয় জাতীয় কংগ্ৰেছত নৰমপন্থী নেতাসকলৰ আধিপত্য আছিল। এই নেতাসকলে বৃটিছসকলৰ প্ৰতি সহিষ্ণু মনোভাৱ পোষণ কৰিছিল। সেয়েহে ভাৰতীয় জাতীয় কংগ্ৰেছত এই প্ৰথম পৰ্যায়টোক নৰম পন্থাৰ পৰ্যায় ৰূপে জনা যায়।
- জাতীয় সংগ্ৰামৰ প্ৰাৰম্ভিক পৰ্যায়ত সাম্প্ৰদায়কতীবাদে মূৰ দাঙ উঠে আৰু কাল ক্ৰমত সাম্প্ৰদায়িকতাবাদে ইয়াৰ নিজৰ বাবে এক নিগাজী স্থান লাভ কৰিলে।
- গান্ধীজীৰ আগমনে কেনেদৰে জাতীয় আন্দোলনে এক নতুন গতি কৰিছিল তাক জানিব পাৰিলে। তেওঁৰ সত্যাগ্ৰহ, অসহযোগ আৰু আইন অমান্য আন্দোলনে এক বৃহৎ সংখ্যক জনগণক আন্দোলনটিলৈ টানি আনিছিল।
- বৃটিছ চৰকাৰে জনগণক শান্ত কৰিবৰ বাবে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন প্ৰণয়ন কৰিছিল যদিও ই বিফল হৈছিল। যদিও প্ৰদেশিক মন্ত্ৰীসভা সৰহদিন টিকি নাথাকিল।



১০.৮ প্ৰসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.

১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দক্ষিণ আফ্রিকা

২ নং প্রশ্নৰ উত্তৰঃ ১৯১৭ চন

৩ নং প্রশ্নৰ উত্তৰঃ ১৯১৯ চন

৪ নং প্রশ্নৰ উত্তৰঃ ১৯১৯ চন

৫ নং প্রশ্নৰ উত্তৰঃ ১৯১৯ চন

৬ নং প্রশ্নৰ উত্তৰঃ মৌলানা মহম্মদ আলি, চৌকত আলি

৭ নং প্রশ্নৰ উত্তৰঃ ১৯২২ চন

৮ নং প্রশ্নৰ উত্তৰঃ ১৯২৭ চন

৯ নং প্রশ্নৰ উত্তৰঃ ১৯২৯ চন

১০ নং প্রশ্নৰ উত্তৰঃ খান আব্দুল গফৰ খান

১১ নং প্রশ্নৰ উত্তৰঃ ১৯৩১ চন।

১০.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ গান্ধীয়ে অসহযোগ আন্দোলন কিয় স্থগিত ৰাখিছিল?

প্রশ্ন ২ঃ ভাৰতীয়সকলে চাইমন আয়োগৰ কিয় বিৰোধিতা কৰিছিল?

প্রশ্ন ৩ঃ নেহৰু ৰিপ'টাৰ প্রদান খনিকৰ কোন আছিল?

প্রশ্ন ৪ঃ 'সাম্প্রদায়িক বাটোৱাৰা' (Communal Award) কোনে ঘোষণা কৰিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসহযোগ আন্দোলনৰ তাৎপর্যৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ ভাৰত চৰকাৰ আইন, ১৯৩৫ৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ৩ঃ প্রথম ঘূৰণীয়া মেজ মেলৰ ওপৰত এটি চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ভাৰতীয় জাতীয় আন্দোলনত গান্ধীৰ ভূমিকাৰ পর্যালোচনা কৰক।

প্রশ্ন ২ঃ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ বৈশিষ্ট্যবোৰৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতৰ জাতীয় আন্দোলন ১৯৩৯ চনৰ পৰা ১৯৪৭ চনলৈ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ আগষ্ট প্ৰস্তাৱ
১১.৪ ভাৰত ত্যাগ আন্দোলন
১১.৫ সুভাষ চন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজ
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ প্ৰসংগ পুথি
১১.৮ অগ্ৰগতিৰ খতিয়ান
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আগষ্ট প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতৰ স্বাধীনতা সংগ্ৰামত সুভাষ চন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

আগৰ অধ্যায়টোত ইতিমধ্যে আমি গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টোত আমি স্বাধীনতা সংগ্ৰামৰ পৰৱৰ্তী পৰ্যায়ৰ বিষয়ে আলোচনা কৰিম। আপোনালোক সকলোৱে দ্বিতীয় বিশ্বযুদ্ধৰ বিষয়ে কম বেছি পৰিমাণে জ্ঞাত। নহয় জানো? বৃটেইনো এই যুদ্ধৰ এটা পাৰ্টী আছিল। বৃটেইনে স্বাধীনতা আৰু গণতন্ত্ৰৰ সম্পৰ্কে এই যুদ্ধত অংশগ্ৰহণ কৰিছিল। সেই কাৰণে তেওঁলোকে ভাৰতবৰ্ষয়েও এই যুদ্ধত তেওঁলোকক সহায় কৰাতো বিচাৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামে এই সময়ছোৱাত সেইবাবে এটি গতি পাইছিল। এই অধ্যায়টো অধ্যয়ন কৰাৰ পাছত ভাৰতৰ স্বাধীনতা সংগ্ৰামত ১৯৩৯ৰ পৰা ১৯৪৭ চনলৈ সংঘটিত হোৱা বিভিন্ন পৰ্যায়ৰ বিষয়ে আমাৰ এটি নিকা ধাৰণা হ'ব।

১১.৩ আগষ্ট প্ৰস্তাৱ

১৯৪০ চনত যেতিয়া বৃটেইনৰ অৱস্থা বেয়াৰ ফাললৈ ঢাল খাই তেতিয়া বৃটেইনে ভাৰতক যুদ্ধত হাত আগবঢ়াবলৈ অনুৰোধ কৰে। সেই মৰ্মে জুনৰ ১তাৰিখে গান্ধীয়ে দুটা চৰ্তত কৰিবলৈ

আগবাঢ়ে। সেইকেইটা হৈছে —

- স্বাধীনতাক লক্ষ্য হিচাপে ঘোষণা কৰা হয়।
- বিভিন্ন ৰাজনৈতিক দলসমূহ এক গোট হৈ এখন প্ৰাদেশিক চৰকাৰ গঠন কৰা।

১৯৪০ চনত সকলো দলৰ লগত আলোচনা কৰি ভাইচৰয় লৰ্ড লিনথিগোৱে এখন বিবৃতি জাৰী কৰে আৰু সেইখনেই হৈছে আগষ্ট প্ৰস্তাৱ তলত তাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা হৈছে —

১। আগষ্ট প্ৰস্তাৱৰ জৰিয়তে যুদ্ধৰ সমাপ্তিৰ পিছত ডমিনিয়েনৰ আৰ্হিৰে এখন পূৰ্ণপৰ্যায়ৰ দায়িত্বশীল চৰকাৰ প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতি আগবঢ়োৱা হয়।

২। এখন নতুন সংবিধান প্ৰণয়নৰ বাবে এখন প্ৰতিনিধিত্বমূলক সভা গঠন কৰা।

৩। মুছলীম লীগে বিৰোধিতা কৰা কোনো ধৰণৰ সংবিধান ভাৰতৰ বাবে গ্ৰহণ নকৰা বুলি মুছলীম লীগক প্ৰতিশ্ৰুতি প্ৰদান কৰে।

৪। যুদ্ধৰ সময়ছোৱাৰ বাবে ভাইচৰয়ে এখন অন্তবৰ্তীকালীন আয়োগ গঠন কৰিব। উল্লেখনীয় যে এই আয়োগখনত যোগ দিয়াৰ বাবে কেইগৰাকীমান ভাৰতীয় লোককো আমন্ত্ৰণ জনোৱা হয়।

উল্লেখনীয় যে ভাৰতীয় জীতীয় কংগ্ৰেছে আগষ্ট প্ৰস্তাৱ ভৱিষ্যৎ দিনবোৰত ৰেহাইৰ কিছুমান ঘোষণা বুলি আগষ্ট প্ৰস্তাৱ নাকচ কৰে। ভাৰতীয় সকল যে বৃটিছক যুদ্ধত সহায় কৰিবৰ বাবে একেবাৰে আগ্ৰহী নহয় সেই কথা নিশ্চয় কৈ বুজাই দিবৰ বাবে গান্ধীয়ে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰে।

১১.৪ ভাৰত ত্যাগ আন্দোলন

দ্বিতীয় বিশ্বযুদ্ধই ভাৰতীয় ৰাজনীতিৰ দৃশ্যপট সলাই পেলাইছিল। এই সন্ধিক্ষণত ভাৰতলৈ ক্ৰিপছ্ মিছন পঠিওৱা হৈছিল। ক্ৰিপছ্ মিছনে স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিব পৰা নাছিল আৰু সেইবাবেই বিফল হৈছিল। ক্ৰিপছ্ মিছনৰ বিফলতাই ভাৰতবৰ্ষৰ ৰাজনীতিক উত্তাল কৰি তুলিছিল। গান্ধীয়ে মুকলিভাৱে ঘোষণা কৰিছিল যে ব্ৰিটেইন আৰু ভাৰতৰ মাজত কোনো বন্ধুত্বপূৰ্ণ বুজাবুজি হ'ব নোৱাৰে। ১৯৪২ চনৰ এপ্ৰিল মাহত তেওঁ ব্ৰিটিছক তাৎক্ষণিকভাৱে ভাৰত ত্যাগ কৰিবলৈ দাবী জনাইছিল।

সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিয়ে ১৯৪২ চনৰ ৮ আগষ্টত বোম্বাই অধিবেশণত 'ভাৰত ত্যাগ' অৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। মহাত্মা গান্ধী সৰ্বভাৰতীয় পৰ্যায়ত এক গণ আন্দোলন গঢ়াৰ পক্ষপাতী আছিল। অৱশ্যে কংগ্ৰেছ নেতৃত্বক এই প্ৰস্তাৱটিক বাস্তৱায়িত কৰিবলৈ সময় দিয়া নহ'ল কাৰণ পিছদিনাখনেই (৯ আগষ্ট) আন নেতা সমন্বিতে গান্ধীক গ্ৰেপ্তাৰ কৰা হ'ল। গান্ধীৰ 'কৰিম বা মৰিম' - এই বাণীৰদ্বৰা অনুপ্ৰাণিত হৈ হাজাৰ হাজাৰ লোকে ভাৰত ত্যাগ আন্দোলনত যোগদান কৰিছিল। ব্ৰিটিছৰ নিষ্ঠুৰ দমনৰ ফলশ্ৰুতিত এই আন্দোলনে উগ্ৰমূৰ্তি ধাৰণ কৰিছিল। মানুহে ধৰ্মঘট, হৰতাল আদি আৰম্ভ কৰাৰ লগতে প্ৰতিবাদৰ আন মাধ্যমসমূহো



ক্ৰিপ্ছ মিছন ঃ ১৯৪২ চনৰ মাৰ্চ মাহত বৃটিছ যুদ্ধ পৰিষদে চাৰ ষ্টাফোৰ্ড ক্ৰিপ্ছক সংবিধান সংশোধনৰ কিছু প্ৰস্তাবৰ সৈতে ভাৰতলৈ পঠাইছিল। অৱশ্যে ভাৰতীয়সকলে ইয়াক গ্ৰহণ কৰা নাছিল আৰু ক্ৰিপ্ছ মিছন বিফল হৈছিল।

ব্যৱহাৰ কৰিছিল। মানুহে যাতায়ত সেৱা আৰু যোগাযোগ ব্যৱস্থা নষ্ট কৰিছিল আৰু ৰেল লাইন তথা পুলিচ চকী জ্বলাই দিছিল। এনেদৰে সাধাৰণ মানুহ সকলো ঠাইতে অহিংস হৈ থাকিব পৰা নাছিল। ফলত ভাৰত ত্যাগ আন্দোলন যিভাৱেই আৰম্ভ নহওক সৰ্বশেষত ই এক সৰ্বাত্মক বিদ্রোহলৈ ৰূপান্তৰিত হ'ল।



জানি থোৱা ভাল

১৯৪২ চনৰ আগষ্ট মাহত আৰম্ভ হোৱা হেতুকে ভাৰত ত্যাগ আন্দোলনক 'আগষ্ট বিপ্লৱ' বুলিও জনা যায়।

অৱশ্যে আন্দোলনটো দীৰ্ঘকাললৈ নচলিল। মুছলিম লীগ আৰু কমিউনিষ্ট পার্টীয়ে এই আন্দোলনৰ বিৰোধিতা কৰিছিল। সুনির্দ্দিষ্ট সংগঠনৰ অভাৱ তথা এক স্পষ্ট কার্যসূচী নথকা বাবে এই আন্দোলন বিফল হৈছিল। নিষ্ঠুৰ দমন নীতিৰ দ্বাৰা চৰকাৰে এই আন্দোলন মষিমূৰ কৰাত সফল হৈছিল। অৱশ্যে ১৯৪২ চনৰ গণ উত্থানে ভাৰতীয় জাতীয় আন্দোলনত প্রভূত পৰিমাণে বৰঙণি আগবঢ়াইছিল আৰু ১৯৪৭ চনত ভাৰতবর্ষই স্বাধীনতা লাভ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোন চনত ভাৰত ত্যাগ প্রস্তাৱ গ্রহণ কৰা হৈছিল?

.....

প্রশ্ন নং ২ঃ ভাৰত ত্যাগ আন্দোলন দমন কৰাত ব্রিটিছ চৰকাৰ সফল হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

১১.৫ সুভাষ চন্দ্র বসু আৰু আজাদ হিন্দ্ ফৌজ

চিত্র ১১.১ সুভাষ চন্দ্র বসু



আপোনালোকে নিশ্চয় সুভাষ চন্দ্র বসুৰ নাম শুনিছে। তেওঁক এগৰাকী জাতীয় বীৰ ৰূপে সন্মান জনোৱা হয়। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এগৰাকী মেধাবী ছাত্র আছিল আৰু ভাৰতীয় অসামৰিক সেৱাৰ সদস্য আছিল। ভাৰতৰ স্বাধীনতাৰ হকে তেওঁ তেওঁৰ আকর্ষণীয় পেচা পৰিত্যাগ কৰিছিল।

নীতি আৰু কৌশলৰ ক্ষেত্রত সুভাষ চন্দ্র বসু আৰু গান্ধীৰ মাজত মৌলিক পার্থক্য আছিল। গান্ধীজীয়ে ১৯৩৪ চনত অসহযোগ আন্দোলন স্থগিত ৰখাত বসুৱে যথেষ্ট হতাষ হৈছিল। তেওঁ দুবাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হৈছিল। কিন্তু কংগ্রেছৰ শীর্ষ নেতৃবৃন্দৰ লগত তেওঁৰ মতবিৰোধ হোৱাত ১৯৩৯ চনত কংগ্রেছ ত্যাগ কৰি 'ফৰৱার্ড ব্লক' নামৰ এক নতুন দল গঠন কৰে।

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হয়। বসুৱে ভাৰতৰ স্বাধীনতা প্রাপ্তিৰ বাবে

ইংৰাজৰ ওপৰত আঘাট হানিবলৈ ইয়াক এক সুবর্ণ সুযোগ বুলি ভাবিছিল। ভাৰতীয় প্ৰতিৰক্ষা নিয়মৰ অধীনত ১৯৪০ চনৰ জুলাই মাহত তেওঁক ভাৰত চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। ১৯৪১ চনত তেওঁ ভাৰতবর্ষৰ পৰা পেচৰাৰ আৰু ৰাছিয়া হৈ পলাই যায় আৰু জার্মানীৰ বার্লিন পায়হি। জার্মানীত থকা ভাৰতীয় সকলে তেওঁক তেওঁলোকৰ নেতাৰূপে (নেতাজী) সাদৰি লৈছিল আৰু 'জয় হিন্দ' ধ্বনিৰে সম্ভাষণ জনাইছিল। জাপানীসকলৰ সহযোগত ব্ৰিটিছৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম সংগঠিত কৰিবলৈ ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহত জাপান অভিমুখে গতি কৰে। ৰাস বিহাৰী বসুৰ নিচিনা এগৰাকী পুৰণি বিপ্লৱী জাতীয়তাবাদীৰ সহযোগত সুভাষ চন্দ্ৰ বসুৱে 'আজাদ হিন্দ ফৌজ অথবা ভাৰতীয় জাতীয় সেনানী (INA) ছিংগাপুৰত গঠন কৰে আৰু ইয়াক বিখ্যাত যুদ্ধ-ঘোষণা। 'দিল্লী চলো' ৰে আন্দোলিত কৰি তোলে।



জানি থোৱা ভাল

সুভাষ চন্দ্ৰ বসুৰ আগতে 'ভাৰতীয় জাতীয় সেনানী'ৰ পৰিকল্পনা কেপ্টেইন মোহন সিং নামৰ এগৰাকী ব্যক্তিয়ে কৰিছিল। তেওঁ ব্ৰিটিছ ইণ্ডিয়ান আর্মীৰ এগৰাকী বিষয়া আছিল।

সুভাষ চন্দ্ৰ বসুয়ে আই. এন. এ (INA)ৰ শীর্ষতম সেনাপতিৰ দায়িত্ব লৈছিল। দক্ষিণ পূব এছিয়াত থকা ভাৰতীয়সকলে আৰু জাপানী সেনাৰ দ্বাৰা মালয়, বার্মা আৰু ছিংগাপুৰত কৰায়ত্ব হোৱা ভাৰতীয় সেনা আৰু বিষয়াসকলক লৈ 'আজাদ হিন্দ্ ফৌজ' (আই. এন. এ) গঠিত হৈছিল। জাপানী সৈন্যৰ সহযোগত আই. এন. এৰ. ব্ৰিগেড ভাৰতীয় সীমালৈ অগ্ৰসৰ হৈছিল। ১৯৪৪ চনৰ মার্চ মাহত নাগালেণ্ডৰ ক'হিমাত 'আজাদ হিন্দ্ ফৌজে' ভাৰতীয় পতাকা উত্তোলন কৰিছিল।

কিন্তু ১৯৪৪-৪৫ চনৰ ভিতৰত সমগ্ৰ বিশ্বৰ ৰাজনৈতিক দৃশ্যপট সলনি হ'ব ধৰে। দ্বিতীয় বিশ্বযুদ্ধত জাপান পৰাভূত হোৱাত আজাদ হিন্দ্ ফৌজেও পিছ হুহুকিবলৈ বাধ্য হ'ল। এক বিমান দুর্ঘটনাত সুভাষ চন্দ্ৰ বসুয়ে প্ৰাণ হেৰুৱালে বুলি খবৰ ওলাল। সুভাষ চন্দ্ৰ বসুৰ দেশপ্ৰেম আৰু ভাৰতীয় জাতীয় সেনানীৰ আদর্শই জনসাধাৰণক বহু পৰিমাণে প্ৰভাৱিত কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ১৯৩৯ চনত সুভাষ চন্দ্ৰ বসুয়ে গঠন কৰা দলটোৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৪ঃ ১৯৪৪ চনত ভাৰতৰ ক'ত আজাদ হিন্দ ফৌজে ভাৰতৰ পতাকা উৰুৱাই?

.....



দ্বিতীয় বিশ্ব যুদ্ধ ঃ দ্বিতীয় বিশ্ব যুদ্ধ ১৯৩৯ চনত অৰম্ভ হৈছিল। কেন্দ্ৰীয় শক্তি (জার্মানী, ইটালি, জাপান)-য়ে এই যুদ্ধত মিত্ৰ শক্তি (বৃটেইন, ফ্ৰান্স, চোভিয়েট ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ)-ৰ বিৰুদ্ধে অৱতীর্ণ হৈছিল।

চিত্ৰ ১১.২ আজাদ হিন্দ্ ফৌজে ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাৰ এটি মূহুর্ত



উৎস ঃ *গোগোল ইমেজ*

প্ৰশ্ন নং ৫ঃ দ্বিতীয় বিশ্বযুদ্ধ কোন চনত আৰম্ভ হয় ?

.....

প্ৰশ্ন নং ৬ঃ আগষ্ট প্ৰস্তাৱ কোনে জাৰি কৰে ?

.....



১১.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- আগষ্ট প্ৰস্তাৱৰ বিষয়ে লগতে এই প্ৰস্তাৱে যে ভাৰতৰ সমস্যাসমূহ সমাধা কৰিব নোৱাৰিলে, সেই বিষয়ে জানিব পাৰিলে।
- ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে জানিব পাৰিলে।
- সুভাষ চন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজৰ বিষয়েও জানিব পাৰিলে।



১১.৭ প্ৰসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996) A *new advanced history of India, New Delhi, Prentice Hall of India*
2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.



১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১৯৪২ চন

২ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰঃ ফ'ৰৱাৰ্ড ব্লক

৪ নং প্ৰশ্নৰ উত্তৰঃ কহিমা

৫ নং প্ৰশ্নৰ উত্তৰঃ ১৯৩৯ চনত

৬ নং প্ৰশ্নৰ উত্তৰঃ লৰ্ড লিনথিগো।



১১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কংগ্ৰেছৰ কোনখন অধিৱেশনে ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰে?

প্ৰশ্ন ২ঃ ভাৰত ত্যাগ আন্দোলনৰ আন এটা নাম কি?

প্ৰশ্ন ৩ঃ ফ'ৰৱাৰ্ড ব্লক কোনে গঠন কৰে?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰত ত্যাগ আন্দোলন কিয় বিফল হয়?

প্ৰশ্ন ২ঃ ভাৰতীয় জাতীয় সেনা (INA)ৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয়সকলে কিয় আগষ্ট প্ৰস্তাৱ নাকচ কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰত ত্যাগ আন্দোলনৰ ওপৰত এটি আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত সুভাষ চন্দ্ৰ বসুৰ ভূমিকাৰ পৰ্যালোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ বিভাজন আৰু ক্ষমতাৰ হস্তান্তৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ যুদ্ধোত্তৰ পৰিস্থিতি - বৃটিছ দৃষ্টিভংগীৰ পৰিৱৰ্তন
১২.৪ কেবিনেট মিছন আঁচনি
১২.৫ সাম্প্রদায়িক ৰাজনীতি আৰু দেশ বিভাজন
১২.৬ মাউণ্ট বেটেণ্টৰ পৰিকল্পনা আৰু ভাৰত স্বাধীনতা আইন ১৯৪৭
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ প্রসংগ পুথি
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবৰ্ষৰ ৰাজনীতিত দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কেবিনেট মিছনৰ আঁচনিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- দেশ বিভাজনৰ বিভিন্ন কাৰকসমূহ বর্ণনা কৰিব পাৰিব
- স্বাধীনতা অর্জনৰ বিভিন্ন পর্যায়সমূহ বর্ণনা কৰিব পাৰিব।

১২.২ পৰিচয়

এচিয়া আৰু আফ্রিকাৰ স্বাধীনতা আন্দোলনবোৰলৈ দ্বিতীয় বিশ্বযুদ্ধই এক নতুন উদ্দীপনা প্রদান কৰিলে। আমি আগৰ অধ্যায়তে ইতিমধ্যে আলোচনা কৰি আহিছো যে, দ্বিতীয় বিশ্বযুদ্ধত বৃটেইন গণতন্ত্রৰ প্রচাৰ চলোৱা বিজয়ী শক্তিৰ পক্ষত আছিল। সেইবাবে এছিয়া আৰু আফ্রিকাৰ উপনিৱেশবোৰৰ স্বাধীনতাক আগ্রাহ্য কৰাক লৈ বৃটেইনে এক আহুকলীয়া পৰিস্থিতিৰ মুখামুখি হ'ব লগাত পৰিল। আন বৃহৎ শক্তিবোৰেও এই ক্ষেত্রত বৃটেইনৰ ওপৰত হেঁচা দিব আৰম্ভ কৰিলে। ফলশ্রুতিত বৃটেইনে ভাৰতৰ ওপৰত ৰখা ৰাজনৈতিক আধিপত্য এৰি দিব বাধ্য হ'ল। কিন্তু ইতিমধ্যে ভাৰতত দৃঢ়ভাৱে খোপনি মাৰি ধৰা সাম্প্রদায়িক ৰাজনীতিৰ ফলশ্রুতিত ভাৰতবর্ষই স্বাধীনতা লাভ কৰিলে যদিও এই স্বাধীনতা আহিল দেশৰ অখণ্ডতাক বিসর্জন দিয়াৰ বিনিময়ত ভাৰতবর্ষৰ বিভাজন ঘটিল।

১২.৩ যুদ্ধোত্তৰ পৰিস্থিতি - বৃটিছ দৃষ্টিভংগীৰ পৰিৱৰ্তন

ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দ্বিতীয় বিশ্বযুদ্ধই এক নতুন উদ্দীপনা প্রদান কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ ফলত আন্দঃ ৰাষ্ট্রীয় ক্ষেত্রত বৃটেইনৰ শ্রেষ্ঠতা নোহোৱা হ'ল। বিশ্বৰ দুই বৃহৎ শক্তি ৰূপে আমেৰিকা আৰু ৰাছিয়াৰ অভ্যুত্থান ঘটিল। ভাৰতবর্ষক স্বাধীন কৰি দিবলৈ দেশ দুখনে বৃটিছ চৰকাৰক সজোৰে আহ্বান জনালে।

এই সময়ছোৱাত ১৯৪৫ চনৰ ১০ জুলাইত ক্লীমেন্ট এট্‌লী নেতৃত্বাধীন লেবাৰ পার্টীয়ে বৃটেইনত ক্ষমতালাভ কৰে। এই চৰকাৰখন ঔপনিবেশিকতাবাদৰ বিৰোধী আছিল আৰু ভাৰতৰ প্রতি এক সহানুভূতিশীল মনোভাৱ ৰাখিছিল। বিশ্বযুদ্ধখনে বৃটেইনক আর্থিক আৰু সামৰিকভাৱে দুর্বল কৰি তোলাৰ বাবে ঔপনিবেশবোৰত শক্তিশালী অৱশথা ৰখাটো দেশখনৰ বাবে অসম্ভৱ হৈ পৰিছিল। ইয়াৰোপৰি ভাৰতীয় ফৌজ, আৰক্ষী আৰু আমোলাৰ মাজত জাতীয় ভাৱাবেগ দ্রুততৰ বদ্ধি পাইছিল। সংস্কাৰ সাধন আৰু দায়বদ্ধ চৰকাৰ গঠনৰ দাবীত হায়দৰাবাদ, ট্রাভানকোৰ আৰু কাশ্মীৰত ১৯৪৫ - ৪৬ ৰ ভিতৰত বহুতো তাৎপর্যপূর্ণ আন্দোলন সংঘটিত হৈছিল।



জানি থোৱা ভাল

১৯৪৬ চনৰ ২০ জানুৱাৰীত কৰাচীত বায়ু সেনা বাহিনীৰ কিছু সৈন্যই বৃটিছ চৰকাৰৰ বিৰুদ্ধে ধর্মঘট কৰিছিল।অতি কম সময়ৰ ভিতৰত এই ধর্মঘট লাহোৰ, দিল্লী আৰু বোম্বেলৈ বিয়পি পৰিছিল। ১৯৪৬ চনৰ ১৯ ফ্রেব্রুৱাৰীত ৰয়েল নেভীৰ কিছুমান ভাৰতীয় সেনাৰ কোম্পানীয়ে বায়ু সেনাৰ সৈন্যসকলৰ সমর্থনত বৃটিছ চৰকাৰৰ বিৰুদ্ধে বিদ্রোহ কৰে। পাছলৈ দিল্লী আৰু বিহাৰত পুলিচ বাহিনীবোৰেও ধর্মঘট কৰে।

১২.৪ কেবিনেট মিছন আঁচনি

এনে পৰিস্থিতিত লেবাৰ পার্টীয়ে ভাৰতৰ সমস্যা নিষ্ঠাৰে সমাধান কৰিব বিচাৰিছিল। ভাৰতবর্ষত ঘটি থকা অচলাৱস্থাৰ সমাধান কৰিবলৈ ১৯৪৬ চনৰ ১৯ ফ্রেব্রুৱাৰীত বৃটিছ প্রধানমন্ত্রী এট্‌লিয়ে 'মন্ত্রী মিছন' বা 'কেবিনেট মিছন' পঠিওৱাৰ কথা ঘোষণা কৰে। বৃটিছ কেবিনেট মন্ত্রীসভাৰ তিনিজন সদস্য — লর্ড পেথিক লৰেন্স, চাৰ ষ্টেফোর্ড ক্রিপছ্ আৰু এ ভি আলেকজেণ্ডাৰৰ দ্বাৰা এই মিছন গঠিত হৈছিল। তেওঁলোকে ৭৪২ জন ভাৰতীয় নেতাৰ সৈতে ১৮২ বাৰ আলোচনাত বহে। যদিও সাম্প্রদায়িক বিষয়টো সমাধান কৰিব নোৱাৰিলে। অৱশেষত মিছনে 'কেবিনেট মিছন প্লেন' নামৰ সকলো ৰাজনৈতিক দলে গ্রহণ কৰিব পৰা এক আঁচনি ঘোষণা কৰে।

কেবিনেট মিছন আঁচনিত ঘোষণা কৰা হৈছিল যে বৃটিছ শাসিত ভাৰতীয় প্রদেশ আৰু দেশীয় ৰাজ্যবোৰক লৈ ভাৰতত এখন যুক্তৰাষ্ট্রীয় চৰকাৰ গঠন হ'ব। যুক্তৰাষ্ট্রীয় চৰকাৰৰ শাসন

তন্ত্ৰ বিধানমণ্ডলত প্ৰদেশ আৰু দেশীয় ৰাজ্যবোৰৰ যোগাযোগ নিজৰ হাতত ৰাখিব আৰু বাকীবোৰ প্ৰদেশিক চৰকাৰৰ হাতত ন্যস্ত থাকিব। মিছনে ভাৰতৰ এখন বাবে সংবিধান সভা গঠনৰ প্ৰস্তাৱ আগবঢ়ালে। এই প্ৰস্তাৱিত সংবিধান সভাত প্ৰতিখন প্ৰদেশৰ জনসংখ্যাৰ ভিত্তিত প্ৰতিনিধিত্ব কৰাৰ সুবিধা থাকিব। সংবিধান প্ৰস্তুত হোৱালৈ কেন্দ্ৰত সকলো প্ৰদান ৰাজনৈতিক দলৰ সমৰ্থনত এখন ১৪ জনীয়া অন্তৰৱৰ্তীকালীন চৰকাৰৰ গঠন কৰা হ'ল। এই চৰকাৰৰ সকলো পদবী ভাৰতীয় মন্ত্ৰীৰ হাতত থাকিব। মিছনে লগতে প্ৰস্তাৱ আগবঢ়ালে যে প্ৰতিটো সাম্প্ৰদায়িক বিষয়ে প্ৰধান সম্প্ৰদায় দুটিৰ উপস্থিত আৰু ভোট দিয়া প্ৰতিনিধিৰ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা নিৰূপন কৰা হ'ব। বৃটিছ ভাৰতবৰ্ষত প্ৰদেশবোৰক তিনিটা ভাগত ভাগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। হিন্দু প্ৰধান প্ৰদেশবোৰক লৈ প্ৰথমটি গোট, মুচলমান প্ৰদেশবোৰক লৈ দ্বিতীয়টি গোট আৰু হিন্দু আৰু মুছলমান সমসংখ্যাত থকা বংগ আৰু অসমক লৈ তৃতীয়টি গোট গঠন কৰা হ'ল। প্ৰতিটো গোটেই নিয়াৰ নিজাববীয়া সংবিধান ৰচনা কৰিব। কেন্দ্ৰৰ বাবে এখন সংবিধান ৰচনা কৰিবলৈ এই সকলোবোৰৰ গোটৰ প্ৰতিনিধিসকলে এখনি সংবিধানী সভাত মিলিত হ'ব।

কেবিনেট মিছন আঁচনি প্ৰায় সকলোবোৰ ৰাজনৈতিক দলৰ বাবে গ্ৰহনীয় আছিল। ১৯৪৬ ৰ ৬ জুনত মুছলীম লীগে ইয়াক গ্ৰহণ কৰে আৰু একেদৰে ১৯৪৬ ৰ

জুনত ভাৰতীয় জাতীয় কংগ্ৰেছে এই আঁচনি মানি লয়। সংবিধানী সভাৰ বাবে হোৱা নিৰ্বাচনত কংগ্ৰেছ বিপুলভাৱে জয়লাভ কৰে। ২৯৬ খন আসনৰ বাবে হোৱা নিৰ্বাচনত কংগ্ৰেছে ২১২ খন দখল কৰাৰ বিপৰীতে লীগে মাথো ৭৩ খন কিবাকৈ নিজৰ হাতলৈ আনে।



জানি থোৱা ভাল

১৯৪৩ খ্ৰীষ্টাব্দত ভাৰতবৰ্ষলৈ নতুন ভাইচৰয় হিচাপে অহা লৰ্ড ৱাভেলে ভাৰতবৰ্ষৰ সাংবিধানিক অছলাৱস্থাৰ সমাধান কৰিবলৈ ১৯৪৫ খ্ৰীষ্টাব্দৰ ১৪ জুনত এক পৰিকল্পনা ৰচনা কৰে— যাক ৱাভেল পৰিকল্পনা বুলি জনা যায়। ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত ব্যাপকভাৱে গঢ় লৈ উঠা অসন্তোষ প্ৰশমিত কৰিবলৈ আৰু জাপানৰ বিৰুদ্ধে ভাৰতৰ সহযোগ নিশ্চিত কৰিবলৈ এই ।আঁচনি প্ৰস্তুত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক ঃ

(ক) ভাৰতৰ প্ৰতি লেবাৰ পাৰ্টিৰ সহানুভূতি আছিল।

(খ) দ্বিতীয় বিশ্বযুদ্ধই বৃটেইনৰ শক্তি আৰু সন্মান বৃদ্ধি কৰিছিল।

(গ) ভাৰতবৰ্ষত এখন যুক্তৰাষ্ট্ৰীয় চৰকাৰ হ'ব বুলি কেবিনেট মিছন আঁচনিয়ে ঘোষণা কৰিছিল।

(ঘ) কেবিনেট মিছন আঁচনিয়ে ভাৰতৰ প্ৰদেশবোৰক দুটা গোটত বিভক্ত কৰাৰ সিদ্ধান্ত লৈছিল।

প্ৰশ্ন নং ২ঃ মুছলিম লীগে কেতিয়া কেবিনেট মিচন আঁচনি গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং ৩ঃ ইণ্ডেডত লেবাৰ পাৰ্টি কেতিয়া ক্ষমতালৈ আহিছিল?

.....

১২.৫ সাম্প্ৰদায়িক ৰাজনীতি আৰু দেশ বিভাজন

কংগ্ৰেছ আৰু মুছলীম লীগে কেবিনেট মিছন আঁচনিক নিজ ধৰণে বাখ্যা কৰিছিল আৰু এনে কৰাৰ বাবে দুয়োদলে নিজৰ নিজৰ অৱস্থান দৃঢ় কৰিবলৈ বিচাৰিছিল। মিছন আঁচনিত থকা বাধ্যতামূলকত গোটবন্ধনে পাকিস্তানৰ আধাৰ প্ৰস্তুত কৰাৰ ইতি বহন কৰিছিল বাবে লীগে ছ জুনত ইয়াক গ্ৰহণ কৰিছিল।

কিন্তু কেবিনেট মিছন আঁচনি নাকচ কৰাৰ পিছত পাকিস্তান প্ৰাপ্তিৰ বাবে মুছলিম লীগে প্ৰত্যক্ষ সংগ্ৰামৰ পথ বাছি লোৱাৰ সিদ্ধান্ত লয়। ১৯৪৬ চনৰ ১৬ আগষ্ট তাৰিখে লীগে 'প্ৰত্যক্ষ সংগ্ৰামৰ দিন' উদ্‌যাপন কৰাৰ ফলশ্ৰুতিত দেশৰ পৰিৱেশ বিনষ্ট হোৱাৰ লগতে মুছলিম সাম্প্ৰাদায়িকতাবাদ যথেষ্ট বৃদ্ধি পায়। ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি শোচনীয় হ'বলৈ আৰম্ভ কৰিলে আৰু দেশখনত গৃহযুদ্ধৰ সম্ভাব্য পৰিস্থিতিৰ উদ্ভৱ হৈছিল।এই সময়ছোৱাতে কেবিনেট মিছন আঁচনি অনুযায়ী জৱাহৰলাল নেহেৰুৰ অধীনত ১৯৪৬ চনৰ ২ ছেপ্তেম্বৰত এখন অৰ্ন্তবৰ্ত্তীকালীন টচৰকাৰ গঠিত হ'ল। এই অন্তৰৰ্তীকালিন চৰকাৰ খনৰ ১৪ জন সদস্যৰ বিতৰত কংগ্ৰেচৰ পৰা ৬ জন, মুছলীম লীগৰ পৰা ৫ জন আৰু ভাৰতীয় খ্ৰীষ্টিয়ান, শিখ আৰু পাৰ্ছী প্ৰতিটো সম্প্ৰদায় এগৰাকী সদস্য আছিল। প্ৰথম অৱস্থাত মুছনীম লীগে বিৰোধিতা কৰিলেও পিছলৈ ভাইচৰয়ৰ চেষ্টাত তেওঁলোকে অন্তৰৰ্তীকালীন চৰকাৰত যোগ দিবলৈ সন্মতি প্ৰকাশ কৰিলে আৰু এনেদৰে লীগে ১৯৪৬ চনৰ ২৬ অক্টোবৰত চৰকাৰত যোগ দিলে। চৰকাৰত যোগদান কৰাৰ পিছতো লীগে কংগ্ৰেছৰ প্ৰতি এক অসহযোগ মনোভাৱ প্ৰকট কৰিলে। লীগে নেহেৰুৰ নেতৃত্ব মানি লোৱা নাছিল আৰু সততে মন্ত্ৰীপৰিষদৰ বিৰোধিতা কৰিছিল।

১২.৬ মাউণ্ট বেটেণ্টৰ পৰিকল্পনা আৰু ভাৰত স্বাধীনতা আইন ১৯৪৭

চৰকাৰে যিমান পাৰি সোনকালে দেশখনৰ ক্ষমতা দায়িত্বশীল ভাৰতীয়ৰ হাতলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লৈছিল। ১৯৪৭ৰ চনৰ ২০ ফ্ৰেব্ৰুৱাৰীৰ দিনা বৃটিছ প্ৰধানমন্ত্ৰী লৰ্ড এটলিয়ে ঘোষণা কৰে যে ১৯৪৮ চনৰ জুন মাহৰ পূৰ্বেই বৃটিছ চৰকাৰে ভাৰতৰ শাসন দায়িত্বশীল ভাৰতীয়ৰ হাতত অৰ্পন কৰাৰ নিশ্চিত অভিপ্ৰায় লৈছে।

১৯৪৭ চনৰ ২০ মাৰ্চত লৰ্ড ৱাডেলৰ ঠাইত মাউন্ট বেটেন ভাইচৰয় হয়। তেওঁ অনুভৱ কৰে যে কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত বুজা পৰা কৰাটো অসম্ভৱ। এই সমস্যাটোৰ একমাত্ৰ

সমাধান হৈছে দেশখনৰ বিভাজন কৰা। তেওঁ কংগ্রেছৰ জেষ্ঠ নেতাসকলৰ লগত আলোচনা কৰি দেশ বিভাজনৰ পক্ষে তেওঁলোকক সন্মত কৰে। ১৯৪৭ চনৰ ৩ জুনত ভাইচৰয়ে ভাৰত বিভাজন ঘোষণা কৰে আৰু মাউন্ট বেটেন পৰিকল্পনা অনুযায়ী সকলো ৰাজনৈতিক দলেই ইয়াক গ্রহণ কৰে। এই পৰিকল্পনা অনুযায়ী ভাৰত ৰাষ্ট্রক দুই খণ্ডত বিভাজন কৰা হ'ব— ভাৰত আৰু পাকিস্তান। ১৯৪৭ চনৰ ৰপ্তু আগষ্টত বৃটিছ চৰকাৰে জনসাধাৰণৰ ইচ্ছা অনুযায়ী গঠন কৰা এখন চৰকাৰৰ হাতত ক্ষমতা অর্পন কৰিবলৈ থিৰাং কৰে। সংবিধানী সভাই (কেবিনেট মিছন প্লেন অনুযায়ী গঠিত) সংবিধান ৰচনা কৰিব আৰু ইয়াক গ্রহণ কৰা অঞ্চলসমূহে এই সংবিধান প্রযোজ্য হ'ব। মাউন্টবেটেন পৰিকল্পনা কার্যকৰী কৰিবলৈ বৃটিছ সাংসদে ১৯৪৭ চনৰ ১৪ জুলাইত ভাৰতৰ স্বাধীনতা আইন প্রণয়ন কৰে। এনেদৰে ভাৰতত বৃটিছ সাম্রাজ্যৰ অন্ত পৰে আৰু ভাৰত তথা পাকিস্তান নামৰ দুখন সার্বভৌম ৰাষ্ট্রৰ জন্ম হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ মুছলিম লীগে কেতিয়া প্রত্যক্ষ সংগ্রামৰ দিন উদযাপন কৰিছিল ?

.....

প্রশ্ন নং ৫ঃ লর্ড ৰাভেলৰ ঠাইত ভাৰতৰ ভাইচৰয় হিচাপে কোন আহিছিল ?

.....

প্রশ্ন নং ৬ঃ বৃটিছ সংসদে ভাৰত স্বাধীনতা আইনখন কেতিয়া গৃহীত কৰে ?

.....



১২.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- বৃটেইনৰ ওপৰত পৰা আন্তঃৰাষ্ট্রীয় হেঁচাই ভাৰতক স্বাধীনতা লাভত সহায় কৰিছিল।
- ভাৰতৰ স্বাধীনতা সংগ্রামৰ বিভিন্ন পর্যায়সমূহ।
- হিন্দু-মুছলমান উভয় সম্প্রদায়ৰ মাজত গা কৰি উঠা সম্প্রদায়িক নীতিয়ে দেশ বিভাজনৰ পথ প্রশস্ত কৰিছিল।
- ১৮৫৭ চনতে আৰম্ভ হোৱা বৃটিছ বহিষ্কাৰ সংগ্রামে নব্বৈ বছৰীয়া স্বাধীনতা প্রাপ্তিয়ে অন্ত পেলালে।



১২.৮ প্রসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.n., Pradhan A.C (1996)

A *new advanced history of India, New Delhi, Prentice Hall of India*

2. Majundar, R.C. Roy Chandhury, H.C., Dutta, K (1996) An Adranced history *of India, New Delhi, Macnillan India Ltd.*
3. Grever, B.L, Mehta, Alaka (2011) *A New look at Mordern Indian History, New Delhi, C Chand & Company Ltd.*
4. Barerjee A.C (1985) *History of India,* Calcutta, A Mukhejee Co Pvt, Ltd.



১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ(ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ ৬ জুন, ১৯৪৬ চন।

৩ নং প্ৰশ্নৰ উত্তৰঃ ১০ জুলাই, ১৯৪৫ চন।

৪ নং প্ৰশ্নৰ উত্তৰঃ ১৬ আগষ্ট, ১৯৪৬ চন।

৫ নং প্ৰশ্নৰ উত্তৰঃ লৰ্ড মাউণ্ট বেটাণ্ট।

৬ নং প্ৰশ্নৰ উত্তৰঃ ৩ জুন, ১৯৪৭ চন।

৭ নং প্ৰশ্নৰ উত্তৰঃ ১৪ জুলাই, ১৯৪৭ চন।



১২.১০ আহি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ লেবাৰ পাৰ্টিৰ মুৰব্বী কোন আছিল?

প্ৰশ্ন ২ঃ কেবিনেট মিছন আঁচনিৰ সদস্যসকলৰ নাম লিখক।

প্ৰশ্ন ৩ঃ লৰ্ড মাউণ্ট বেটাণ্ট কেতিয়া ভাৰতলৈ আহে?

প্ৰশ্ন ৪ঃ অন্তৰ্তীকালীন চৰকাৰখন কাৰ তত্বাৱধানত গঠন হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কেবিনেট মিছন আঁচনিৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ২ঃ মাউণ্ট বেটাণ্ট আঁচনিৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয়সকলে কিয় আগষ্ট প্ৰস্তাৱ নাকচ কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰতবৰ্ষখন কিয় বিভাজন কৰা হ'ল? আলোচনা কৰক।

*** ***** ***



প্রসংগ গ্রন্থসমূহ

- Chanda Bipan (2012) *India's Struggle for Independence*, Penguin India, New Delhi.
- Chanda Bipan (1972) *Freedom Struggle*, National Book Trust, New Delhi.
- Chanda Satish (2009) *History of Medieval India*, Orient Blackswan, New Delhi.
- Dutta K. N. (2003) *Landmark of Freedom Struggle in Assam*, Lawyer's Book Stall, Panbazar.
- Tapar Romila (2003) *History of Early India from the Origins to AD 1300*, Penguin, New Delhi.
- N.C.E.R.T. Books of Class 12th Standard.